# সোণালী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

২০১৯-২০ বৰ্ষ

সোণালী জয়ন্তী বৰ্ষ সংখ্যা



সম্পাদক ঃ অনুপম শইকীয়া

## মহাবিদ্যালয়ৰ প্ৰাচীৰ প্ৰত্ৰিকাসমূহ




















## তুলিকাই কোৱা মনৰ কথা





ৰেখা শিল্পীসকল ঃ
নিলোৎপল শইকীয়া,
ধৰিত্ৰী ফুকন, অংকুৰিকা গগৈ

# সোণালী

বত্ৰিশ সংখ্যক

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ২০১৯-২০

সোণালী জয়ন্তী বৰ্ষ সংখ্যা

সশ্ৰদ্ধ প্ৰীতি আৰু আন্তৰিক শুভেচ্ছাৰে -

প্ৰতি.

..........................................................................................

..........................................................................................

অনুপম শইকীয়া

সম্পাদক

# সোণালী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ২০১৯-২০

সোণালী জয়ন্তী বৰ্ষ সংখ্যা

**মুখ্য পৃষ্ঠপোষক**
ড° বিমল চন্দ্ৰ গগৈ

**তত্ত্বাৱধায়ক উপদেষ্টা**
ড° ৰঘুনাথ কাগ্যুং

**উপদেষ্টা**
ড° পৰানন্দ কোঁৱৰ
ড° অনিতা কোঁৱৰ
শ্ৰীযুতা পদ্মাকুমাৰী গগৈ

**সম্পাদক**
অনুপম শইকীয়া

**সদস্য-সদস্যা**
নিলোৎপল শইকীয়া
মনীষা গগৈ
অভিজিত গগৈ


**প্ৰকাশক ঃ**
ছাত্ৰ একতা সভা, সোণাৰি মহাবিদ্যালয়, সোণাৰি

**প্ৰকাশ কাল ঃ**
২০২১ চন

**প্ৰচ্ছদ পৰিকল্পনা ঃ**
শ্ৰীযুত বিদ্যাৰ্থ বৰা

**প্ৰচ্ছদ অংকন ঃ**
নিলোৎপল শইকীয়া

**বেটুপাত, অক্ষৰ ৰোপণ, অলংকৰণ ঃ**
ডলফিন কম্পিউটাৰচ্, সোণাৰি
ফোন নং ঃ ৭০০২২৪৭৬৬২

**মুদ্ৰণ ঃ**
ডলফিন কম্পিউটাৰচ্, সোণাৰি

# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষসমূহত আমাৰ মাজৰ পৰা দেশ তথা সমাজৰ
বিভিন্ন দিশত অৱদান আগবঢ়াই পৰলোকগামী হোৱা বিশিষ্ট
ব্যক্তিসকললৈ ৩২ সংখ্যক সোণালী জয়ন্তী সংখ্যা
"সোণালী"ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।



# উছৰ্গা



**প্ৰয়াত সুৰেশ চন্দ্ৰ দাস**

জন্ম ঃ ১ ফেব্ৰুৱাৰী ১৯৪০

মৃত্যু ঃ ১৫ ছেপ্টেম্বৰ ২০২০



**প্ৰয়াত মুহিধৰ চেতিয়া**

জন্ম ঃ ১ মাৰ্চ ১৯৬৫

মৃত্যু ঃ ১৬ ছেপ্টেম্বৰ ২০২০



**প্ৰয়াত শৰৎ বসুমতাৰী**

জন্ম ঃ ৩১ আগষ্ট ১৯৬৮

মৃত্যু ঃ ২৩ ছেপ্টেম্বৰ ২০২০

সোণাৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত সুৰেশ চন্দ্ৰ দাস,
গণিত শাস্ত্ৰ বিভাগৰ মূৰব্বী অধ্যাপক প্ৰয়াত মুহিধৰ চেতিয়া আৰু
জীৱ বিজ্ঞান বিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী প্ৰয়াত শৰৎ বসুমতাৰীৰ
আত্মাৰ সদ্‌গতি কামনাৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা
জনোৱাৰ লগতে ৩২ সংখ্যক সোণালী জয়ন্তী
সংখ্যা 'সোণালী' উছৰ্গা কৰিলো।

# মহাবিদ্যালয় সংগীত

ৰচনা আৰু সুৰ ঃ ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই



সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ,
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদূৰি
হৰষে উপচাওঁ ধৰা,
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।।

সৃষ্টিৰ কঠিয়া আহাঁ গুজি দিওঁ
আমাৰ মনৰ পথাৰতে
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।।

# অসম সাহিত্য সভা

১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত

পঞ্জীয়ন নং যো১/২৩৮/ডি/১৪

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▶ (০৩৭৬)২৩২০৩৭৬

গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ▶ (০৩৬১)২৫১৫৮৩০

ডিফু কাৰ্যালয় ঃ বাংছিনা ভৱন, ডিফু - ৭৮২৪৬০ ▶ (০৩৬৭১)২৭২৫৯০ ■ ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▶ (০৩৬৬২)২৩২৫২৮

ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ▶ (০৩৭৩)২৩১৫১২৮

শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১ ফেক্স- (০৩৮৪)২২৬৩৭৯৭ ■ উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ- ৭৮৭০০১

নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী তোদী স্মৃতি ভৱন, মহিচন্দ্ৰ বৰা পথ, নগাঁও- ৭৮২০০১

জালাহ আঞ্চলিক কাৰ্যালয়, অচ্যুত-নিবেদিতা মেধি ভৱন, জালাহ, জালাহঘাট- ৭৮৩২৭ ■ মঙলদৈ আঞ্চলিক কাৰ্যালয়, সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং- ৭৮৪১২৫

Website:www.asamsahityasabha.org ■ E-mail-asam.sahitya.sabha@gmail.com


## শুভেচ্ছাবাণী

*চৰাইদেউ জিলাৰ সোণাৰি মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'সোণালী'ৰ ২০১৯-২০ সংখ্যাটি প্ৰকাশৰ পথত বুলি জানিব পাৰি মই সুখী।*

*কোনো এখন শিক্ষানুষ্ঠানৰ বছৰেকীয়া আলোচনীত সেই শিক্ষানুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰী আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চেতনাৰ প্ৰতিফলন ফুটি উঠে। 'সোণালী'ৰ সমাগত সংখ্যাত তাকেই দেখা পাম বুলি আশা কৰিলোঁ। লগতে, আলোচনীখন সুন্দৰভাৱে প্ৰকাশ হৈ পাঠক সমাজৰ সমাদৰ অৰ্জন কৰক—এই কামনাৰে মই সম্পাদনা সমিতি আৰু মহাবিদ্যালয়খনৰ বৃহত্তৰ পৰিয়ালটিৰ আটাইলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।*

*।। চিৰ চেনেহী মোৰ ভাষা জননী ।।*

(ড° কুলধৰ শইকীয়া)

সভাপতি

অসম সাহিত্য সভা

গুৱাহাটী, ০৭ এপ্ৰিল, ২০২১ খ্ৰীষ্টাব্দ

জয় আই অসম

# সদৌ অসম ছাত্ৰ সন্থা
# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014

প্ৰসঙ্গ ঃ

দিনাংক ঃ ২৪/০৯/২০২১

## শুভেচ্ছা বাণী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "**সোণালী**" প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় সন্তোষিত হৈছো।

আলোচনীখনেই হৈছে মহাবিদ্যালয়ৰ শৈক্ষিক, বৌদ্ধিক, সাহিত্য-সংস্কৃতিৰ চিন্তা-চৰ্চাৰ প্ৰসাৰ আৰু প্ৰতিভা বিকাশৰ প্ৰধান মঞ্চ।

আশা কৰো মুখপত্ৰ "**সোণালী**"ত প্ৰকাশ হ'বলগীয়া লিখনিসমূহেও শৈক্ষিক সমস্যাৱলীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।

মহাবিদ্যালয়খনৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জনালোঁ।

শেষত আলোচনীখন সকলোৰে মনোগ্ৰাহী তথা প্ৰতিটো প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হওঁক। তাৰ শুভকামনাৰে........

(দীপাংকৰ কুমাৰ নাথ)
সভাপতি

(শংকৰজ্যোতি বৰুৱা)
সাধাৰণ সম্পাদক

।। সদৌ অসম ছাত্ৰ সন্থা।।

**Topon Kumar Gogoi**
MEMBER OF PARLIAMENT
(LOK SABHA)
12 No. Jorhat, HPC, Assam
Member
Standing Committee on
Petroleum and Natural Gas
Member
Consultative Committee
For Ministry of Power,
New & Renewable Energy

सत्यमेव जयते

Off. Add. 127-129
South Avenue
New Delhi-110001
Ph. 01123012123
Mob. 9435012570

Ref. শুভেচ্ছাবানী/৪১-২০২১

Date ১৬/০৭/২০২১



# শুভেচ্ছা বাণী

ঐতিহাসিক চৰাইদেউ জিলাৰ এক উল্লেখযোগ্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ৩২ সংখ্যক সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "সোণালী" প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো। ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে প্ৰতিষ্ঠা লাভ কৰা এই সোণাৰি মহাবিদ্যালয় খনিয়ে বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক প্ৰতিভাৰ লগতে ব্যক্তিগত প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো এক উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে; যিখন মহাবিদ্যালয়ত ছাত্ৰ হিচাপে অধ্যয়ণ কৰিবলৈ পাই মই নিজেও সদায় গৌৰৱবোধ কৰোঁ।

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিবছৰৰ দৰে এইবাৰো ৩২ সংখ্যক বাৰ্ষিক মুখপত্ৰ "সোণালী" প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভাসমূহ ৰাইজৰ আগত দাঙি ধৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিলোঁ। শেষত মুখপত্ৰ খনিত মহাবিদ্যালয়ৰ ইতিহাস আৰু শৈক্ষিক দিশসমূহ সুন্দৰভাৱে উপস্থাপন হোৱাৰ লগতে মুখপত্ৰ খনি মহাবিদ্যালয়খনিৰ ইতিহাসৰ সাক্ষী হৈ ৰ'ব বুলি আশা কৰিলোঁ।

বিনীত

(তপন কুমাৰ গগৈ)
সাংসদ
১২ নং যোৰহাট লোকসভা সমষ্টি

**Binita Pegu, IAS,**
**Deputy Commissioner,**
**Charaideo**

**Government of Assam,**
Office of the Deputy Commissioner,
Charaideo, Assam

## শুভেচ্ছাবাণী

চৰাইদেউ জিলাৰ এক উল্লেখনীয় শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয় খনে জন্মলগ্নৰে পৰা জিলাখনৰ শৈক্ষিক দিশত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে । মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত **"সোণালী (২০১৯-২০)"** বাৰ্ষিক আলোচনীখনি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি নথৈ আনন্দিত হৈছোঁ । আলোচনীখনে মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী সকলৰ প্ৰতিভা বিকাশত অৰিহনা তথা প্ৰেৰণা যোগাব বুলি মই আশাবাদী ।

শেষত, মহাবিদ্যালয়খনৰ সমূহ শিক্ষাৰ্থীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি আলোচনী খনিৰ সৰ্বাঙ্গীন সফলতা কামনা কৰিলো ।

তাৰিখঃ- ২৭ চেপ্তেম্বৰ, ২০২১ ।

(বিনীতা পেগু, অ.প্ৰ.সে.)
উপায়ুক্ত, চৰাইদেউ

# কৃতজ্ঞতা


- মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ আৰু উপাধ্যক্ষ শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱাদেৱলৈ।
- "সোণালী"ৰ সমূহ লেখক-লেখিকালৈ।
- "সোণালী"ৰ মুখ্য পৃষ্ঠপোষক ড° বিমল চন্দ্ৰ গগৈদেৱ আৰু তত্ত্বাৱধায়ক উপদেষ্টা ড° ৰঘুনাথ কাগ্‌য়ুংদেৱলৈ।
- "সোণালী"ৰ উপদেষ্টাত্ৰয় - ড° পৰানন কোঁৱৰদেৱ, ড° অনিতা কোঁৱৰ বাইদেউ আৰু শ্ৰীযুতা পদ্মাকুমাৰী গগৈ বাইদেউলৈ।
- ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীবৃন্দলৈ।
- ডলফিন কম্পিউটাৰচ্‌ৰ সমূহ কৰ্মকৰ্তালৈ।




ড° বিমল চন্দ্ৰ গগৈ

অধ্যক্ষ




শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা

উপাধ্যক্ষ

# “সোণালী”ৰ সম্পাদনা সমিতি



ড° বিমল চন্দ্ৰ গগৈ
মুখ্য পৃষ্ঠপোষক



ড° ৰঘুনাথ কাগয়ুং
তত্ত্বাৱধায়ক উপদেষ্টা



ড° পৰানন কোঁৱৰ
উপদেষ্টা



ড° অনিতা কোঁৱৰ
উপদেষ্টা



শ্ৰীযুতা পদ্মাকুমাৰী গগৈ
উপদেষ্টা



অনুপম শইকীয়া
সম্পাদক



নিলোৎপল শইকীয়া
সদস্য



মনীষা গগৈ
সদস্যা



অভিজিত দাস
সদস্য

# অধ্যক্ষৰ একলম

ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ,
সোণাৰি মহাবিদ্যালয়




সোণাৰি মহাবিদ্যালয়ৰ ইতিহাস ২০১৯-২০২০ বৰ্ষটোৱে এক বিশেষ গুৰুত্ব বহন কৰিছে। কিয়নো ১৯৭০ চনতে স্থাপন হোৱা মহাবিদ্যালয়খনে এই বৰ্ষতেই ৫০ বছৰত ভৰি দিলে। মহাবিদ্যালয় পৰিয়ালৰ লগতে গোটেই সোণাৰি অঞ্চলৰ স্থানীয় ৰাইজ গোট খাই এই বৰ্ষটো সোণালী জয়ন্তী বৰ্ষ ৰূপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে সকলোৰে সহযোগিতা সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠানটি অতি উলহ মালহেৰে দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিকে প্ৰমুখ্য কৰি সকলো শুভাকাংক্ষী ৰাইজ, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচী ৰূপায়নৰ বাবে প্ৰচেষ্টা হাতত ল'লে। মহাবিদ্যালয়ৰ নিয়মীয়া শৈক্ষিক পৰিৱেশ অটুত ৰাখি সোণালী জয়ন্তীৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তেই কেইবাটাও সমস্যাৰ সন্মুখীন হ'ব লগা হ'ল।

এই বৰ্ষটোত প্ৰথমে CAB আৰু তাৰ পাছত CAA বিৰোধী আন্দোলনে অসমৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষা আহৰণ প্ৰক্ৰিয়াটোকে কিছু পৰিমাণে স্থবিৰ কৰি তোলে। লগে লগে সোণালী জয়ন্তীৰ কাৰ্যসূচীসমূহ ৰূপায়নৰ ক্ষেত্ৰত তীব্ৰ বাধাৰ সন্মুখীন হ'ব লগা হয়। এই সমস্যাৰ মাজেদি যেনে-তেনে আগবাঢ়িব খোজাৰ সময়তে পুনৰ এক জটিল সমস্যাৰ উদ্ভৱ হয়। সমগ্ৰ বিশ্বক কঁপাই তোলা ক'ৰোনা মহামাৰীত ভাৰত তথা অসমতো প্ৰাদুৰ্ভাৱ হয়। ফলস্বৰূপে ২০২০ চনৰ ২৫ মাৰ্চৰ পৰা সম্পূৰ্ণ "তলাবন্ধ" আৰম্ভ হয়। সকলো মানুহ গৃহবন্দী হৈ পৰে। শিক্ষা-দীক্ষা, বেহা-বেপাৰ, চাকৰি, খেতি-বাতি সকলো বন্ধ কৰি কেৱল নিজৰ প্ৰাণ ৰক্ষাৰ বাবে চৰকাৰে সকলোকে আহ্বান জনালে। সকলো জনসাধাৰণে ক'ৰোনা মহামাৰীৰ পৰা পৰিত্ৰাণ পাবলৈ মুখত মাস্ক, হাতত ছেনিটাইজাৰ লগাই কেৱল দালি-ভাত খাই ঘৰতে সোমাই থাকিবলৈ অভ্যাস কৰিলে।

মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু

ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত সোণাৰি মহাবিদ্যালয়ৰ হৈ আমি ক'ৰোনা মহামাৰীৰ বিৰুদ্ধে কিছু পদক্ষেপ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লওঁ। এই ক্ষেত্ৰত প্ৰথমে মহাবিদ্যালয়ৰ ওচৰতে থকা চাহ বাগিছাসমূহত ক'ৰোনা মহামাৰীৰ বিষয়ে কেইবাখনো সজাগতা সভা পাতি মাস্ক, হেণ্ডৱাছ, ছেনিটাইজাৰ আদি বিতৰণ কৰা হয়। উল্লেখযোগ্য যে ছেনিটাইজাৰখিনি আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ অধ্যাপকসকলে তৈয়াৰ কৰি নিজে আমাৰ লগত বিতৰণ কৰিবলৈ গৈছিল। ইয়াৰ পাছতে আমাৰ শিক্ষক তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু NSSৰ সহযোগত মহাবিদ্যালয়ৰ চৌহদ, গোটেই সোণাৰি নগৰ এলেকা, টিয়ক, জৰকা, সোণাৰি, নাফুক, চক্ৰাই, বৰাহী আদি বাগিছাসমূহতো ছেনিটাইজেছন কৰা হয়। এই ছেনিটাইজেছন আৰু সজাগতা সভাই সোণাৰি অঞ্চলটোত ক'ৰোনা মহামাৰীৰ প্ৰাদুৰ্ভাৱ কম কৰি ৰখাত যথেষ্ট অৰিহণা যোগায়। এই দুয়োটা কাৰ্যসূচীত উপস্থিত থাকি সমাজৰ হকে কিবা এটা কৰিব পাৰি কিছু হ'লেও নিজে তৃপ্তি অনুভৱ কৰিছিলো। মৃত্যুভয়, বিভীষিকাৰ মাজত মানৱ অস্তিত্বক উপলব্ধি কৰাৰ যেন এক অৱকাশ পাইছিলো।

সম্পূৰ্ণ 'তলাবন্ধ' অব্যাহত থকাত ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনা, খেলা-ধূলা, ফুৰা-চকা সকলো বন্ধ হৈ পৰাত মানসিকভাৱে ভাগি নপৰিবলৈ ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই অনুষ্ঠিত কৰা এক অনুষ্ঠানত অংশ গ্ৰহণ কৰি অধ্যক্ষ হিচাপে মই কিছু পৰামৰ্শ আগবঢ়াইছিলো। বন্ধৰ সময়ছোৱাত কিদৰে পঢ়া-শুনাৰ লগতে ঘৰৰ ভিতৰতে অন্যান্য কাম কৰি সময় অতিবাহিত কৰিব পাৰি তাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰিছিলো। পিছলৈ আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ সক্ৰিয় সহযোগত অনলাইন পাঠদানৰ ব্যৱস্থা কৰা হয়। এই অনলাইন পাঠদানৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হয়। তলাবন্ধৰ সময়ছোৱাত মহাবিদ্যালয়ৰ অসমীয়া (২খন), ইংৰাজী, বুৰঞ্জী, শিক্ষা, পদাৰ্থ বিজ্ঞান আৰু ৰাজনীতি বিজ্ঞান বিভাগসমূহে মুঠ ৭ (সাত) খন "ৱেবিনাৰ" অনলাইন যোগে অনুষ্ঠিত কৰি শৈক্ষিক উৎকৰ্ষ সাধন প্ৰক্ৰিয়া অব্যাহত ৰখাত অৰিহণা যোগায়। তদুপৰি আমাৰ মহাবিদ্যালয়ৰ দুয়োটা হোষ্টেল, প্ৰায় সকলো শ্ৰেণীকোঠা কোৱাৰেণ্টাইন চেণ্টাৰ ৰূপে ব্যৱহাৰ কৰি জিলা প্ৰশাসন যথেষ্ট উপকৃত হয়। পোহৰ, পানী যোগানৰ ব্যৱস্থা থকা হেতুকে কোৱাৰেণ্টাইনত থকা ব্যক্তিসকলে যথেষ্ট কম অসুবিধাৰ সন্মুখীন হয়।

যিকি নহওঁক ২০২০ চনৰ ছেপ্টেম্বৰৰ পৰা অলপ অলপকৈ অফলাইন পাঠদান আৰু পিছত পৰীক্ষা অনুষ্ঠিত হয়। এই পৰীক্ষাবোৰত ছাত্ৰ-ছাত্ৰীসকলে ভাল ফলাফল দিবলৈ সক্ষম হয়। অৱশেষত ক'ৰোনাৰ প্ৰকোপ কমিল আৰু প্ৰতিষেধক ছিটা ওলাল। অৱশ্যে এই মহামাৰীয়ে আমাক বহু কথাই শিকাই থৈ গ'ল। প্ৰথমতে, আমি উপলব্ধি কৰিলো যে আমি জীৱশ্ৰেষ্ঠ মানুহ হ'লেও সাধাৰণ এটা ভাইৰাচেই আমাৰ অস্তিত্ব নাইকীয়া কৰিব পাৰে। গতিকে, অহংকাৰ ত্যাগ কৰি নিজৰ কৰ্তব্য পালনতে আমি গুৰুত্ব দিয়া উচিত। দ্বিতীয়তে, তলাবন্ধই এটা কথাই আমাক জনালে যে আমি আমাৰ লাগতিয়াল, নিত্য ব্যৱহাৰ্য সামগ্ৰীসমূহ নিজেই ঘৰতে উৎপাদন কৰিব লাগে। আমি পৰমুখাপেখী হৈ জীয়াই থকা অনুচিত। তৃতীয়তে, আমি গম পালো যে জাতি, ধৰ্ম, বৰ্ণ, ধনী, দুখীয়া সকলো পাহৰি সকলো মানুহৰ মাজত শান্তি-সম্প্ৰীতি অটুত ৰাখি এক হৈ থাকিলেহে এই পৃথিৱীত জীয়াই থকাৰ যোগ্যতা অৰ্জন কৰিব পৰা যাব। চতুৰ্থতে, আমি উপলব্ধি কৰিলো যে বিপদত পৰিলে ভয়ত আতংকিত হৈ থৰ কাচুতি হেৰুৱাব নালাগে। ইয়াৰ বিপৰীতে সকলো এক হৈ অসীম ধৈৰ্য আৰু সাহসেৰে সাৱধানতা অৱলম্বন কৰি মুখা-মুখি হ'ব লাগে। পঞ্চমতে, আমি শিকিলো যে বিপদৰ সময়ত এজনে আনজনক সহায় কৰিবলৈ আগবাঢ়ি আহিব লাগে। কাৰণ বিপদ সকলোৰে বাবে আহে।

সদৌ শেষত মহাবিদ্যালয়ৰ আলোচনী "সোণালী"ৰ এই সংখ্যাটি সময় মতে প্ৰকাশ কৰিবলৈ দেহে-কেহে খাটি সম্পাদকগৰাকীয়ে আলোচনীখন সম্পাদনা কৰি উলিওৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে লাগি থকা আলোচনী শাখাৰ তত্ত্বাৱধায়কৰ লগতে সকলো কৰ্মকৰ্তালৈ শুভেচ্ছা জনাই অধ্যক্ষৰ একলম ইয়াতে সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়।

....................

# সম্পাদকীয়





আৰম্ভণিতে, বিশ্বত্ৰাস মহামাৰী কাল ক'ৰোনাই প্ৰাণ লোৱা বিশ্বৰ প্ৰত্যেকগৰাকী লোকলৈ শ্ৰদ্ধা নিবেদিছো।

চীন ৰাষ্ট্ৰত উদ্ভৱ হোৱা ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণে সমগ্ৰ বিশ্বজুৰি এক ত্ৰাসৰ সৃষ্টি কৰিছে। বিজ্ঞানৰ চূড়ান্ত শিখৰত উপনীত হোৱাৰ পাছতো আজি বিশ্ব এই মহামাৰীৰ কোলাত আত্মসমৰ্পণ কৰিবলৈ বাধ্য। সৌ তাহানিৰ চাৰ্লচ ডাৰউইনৰ "Origin of Species" গ্ৰন্থৰ "Survival of the fittest" নীতিতে বিশ্ব পৰিচালিত হৈ আহিছে। সময়ে সময়ে মহামাৰী বা প্ৰাকৃতিক ! মানৱ সৃষ্ট দুৰ্যোগে কোবাই অহা পৃথিৱী ক্ৰমাৎ অসুস্থ গ্ৰহলৈ ঢাল খাব ধৰিছে। তাৰেই ইংগিত বহনকাৰী ক'ভিড-১৯ক আমি অস্বীকাৰ কৰিব নোৱাৰো। তথাপিও মানৱ জাতিৰ অগ্ৰগতিৰ এই ধাৰাক জানো কালান্ধৰে প্ৰত্যাহ্বান জনাবলৈ সক্ষমহৈছে। দিনৰ পাছত দিন ধৰি মানুহে উন্নয়নৰ উন্মাদনাৰ ব্যস্ততাতেই আতুৰ হৈ আছে।

মানুহে জীৱন জোৱা প্ৰশান্তি আৰু সুখৰ সন্ধানেৰে জীৱন ব্যাপ্ত কৰে, উছৰ্গা কৰে। সেই আটাইতকৈ উমেহতীয়া, আছুতীয়া, আভ্যন্তৰীণ পৰম-প্ৰশান্তি বাবে শব্দৰ গইনাত অৰ্জন কৰিবলৈ এচাম মানুহে ভাল পায়। শব্দক ব্ৰহ্মজ্ঞান কৰি এই সাধনাতেই আজীৱন সাধক হিচাপে পথ প্ৰশস্ত কৰি লয়। তেওঁলোকৰ বাবে এটাই জীৱনৰ মন্ত্ৰণা সেয়া হ'ল- "সাহিত্যই জীৱনৰ অমিয়া। ভাষা এটাৰ নান্দনিক অভিব্যক্তিয়ে হৈছে সাহিত্য। সেয়ে ক'ব পাৰি যে এই নন্দনতাত্ত্বিক শিল্পৰ বাবে শিল্পীসকলে মনোজগতৰ নিভৃত কোণৰ পৰা কিছুমান শব্দৰ পাপৰি প্ৰস্ফুটিত ঘটাই দস্তাবেজক নিৰ্মাণ কৰে। তেনেকৈয়ে একো একোটা নতুন সভ্যতা সৃষ্টিৰ প্ৰতি সময়ে সময়ে আগবাঢ়ে।

এই সাহিত্যৰ দলিলসমূহ প্ৰকাশিত হৈ আহিছে গ্ৰন্থ, আলোচনী ইত্যাদিত। সাধাৰণতে এগৰাকী ব্যক্তিৰ চিন্তাক্লেশ বোধিদ্ৰুমৰ প্ৰতিফলিত হয় আৰু এখন আলোচনীত সাহিত্য অনুৰাগী এচাম ব্যক্তিৰ শাব্দিক ভাস্কৰ্যত আলোচনীখন প্ৰাণ পাই উঠে। আমাৰ সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী'খনেও তাৰেই যেন এক প্ৰতিফলন কঢ়িয়াই আনিছে। মহাবিদ্যালয়ৰ বৌদ্ধিক তথা চিন্তা বিপ্লৱৰ সূচনা আনিবলৈ প্ৰয়াস কৰা আলোচনীখনৰ সৈতে জড়িত শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশৰ গভীৰতা ইয়াৰ মাধ্যমেৰে বহিঃপ্ৰকাশ ঘটে।

ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হোৱাৰ হেঁপাহ এটা মহাবিদ্যালয়ত ভৰি দিয়াৰ পৰাই পুহি ৰাখিছিলো। এই আশাতেই সোণাৰি মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াওঁ আৰু ছাত্ৰ সমাজৰ ভোটিং নিৰ্দেশত ২০১৯-২০ বৰ্ষত ছাত্ৰ-একতা সভাৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰা সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ, ভাইটি-ভণ্টি, সহপাঠীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে যিমান উৎফুল্লিত হৈছিলো, সমান্তৰালভাৱে দায়িত্বভাৰ পালন কৰাত দায়বদ্ধ আছিলো। আলোচনী সম্পাদক হোৱাৰ পিছতেই ছাত্ৰ-ছাত্ৰীৰ সাহিত্য দিশটো বিকাশ কৰাৰ মানসেৰে দৈনিক প্ৰাচীৰ-পত্ৰিকা 'আজিৰ লেখা' পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত ব্যৱস্থা কৰিছিলো। প্ৰত্যেক দিনাই নতুন নতুন লেখা এই দৈনিক প্ৰাচীৰ পত্ৰিকাত প্ৰকাশ পাইছিল। ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা দেখি যথেষ্ট সাহস পোৱাৰ লগতে আনন্দিত হৈছিলো। কিন্তু ক'ৰোনা মহামাৰীৰ বাবে মহাবিদ্যালয়সমূহ বন্ধ হৈ যোৱাত আমি লক্ষ্যত উপনীত হ'ব নোৱাৰিলো। আশা কৰিছো পৰৱৰ্তী ছাত্ৰ একতা সভাই শিক্ষাৰ্থী সমাজৰ বৌদ্ধিক দিশটোৰ প্ৰতি লক্ষ্য ৰাখি দৈনিক প্ৰাচীৰ পত্ৰিকাখন পুনৰ চলিত কৰাই যেন।

সম্পাদকৰ দায়িত্বভাৰ লৈয়েই দৈনিক প্ৰাচীৰ পত্ৰিকাখনি ব্যৱস্থা কৰাৰ কেইমাহমানৰ পাছত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। ক্ৰীড়া সপ্তাহতে মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা "প্ৰত্যয়" সম্পাদনা কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো।

"প্ৰত্যয়" সম্পাদনা কৰাৰ পিছতে "সোণালী"ৰ বাবে পৰিকল্পনাবোৰ ৰচি গ'লো। সৰ্বপ্ৰথমে অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক লৈ "সোণালী" প্ৰকাশৰ আঁচনিৰ বাবে এখন সভা অনুষ্ঠিত কৰিছিলো। তাৰ পাছতে লেখা বিচাৰি জাননী প্ৰকাশ কৰিবলৈ লওঁতেই ক'ৰোনা মহামাৰীৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়সমূহ বন্ধ হ'ল। তথাপিও ম'বাইল ফোনৰ জৰিয়তে হ'লেও ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ চেষ্টা কৰিলোঁ। পুনৰ মহাবিদ্যালয়সমূহ খোলাত আকৌ লেখা বিচাৰি জাননী দিলো। বহু ছাত্ৰ-ছাত্ৰীয়ে আলোচনীৰ বাবে লেখনি দিলে। লেখনিসমূহ ভিন্ন বিষয়ৰ লগতে অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাৰ আছিল। লেখনিসমূহত প্ৰবন্ধ, কবিতাৰ লগতে নাটক, উপন্যাসিকা, লিমাৰিক আদিও আছিল। ভাল লাগিল ছাত্ৰ সমাজৰ সাহিত্যৰ প্ৰতি স্পৃহা দেখি লগতে শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লেখা দুটামান লৈ আলোচনীখন প্ৰকাশ কৰিবলৈ আগবাঢ়িলো। অৱশ্যে সাক্ষাৎকাৰৰ ক্ষেত্ৰত প্ৰাক্তন "সোণাৰিয়ান" সদ্য ঘোষিত এ. পি. এচ. চি. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰী কাব্যশ্ৰী দিহিঙ্গীয়া আৰু প্ৰাক্তন "সোণাৰিয়ান" প্ৰতিষ্ঠিত সংগীত পৰিচালক দীৰ্ঘজ্যোতি দত্তৰ সাক্ষাৎকাৰ আলোচনীখনিত সন্নিবিষ্ট কৰা হ'ল।

মানুহ মাত্ৰেই ভুল হয়। আলোচনীখন প্ৰকাশৰ বাটত মোৰ যদি অনিচ্ছাকৃতভাৱে কিবা ভুল-ভ্ৰান্তি ৰৈ গৈছে তেন্তে আমি আপোনালোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

ঐতিহ্যমণ্ডিত জ্ঞান মন্দিৰ সোণাৰি মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক পদবীৰ স্থান পাই মই সঁচাকৈয়ে গৌৰৱ অনুভৱ কৰিছোঁ। লগতে ছাত্ৰ একতা সভাত থাকি মহাবিদ্যালয়ৰ হকে কাম কৰি বহু নজনা কথাৰ জ্ঞান লাভ কৰাৰ লগতে নেতৃত্ব

আৰু ব্যক্তিত্ব বিকাশত মোৰ যথেষ্ট সহায়ক হৈছিল। বিশেষকৈ আলোচনীখন প্ৰকাশ কৰিবলৈ যাওঁতে বহুতো কথা জানিব পাৰিছিলো। আলোচনীখন সময়মতে প্ৰকাশ কৰাত মোক সহায় কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক মহোদয় তথা শ্ৰদ্ধাৰ ড° পৰানন কোঁৱৰ, ড° অনিতা কোঁৱৰ, শ্ৰীযুতা পদ্মাকুমাৰী গগৈ, ড° ৰীতা দত্ত, শ্ৰীমতী ৰেখামণি গগৈ, শ্ৰীযুত বিদ্যাৰ্থ বৰা, শ্ৰীযুত নৱজ্যোতি দত্ত চাৰ-বাইদেউকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টি, সহপাঠী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

"সোণালী"লৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰি সমৃদ্ধ কৰা অসম সাহিত্য সভাৰ শ্ৰদ্ধা সভাপতি মহোদয়, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক মহোদয়, যোৰহাট লোকসভা সমষ্টিৰ মাননীয় সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈদেৱ আৰু চৰাইদেউ জিলাৰ উপায়ুক্ত মহোদয়া বাইদেউলৈ এই আপাহতে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

অতি ব্যস্ততাৰ মাজতো "সোণালী"ৰ বাবে সাক্ষাৎকাৰ গ্ৰহণ কৰিবলৈ সময় আৰু সুবিধা প্ৰদান কৰি কৃতাৰ্থ কৰাৰ বাবে শ্ৰীমতী কাব্যশ্ৰী দিহিঙ্গীয়া আৰু শ্ৰীযুত দীৰ্ঘজ্যোতি দত্তদেৱলৈ অলেখ শুভকামনা যাচিলো।

শেষত "সোণালী"ক সুন্দৰভাৱে সজাই-পৰাই প্ৰকাশৰ সকলো ব্যৱস্থা কৰাৰ বাবে ডলফিন কম্পিউটাৰচ্‌ৰ স্বত্বাধিকাৰী তথা কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জনালো।

শেষত "সোণালী"ৰ দীৰ্ঘায়ু কামনা কৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"।

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"।

অনুপম শইকীয়া
সম্পাদক,
আলোচনী বিভাগ
সোণাৰি মহাবিদ্যালয়

# সূচীপত্ৰ


| | | |
|---|---|---|
| মহাবিদ্যালয়ত পছন্দ-ভিত্তিক মান ব্যৱস্থা আৰু ছাত্ৰ-শিক্ষকৰ দায়বদ্ধতা | - দিলীপ ৰঞ্জন বৰুৱা | - ১৯ |
| প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱৰ ব্যক্তিগত জীৱনত এভুমুকি | - ৰীণা বৰঠাকুৰ | - ২১ |
| যুৱ প্ৰজন্মৰ আশা আৰু হতাশা | - যতীন্দ্ৰ নাথ শইকীয়া | -২৪ |
| পৰিক্ৰমা | - বিতোপন বৰুৱা | - ২৬ |
| Value Based Education and Contribution of Educational Values | - Dr. Pronita Kalita | - ২৮ |
| TEACHING ENGLISH IN THE MULTILINGUAL CLASSROOM | - Dr. Deepanjali Gogoi | - ২৮ |
| Covid-19 and Online Learning | - Dr. Anita Konwar | - ৩১ |
| Importance of quality higher education in North-East India | - Miss Rekhamoni Gogoi | - ৩৪ |
| A Brief History of Postcolonial Literature | - Jebin Sultana | - ৩৭ |
| History of English Literature : From Anglo-Saxon to Restoration | - Nabajyoti Dutta | - ৩৮ |
| Cyber Security: Issues and Challenges | - Deepjyoti Borah | - ৪১ |
| মাতৃভাষাই এটা জাতিৰ পৰিচয় বহন কৰে | - মুনমী চেতিয়া | - ৪২ |
| প্ৰাচীন ভাৰতৰ বুৰঞ্জীৰ সমলসমূহ | - অৱন্তী গগৈ | - ৪৩ |
| শ্ৰীৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ | - অনুৰাধা ঠাকুৰ | - ৪৫ |
| 'সাংবিধানিক পৰিগণ্ডিত নাৰীৰ মৰ্যাদা' | - ৰুপালী গগৈ | - ৪৬ |
| নাৰী নিৰ্যাতন আৰু প্ৰতিৰোধৰ বাবে ল'ব্লগীয়া আমাৰ ভূমিকা | - অংকুৰ শইকীয়া | - ৪৭ |
| যুৱসমাজত মাদক দ্ৰব্য (ড্ৰাগছ)ৰ প্ৰভাৱ | - দুলুমণি চেতিয়া | - ৫০ |
| যুৱ উশৃংখলতাক কেনেদৰে ৰোধিব পাৰে | - কণিকা শৰ্মা | - ৫১ |
| অন্ধবিশ্বাস আৰু বৰ্তমানৰ সমাজ ব্যৱস্থা | - ভাগ্যলক্ষী নেওগ | - ৫২ |
| পৰিৱেশ | - উৎপল বৰগোহাঁই | - ৫৩ |
| শৰৎ কাল | - বৰ্ণালী কোঁৱৰ | - ৫৪ |

| | | |
|---|---|---|
| সৌন্দৰ্যৰ আন এক নাম শৰৎ | - ৰুমি চন্দ | - ৫৫ |
| পৃথিৱী আৰু ইয়াত থকা জীৱৰ বিকাশক্ৰম | - লোহিত ঠাকুৰ | - ৫৬ |
| নেট নিউট্ৰিলিটি | - ৰাণী সোনোৱাল | - ৫৮ |
| হিমালয়ৰ আৱিৰ্ভাৱ | - পাপৰি বৰুৱা | - ৫৯ |
| সফল জীৱন লাভ কৰিবলৈ প্ৰথম প্ৰভাত | - ৰীতামণি বৰগোহাঁই | - ৬০ |
| 'কষ্টকৰ জীৱন সঁচাই সুন্দৰ' | - ৰিতুমণি ফুকন | - ৬১ |
| মানসিক বিষাদগ্ৰস্ততা (Depression) - সংগ্ৰাহক | - দিব্যাদেৱী লাহন | - ৬২ |
| অন্তহীন অপেক্ষা | - নৱপল্লিকা দত্ত | - ৬৪ |
| বৃদ্ধাশ্ৰম | - নীলাক্ষি সন্দিকৈ | - ৬৫ |
| বন্ধুত্ব আৰু ইয়াৰ মূল্য | - মৌচুমী বসুমতাৰী | - ৬৬ |
| জীৱন, ৰং, সুখ, সাফল্য আৰু আশাবাদ ইত্যাদি | - স্তুতি গগৈ | - ৬৭ |
| ইয়াত সুখত আছো মা | - নেহা পাৰবিন | - ৭০ |
| জীৱনৰ অন্যতম এক অভিজ্ঞতা | - য়ে হম পাংয়ুক | - ৭১ |
| অসমৰ মুখাশিল্প | - কশ্মিতা খনিকৰ | - ৭৫ |
| অনলাইন ক্লাচ আৰু শিক্ষাৰ্থী | - লাৱণ্য দাস | - ৭৬ |
| Corona Virus & It's Lessons | - Parishmita Phukon (Rowd Ragini) | - ৭৭ |
| Assam the State of Hill and River | - Nashima Hussain | - ৭৮ |
| Time Management | - Sarupa Tamuli | - ৭৯ |
| Travelling is necessary | - Dharitree Phukon | - ৮০ |
| How Corruption Effects Indian Economy | - Simron Kour | - ৮১ |
| भारत मे महिलाओ की स्थिति | - मो. आशिफ राजा | - ৮২ |
| বানান কৰি পঢ়া নহ'ল উশাহৰ আখৰবোৰ | - ড° ৰঘুনাথ কাগয়ুং | - ৮৪ |
| ফাগুনৰ গান | - ড° ৰীতা দত্ত | - ৮৫ |
| প্ৰতিশ্ৰুতি | - মিনালী বড়া | - ৮৫ |
| পৰিবৰ্তন | - দুবৰী গগৈ | - ৮৬ |
| বিষাদ | - পূৰৱী গগৈ | - ৮৬ |
| স্বাগতম সোণালী | - অনামিকা গগৈ | - ৮৬ |
| নৃশংস মানৱতা | - পলাশ প্ৰতিম আদিত্য | - ৮৭ |
| আচহুৱা পথৰুৱা প্ৰেমিক | - পাৰ্থপ্ৰতিম আৰন্ধৰা | - ৮৭ |
| "প্ৰতিযোগিতা" | - মাধৱ পাতিৰি | - ৮৮ |
| সোণাৰি মহাবিদ্যালয় | - হোমেন গগৈ | - ৮৮ |
| সোণালী ক্ষণত | - জ্যোতিস্মা চাহু | - ৮৯ |
| বন্ধুত্ব | - বিকল্প কোঁৱৰ | - ৮৯ |

| | | |
|---|---|---|
| শূন্যৰ কবিতা | - দীপাঞ্জলি ডেকা | - ৯০ |
| প্ৰতিচ্ছবি | - লাকীমণি গগৈ | - ৯০ |
| বানপানী | - ৰাণু কুৰ্মি | - ৯০ |
| বৰষাৰ প্ৰতিশ্ৰুতি | - উপাসনা গগৈ | - ৯১ |
| স্মৃতিৰ দলিচাত তুমি | - মনালিছা তেলী | - ৯১ |
| জীৱনৰ ৰামধেনু | - কিংকী বড়া | - ৯২ |
| প্ৰেমৰ দুটা স্তৱক | - সীমান্ত হাজৰিকা | - ৯৩ |
| আশা | - দূৰ্ব্বশ্ৰী চেতিয়া | - ৯৩ |
| উন্মুক্ত জীৱন | - দীপশিখা ফুকন | - ৯৩ |
| ব্যথিত সোণালী | - মনোজ চেতিয়া | - ৯৪ |
| ব'হাগৰ বতৰা | - পাহৰি আৰন্ধৰা | - ৯৪ |
| শ্ৰাবন্তী... | - স্তুতি গগৈ | - ৯৪ |
| এখন উকা বহী | - বিকাশ শৰ্মা | - ৯৫ |
| Emptiness | - Pallavi Prodhan | - ৯৪ |
| में बोझ नही हुँ | - आसिफ राजा | - ৯৬ |
| কাব্যশ্ৰী দিহিঙ্গীয়াৰ সৈতে সাক্ষাৎকাৰ | | - ৯৭ |
| বিশিষ্ট সংগীত শিল্পী, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দীৰ্ঘজ্যোতি দত্তৰ স'তে সাক্ষাৎকাৰ | | - ৯৮ |
| অনুভৱ ঃ | | |
| অনুভৱৰ একলম | - প্লাৱিতা বুঢ়াগোহাঁই | - ৯৯ |
| ভগ্ন হৃদয় | - অঞ্জনা গগৈ | - ১০০ |
| দুদিনৰ ভালপোৱাখিনি | - নিমিশা মহন | - ১০১ |
| সোণাৰি মহাবিদ্যালয়ৰ এটি মধুৰ অনুভৱ | - মধুস্মিতা পাল | - ১০৩ |
| সপোনে জীৱন দিয়ে | - পূজাশ্ৰী চেতিয়া | - ১০৪ |
| অসম দেশৰ বিষম কথা | - মনীষা গগৈ | - ১০৬ |
| মৰীচিকা | - প্ৰজ্ঞাশ্ৰী দুৱৰী | - ১০৬ |
| লকডাউন | - নাৰায়ন বসুমতাৰী | - ১১০ |
| ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন ঃ | | - ১১৩- ১২৭ |

প্র
ব
ন্ধ ঃ

# মহাবিদ্যালয়ত পছন্দ-ভিত্তিক মান ব্যৱস্থা আৰু ছাত্র-শিক্ষকৰ দায়বদ্ধতা

দিলীপ ৰঞ্জন বৰুৱা
উপাধ্যক্ষ, সোণাৰি মহাবিদ্যালয়, সোণাৰি

সমগ্র ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত শিক্ষা গ্রহণ কৰা ছাত্র-ছাত্রীসকলৰ বাবে এক সমৰূপ মানৰ পাঠ্যক্রমৰ প্রয়োজনীয়তা নুই কৰিব নোৱাৰি। এই সম্পৰ্কত থকা কেইটামান যুক্তি এনেধৰণৰ - প্রথমতে, একেধৰণৰ পাঠ্যক্রমত দেশখনৰ বিভিন্ন ৰাজ্যত বিশ্ববিদ্যালয়, মহাবিদ্যালয়সমূহত অধ্যয়নৰত ছাত্র-ছাত্রীসকলে একে ধৰণৰ পাঠ্যসূচীৰ আধাৰত শিক্ষা গ্রহণ কৰিলে তেওঁলোকৰ বৌদ্ধিক উৎকৰ্ষতাৰ মান সমপৰ্যায়ৰ হোৱাৰ সুযোগ থাকে। আনকথাত সমগ্র দেশৰ শিক্ষাৰ গুণগত মান একে হ'ব। দ্বিতীয়তে, পিতৃ-মাতৃৰ চাকৰিৰ স্থানৰ সলনি বা আন কাৰণত বহুতো ছাত্র-ছাত্রীয়ে এখন বিশ্ববিদ্যালয়ৰ অধীনত শিক্ষা গ্রহণ কৰি থকাৰ মাজতে আন এখন বিশ্ববিদ্যালয়ৰ অধীনত থকা এখন শিক্ষানুষ্ঠানত নামভৰ্তি কৰিব লগা হয়। এনেক্ষেত্রত দুয়োখন বিশ্ববিদ্যালয়ে প্রযোজ্য কৰি থকা পাঠ্যক্রম আৰু পাঠ্যসূচী পৃথক হ'লে এনে ছাত্র-ছাত্রীয়ে অসুবিধাৰ সন্মুখীন হয়। তৃতীয়তে, সমৰূপ পাঠ্যক্রম আৰু পাঠ্যসূচী প্রয়োগ হ'লে ছাত্র-ছাত্রীসকলে সৰ্বভাৰতীয় বিভিন্ন প্রতিযোগিতামূলক পৰীক্ষাত অৱতীর্ণ হোৱাত সুবিধা হয়। চতুৰ্থতে, পাঠ্যক্রম আৰু মান নিৰ্ধাৰণ ব্যৱস্থাত সমৰূপতা নাথাকিলে বহুতো ছাত্র-ছাত্রীয়ে হীনমন্যতাত ভুগিব লগা হয়।

দীৰ্ঘদিন ধৰি বহুতো চিন্তাবিদে এই মত পোষণ কৰি আহিছে যে ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাটো যথেষ্ট দৃঢ়। "ৰাষ্ট্ৰীয় জ্ঞান আয়োগ (National Knowledge Commission or NKC)"ৰ মতেও উচ্চ শিক্ষাৰ ব্যৱস্থাত নমনীয়তা সৃষ্টি কৰা প্রয়োজন। এনে নমনীয়তাৰ ফলত ছাত্র-ছাত্রীসকলে পাঠ্যক্রমৰ বাচনিৰ সুবিধা লাভ কৰিব। NKC ৰ মতে, "ছাত্র-ছাত্রীসকলক বন্দী কৰি ৰখাৰ বিপৰীতে বাচনিৰ সুবিধা প্রদান কৰা প্রয়োজন"।

শিক্ষানীতি ৰচনাৰ লগত জড়িত বিশেষজ্ঞসকলে ওপৰত উল্লেখ কৰা দুয়োটা দিশ বিবেচনা কৰা পৰিলক্ষিত হয়। উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ পৰিচালনা কৰা বিশ্ববিদ্যালয় অনুদান আয়োগে ২০১৫ চনৰ ২৫ ডিচেম্বৰত সমগ্র ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়সমূহত স্নাতক পৰ্যায়ত গ্রহণ কৰা পাঠ্যক্রমসমূহৰ ক্ষেত্রত ৭০ শতাংশ সমৰূপ পাঠ্যসূচী প্রয়োগ কৰাৰ লগতে "পছন্দ ভিত্তিক মান ব্যৱস্থা" প্রয়োগৰ সিদ্ধান্ত গ্রহণ কৰে। ২০১৫ চনৰ জানুৱাৰী মাহত মানৱসম্পদ উন্নয়ন মন্ত্রণালয়ে এই ৰূপান্তৰকৰণত অনুমোদন জনায়। সেই অনুসৰি বিশ্ববিদ্যালয় অনুদান আয়োগে ভাৰতৰ সকলো বিশ্ববিদ্যালয়ক ২০১৬-১৭ শৈক্ষিক বৰ্ষৰ পৰা "পছন্দ ভিত্তিক মৰ্যাদা ব্যৱস্থা (Choice Based Credit System or CBCS) প্রয়োগ কৰিবলৈ নিৰ্দেশ দিয়ে।

CBCS হ'ল আন্তৰ্জাতিক ভাৱে স্বীকৃত একমাত্র শিক্ষাব্যৱস্থা য'ত ছাত্র-ছাত্রীসকলে গ্রহণ কৰা মূল বিষয় অতিক্রম কৰি শিক্ষা আহৰণ কৰিব পাৰে। এই ব্যৱস্থাৰ কেইটামান উল্লেখযোগ্য দিশ এনেধৰণৰ-

* এই ব্যৱস্থাত প্রতিখন পাঠ্যসূচীৰ বিপৰীতে "মৰ্যাদা অৱস্থা (Credit Points)" নিৰ্ধাৰণ কৰি দিয়া হয়। এটা ডিগ্রী আহৰণৰ বাবে প্রতিজন ছাত্রই এক নিম্নতম Credit Points লাভ কৰিব লাগিব।

* ই হ'ল শিক্ষা গ্রহণৰ এক নমনীয় ব্যৱস্থা। এই ব্যৱস্থাই ছাত্র-ছাত্রীক নিজে ভবা ধৰণে শিক্ষা গ্রহণ কৰাৰ অনুমতি দিয়ে।

* ই হ'ল শিক্ষা গ্রহণৰ এক নমনীয় ব্যৱস্থা। এই ব্যৱস্থাই ছাত্র-ছাত্রীক নিজে ভবা ধৰণে শিক্ষা গ্রহণ কৰাৰ অনুমতি দিয়ে নিৰ্ধাৰিত Credit Points লাভ কৰিবৰ বাবে

ছাত্র-ছাত্রীয়ে নিজে বাছনি কৰা বিভাগৰ বাহিৰলৈ গৈ আন বিভাগৰ ঐচ্ছিক পাঠ্যক্রম [Inter-disciplinary or Generic Elective], নিজ বিভাগৰ ভিতৰৰ ঐচ্ছিক পাঠ্যক্রম [Disciplne Specific Elective Or DSE] আৰু দক্ষতা ভিত্তিক ঐচ্ছিক পাঠ্যক্রম বা কাকত [Skill Enhancement Elective or SEC] সমূহৰ পৰা নিজা বাছনি কৰি ল'বলৈ সুবিধা দিয়া হয়।

* পূৰ্বৰ নম্বৰ ব্যৱস্থাৰ বিপৰীতে CBCS ত ছাত্র-ছাত্রীৰ কৃতকাৰ্যতাৰ মাপ Credit Points ৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা মান অৱস্থা [Grade Points] ৰ দ্বাৰা কৰা হয়। এনে Grade Points প্ৰতি ছমাহৰ বাবে বা এটা ষান্মাসিকৰ গড় [Semester Grade Points Average or SGPA] আৰু মুঠ ৬ টা ষান্মাসিকত ৬ টা SGPA ৰ গড় হিচাপে সঞ্চিত মান অৱস্থাৰ গড় (Cumulative Credit Points Average or CGPA) প্ৰদান কাৰ হয়। এজন ছাত্ৰ বা এগৰাকী ছাত্রীয়ে তিনি বছৰ স্নাতক পাঠ্যক্ৰমত অধ্যয়নৰ অন্তত কিমান CGPA লৈ উত্তীৰ্ণ হ'ল তাৰ ওপৰতে সেই ছাত্র-ছাত্রী গৰাকীৰ কৃতকাৰ্যতাৰ মান নিৰ্ধাৰিত হ'ব।

২০১১-১২ শৈক্ষিক বৰ্ষৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ইয়াৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত পূৰ্বৰ বাৰ্ষিক ব্যৱস্থাৰ পৰিৱৰ্তে ষাণ্মাসিক ব্যৱস্থাৰ প্ৰয়োগ কৰে। এই ব্যৱস্থা অনুসৰি স্নাতক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলে তিনি বছৰত মুঠ ৬ টা ষাণ্মাসিক (Semester) ত একোটা পাঠ্যক্রম সম্পূর্ণ কৰিব লাগে। পূৰ্বতে একোখন ১০০ কাকতৰ নম্বৰৰ পাঠ্যসূচী সম্পূৰ্ণ কৰিবৰ বাবে এবছৰ সময় লাভ কৰিছিল। কিন্তু বৰ্তমানৰ ষাণ্মাসিক পদ্ধতিত ১০০ নম্বৰৰ একোখন কাকত ৬ মাহৰ ভিতৰত সমাপ্ত কৰিব লাগে। একোটা পাঠ্যক্ৰমত অন্তৰ্গত কৰা মুঠ কাকতৰ সংখ্যাও বাৰ্ষিক পদ্ধতিতকৈ অধিক হ'ল। অৱশ্যে, ছাত্র-ছাত্রীক উপকৃত কৰিব পৰাকৈ প্রশ্নৰ ধৰণ সলনি কৰা হয়। তাৰোপৰি, প্ৰতিখন কাকতৰ শতাংশ নম্বৰ ছাত্র-ছাত্রীক নিৰ্দিষ্ট মীমাংসাৰ আধাৰত আভ্যন্তৰীণ মূল্যায়নৰ দ্বাৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ষাণ্মাসিক ব্যৱস্থাত এটা ষাণ্মাসিকৰ পৰা আন এটা ষাণ্মাসিকৰ মাজত বিৰতি নাথাকে। ছাত্র-ছাত্রীসকলে এটা ষাণ্মাসিকৰ সামৰণিৰ সময়ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব আৰু সেই পৰীক্ষা শেষ হোৱাৰ লগে লগে পৰৱৰ্তী ষান্মাসিকত নামভৰ্তি কৰিব লাগিব। আন কথাত, ষাণ্মাসিক ব্যৱস্থাত ছাত্র-ছাত্রীসকলে জিৰণি লোৱাৰ কোনো অৱকাশ নাথাকে। যদিও মহাবিদ্যালয়সমূহত ষাণ্মাসিক ব্যৱস্থা প্ৰয়োগ কৰা এটা দশক হ'লহি, তথাপি এই ব্যৱস্থাৰ লগত বৰ্তমানেও ছাত্ৰ-শিক্ষক-শিক্ষানুষ্ঠান সম্পূৰ্ণ ৰূপে খাপ খাব পাৰিছে বুলি দাবী কৰিব নোৱাৰি। শিক্ষানুষ্ঠানসমূহৰ সীমিত আন্তঃগাঠনি, প্রয়োজনীয় শিক্ষক কৰ্মচাৰীৰ অভাৱ, নিৰ্ধাৰিত পাঠ্যসূচীৰ বিপৰীতে যথাসময়ত কিতাপ প্ৰকাশ নোহোৱা, গ্ৰাম্যাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক দুৰৱস্থা আদিয়ে এই ব্যৱস্থা সফলতাৰে আগবঢ়াই নিয়াত অসুবিধাৰ সৃষ্টি কৰা দেখা যায়। এনে পৰিৱেশৰ মাজতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশাৱলী মানি ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০১৯-২০ শৈক্ষিক বৰ্ষৰ পৰা ইয়াৰ অধীনৰ মহাবিদ্যালয়সমূহত CBCS ৰ প্ৰয়োগ কৰে।

মহাবিদ্যালয়সমূহত যথেষ্ট সীমাবদ্ধতা থকা স্বত্বেও উচ্চ শিক্ষাৰ ক্ষেত্ৰত সমৰূপতা সৃষ্টি কৰাৰ লগতে গুণগত মান বৃদ্ধিৰ স্বাৰ্থত CBCS ৰ প্ৰয়োগক আদৰণি জনাবই লাগিব। এই নতুন ব্যৱস্থাৰ সফলতাৰ বাবে ছাত্র আৰু শিক্ষক সমাজ উভয়ে অধিক দায়বদ্ধতা প্ৰদৰ্শন কৰিব লাগিব। প্ৰতিটো Credit Point ৰ বিপৰীতে ছাত্র-ছাত্রীসকলে অধিক সময় স্ব-অধ্যয়নত খটুৱাব লাগিব। মহাবিদ্যালয়সমূহত শ্ৰেণীকক্ষৰ ভিতৰৰ শিক্ষণ-শিকণৰ প্ৰক্ৰিয়াৰ গুৰুত্ব তথা প্ৰাসঙ্গিকতা নুই কৰিব নোৱাৰি। ২০২০ বৰ্ষত সমগ্ৰ বিশ্বই সন্মুখীন হোৱা কৰ'ণা মহামাৰীৰ বাবে এই শ্ৰেণীকক্ষৰ শিক্ষা ব্যাহত হৈ পৰিল। অনলাইন মাধ্যমেৰে শিক্ষা গ্ৰহণ আৰু প্ৰদান আমাৰ সকলোৰে কল্পনাৰো অতীত আছিল। কিন্তু, বাস্তৱিকতে সেয়াই হ'ল। অৱশ্যে প্ৰশ্ন থাকি গ'ল। এই ব্যৱস্থা কিমান ফলপ্ৰসু? ছাত্ৰ সমাজেও ইয়াৰ দ্বাৰা বিশেষ উপকৃত নোহোৱাৰ কথা সততে উচ্চাৰিত কৰা দেখা যায়। CBCS ৰ মাধ্যমত মহাবিদ্যালয়সমূহত প্ৰতিখন পাঠ্যক্ৰমত প্ৰতিটো Credit Point ৰ বিপৰীতে প্ৰায় ১৫ টা সপ্তাহ সামৰি প্ৰতি সপ্তাহত ৪ অথবা ৫ টা Theory Class আৰু ১ বা ২ টা Practical/Tutorial Class ৰ বাবে ব্যৱস্থা কৰা হৈছে। নিৰ্ধাৰিত এই শ্ৰেণীসমূহত ছাত্ৰ-ছাত্ৰী

উপস্থিত থাকি সক্ৰিয় অংশ গ্ৰহণ কৰা প্ৰয়োজন। অন্যথা পাঠ্যক্ৰমৰ মানভিত্তিক সূচাংক লাভ কৰা সম্ভৱ নহয় আৰু শেযান্ত পৰীক্ষাত সন্তোষজনক লাভ কৰাৰ পৰা বিৰত থাকিব লাগিব।

CBCS এ শিক্ষক সমাজৰো দায়বদ্ধতা বৃদ্ধি কৰিছে। প্ৰতিটো পাঠ্যক্ৰমৰ প্ৰতিখন পাঠ্যসূচীত ব্যাপক সালসলনি ঘটিছে। পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই নতুন নতুন বিষয় পাঠ্যসূচীত অন্তৰ্ভুক্ত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ বাচনিৰ ক্ষেত্ৰত নমনীয়তা সৃষ্টি কৰি বহুতো ঐচ্ছিক বিষয় সংযোজিত কৰা হৈছে। এনে পটভূমিত নিজকে নিত্য-নতুন জ্ঞানেৰে পৰিপক্ক কৰি ছাত্ৰ সমাজক পোহৰৰ বাট দেখুৱাৰ দায়িত্ব শিক্ষক সমাজে ল'বই লাগিব। শিক্ষাবিভাগৰ নতুন নতুন নিৰ্দেশনা অনুযায়ী প্ৰতিজন শিক্ষকে নিজৰ নিজৰ জীৱিকাৰ পথৰ উত্তৰণ ঘটোৱাৰ বাবে নিৰন্তৰ প্ৰয়াস কৰিব লগা হৈছে। অৱশ্যে, নিজৰ Carrier Development ৰ লগতে ছাত্ৰ-ছাত্ৰীৰ লগত অধিক ব্যস্ততাৰে নিজকে নিয়োজিত কৰা সময়ৰ আহ্বান। আধুনিক তথ্য প্ৰযুক্তিৰ জ্ঞান আহৰণ কৰি নতুন নতুন কৌশল প্ৰয়োগৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক পথ-নিৰ্দেশনা দিয়াতো শিক্ষক সমাজৰ দায়িত্বশীলতা বৃদ্ধিৰ অন্যতম কাৰণ।

নীতিনিৰ্ধাৰকসকলে মত পোষণ কৰিছিল যে CBCS ৰ সংস্কাৰে বিশ্ববিদ্যালয় তথা মহাবিদ্যালয়সমূহত সক্ৰিয় শিক্ষাৰ এক পিৰৱেশ গঢ়ি তুলিব। এই কথা অনস্বীকাৰ্য যে ইয়াৰ ফলপ্ৰসু ৰূপায়ণৰ বাবে মহাবিদ্যালয়সমূহৰ আন্তঃগাঠনি সবল হ'ব লাগিব। শ্ৰেণীকোঠাৰ অভাৱ, শিক্ষক-কৰ্মচাৰীৰ অভাৱ, পূৰ্ণ সা-সুবিধা থকা বিজ্ঞানাগাৰৰ অভাৱ, পুথিভঁৰালত পৰ্যাপ্ত পাঠ্যপুথিৰ অভাৱ, পাঠ্যসূচী অনুযায়ী কিতাপ প্ৰকাশ নোহোৱা, স্মাৰ্ট-ডিজিটেল-ভাৰ্চুৱেল শিক্ষাৰ সা-সুবিধাৰ অভাৱ আদি নানান সমস্যা দুৰীকৰণৰ বাবে সংশ্লিষ্ট সকলো কৰ্তৃপক্ষই দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এনেবিলাক অসুবিধাৰ মাজতো মহাবিদ্যালয়সমূহত সক্ৰিয় শিক্ষাৰ এক পৰিৱেশ সৃষ্টিৰ বাবে ছাত্ৰ আৰু শিক্ষকসকলে নিজ নিজ দায়বদ্ধতা প্ৰতিপন্ন কৰিব লাগিব। সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহ'লেও শ্ৰেণীকোঠাৰ নিৰ্ধাৰিত ক্লাচসমূহ, Practical/Tutorial শ্ৰেণীসমূহ, পুথিভঁৰাল আদিৰ সদ্ব্যৱহাৰ কৰাৰ বিপৰীতে মহাবিদ্যালয়ত হাঁহি-ধেমালি, আড্ডাৰ মাজেৰে সময় পাৰ কৰা, ইণ্টাৰনেটক জ্ঞানৰ ভাণ্ডাৰ হিচাপে ব্যৱহাৰ কৰাৰ বিপৰীতে সস্তীয়া মনোৰঞ্জন প্ৰাপ্তি আৰু অসামাজিক দিশত প্ৰয়োগ কৰা আদি সততে উঠা অভিযোগসমূহে বিশ্বমানৰ বৌদ্ধিক শিক্ষাৰ দিশত গ্ৰহণ কৰা CBCS ক বুমেৰাং কৰিব।

........................

# প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱৰ ব্যক্তিগত জীৱনত এভুমুকি

ৰীণা বৰঠাকুৰ
সহযোগী অধ্যাপিকা

শাৰীৰিকভাৱে সৰুফুটীয়া, কিন্তু মানসিকভাৱে অত্যন্ত সাহসী মানুহজন। এখন মহাবিদ্যালয়ক চালুকীয়া অৱস্থাৰ পৰা গঢ়ি তুলি ঘাটী মঞ্জুৰীৰ প্ৰাপ্ত অৱস্থালৈ উন্নীত কৰি ঠিক কেইটামান চৰকাৰী পইচা চুবলৈ আৰম্ভ কৰোতেই, পুনৰ আহি পৰা ত্যাগৰ হাতবাউলিক সাহসেৰে গ্ৰহণ কৰিবলৈ মনত অদম্য সাহসৰ প্ৰয়োজন। আৰু এই সাহসক সাৰ পানী যোগান ধৰিছিল তেখেতৰ পত্নী, মাতৃ তথা পৰিয়ালৰ সকলো সদস্যই। এটাই অলপ সুবিধা আছিল আৰু সেইটো হৈছে মাটি সম্পত্তিৰে ঘৰখনৰ টনকিয়াল অৱস্থাটো। যি নহওঁক প্ৰায় ডেৰটা দশক জুৰি অৰ্থনৈতিক ত্যাগ আৰু মানসিক কছৰতে সোণাৰি অঞ্চলত এটা শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ প্ৰয়াস

কৰা সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোঁহাইদেৱক এজোপা জ্ঞান বৃক্ষৰ লগতহে তুলনা কৰিব পাৰি, তাৰ প্ৰচ্ছায়াতে শ্বাস-প্ৰশ্বাস গ্ৰহণ কৰি এইটো অঞ্চলৰ বহুতো প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ সফল বাটত বাট বুলিছে।

সোণাৰি নগৰৰ পৰা পূবে ১২ কিলোমিটাৰ নিলগৰ সৰুপথাৰ নামৰ ঠাইডোখৰত ১৯৩৪ চনত তেখেতৰ জন্ম হৈছিল। পিতৃৰ নাম আছিল স্বৰ্গীয় দেৱেশ্বৰ বৰগোঁহাই আৰু মাতৃৰ নাম স্বৰ্গীয় কলিমতি বৰগোঁহাই। পিতৃ পেছাত মণ্ডল আছিল। তিনি ভাতৃৰ মাজৰ জ্যেষ্ঠ সন্তান আছিল গোলাপ বৰগোঁহাই চাৰ, তেখেতসকলৰ ঘৰখন শিক্ষা-দীক্ষা গ্ৰহণত আগবঢ়া আছিল আৰু সেয়েহে সন্তানক বৰ্ডিং কৰি থাকি পঢ়িবলৈ সুবিধা প্ৰদান কৰিছিল। বৰ্তমান সময়ত স্বৰ্গীয় কামাখ্যা বৰুৱাদেৱৰ ঘৰ মাটি থকা স্থানতে থাকি গোঁহাই চাৰৰ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী বিদ্যালয়ত এম. ই শাখা পৰ্যন্ত পঢ়াশুনা চলিছিল। উচ্চ শাখা অধ্যয়নৰ সুবিধা নথকাৰ বাবে শিৱসাগৰত থাকি তাৰ টাউন হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। চাৰৰ ৰাপ আছিল ইতিহাস বিষয়ত আৰু এই বিষয়তে অনাৰ্চ লৈ যোৰহাটৰ জে.বি. মহাবিদ্যালয়ৰ পৰা বি. এ. আৰু পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৮ চনত এম. এ. পৰীক্ষাত অৱতীৰ্ণ হৈছিল। অৱশ্যে ফলাফল পাবলৈ ১৯৫৯ চনলৈ অপেক্ষা কৰিব লগা হৈছিল।

গোটেই ছাত্ৰ জীৱন ঘৰৰ বাহিৰত থকা গোঁহাই চাৰে এম. এ. পাছ কৰাৰ পিছত কিছুদিন ঘৰত জিৰণি লোৱাৰ কথা ভাবিছিল যদিও নিজৰ এজন বাল্য বন্ধু ৰবীন পালদেৱৰ দিহা মানি সেই বছৰৰে পিছৰ ভাগত তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ত অধ্যাপক হিচাবে যোগদান কৰিলেগৈ। চালুকীয়া কলেজ, সেয়েহে সামান্য পাৰিতোষিকৰে চাকৰি জীৱন আৰম্ভ কৰি মহাবিদ্যালয়খনক ঘাটীমঞ্জুৰী অৱস্থালৈ উন্নীত কৰাবলৈ অশেষ পৰিশ্ৰম কৰিবলৈ ধৰিলে। সেই মহাবিদ্যালয়ত কাম কৰি থাকোতেই ১৯৬৯ চনত মেজেঙা অঞ্চলৰ জীয়ৰী কমলা গগৈৰ লগত বিবাহ পাশত আবদ্ধ হ'ল।

ঠিক সেইখিনি সময়তে সোণাৰি অঞ্চলৰ অগ্ৰণী ৰাইজৰ মাজত এই অঞ্চলতো এখন মহাবিদ্যালয় আৰম্ভ কৰাৰ গুণা-গথা চলিছিল। প্ৰয়াত হৰনাথ শৰ্মাদেৱ, প্ৰয়াত কনক বৰুৱাদেৱ, টঙ্কেশ্বৰ বৰুৱা, হেম বসুমতাৰী, প্ৰদ্যুত সিনহা, শান্তিলাল আগৰৱালা, মানিক বড়া, সুখময় দে আদি অগ্ৰণী ব্যক্তিসকলে এই অঞ্চলৰ মেধাবী অথচ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীসকলে আধৰুৱা কৈ শিক্ষা জীৱন সমাপন কৰিব লগা কথাটো বৰ দুখেৰে লক্ষ্য কৰি ইয়াত এখন মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰিবলৈ আৰম্ভ কৰিলে। সেই সময়ত আজিৰ দৰে শিক্ষা বাণিজ্যিকীকৰণ হোৱা নাছিল। সমাজৰ আগশাৰীৰ ব্যক্তিসকলৰ মানুহৰ উমৈহতীয়া স্বাৰ্থৰ পক্ষত চিন্তা চৰ্চা চলিছিল আৰু তাৰ ফলশ্ৰুতিতে ১৯৭০ চনত ৫ আগষ্ট তাৰিখে সোণাৰি মহাবিদ্যালয় নামৰ এই জ্ঞানচৰ্চাৰ কেন্দ্ৰটোৰ আনুষ্ঠানিক লাইখুটিটি স্থাপন হ'ল। সেই কেন্দ্ৰটোৰ সময়ত স্নাতকোত্তৰ উত্তীৰ্ণ লোকৰ সংখ্যা তেনেই নগন্য আছিল। তাৰ মাজৰ এজন শ্ৰীযুত গোলাপ বৰগোঁহাইদেৱকে ৰাইজে উপযুক্ত ব্যক্তি বিবেচনা কৰি অনুষ্ঠানটিৰ ধৰণী ধৰিবৰ বাবে আমন্ত্ৰণ জনালে। গোঁহাই চাৰ ইতিমধ্যে কলেজ স্থাপনৰ অভিজ্ঞতাৰে পুষ্ট হৈ আছিল। ৰাইজৰ অনুৰোধত উপাধ্যক্ষৰ স্থায়ী পদত মকৰল হৈ থকা চাৰে নিজৰ অৰ্থনৈতিক লোকচান ভৰিও সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পদটিত যোগদান কৰিলেহি। চাৰৰ এই সাহসী সিদ্ধান্তক পত্নী কমলা বাইদেৱে আন্তৰিক সমৰ্থন জনালে। বাইদেউ তথা গোটেই ঘৰখনৰ সমৰ্থন থকা বাবেই চাৰে একাগ্ৰচিত্তে মহাবিদ্যালয়খনক আজীৱন নিয়াৰ গুৰি বঠাপাত হাতত লোৱাত কোনো দ্বিধাবোধ নকৰিলে।

তেখেতৰ প্ৰচেষ্টাত উপাধ্যক্ষ সুৰেশ দাস চাৰকে ধৰি সকলো অধ্যাপক অধ্যাপিকা, লগতে প্ৰয়াত হৰনাথ শৰ্মাদেৱকে ধৰি সমাজৰ সকলো আগৰণুৱা ব্যক্তি তথা সেই সময়ৰ শান্তিলাল আগৰৱালাকে ধৰি ব্যৱসায়ী মহলেও মহাবিদ্যালয়খনৰ পূৰ্ণ ৰূপ পোৱাত আন্তৰিকভাৱে সহায়-সহযোগ আগবঢ়ালে। ওচৰ-পাজৰৰ গাঁও অঞ্চলৰ লোকসকলেও পথাৰৰ ধান বা বাৰিৰ বাঁহ যোগান ধৰি পাৰ্যমানে সহায় কৰিলে। এনে ধৰণে সকলোৰে সহায় সহযোগিতাত ১৯৭৮ চনত

চৰকাৰী স্বীকৃতি লাভ কৰিলে আৰু ১৯৭৭ চনৰ পৰা ধৰি অধ্যাপক আৰু কৰ্মচাৰী মহলে অৰ্থনৈতিক সা-সুবিধা লাভ কৰিবলৈ সমৰ্থ হয়।

কৰ্মযোগী মানুহে নিজৰ কামত সন্তুষ্ট হৈ হাত সাৱতি বহি থাকিব নোৱাৰে। তেখেতৰ মনত বিজ্ঞান শাখা এটাও খোলাৰ মন। সহকৰ্মীসকলৰ একাংশই সহমত প্ৰকাশ কৰিলে, একাংশই বিজ্ঞান শাখা এটি খুলিবলৈ বহু টকা-পইচাৰ প্ৰয়োজন, এই লৈ চিন্তিত হ'ল আৰু আন একাংশই আকৌ কৰ্মাচ খোলাৰ পক্ষত মত প্ৰকাশ কৰিলে। গোঁহাই চাৰ নিজৰ সিদ্ধান্তত অবিচলিত থাকিল আৰু তেখেতক উৎসাহিত কৰিলে সেই সময়ৰ দ'ল বাগান উচ্চতৰ মাধ্যমিকৰ অধ্যক্ষ শ্ৰদ্ধাৰ শ্ৰীযুত শৰৎ বৰকটকী চাৰে, পিছত সেইজন কটকী চাৰ প্ৰায় ২৫ বছৰ কাল ধৰি সোণাৰি বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটিয়ে ঘাটী মঞ্জুৰী লাভ কৰিবলৈ কটকী চাৰে নিস্বাৰ্থ সহযোগ আগবঢ়াইছিল। সেই সময়ত (১৯৯২-১৯৯৩) চনত অসমৰ মুখ্যমন্ত্ৰী আছিল প্ৰয়াত হিতেশ্বৰ শইকীয়া চাৰ আৰু বৰকটকী চাৰ সেই মন্ত্ৰীসভাৰ শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিল। অৱশ্যে গোঁহাই চাৰৰ বন্ধু গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰদ্ধাৰ নীলমণি গোঁহাই চাৰেও চাৰৰ লগত হিতেশ্বৰ শইকীয়াদেৱৰ এটা পোনপটীয়া বাৰ্তালাপৰ সুবিধা কৰি দিছিল। লগতে এইখন মহাবিদ্যালয়ৰ শ্ৰীযুত মাণিক গগৈ চাৰ, ৰতিপ্ৰভা গগৈ আদি সন্মানীয় শিক্ষাগুৰুসকলে বিজ্ঞান শাখাত পঢ়িবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীক বিচাৰি অনা, কিতাপ-পত্ৰৰে সহায় কৰা আদি গঠনমূলক কামবোৰত আগভাগ লৈছিল। সদ্যপ্ৰয়াত জয়ন্তী গগৈ (পিছৰ কালত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপিকা) বাইদেৱেও দুখীয়া ছাত্ৰ-ছাত্ৰীক কিতাপ পত্ৰ দি সহায় আগবঢ়াইছিল। সময়ত ১৯৯৩ চনৰ মাৰ্চ মাহত এই মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটিয়ে ঘাটী মঞ্জুৰীৰ তালিকাত ঘোষিত হ'ল আৰু ১৯৯২ চনৰ জুলাইৰ পৰা ধৰি কৰ্মৰত সকলাৱে চৰকাৰী সা সুবিধা লাভ কৰিলে।

এনেদৰে কলা আৰু বিজ্ঞান এই দুয়োটা শাখাৰে এখন পূৰ্ণাঙ্গ মহাবিদ্যালয় স্থাপনৰ সপোনক সাকাৰ কৰি ১৯৯৬ চনত চাৰে কৰ্মময় জীৱনৰ পৰা চৰকাৰী ভাষাত অৱসৰ গ্ৰহণ কৰিলে। কিন্তু অন্তৰৰ পৰা জড়িত হৈ থকা মহাবিদ্যালয়খনৰ পৰা তেখেত মানসিকভাৱে আঁতৰি থাকিব নোৱাৰে। সেয়েহে এইটো বয়সতো মহাবিদ্যালয়খনৰ গৱৰ্ণিং বডিৰ সভাপতিৰ দৰে গুৰু দায়িত্বৰ কামো চম্ভালি আছে। আনহাতে সোণাৰি অঞ্চলৰ আটাইতকৈ পুৰণি ব্যক্তিগত খণ্ডৰ কনিষ্ঠ মহাবিদ্যালয় 'এলিট একাডেমী'ৰ লগতো তেখেত জড়িত হৈ আছে।

বৰগোঁহাই চাৰৰ তিনিগৰাকী কন্যা আৰু এজন পুত্ৰ সন্তান আছে। দুগৰাকী কন্যা আৰু পুত্ৰৰ ইতিমধ্যে বিবাহ সম্পন্ন হৈছে। মাজু গৰাকী কন্যা পাঞ্চালী এইখন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰী আছিল, বৰ্তমান ওকালতি কৰে। কনিষ্ঠা কন্যা মদালছা শিক্ষয়িত্ৰী, পুত্ৰ নয়না ব্যৱসায়ত জড়িত। জ্যেষ্ঠা কন্যা সাপেখাতী নগৰৰে বাসিন্দা।

সহধৰ্মিনী কমলা বাইদেউ বৰ শান্ত স্বভাৱৰ মহিলা আছিল। তেখেতৰ মৃত্যুৰ পিছত চাৰ মানসিকভাৱে কিছু অকলশৰীয়া হৈ পৰিছে যদিও সৰু জীয়ৰী আৰু পুত্ৰই তেখেতক সম্পূৰ্ণভাৱে আৱৰি আছে। জ্ঞান বৃক্ষ ৰোপণৰে মানৱ সম্পদ সৃষ্টিত প্ৰভূত্ব অৰিহণা যোগোৱা চাৰে সুস্বাস্থ্য লাভ কৰক আৰু দীৰ্ঘ জীৱন লাভ কৰক এয়াই আমাৰ নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা।

..................................

# যুৱ প্ৰজন্মৰ আশা আৰু হতাশা

যতীন্দ্ৰ নাথ শইকীয়া
শিক্ষাতত্ত্ব বিভাগ

এনে লাগে যেন আমি নিজক চিনি পোৱাত ক'ৰবাত ব্যৰ্থ হৈছোঁ। যেতিয়ালৈকে নিজক চিনিব নোৱাৰোঁ তেতিয়ালৈকে আমি প্ৰকৃত সত্যবোৰ উপলব্ধি কৰিব নোৱাৰিম। আমি বহুত কিবাকিবি কৰিছোঁ বহুত আগবাঢ়িছোঁ আধুনিক হৈছোঁ অত্যাধুনিক বস্তুপাতি ব্যৱহাৰ কৰিছো কিন্তু আমি যেন ক'ৰবাত নিজকে চিনি পোৱা নাই। গতিকে প্ৰথম কথা হ'ল আমি আজিৰ যুৱ প্ৰজন্মই নিজক চিনি পাব লাগিব, তাৰ পিছত আনৰ কথা সমাজৰ কথা, দেশৰ কথা, পৃথিৱীৰ কথা চিন্তা কৰিম। এজন বাংলা সাহিত্যিকে কৈছিল যে 'আপোন চিনিবে, চিনিবে বিশ্ব, চিনিবে প্ৰকৃত আপোনজন চিনিবে চিনাবে দেখিবে দেখাবে কুণ্ঠাই কেমন পৰম ধন'।

গতিকে সেই পৰম ধনটি চিনি পাবৰ বাবে আমি নিজকে চিনি পোৱাটো অতিকৈ জৰুৰী।

এতিয়া কথা হ'ল আমি নিজক চিনি পাবৰ বাবে ভোগৰ পৰা, টোপনিৰ পৰা, সময়ৰ পৰা, কামনা বাসনাৰ পৰা, লালসাৰ পৰা উঠিব লাগিব, জাগিব লাগিব। তাৰ পিছত আমি গতি কৰি লাগিব। এতিয়া প্ৰশ্ন হ'ল গতি কৰিম হয়, কিন্তু আমি কলৈ গতি কৰিম। আমি গতি কৰিম লাগিব শ্ৰেষ্ঠ আচাৰ্যৰ ওচৰলৈ। সত্য সুন্দৰৰ ওচৰলৈ। আমি গতি কৰিম সঁচা কিন্তু কিয় কৰিম তাৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থাকিব লাগিব। শুদ্ধ আঁচনি আৰু পৰিকল্পনা থাকিব লাগিব। নহ'লে কিন্তু আমি লক্ষ্যত উপনীত হ'ব নোৱাৰিম। গতিয়েই শক্তি আৰু মুক্তি। গতিহীনতা মানেই স্থবিৰতা। স্থবিৰতা মানেই মৃত্যু। সেয়ে উপনিষদত তত্ত্বদৰ্শী ঋষিয়ে গতি বিচাৰিছিল।

অসতো মা সদ্‌গময়
তমসো মা জ্যোৰ্তিগময়
মৃত্যু মা অমৃতং গময়।

অৰ্থাৎ আমি অসৎৰ পৰা সৎৰ দিশে গমন কৰোঁ, তমসা বা এন্ধাৰৰ পৰা পোহৰৰ দিশে গমন কৰোঁ আৰু মৃত্যুক গচকি অমৃতৰ দিশে গমন কৰো। মৃত্যুক জয় কৰা বহু মানুহৰ উদাহৰণ আমাৰ দেশখনতে বিৰাজমান।

মানুহে একেলগে বহুকেইটা দিশত যুদ্ধ কৰিব লগা হয়। তাৰ ভিতৰত নিজৰ লগত যুদ্ধ কৰাটো আটাইতকৈ বেছি টান। এই যুদ্ধ বহু ভয়াবহ সেইবাবে বহুজনে এই যুদ্ধ নকৰে। বহুজনে অলপ কৰিয়ে আত্ম সমৰ্পন কৰে। কিন্তু আজিৰ যুৱ প্ৰজন্মই জীৱনক বুজিবলৈ হ'লে জীৱনক জয়ী কৰিবলৈ হ'লে, জীৱনৰ গৰিমা মহিমা বঢ়াবলৈ হ'লে নিজৰ বিৰুদ্ধে প্ৰতিদিনে যুদ্ধ কৰিব লাগিব। শংকৰদেৱ, মাধৱদেৱ, হজৰত মহম্মদ, যীশু, মহাত্মা গান্ধী, বিনোবা ভাৱে, লিওটলস্তয়, কাৰ্লমাৰ্ক্স আদিয়ে জগতত খ্যাতি ৰাখি থৈ যাবলৈ সক্ষম হৈছিল কেৱল নিজৰ বিৰুদ্ধে যুঁজ কৰাৰ বাবেই।

মানৱ সমাজত বহুকেইটা ডাঙৰ ডাঙৰ ৰোগে দেখা দিছে। যেনে - কেন্সাৰ, ডেংগু, ডায়েবেটিছ, কৰ'ণা ইত্যাদি। এইবিলাক ৰোগতকৈও অতি মাৰাত্মক আন এবিধ ৰোগে আমাৰ সমাজৰ নৱ প্ৰজন্মক আক্ৰান্ত কৰিছে। যি ৰোগৰ ফলত নৱপ্ৰজন্ম তিলতিলকৈ ধ্বংসৰ মুখলৈ আগবঢ়া দেখা যায়। সমাজতো ইয়াৰ ভয়ঙ্কৰ প্ৰভাৱ পৰিছে। নৱ প্ৰজন্মক আক্ৰান্ত কৰা এই ৰোগ বিধ হ'ল হতাশা। ইয়াৰ আভিধানিক অৰ্থ হ'ল আশা বা উদ্যম কমি যোৱা। বিশ্বায়নৰ যুগ এক জটিল যুগ। এই যুগে নৱ-প্ৰজন্মৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। নৱ-প্ৰজন্মৰ হতাশাৰ ই অন্যতম কাৰক হৈ পৰিছে। উপৰে উপৰে লক্ষ্য কৰিলে বিশ্বায়নৰ ফলত আজিৰ নৱ প্ৰজন্মই নিত্য নতুন জ্ঞান বিজ্ঞানেৰে, বিভিন্ন সা-সামগ্ৰী আহিলাৰে নিজক গঢ়ি উন্নতিৰ পথত আগবঢ়া দেখা যায়। কিন্তু নৱ-প্ৰজন্মৰ এই বাহ্যিক উন্নতিয়েই হতাশাৰ প্ৰধান কাৰণ হৈ পৰিছে।

সকলো ৰোগৰে চিকিৎসা আছে। ৰোগ অনুপাতে দৰৱ আছে। অন্যহাতে দৰৱ আনি ঘৰত থলে অসুখ ভাল নহয়। নিৰ্দিষ্ট সময়ত, নিৰ্দিষ্ট অনুপাত ৰক্ষা কৰি দৰৱ খালেহে ৰোগ ভাল হ'ব। নৱ প্ৰজন্মৰ মাৰাত্মক ব্যাধি হতাশাৰো দৰৱ আছে। হতাশা ৰোগৰ পৰা উদ্ধাৰ হ'বলৈ নৱ প্ৰজন্মৰ প্ৰতিজন প্ৰতিনিধিয়ে আত্মসচেতনতা, আত্ম উপলব্ধি, আত্মসংযম আৰু সামাজিক প্ৰমূল্যবোধ ৰক্ষা কৰিব লাগিব। যুৱকৰ জীৱন নিগনি চঞ্চল জীৱন। আবেগ চঞ্চলতাৰে সুন্দৰ জীৱন গঢ়িব নোৱাৰি। ভোগে ৰোগ মিলায়। ভোগৰ সম্পদৰ মাজত নিৰাপদে, সুখেৰে, শান্তিৰে থাকিবলৈ হ'লে আত্মসংযমৰ প্ৰয়োজন। কাছ সংযমতাৰ প্ৰতীক। যুৱকসকলে কাছৰ দৰে আত্মসংযমী হলে হতাশা বা নিৰাশাৰ পৰা পৰিত্ৰাণ পাব। মানুহৰ আশাই জীৱন। তথাপি আশাৰো সীমা থকা প্ৰয়োজন। নিজৰ শক্তি, সামৰ্থ্য, প্ৰতিভা, যোগ্যতা অনুসৰি আশাৰ সপোন ৰচিব লাগে। যোগ্যতা সামৰ্থ্যৰ বাহিৰত গৈ আশাৰ কাৰেং সাজিবলৈ চেষ্টা কৰিলে সেই কাৰেঙৰ হতাশা নিৰাশাৰ কলীয়া ডাৱৰে আৱৰি ধৰা দেখা যায়। এইক্ষেত্ৰত সন্তানৰ অভিভাৱকসকলো সচেতন হ'ব লাগে। শিশুক ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাৰ শিক্ষা দিয়াৰ লগতে প্ৰকৃত মানুহ হোৱাৰো শিক্ষা দিয়াটো অতি আৱশ্যক।

সাধনাই জীৱন সুন্দৰ আৰু মহান কৰে। সাধনাবিহীন জীৱনৰ সৌন্দৰ্য নাই। আজিৰ নৱ প্ৰজন্মই বহুতে জীৱনৰ পৰা আশা কৰে, সপোন দেখে কিন্তু সাধনা নকৰে। যিকোনো প্ৰতিযোগিতা, শিক্ষা, খেলা-ধূলা সকলোতে সফলতা লাভ কৰিবলৈ হ'লেও একান্ত সাধনাৰ প্ৰয়োজন। সাধনাৰ বলত একলব্যই ধনুশিক্ষাত তেওঁৰ শিক্ষাগুৰুতকৈও বেছি প্ৰাৱদৰ্শিতা অৰ্জন কৰিছিল। একেৰাহে দহ বছৰ সাধনা কৰি ভাৰতবৰ্ষৰে পৃঞ্চা পুৰ্ণিমাই কমনৱেলথ গেমছৰ ডিচকাচ থ্ৰ'ত স্বৰ্ণপদক লাভ কৰি নতুন ইতিহাস কৰিছিল। কিন্তু সমাজৰ নৱপ্ৰজন্মৰ মাজত আজি প্ৰায় ক্ষেত্ৰতে সাধনা কৰা একেবাৰে কমসংখ্যককহে দেখা যায়। অথচ সকলোৱে সাধনা নকৰাকৈ পৃথিৱীৰ সকলো ভোগৰ সম্পদৰ মালিক হ'ব বিচাৰি। আৰু মালিক হ'ব নোৱাৰিলে হতাশাত ভোগে। সেই কাৰণে নৱ প্ৰজন্মই সাধনা, শ্ৰমৰ মাজেদিহে আশা কৰিব লাগে।

আজিৰ যুৱ প্ৰজন্মই বিশ্বায়নৰ লগত খোজ মিলাই চলিব লাগিব সঁচা কিন্তু তাৰ গ্ৰাসত পৰিব নালাগিব। গান্ধীজীয়ে কৈছিল- "পশ্চিমৰ বতাহজাক ঘৰত সোমাব নোৱাৰাকৈ একেবাৰে দুৱাৰ খিৰিকী বন্ধ নাৰাখিবা। বতাহজাক সোমাবলৈ দিয়া। মাথো চাবা যাতে এখন খিৰিকীৰে সোমোৱা বতাহজাকে পিছৰ খিৰিকীৰে ঘৰৰ বাহিৰলৈ পেলাই নিদিয়ে।"

ৰাজহংসই বোকাৰ মাজৰ পৰা গাখীৰ খোৱাৰ দৰে আজিৰ নৱ প্ৰজন্মই বিশ্বায়নৰ মাজৰ পৰা শুভ আৰু মঙ্গলদায়ক গুণসমূহ বিচাৰি ল'ব পাৰিব লাগিব। এই ক্ষেত্ৰত প্ৰতিজন যুৱক-যুৱতী আত্মবলেৰে বলিয়ান হ'ব লাগিব। সকলো ধৰণৰ বাধা, জটিলতা, সমস্যা, সংঘাত সহ্য কৰি ইয়াৰ উৰ্ধ্বলৈ গৈ প্ৰতিগৰাকী যুৱক-যুৱতীয়ে নিজক প্ৰতিষ্ঠা কৰিব পাৰিব লাগিব।

মানুহৰ জীৱন বস্তু জগত আৰু ভাৱ জগতৰ দ্বাৰা পৰিচালিত হয়। যিসকলৰ জীৱনত বস্তুজগতৰ প্ৰভাৱ বেছিকৈ পৰিছে, তেওঁলোকৰ জীৱনলৈ দুখ-বেজাৰ, হতাশা নিৰাশাৰ ভাব বেছিকৈ আহে। কাৰণ বস্তুজগতৰ কোনো শেষ সীমা নাই। ই অসীম। এটা বস্তু পালে পুনৰ আন এটা বস্তু পাবলৈ মন যায়। নৱ-প্ৰজন্মক হতাশা ৰোগৰ পৰা উদ্ধাৰ কৰিবলৈ হ'লে তেওঁলোকৰ মন বস্তু জগতৰ পৰা ভাৱ জগতলৈ তথা আধ্যাত্ম জগতলৈ ঘূৰাই আনিব লাগিব। ভাৱ জগতৰ ফালে মন ঘূৰিলেই মনৰ চঞ্চলতা দূৰ হ'ব। মন সংযম হ'ব। মনলৈ সন্তুষ্টি আহিব। তেতিয়া নৱপ্ৰজন্মৰ প্ৰতিগৰাকী প্ৰতিনিধিয়ে হৃদয়ত মৰম স্নেহ, দয়া, কৰুণা, ভাতৃত্ব বোধ, আদি সুকুমাৰ প্ৰবৃত্তিবোৰ জাগত হ'ব। নৱ-প্ৰজন্মৰ জীৱন যৌৱন সাৰ্থক হ'ব। তেতিয়াহে এখন শান্তিপূৰ্ণ সমাজ সৃষ্টি হ'ব।

..............................

# পৰিক্ৰমা

বিতোপন বৰুৱা
সহকাৰী অধ্যাপক

কিছুমান কথা এৰাই চলো বুলিলেও এৰিব নোৱাৰি। নাভাবো বুলিলেও গাঁওখন, নৈ পাৰৰ আবেলিৰ সময়কণ, ঘৰখনৰ সমস্যাবোৰ, কাজলী গাইজনী হেৰুওৱাৰ কথাবোৰ, ধুমুহাই ভাঙি পেলোৱা গাঁৱৰ একমাত্ৰ লাইব্ৰেৰীটোৰ কথাবোৰে বিমানক প্ৰায়ে ব্যতিব্যস্ত কৰি ৰাখে। বিমান নালাগে কোনোৱে নোৱাৰে সকলো অপ্ৰাকৃতিক যেন লগা নগৰখনলৈ গুচি অহাৰ কিছু দিনলৈকে গাঁৱলৈ "গুচি যাওঁ, গুচি যাওঁ" লগা তাড়নাই খেদি ফুৰিছিল। নিজকে সজাই ল'বলৈ তাৰ কষ্ট হৈছিল। হয়তো বিমানে বিচাৰিব নজনাৰ বাবেই ছাগে মুকলি আকাশ, মুকলি বতাহৰ উশাহবোৰ নগৰখনত পোৱা নাই। সি নগৰ বিৰোধী নহয় অথচ যান্ত্ৰিকতাৰ চেপা উত্তেজনাময় জীৱনো তাৰ কাম্য নহয়। লাগে বুলিলেই সকলো আছে নগৰত বিদ্যালয়, চিকিৎসালয়, ন্যায়ালয়, বজাৰ-সমাৰ সকলো। মাথো গাঁওখনৰ দৰে পথাৰখন নাই, নৈও আছে অথচ দিচাংখনৰ দৰে সুগন্ধ নাই, গছ আছে সেউজীয়া নাই। কিন্তু বিমানে নগৰখনো এতিয়া ভাল পাবলৈ আৰম্ভ কৰিছে। গধূলি হোৱাৰ লগে লগে জিলিকি উঠা ৰঙীণ পোহৰবোৰ মোহনীয়, ৰংবোৰ প্ৰত্যেকৰে ভিন্ন, পথবোৰ ভীৰ, ভীৰৰ মাজতো হাঁহিবোৰ অনন্য - 'বেলেগ' আশাৰে গঢ়া..। বিমানৰ সপোন সেউজীয়াবোৰৰ নগৰখনত পোখা মেলিছে। দায়িত্ব, সপোন আৰু সমস্যাৰ তাড়নাত নগৰলৈ গুচি অহাৰ দিন ধৰি কোনোদিন নগৰখনে প্ৰৱঞ্চনা কৰা নাই - মাথো জীৱৰ বাবে সিঁচি দিছে হেঁপাহ। ভালপায় নগৰখন। ভাড়া ঘৰত থাকে। কোম্পানীৰ চাকৰি নিজেও চলে আৰু ঘৰখনো।

গাঁওখনৰ বিমান মেধাবী ল'ৰা। পঢ়া-শুনাই যে কেৱল তেনে নহয়, সামাজিক কামবোৰতো আগভাগ বিমানে নল'লে নহয়। হ'বইনো কেনেকৈ? গাঁওখনৰ শিক্ষিত হাৰ আঙুলিৰ মূৰত গণিব পৰা। সৰহভাগেই মেট্ৰিকৰ দেওনা পাৰ হওকে বা নহওকে চাকৰিৰ সন্ধানত বহিঃৰাজ্যলৈ গমন কৰা "পৰম্পৰা"টো সকলৰ পৰাই দেখি আহিছে। এফালে অভাৱত জুৰুলা হৈ চহৰখনত গৈ আৰু দুটা শ্ৰেণী পঢ়াৰ হাবিয়াস নথকা আনফালে ভাগৰ খেতিকেইডৰাৰ লগতে স্বাৱলম্বী হ'ব পৰাকৈ ঘৰতে কৰিব পৰা ক্ষুদ্ৰ ব্যৱসায়ৰ প্ৰতি অনিহা - তাৰ সমনীয়া সৰেণ, নিৰ্মল সকলো গাঁও এৰি কৰ্মৰ সন্ধানত গুচি গ'ল!

বিমানে এই কামৰ কেতিয়াও সহযোগিতামূলক মত পোষণ কৰা নাছিল। সি গাঁওতে থাকিল। পঢ়াৰ আশা। মাক দেউতাকৰো দুশ্ৰেণী পঢ়োৱাৰ হেঁপাহ। চাকৰি এটা পাওকে বা নাপাৱকে সমাজত বুকু ডাঠি গৰ্বৰে কথা ক'ব হোৱালৈকে পঢ়োৱাৰ হেঁপাহ। কিমান সপোন পুঁহি ৰাখিছে সেয়া অভাৱ আৰু কষ্টত শেঁতা হোৱা অথচ উদ্যেমেৰে জিলিকি থকা মাক দেউতাকৰ দুচকু দেখিলেহে বুজিব পাৰি। নিজে নাখাই, নিপিন্ধিও কষ্ট নোপোৱাকৈ থাকক বুলি বিমানক ডাঙৰ কৰিছে। বিমানেও কোনো দিন কোনো কথা বা সিদ্ধান্ত মাক-দেউতাকৰ ইচ্ছাৰ বিৰুদ্ধে লোৱা নাই। টুকটাককৈ চলি থকা ঘৰখন, অভাৱবোৰ দেখি দেখি বিলাসীতা বা সময়ত প্ৰয়োজনীয় বস্তুকেইটাৰ অভাৱ হ'লেও হাঁহি মুখেৰে প্ৰতিটো পৰিস্থিতিত মোকামিলা কৰাৰ সাহসকণ আছে।

গাঁৱৰ মাটি, পানী, ধূলি-পদূলি, মানুহবোৰে, কথাবোৰে বিমানক উদ্যমী হ'বলৈ, সপোন লিখিবলৈ শিকায়। সকলোৰে সহযোগত গাঁওখনত পুঁথিভঁৰালটো হ'ল। নামঘৰ এটা হ'ল। বানপানীত ডুব যোৱা ঘাইপথটো ওখকৈ বন্ধা হ'ল। গাঁওৰ একমাত্ৰ স্কুলখনৰ চাৰিওকাষে গছ-গছনি ৰোৱা হ'ল। সকলোবোৰতে বিমানৰ আগৰণুৱা পদক্ষেপ। গাঁৱৰ প্ৰতিটো কামৰ বাবে আৱেদন কৰাৰ পৰা আৰম্ভ কৰি সিদ্ধান্ত লোৱালৈকে সকলো দায়িত্ব সাধাৰণতে বিমানৰ। সেয়ে গাঁওখনেও বিমানক লৈ আশা কৰে। সৰহসংখ্যক মানুহেই স্কুলীয়া শিক্ষাৰে শিক্ষিত নহয় অথচ "অশিক্ষিত" নহয়। দুই চাৰিজনে যেতিয়া

কয় "বিমানৰ কিবা এটা কৰচোন। তই আমাৰ ভৱিষ্যত প্ৰজন্মৰ আদৰ্শ হ', গাঁওখনৰ এজন ভাল মানুহ হ। উঠি অহা চামে উৎসাহ পাব। সমাজৰ বাবে, মানুহৰ বাবে কিবা এটা কৰিবি বুলি আমাৰ আমাৰ বিশ্বাস"। সিদ্ধান্ত আৰু কৰ্তব্যবোৰ অধিক দৃঢ় আৰু পৰিপক্ক কৰিবলৈ সাহস বাঢ়ে বিমানৰ। সেই যে "কিবা এটা"ত অন্তৰ্নিহিত হৈ থকা এসাগৰ আশা, এসাগৰ দায়িত্ব, সমাজৰ এজনে প্ৰয়োজনীয় ব্যক্তি হোৱাৰ সপোনটোৰ সতে বিমানটো আছে।

টুক টাককৈ চলি থকা ঘৰখনত অভাৱে চেপা মাৰি ধৰিলে। স্নাতক হোৱাৰ পাছৰে পৰা ঘৰখনৰ দায়িত্ব বাঢ়িল, লগে লগে সমস্যাবোৰো। বয়সে, কষ্টই জুৰুলা কৰা মাক-দেউতাকৰ, ঘৰখনৰ দায়িত্ব মূৰ পাতি ল'বলৈ সিয়েই একমাত্ৰ। আগে পিছে কোনো নাই। সংস্থাপন এটাৰো প্ৰয়োজন লাহে লাহে অনুভৱ হৈছে। এফালে কৰ্মৰ সন্ধানত ঠায়ে ঠায়ে মৌখিক পৰীক্ষাত বিফল হোৱা বিমান আনফালে লিউকেমীয়াত আক্ৰান্ত দেউতাকৰ শুকাই যোৱা শৰীৰটো। এফালে মাকৰ দিন হাজিৰাৰে জোৰা নমৰা প্ৰয়োজনীয়তা আনফালে সপোনবোৰ। হস্পিতালত দেউতাকৰ চিকিৎসাৰ নামতে বছেৰেক জোৰা খেতিকেইডৰাও বন্ধকত গ'ল। সি উপলব্ধি কৰিছ সৰেণহতে বহিঃৰাজ্যলৈ কৰ্ম সন্ধানত যোৱা কাৰণবোৰ। এসময়ত প্ৰতিবাদ কৰা বিমান আজি নিৰ্বাক। ক্ষুদ্ৰ ব্যৱসায় কৰিবলৈ, কৃষকে পোৱা মূল্য, গুণাগুণ বিচাৰ কৰিলে কোনে কোন সতেৰে ক'ব যে জীৱনৰ লক্ষ এজন আদৰ্শ খেতিয়ক অথবা ব্যৱসায়ী হোৱাৰ। বাধ্য হৈ, সকাহ বিচাৰি গুচি আহিল নগৰলৈ। সম্বন্ধীয় পেহীয়েকৰ ল'ৰা জিতেনে সংস্থাপনৰ ব্যৱস্থা কৰি দিছে। কোম্পানীৰ চাকৰি। আন নহ'লেও দেউতাকৰ মাহেকীয়া ঔষধ কেইটা নিচিন্তে হৈ যোগাৰ কৰিব পাৰিব, মাকক দিন হাজিৰা কৰিবলৈ নালাগে বুলি নিৰ্ভয়ে ক'ব পাৰিব। গুচি আহিল। নগৰলৈ আহিবৰ দিনা গাঁৱৰ আলিমূৰলৈকে মাকে আগবঢ়াই দিবলৈ আহোতে দুচকুৰে দুখ, বেদনা কষ্টবোৰ গধুৰ হৈ নিগৰি আহিছিল। কোনো দিন ঘৰখন, আপোন মানুহ এৰি দূৰৈত থকাৰ কথাবোৰ ভবা নাছিল। দেউতাকৰ শেঁতা মুখখন, বগা পৰিবলৈ আৰম্ভ কৰা বেমাৰী দেহটো এৰি আহিবৰ পৰত এজান বিষ এটাত বুকুখন কঁপিছিল। কষ্টক কেতিয়াও সিহঁতৰ ঘৰখনে কষ্ট বুলি লোৱা নাই - ত্যাগেৰে আদৰে বৰঞ্চ। অভাৱ, বাধিক নেওচি কৰ্তব্য আৰু দায়িত্ব বুলি গ্ৰহণ কৰে। গাঁৱৰ পৰা নগৰৰ বাটচোৰাত অলেখ ভাৱনাত বিমানৰ মন মগজুৰ প্ৰতিটো কোণ সেমেকি উঠিছিল।

সকলোবোৰ কথা আজি স্বতস্ফূৰ্ত ভাৱে একেলগে ভাৱনা হৈ ওলাই আহিছে। বিমানে দুদিনৰ ছুটি লৈ ঘৰলৈ আহিছে। বাছখন আলিমূৰৰ তিনিআলিটোত ৰওঁতেহে সম্বিত ঘূৰি আহিল। মুক্ত পথাৰৰ বতাহে দুচকু কঁপাইছে —আগতকৈও গাঁওখনৰ ৰংবোৰ উজ্বল লাগিছে। গাঁৱৰ মানুহবোৰে শুভকামনা জনাবলৈ প্ৰাথমিক বিদ্যালয়খনৰ প্ৰাঙ্গণতে মেল পাতিছে। চাকৰিৰ ব্যস্ততাৰ মাজতো সফলতাৰে প্ৰশাসনিক বিষয়াৰ মুখ্য পৰীক্ষাত উত্তীৰ্ণ হোৱা আজিৰ দিনটো সঁচাকৈয়ে বিমানৰ বিশেষ দিন। গাঁওখনৰ আশা, ঘৰখনৰ হেঁপাহ, নিজৰ সপোনবোৰ পূৰ কৰাৰ দিশেৰে বিমান গৈ আছে। দৃঢ় সংকল্পৰে, গৈ থাকিব সমাজৰ প্ৰয়োজনীয় ব্যক্তি হোৱাৰ উদ্যমেৰে।

.......................

# Value Based Education and Contribution of Educational Values

Dr. Pronita Kalita
Assistant Professor
Department of Education

Education is extremely necessary for human being. It makes for him or her a true, a harmonious and orderly life intellectual power of human beings are also enhanced. It leads to self enlightment and self realization. A value is well defined as an endeavour which satisfies need system psychological as well as physiological needs.

According to Alpont – "Values as a belief upon which a man act by preference."

Educational values mean these values or activities which are good, useful and valuable from the point of view of education.

According to Cunningham – "Educational values becomes aim of education. According to these qualities, abilities & capacities are promoted in the individuals, which from inherent values of life."

Educational Values have a great role in all round development of individual and social life. some important aspect related to contribution of Educational values are –

1. Educational values helps to develop healthy and balanced personvality.
2. Developing of vocational efficiency.
3. Developing of morality and character of human being.
4. It helps to effective and constructive use of leisure time.
5. Creating of good citizen.
6. Promoting of social efficiency.
7. National integration and development.
ইয়াৰ উপৰিও প্ৰাচীন যুগৰ মুদ্ৰাৰ পৰা সেইসময়ত ৰাজত্ব কৰা ৰজা আৰু তেওঁ গ্ৰহণ কৰা উপাধিৰ কথা জানিব পাৰি। উদাহৰণস্বৰূপে সমুদ্ৰগুপ্তই যে পৰম ভট্টাৰক মহাধিৰাজ উপাধি গ্ৰহণ কৰিছিল সেইটো তেওঁৰ মুদ্ৰাৰ পৰা জানিব পৰা যায়।

মুদ্ৰাবোৰৰ পৰা এটা যুগত ব্যৱহাৰ কৰা লিপিৰ কথাও জনা যায়। মুদ্ৰাটো চাই ৰজাজনৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কথা জানিব পাৰি। এনে যুদ্ধৰ সাজত থকা মুদ্ৰাটো চাই ক'ব পাৰি যে চন্দ্ৰগুপ্ত সমুদ্ৰগুপ্তৰ এজন যোদ্ধা আছিল।

মুদ্ৰাবোৰৰ পৰা এটা যুগত আৰ্ট সম্পৰ্কেও জানিব পাৰি। কোনো কোনো অৰ্থনৈতিকৰ মতে মুদ্ৰাবোৰৰ পৰা বেলেগ বেলেগ সময়ৰ অৰ্থনৈতিক অৱস্থাৰ কথাও জানিব পাৰি। কীৰ্তিস্তম্ভবোৰৰ পৰা প্ৰাচীন সাংস্কৃতিক বুৰঞ্জী আৰু ধৰ্মীয় বিশ্বাসৰ কথা জানিব পাৰি। মহেঞ্জোদাৰো আৰু হৰপ্পাৰ ধ্বংসাৱশেষৰ পৰা প্ৰাচীন সিন্ধু সভ্যতাৰ কথা জানিব পাৰি। এই সিন্ধু সভ্যতা আৱিস্কাৰ হোৱাৰ ফলত ইতিহাসৰ কালপঞ্জী ৩ হাজাৰ খৃষ্টপূৰ্ব পিছুৱাই দিবলগীয়া হৈছিল। কাৰণ সিন্ধু সভ্যতা আৱিস্কাৰ নোহোৱালৈকে আৰ্য সভ্যতাই ভাৰতীয় সভ্যতাৰ উৎস বুলি ভাবি থকা হৈছিল।

তেনেকৈ পাটলিপুত্ৰ, তক্ষশীলা, সাৰনাথ আদি প্ৰাচীন নগৰবোৰৰ খনন কাৰ্যৰ ফলস্বৰূপে সেই যুগৰ জীৱন যাত্ৰা, শিল্প-স্থাপত্য আদিৰ বিষয়ে বহুত কথা জনা যায়।

এই নিদৰ্শনৰ পৰা জানিব পাৰি যে খৃষ্টপূৰ্ব এহেজাৰ বছৰত ভাৰতৰ বিভিন্ন অঞ্চলত মানুহে বসবাস কৰিছিল। লগতে সেই যুগৰ মানুহে ধাতুৰ ব্যৱহাৰ জানিছিল। প্ৰাচীন গুহা আৰু মন্দিৰবোৰৰ পৰাও এই যুগৰ শিক্ষা আৰু ধৰ্মীয় ব্যৱস্থাৰ কথা জানিব পাৰি। মুঠৰ ওপৰত ইতিহাসৰ সমলসমূহৰ ওপৰত ভিত্তি কৰি বুৰঞ্জীক এটা নতুন ৰূপ দিয়া হৈছিল। কিয়নো সমলৰ ওপৰত নিৰ্ভৰ কৰিয়েই ইতিহাসবিদসকলে ইতিহাস ৰচনা কৰে। অৱশেষত ক'ব পাৰি যে- "সমলেই হৈছে বুৰঞ্জীৰ প্ৰধান অংগ।"

...............................

# শ্ৰীৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ

অনুৰাধা ঠাকুৰ
দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

।। ৰামো ৱিগ্ৰহৱান্ ধৰ্মঃ ।।

শ্ৰীৰাম হ'ল ধৰ্মৰ জীৱন্ত ৰূপ। শ্ৰীৰাম হ'ল ভাৰতৰ আত্মা। শ্ৰীৰাম জন্মভূমিত বিশাল শ্ৰীৰাম মন্দিৰ হ'ল ভাৰতবাসীৰ শাশ্বত প্ৰেৰণা। ইয়াৰ বাবে ৰামভক্তসকলে ৪৯২ বছৰ নিৰন্তৰ সংঘৰ্ষ কৰি আহিছে। অতীত কালত ৭৬ বাৰ হোৱা সংঘৰ্ষত ৪ লাখতকৈ অধিক ৰামভক্তই প্ৰাণ বলিদান দিছে। বিগত প্ৰায় ৩৬ বছৰ ধৰি জাতি, ধৰ্ম, ভাষা, সম্প্ৰদায়, ক্ষেত্ৰ আদি ভেদাভেদৰ উৰ্দ্ধত উঠি এক সূত্ৰবদ্ধ, শৃংখলাবদ্ধ অভিযানৰ ফলত সম্পূৰ্ণ সমাজে শ্ৰীৰাম জন্মভূমিৰ বাবে অপ্ৰতীম ত্যাগ আৰু বলিদান দিছে। তাৰেই ফলস্বৰূপে ১৯৮৯ চনৰ ৯ নৱেম্বৰ তাৰিখে পূজ্য সন্তসকলৰ উপস্থিতিত অনুসূচীত সমাজৰ বন্ধু শ্ৰীকামেশ্বৰ চৌপালৰ দ্বাৰা শ্ৰীৰাম জন্মভূমিৰ শিলান্যাস সম্পন্ন হয়।

যদিওৱা ই এক আস্থাৰ বিষয় তথাপি সত্ৰ (ক্ষেত্ৰ) ন্যায়ালয়ৰ পৰা উচ্চতম ন্যায়ালয়লৈ এক দীঘলীয়া ন্যায়িক প্ৰক্ৰিয়াৰ মাজত বিষয়টো আৱদ্ধ হৈ পৰিছিল। পৌৰাণিক তথ্য, পুৰাতাত্বিক খনন, ৰাডাৰ তৰঙ্গৰ দ্বাৰা লোৱা ছবি তথা ঐতিহাসিক তথ্যৰ আধাৰত উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া খণ্ডপীঠে ২০১৯ চনৰ ৯ নৱেম্বৰ তাৰিখে সৰ্বসন্মতভাৱে ৰায় দি কয় যে - "এই ১৪০০০ বৰ্গফুট ভূমি হ'ল শ্ৰীৰাম লালাৰ"। সত্য প্ৰতিস্থাপিত হ'ল, তথ্য আৰু প্ৰমাণৰ লগতে শ্ৰদ্ধা, আস্থা আৰু বিশ্বাসে জয়লাভ কৰিলে।

২০২০ চনৰ ৫ ফ্ৰেব্ৰুৱাৰী তাৰিখে ভাৰত চৰকাৰে "শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰ" নামেৰে এক ন্যাস গঠন কৰি অধিগ্ৰহণ কৰা ৭০ একৰ ভূমি শ্ৰীৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰক অৰ্পণ কৰে। তাৰ পাছত ২০২০ চনৰ ২৫ মাৰ্চ তাৰিখে ত্ৰিপালৰ মন্দিৰৰ পৰা শ্ৰীৰাম লালা অস্থায়ী নতুন কাঠেৰে সজোৱা মন্দিৰত বিৰাজমান হয়।

৫ আগষ্ট, ২০২০ তাৰিখে কেইবা শতিকা পুৰণি সপোন সংকল্প পূৰণৰ সেই অলৌকিক মুহূৰ্ত উপস্থিত হ'ল যেতিয়া পূজ্য মহন্তনৃত্য গোপাল দাসৰ সৈতে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আধ্যাত্মিক পৰম্পৰাৰ প্ৰতিনিধি, পূজ্য আচাৰ্য সন্ত তথা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ পৰিচালক ডাঃ মোহন ভাগৱত দেৱৰ পৱিত্ৰ সান্নিধ্যত ভাৰতৰ লোকপ্ৰিয় আৰু যশস্বী প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীদেৱে ভূমি পূজন কৰি মন্দিৰ নিৰ্মাণৰ সূত্ৰপাত কৰিলে। এই পৱিত্ৰ ক্ষণত ভাৰতৰ ৩০০০ তকৈও অধিক পবিত্ৰ নদী আৰু তীৰ্থস্থানৰ পবিত্ৰ জল, বিভিন্ন জাতি-জনজাতি, শ্ৰদ্ধাকেন্দ্ৰ তথা বলিদানী বাৰত সেৱকৰ ঘৰৰ পৰা অনা মাটি (ৰাজ্য) য়ে ভাৰতবৰ্ষক আধ্যাত্মিক দৃষ্টিৰে ভূমি পূজনত উপস্থিত কৰোৱালে। পূজ্য সন্তসকলে আহ্বান জনাইছে যে শ্ৰীৰাম জন্মভূমিত বিশাল মন্দিৰ নিৰ্মাণৰ লগে লগে যাতে দেশৰ প্ৰত্যেক নাগৰিকৰ মন মন্দিৰত ভগৱান শ্ৰীৰামচন্দ্ৰ আৰু তেওঁৰ জীৱন মূল্য প্ৰতিষ্ঠা হয়। ভগৱান শ্ৰীৰামচন্দ্ৰই ১৪ বছৰ খালী ভৰিৰে হাবি-জংঘলে ঘূৰি ফুৰি সমাজৰ প্ৰত্যেক বৰ্গৰ ওচৰত উপস্থিত হৈছে। বঞ্চিত উপেক্ষিত বুলি জ্ঞান কৰা সকলক আত্মীয়তাৰে আলিংগন কৰি আত্মীয়তাৰ অনুভূতিৰ সঞ্চাৰ কৰি সকলোৰে লগত মিত্ৰতা স্থাপন কৰিছে। জটায়ুকো পিতৃৰ সন্মান দিছে। নাৰীৰ গৰিমা পুনৰ স্থাপিত কৰিছে অসুৰসকলক নাশ কৰি আতংকবাদক সমূলি নিৰ্মূল কৰিছে। ৰামৰাজ্যত পৰস্পৰ প্ৰেম, সদ্ভাৱ, মৈত্ৰী, কৰুণা, দয়া, মমতা, সমতা, বন্ধুত্ব, আৰোগ্য, ত্ৰিপাপ মুক্ত, সমৃদ্ধি সকলো দৃষ্টিৰে পূৰ্ণ জীৱন ব্যাপ্ত আছিল। আমি সকলোৱে মিলি আমাৰ দৃঢ় সংকল্প আৰু সামূহিক পুৰুষাৰ্থৰ দ্বাৰা পুনৰ সেই সমৃদ্ধিশালী ভাৰত নিৰ্মাণ কৰা আৱশ্যক।

বিশাল ৰাম মন্দিৰ কেনেকুৱা হ'ব ঃ-

মুঠ ক্ষেত্ৰফল ঃ ২.৭ একৰ

মুঠ নিৰ্মাণ কাৰ্য হ'ব ঃ ৫৭৪০০ বৰ্গফুট

মুঠ দৈঘ্য ঃ ৩৬০ ফুট

মুঠ প্ৰস্থ ঃ ২৩৫ ফুট
মুঠ উচ্চতা (চূড়াসহ) ঃ ১৬১ ফুট
মণ্ডপৰ সংখ্যা ঃ ৫
মুঠতে তিনি মহলা হ'ব, প্ৰত্যেকৰে উচ্চতা হ'ব ঃ ২০ ফুট

"কণ কণ দিয়া, বাৰে বাৰে দিয়া, এয়াই হ'ল জীৱনৰ অৰ্থ।
যিজনে যি মনেৰে দিয়ে সেইজন হৈ পৰে অধিক সমৰ্থ।।"

........................

# 'সাংবিধানিক পৰিগণ্ডিত নাৰীৰ মৰ্যাদা'

ৰুনালী গগৈ
স্নাতক ষষ্ঠ যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

নাৰীয়েই দেবী নাৰীয়েই সতী
অৰ্দ্ধ আকাশ অৰ্দ্ধাংগিনী।

বৈদিক যুগৰ পৰা বৰ্তমানলৈও নাৰীক আৰাধ্য দেৱীৰূপে গণ্যকৰি পূজা অৰ্চনা কৰি অহা হৈছে। কিন্তু সেই দেৱী স্বৰূপা নাৰীয়েই আকৌ পদে পদে শোষণ নিষ্পেষণৰ বলি হৈ আহিছে। বৰ্তমান আমাৰ দেশ তথা সমগ্ৰ বিশ্বই শিক্ষা-দীক্ষা, বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যা ৰাজনীতি, অৰ্থনীতি আদি সকলো দিশতে যথেষ্ট আগবাঢ়ি গৈছে। তথাপি মানুহৰ চিন্তাধাৰা যেন কিছু ক্ষেত্ৰত আজিও পিছ পৰি আছে। সমাজৰ লোকসকলৰ মনত নাৰী পুৰুষৰ প্ৰতি যি অসমতা সেই মনোভাৱ আজিও দূৰ হোৱা নাই। প্ৰত্যেকখন সমাজতেই নাৰীক পুৰুষতকৈ শাৰীৰিক, মানসিক ভাৱে দুৰ্বল বুলি গণ্য কৰে। বহুতে আকৌ নাৰীতকৈ পুৰুষক শ্ৰেষ্ঠ বুজাবৰ বাবেই 'লাও সদায় পাতৰ তল' আদিৰ দৰে নীতি বাক্য প্ৰয়োগ কৰে। যিসমূহে নাৰীৰ মৰ্যাদা আৰু স্থিতিক আঘাত হানে। প্ৰতিটো ক্ষেত্ৰতেই নাৰীক পুৰুষতকৈ তলৰ বুলি স্বীকৃতি দিয়া হয়। সেয়েহে ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰণেতাসকলে জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে পুৰুষ-মহিলা সকলোৱে সমানে উপভোগ কৰাকৈ অধিকাৰ আৰু স্বাধীনতা প্ৰদান কৰিছে। সংবিধান অনুসৰি আইনৰ দৃষ্টিত সকলো সমান। ভাৰতীয় সংবিধানৰ ১৫ নং অনুচ্ছেদ অনুসৰি ৰাজহুৱা স্থানত সকলো লোককে প্ৰবেশৰ অধিকাৰ প্ৰদান কৰা হৈছে।

অতীতৰ পৰা দেখা যায় যে নাৰীসকলক সদায় দুৰ্বল বুলি গণ্য কৰি সকলো ধৰণৰ গুৰুত্বপূৰ্ণ কামৰ দায়িত্ব পুৰুষজনৰ হাততেই অৰ্পণ কৰে। নাৰীসকলক কেৱল যৌনতাৰ প্ৰতীক তথা ঘৰুৱা কাম-কাজ কৰাৰ বাবেহে উপযুক্ত বুলি ভাৱে। যিসমূহ কামৰ বাবে তেওঁলোকে কোনো ধৰণৰ বেতন লাভ নকৰে। আনহাতে পুৰুষজনে বেতন লাভ কৰা কামত নিয়োজিত হৈ অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হৈ উঠে আৰু মহিলা গৰাকী অৰ্থনৈতিক ভাৱে দুৰ্বল হোৱাৰ বাবে শোষণৰ বলি হয়। সেয়েহে সংবিধানৰ ১৬ নং অনুচ্ছেদ অনুসৰি লিংগ ভিত্তিক পাৰ্থক্য নোহোৱাকৈ চাকৰিক নিয়োজিত হোৱাৰ সুবিধা দিছে।

অনুচ্ছেদ ১৫ (৩) অনুসৰি মহিলাসকলক যৌনতাৰ প্ৰতীকৰূপে বিবেচিত কৰি যি হত্যা, ধৰ্ষণ আদিৰ দৰে অমানৱীয় নিকৃষ্ট কাৰ্য চলি আহিছে, এইসমূহ দূৰ কৰি নাৰীসকলক বিভিন্ন আইনী সুৰক্ষা দিবৰ বাবে আৰু উন্নয়ণমূলক আঁচনি প্ৰস্তুতৰ দ্বাৰা সুৰক্ষাৰ ব্যৱস্থা কৰিছে ১৮৬০ চনৰ ভাৰতীয় দণ্ডবিধি আইন অনুসৰি যৌতুকজনিত কাৰণত মহিলাৰ মৃত্যু, মহিলাক শক্তিপ্ৰয়োগেৰে গৰ্ভপাত কৰোৱাৰ অপৰাধ, আত্মহত্যাৰ বাবে বাধ্য কৰোৱা, শাৰীৰিক আঘাত বিবাহজনিত নিষ্ঠুৰতা, পত্নীৰ সম্পত্তিৰ অপপ্ৰয়োগ আদিৰ বাবে উপযুক্ত শাস্তিৰ বিধান কৰিছে। ১৯৬১ চনৰ আইন অনুসৰি যৌতুক নিষিদ্ধকৰণৰ ব্যৱস্থা কৰিছে। ১৯৯৪ চনৰ আইনৰ যোগেদি সতীদাহ প্ৰথা নিষিদ্ধ কৰাৰ লগতে

কণ্যাৰ ভ্ৰূণ হত্যা বন্ধ কৰাৰ বাবে ব্যৱস্থা কৰিছে। এই আইনসমূহৰ দ্বাৰা নাৰীসকলৰ সুৰক্ষা প্ৰদান কৰি নাৰী পুৰুষৰ সম অধিকাৰ আৰু সমমৰ্যাদাক স্বীকৃতি প্ৰদান কৰিছে।

নাৰী সমাজক শিক্ষাৰ পোহৰেৰে দীক্ষিত কৰি অজ্ঞানতা দূৰ কৰিবৰ বাবে বিভিন্ন আঁচনি হাতত লোৱাৰ উপৰিও আসন সংৰক্ষণৰো ব্যৱস্থা কৰিছে, ১৯৯২ চনৰ ৭৩ তম সংবিধান সংশোধনীৰ যোগেদি পঞ্চায়তী ৰাজ অনুষ্ঠানসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

ভাৰতীয় সংবিধানে নাৰী-পুৰুষৰ মাজত সমতা স্থাপনৰ বাবে লোৱা ব্যৱস্থাৱলীয়ে নাৰীৰ মৰ্যাদা উন্নীত কৰণত সহায় কৰিছে। শিক্ষা, ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, প্ৰশাসনীয় সকলো দিশতে আজি নাৰীয়ে পুৰুষৰ সমানে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। তথাপিও আজিও হাজাৰ হাজাৰ নাৰীয়ে হত্যা, ধৰ্ষণ আদিৰ বলি হোৱা, যৌতুকৰ বাবে বোৱাৰী হত্যা আদি ঘটনাই বাতৰিৰ শিৰোনাম দখল কৰিছে। গতিকে এইসমূহ দূৰ কৰিবৰ বাবে আইনী ব্যৱস্থা অতি কঠোৰ হোৱাটো বাঞ্চনীয়। অন্যথা এদিন সমগ্ৰ নাৰীজাতিয়েই সমাজৰ পৰা নিঃচিহ্ন হৈ পৰিব।

......................

# নাৰী নিৰ্যাতন আৰু প্ৰতিৰোধৰ বাবে ল'ব়লগীয়া আমাৰ ভূমিকা

অংকুৰ শইকীয়া
ষষ্ঠ যাণ্মাসিক
অসমীয়া বিভাগ

নাৰী প্ৰকৃতিৰ অনুপম সৃষ্টি যাৰ অবিহনে এই পৃথিৱীৰ কোনো অস্তিত্বই নাই বুলিয়েই ক'ব পাৰি। নাৰী সৃষ্টি আৰু প্ৰেৰণাৰ চিৰন্তন প্ৰতীক। দয়া, আদৰ্শ, ধৈৰ্য, ক্ষমতা আৰু ত্যাগৰ প্ৰতীক নাৰী। নাৰী অবিহনে এখন সমাজ অসম্ভৱ। সৃষ্টিৰ পাতনিৰে পৰা লক্ষ্য কৰিলে দেখা যায় যে, পুৰুষ আৰু নাৰী উভয়ে উভয়ৰ পৰিপূৰক। বৰ্তমান শিক্ষা-দীক্ষাৰ ফালৰ পৰাও নাৰীয়ে পুৰুষৰ সমানেই আগুৱাই গৈছে। এগৰাকী নাৰীৰ অলেখ ত্যাগৰ বিনিময়ত ঘৰ, সমাজ আৰু দেশখন উন্নতিৰ জখলাৰে আগবাঢ়ি যাব পাৰে। নাৰীৰ ত্যাগৰ বহু উদাহৰণ আমাৰ চকুৰ আগত জলজল পটপটকৈ জিলিকি আছে। উদাহৰণস্বৰূপে- মহাভাৰতৰ গান্ধাৰী, মূলাগাভৰু, কনকলতা আৰু জয়মতীৰ ত্যাগৰ নিদৰ্শন আজিও ইতিহাসৰ পাতে পাতে লিপিবদ্ধ হৈ আছে। তেওঁলোকৰ সাহস আৰু সুস্থ মানসিকতাই তেওঁলোকক আদৰ্শবান নাৰী হিচাবে আমাৰ সমাজত তথা দেশতেই জাকত জিলিকাই ৰাখিছে।

বৰ্তমান দেশত নাৰী জাগৰণৰ সৃষ্টি হৈছে। ভাৰতীয় সভ্যতাত নাৰীক সদায় উচ্চ স্থান দিয়া হয়। বৰ্তমান সময়ত নাৰীসকল শিক্ষা-দীক্ষা বা অন্য বিভিন্ন ক্ষেত্ৰত পুৰুষৰ সমানেই খোজ মিলাবলৈ সক্ষম হৈছে। পুৰণি কালত নাৰী শিক্ষাত একেবাৰে গুৰুত্ব দিয়া হোৱা নাছিল। ছোৱালী এজনীক ঘৰুৱা বিভিন্ন যাৱতীয় কামত যাতে ৰাখি পঢ়া-শুনাৰ পৰা বঞ্চিত কৰি ৰাখিছিল। ফলত তেওঁলোকে কোনোদিনে এষাৰো নিজৰ অধিকাৰৰ বাবে মাত মাতিব পৰা নাছিল। বৰ্তমান চৰকাৰী বা

বেচৰকাৰীভাৱে হওক নাৰী সবলীকৰণৰ ওপৰত বিস্তৃতভাৱে আলোচনা-বিলোচনা অনুষ্ঠিত হৈছে। নাৰীৰ কল্যাণৰ বাবে এচাম লোক যিমানেই সচেতন হৈছে ঠিক তেনেকৈ আকৌ এচামে প্ৰত্যক্ষ বা পৰোক্ষভাৱে নাৰী নিৰ্যাতনত সক্ৰিয় ভূমিকা লৈছে। আমি সামাজিক মাধ্যমত নাৰীৰ স্বাধীনতা, অধিকাৰ আদিৰ কথা আলোচনা কৰি থাকিলেই জানো আজিৰ নাৰীসকল সুৰক্ষিত বুলি ক'ব পাৰি? বাতৰি কাকত, টেলিভিচন খুলিলেই নাৰীৰ ধৰ্ষণ, নাবালিকা বলাৎকাৰ আদি বাতৰিবোৰে আমাৰ চকু সেমেকাই তোলে।

নাৰী নিৰ্যাতন বহুচৰ্চিত আৰু এটি গভীৰ বিষয়। তাক কম পৰিসৰৰ ভিতৰত আলোচনা কৰাটো সহজসাধ্য নহয়। নাৰী নিৰ্যাতন বোলোতে শাৰীৰিক আৰু মানসিক উভয় নিৰ্যাতনৰ কথাকে কোৱা হৈছে। বৰ্তমান সময়ত যৌতুকজনিত কাৰণত বোৱাৰীক শাৰীৰিক-মানসিক অত্যাচাৰ, কেতিয়াবা জীৱন্তে কেৰাচিন তেল ঢালি জ্বলাই দিয়াও দেখা যায়। তদুপৰি নাবালিকা বলাৎকাৰ, বনকৰা কিশোৰীক বলপূৰ্বক ধৰ্ষণ কৰি হত্যা কৰা, কৰ্মক্ষেত্ৰতো নাৰী সুৰক্ষিত নহয় আদি ঘটনাৰ খবৰবোৰ এক সাধাৰণ ঘটনাকৈ পৰ্যবসিত হৈছে। মুঠৰ ওপৰত ক'বলৈ গ'লে মানুহৰ মাজত থাকিব লগা মানৱতাবাদ আৰু নৈতিক আদৰ্শৰ অপমৃত্যু ঘটিল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। নাৰীৰ অবিহনে পুৰুষৰ জীৱনৰ সাৰ্থকতা নাই বুলি কোৱা হয় যদিওবা আমাৰ সমাজত পুৰুষৰ দ্বাৰায়ে নাৰী নিৰ্যাতিত হয়। চহৰতেই গাঁৱৰ অন্যায়ৰ অঞ্চলবোৰত সাধাৰণতে মদ্যপানৰ প্ৰভাৱত নাৰী নিৰ্যাতন ঘটনা নিত্য নৈমিত্তিক ঘটনাত পৰিণত হয়।

'ডাইনী' আধুনিক সমাজ ব্যৱস্থাত নাৰী নিৰ্যাতনৰ এক ভয়াবহৰূপে পৰিগণিত হৈছে। শিক্ষাৰ পোহৰ নপৰা অনুন্নত ঠাইৰ মানুহৰ অন্ধবিশ্বাসৰ ফলতেই ডাইনী সন্দেহত অনেক নৃশংস, অমানৱীয় হত্যাকাণ্ড সংঘটিত হৈ আছে যদিও ইয়াৰ নিৰাময়ৰ বাবে আশানুৰূপে কোনো পদক্ষেপ লোৱা হোৱা নাই। নিৰ্দোষী মহিলাক ডাইনী সন্দেহত হত্যা কৰা হৈছে নিৰ্বিবাদে। তেওঁলোকে প্ৰতিবাদ নকৰাৰ কাৰণটো হ'ল- শিক্ষা-দীক্ষাৰ পোহৰ নপৰা মহিলাসকলে ঘৰৰ চাৰিবেৰৰ মাজত ঘৰুৱা কামত ব্যস্ত থাকে বাবে যুক্তিগতভাৱে কথাবোৰ চিন্তা কৰিব নোৱাৰে। তেওঁলোকৰ মাজত অন্ধবিশ্বাস-কুসংস্কাৰ আদিয়ে সুযোগ লৈ এচাম কু-চক্ৰান্তকাৰীলোকৰ ন্যস্ত স্বাৰ্থৰ বাবেই সংঘটিত হৈছে এটাৰ পিছত এটাকৈ ডাইনী সন্দেহত হত্যাকাণ্ডসমূহ।

আমাৰ সমাজত বিধৱা, সন্তানহীন, কেও কিছু নোহোৱা আবিয়ৈ মহিলাসকলক 'কুলক্ষণীয়া' উপমাৰে অভিহিত কৰা আমি প্ৰায়ে দেখিবলৈ পাওঁ। তদুপৰি কন্যা সন্তান বুলি ভ্ৰূণ হত্যা কৰা, কন্যা সন্তানতকৈ পুত্ৰ সন্তানক সকলো ক্ষেত্ৰতে গুৰুত্ব দিয়া, বাল্যবিবাহ, যৌতুক প্ৰথাক প্ৰচলন, বিধৱা মহিলাসকলে বগা কাপোৰ পৰিধান কৰা, যিকোনো মাঙ্গলিক কাৰ্যত বিধৱাসকলক আঁতৰত ৰখা আদিবোৰ নিঃসন্দেহে আমাৰ সমাজত প্ৰচলিত কু-সংস্কাৰ। মহিলাসকলে নিজৰ নিজৰ মৰ্যাদা তথা জাতিগত সত্বা জীয়াই ৰাখিবলৈ এনেবোৰ কু-সংস্কাৰৰ তীব্ৰভাৱে বিৰোধিতা কৰিব লাগে।

এগৰাকী নাৰী শিক্ষিত হোৱা মানে এখন ঘৰৰ লগতে এখন সমাজ শিক্ষিত হোৱা। গতিকে নাৰী শিক্ষা বিশেষভাৱে প্ৰয়োজন। গাঁৱে-ভূঞে, চহৰে-নগৰে সকলো নিৰক্ষৰ ছোৱালী মহিলাক সুশিক্ষাৰে স্বাক্ষৰ কৰাৰ লগতে তেওঁলোকৰ অধিকাৰ, কৰ্তব্যৰ বিষয়ে তেওঁলোকক অৱগত কৰি তুলিব লাগে। জাতি, ধৰ্ম, বৰ্ণ-নিৰ্বিশেষে সকলো নাৰী একগোট হৈ অন্যায়-অত্যাচাৰ, অবিচাৰ-নিৰ্যাতনৰ বিৰুদ্ধে নাৰী সংগঠন যেনে- অসমৰ নৰ্থ ইষ্ট নেটৱৰ্ক, বৰ্তমান অসমত গা কৰি উঠা স্বেচ্ছাসেৱী নাৰী সংগঠন "Warriors" - এটি জাগৰণ নাৰীঘৰ আদিৰ নাম বিশেষভাৱে উল্লেখনীয়। আমাৰ দেশৰ মহিলাসকলে নাৰী বিষয়ক সকলোবোৰ আইন আৰু চৰকাৰী আঁচনিসমূহৰ সম্যক জ্ঞান আহৰণ কৰা উচিত কিয়নো, এনে জ্ঞানে তেওঁলোকৰ নিজৰ নিজৰ অধিকাৰ, কৰ্তব্য আদি, সাব্যস্ত কৰাত সহায় কৰিব। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা 'বেটি বচাও, বেটি পঢ়াও' এখন আদৰণীয়, সময় উপযোগী আঁচনি। নাৰী সুৰক্ষাৰ ক্ষেত্ৰত 'দ্য প্ৰটেকশ্যন অব্ ৱ'মেন ফ্ৰম ডমেষ্টিক ভায়লেন্স এ" ২০০৫', যৌতুক নিবাৰণী আইন (১৯৬১/১৯৮৪), ভাৰতীয় বিচ্ছেদ আইন (১৯৬৯), বাল্যবিবাহ প্ৰতিৰোধী আইন (১৯২৯/১৯৭৮),

গৰ্ভৱতী মহিলা আইন (১৯৭১) ভাৰতীয় দণ্ডবিধি আইন (ধাৰা ৩৪৪, ৩৬৫ (ক), ৩৭২/৩৭৩, ৩৭৬, ৪৯৪, ৪৯৮ (৬), ৫০৯ আদি, ফৌজদাৰী কাৰ্যবিধি আইন (১২৫ ধাৰা ইত্যাদি উল্লেখনীয়)।

নাৰী নিৰ্যাতন ৰোধ কৰাটো কিন্তু প্ৰতিজন মানুহৰে এটা সামাজিক তথা নৈতিক কৰ্তব্য। আনহাতে স্বেচ্ছাসেৱী সংগঠন সমূহকো এই ক্ষেত্ৰত গধুৰ দায়িত্ব আছে। যিকোনো ঘটনা সংঘটিত হোৱাৰ পিছত কিছু চিঞৰ বাখৰ, প্ৰতিবাদ, প্ৰতিবাদী সভা দুখনমান পাতোতেই যেন আমাৰ দায়িত্ব শেষ। দৰাচলতে প্ৰতিবাদ সাব্যস্ত কৰিব লাগিব সকলোৱে। দোষীক উপযুক্ত শাস্তি দিবৰ বাবে চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰক, সমাজৰ সকলো শ্ৰেণীৰ লোকেই এই ক্ষেত্ৰত মাত মাতক। আগবাঢ়ি আহক। সমাজৰ সৰ্বত্ৰে এক জনজাগৰণৰ সৃষ্টি কৰিব পাৰিলে নিশ্চয়কৈ নাৰী নিৰ্যাতনৰ এই সমস্যাসমূহ সমাধান নোহোৱাৰ কোনো কাৰণ নাই। সেয়ে আমি নাৰী সমাজত একত্ৰিত হৈ অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ মাৰ বান্ধি প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰিব লাগিব। মহাত্মা গান্ধীয়ে সেয়েহে কৈছিল - 'মই যদি নাৰী হৈ জন্ম গ্ৰহণ কৰিলোহেঁতেন, তেন্তে পুৰুষে নাৰীক খেলাৰ সামগ্ৰী হিচাবে গণ্য কৰি অহা ভ্ৰান্ত ধাৰণাৰ বিপক্ষে বিপ্লৱ কৰিলোহেঁতেন।

বৰ্তমান সময়ছোৱাত 'নাৰী নিৰ্যাতন' এটা ডাঙৰ প্ৰত্যাহ্বান বা সমস্যা হিচাপে পৰিগণিত হৈছে। আজিৰ সমাজ ব্যৱস্থাত সকলো দিশৰে উন্নতি হ'লেও নাৰী হিচাপে কোনোখিনিত যেন আজিও ক'ৰবাত নহয় ক'ৰবাত এডাল শিকলিৰে বান্ধ খাই আছে। আজিও নাৰীসকল পুৰুষৰ সমান মৰ্যাদা পোৱা নাই। তেওঁলোক আজিও সুৰক্ষিত নহয়। তেওঁলোকৰ স্বাধীনতা সম্পূৰ্ণৰূপে নাই বুলি ক'লেও বঢ়াই কোৱা নহয়। সময় পৰিৱৰ্তন হৈছে। সময়ৰ লগে লগে মানুহৰ মগজুৰ উৎকৰ্ষ সাধন হৈছে। সকলো ফালৰ পৰা পৰিৱৰ্তন আৰু উন্নতি। মানুহবোৰ শিক্ষিত হৈছে কিন্তু আজিৰ শিক্ষিত সমাজ ব্যৱস্থাত নাৰীসকল সুৰক্ষিত নহয় কিয়? এটা ডাঙৰ প্ৰশ্ন। কিছুমান শিক্ষিত লোকৰ মগজুৰ উৎকৰ্ষ সাধন হৈছে হয় কিন্তু তেওঁলোকৰ চিন্তাধাৰাবোৰ আজিও উন্নতি হোৱা নাই। বহুতোলোকে নাৰীসকলক বেয়া চকুৰে চাই। যাক আমি দেৱীৰূপে জ্ঞান কৰোঁ, পূজা কৰোঁ তেওঁকেই নিৰ্যাতন, ধৰ্ষণ, বলাৎকাৰ ইছ, ইমান ঘৃণনীয় কাম ভাবিলে কিবাহে লাগে। এইবোৰ দৈনিক অভ্যাসগতৰূপেহে পৰিগণিত হৈছে। মহিলাসকল ৰাতি বাহিৰলৈ ওলোৱাৰ দূৰৰে কথা আজিকালি দিনতে বাহিৰলৈ ওলাবলৈয়ো ভয় হৈছে। মাত্ৰ কেইটামান নৰপিশাসৰ কাৰণে আজি সমগ্ৰ পুৰুষসকলক বেয়া দৃষ্টিৰে চাবলৈ ধৰিছে। সেয়েহে চৰকাৰক এটাই অনুৰোধ জনাওঁ যে যিসকলে এনে ঘৃণনীয় কামবোৰ কৰিছে তেওঁলোকক মৃত্যুৰে শাস্তি দিয়ক আৰু নাৰীসকলক জীয়াই থাকিবলৈ তেওঁলোকৰ অধিকাৰ আৰু স্বাধীনতা দিয়ক যাতে সকলোবোৰ নাৰী প্ৰহেলিকাৰ ডাঠ আৱৰণ ফালি ওলাই আহি নিজৰ মতে জীৱনটো জীয়াই থাকিব পাৰে। আমি এই ঘৃণনীয় কামবোৰ ৰোধ কৰিব নোৱাৰোনে? গতিকে এতিয়া সকলোবোৰ ৰাইজ সজাগ হ'বৰ হ'ল। আমি যদি এই ঘৃণনীয় কামবোৰ আজি বোধ কৰিব নোৱাৰো তেন্তে এখন সমাজ তথা দেশ সম্পূৰ্ণৰূপে ধ্বংসমুখলৈ গতি কৰিব। গতিকে সকলোবোৰ মানুহ ওলাই আহক অন্যায়ৰ বিৰোদ্ধে মাত মাতক আৰু নিজ অধিকাৰ সাব্যস্ত কৰক। তেহে এখন সমাজৰ লগতে দেশখনৰো উন্নতি সাধন হ'ব।

..............................

# যুৱসমাজত মাদক দ্ৰব্য (ড্ৰাগছ)ৰ প্ৰভাৱ

দুলুমণি চেতিয়া
ষষ্ঠ ষাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

দেশ এখনৰ উন্নয়নৰ মূল চালিকা শক্তি হৈছে যুৱ সমাজ। কিন্তু এই সাম্প্ৰতিক সময়ত যুৱ সমাজতেই বিভিন্ন কেৰোণ ধৰিবলৈ আৰম্ভ কৰিছে। পৰিৱেশ-পৰিস্থিতিৰ প্ৰতিকূলতাত এচাম যুৱক-যুৱতীয়ে আত্ম নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলত বিপথে গতি কৰিছে আৰু উঠি অহা চামকো বিপথে পৰিচালিত কৰিছে। বৰ্তমানৰ ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ সৈতে ফেৰ মাৰিবলৈ গৈ এচাম যুৱক-যুৱতীয়ে কৃত্ৰিম সুখানুভূতি লাভৰ বাবে সহজতে মাদক দ্ৰব্য সেৱন কৰিবলৈ লোৱা দেখা যায়।

বৰ্তমান সময়ছোৱাত যুৱ সমাজত ব্যৱহাৰ হোৱা মাৰাত্মক মাদক দ্ৰব্য হ'ল ড্ৰাগছ। ড্ৰাগছৰ প্ৰভাৱে বৰ্তমান সময়ত যুৱ চামক এক অনিশ্চিত ভৱিষ্যতলৈ লৈ গৈছে।

সাধাৰণতে ড্ৰাগচ্ তৈয়াৰ কৰা হয় আফিন (Opium)ৰ পৰা। অৱশ্যে ইয়াৰ লগত ৰাসায়নিক প্ৰক্ৰিয়াৰে অন্যান্য নিচাযুক্ত পদাৰ্থও সংযোগ কৰা হয়। উল্লেখযোগ্য যে এবাৰ যদি এই বৰবিহ সেৱন কৰে তাৰ পৰা পৰিত্ৰাণ পোৱাটো খুউৱ সহজ নহয়। ড্ৰাগছ গ্ৰহণকাৰীয়ে সাধাৰণতে বেজিৰ চিৰিঞ্জৰ দ্বাৰা দেহৰ ৰক্ত সিৰাত, ধূমপান নাইবা গিলি খোৱা আদি বিভিন্ন পদ্ধতিৰে গ্ৰহণ কৰে। আমাৰ দেশত এই বৰবিহ আদান-প্ৰদান কৰা দেখা যায় সাধাৰণতে পৰিত্যক্ত ঘৰ, নিৰ্জন ঠাই আদিত। এই ড্ৰাগছ যিহেতু ব্যয় বহুল সেইবাবে দুখীয়া শ্ৰেণীৰ বাবে সহজসাধ্য নহয়। কিন্তু ধনী শ্ৰেণীৰ এচাম ভণ্ড যুৱকৰ প্ৰৰোচনাত পৰি এই দুখীয়া শ্ৰেণীৰ যুৱকসকলে এই বৰবিহ সেৱন কৰি নিজৰ অভ্যাসত পৰিণত কৰি লয়। যদি এই বৰবিহ সেৱনত দুখীয়া শ্ৰেণীৰ যুৱকসকল মান্তি নহয়, কিন্তু তেওঁলোকৰ প্ৰৰোচনাত পৰি এদিন দুদিনকৈ এই দুখীয়া শ্ৰেণীৰ যুৱকসকলেও বৰবিহ সেৱন কৰাতো অভ্যাসত পৰিণত কৰি লয়। লাহে লাহে ঘৰত অশান্তি সৃষ্টি কৰিবলৈ ধৰে। ঘৰৰ সকলো সম্পত্তি বিক্ৰী কৰি শেষ কৰে। ড্ৰাগছ সেৱন কৰাৰ ফলত লাহে লাহে মানসিকভাৱে ভাগি পৰে, আত্মহত্যাৰ প্ৰৱণতা বাঢ়ে, হতাশাত ভোগা, উদাসীনতা, অসংযত আচৰণ কৰা দেখা যায়।

সমগ্ৰ বিশ্ব তথা ভাৰতবৰ্ষৰ লগতে সম্প্ৰতি অসমতো বৰবিহস্বৰূপ ড্ৰাগছ সেৱনৰ আসক্তিয়ে ভয়াবহ ৰূপ লোৱা দেখা যায়। অসম মূলতঃ ড্ৰাগছ সৰবৰাহ হয় মণিপুৰৰ সীমাইয়েদি। বিশেষকৈ অসম পুলিচ, ৰেলৱে পুলিচ আদিয়ে মাজে-সময়ে ড্ৰাগছসহ ড্ৰাগছ সৰবৰাহকাৰী ধৰা পেলোৱাৰ কথা প্ৰচাৰ মাধ্যমৰ যোগেদি দেখিবলৈ পাইছো। ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান কোঠত ড্ৰাগছসহ আটক হৈছিল সুদূৰ নাইজেৰিয়াৰ এজন লোক। এনেবোৰ দিশলৈ লক্ষ্য কৰিলে সহজে অনুমান কৰিব পাৰি যে বৰ্তমান সময়ত অসমত ড্ৰাগছৰ চাহিদা বৃদ্ধি পাবলৈ ধৰিছে।

ড্ৰাগছ আসক্তিয়ে ব্যক্তিগতভাৱে ক্ষতি কৰাৰ লগতে সমাজ, অৰ্থনীতি, ৰাজনীতি আদি সকলোতে ঋণাত্মক প্ৰভাৱ পেলায়। সুস্থ চিন্তা অবিহনে এখন সুস্থ সমাজ পৰিকল্পনা কৰাটো কঠিন। ড্ৰাগছৰ দৰে মাদকদ্ৰব্য আসক্তিৰ বোধৰ প্ৰথম উপায় হৈছে যুৱ-সমাজক শিক্ষিত কৰি তোলা। লগতে পিতৃ-মাতৃ সমাজৰ অগ্ৰণী লোক শিক্ষক তথা চৰকাৰখনো সদায় সচেতন হৈ থাকিব লাগিব। যুৱ সমাজক আনুষ্ঠানিক শিক্ষা দিয়াৰ উপৰিও বিভিন্ন প্ৰতিযোগিতামূলক কাৰ্যত আগভাগ ল'বলৈ উদ্‌গণি যোগাব লাগিব আৰু সদায় যাতে সমাজৰ বাবে দেশৰ বাবে ধনাত্মক চিন্তা কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগে। তেতিয়াহে যুৱ সমাজৰ পৰা মাদক দ্ৰব্য আঁতৰাই এখন সুস্থ শান্তিমূলক সমাজ গঢ়ি তুলিব পাৰিব।

.........................

# যুৱ উশৃংখলতাক কেনেদৰে ৰোধিব পাৰে

কণিকা শৰ্মা
চতুৰ্থ যাণ্মাসিক
অসমীয়া বিভাগ

বৰ্তমান যুগটোক আমি সামাজিক মাধ্যমৰ তথা বিজ্ঞানৰ যুগ বুলি নামকৰণ কৰোঁ। সময়ৰ লগতে মানুহবোৰো বৰ্তমান সময় Update হৈ অহা দেখা গৈছে। বহুক্ষেত্ৰত যোগাত্মক ফালে আৰু বহুক্ষেত্ৰত ঋণাত্মক দিশে ঢাল খোৱা দেখিবলৈ পোৱা গৈছে আজিৰ সমাজখনক।

নানা সমস্যাৰে জৰ্জৰিত সমাজখনে যথেষ্টখিনি সমস্যাৰ সন্মুখীন হৈছে সমাজৰ লোকসকলে তাৰে ভিতৰত 'যুৱ উশৃংখলতা' এটা গুৰুত্বপূৰ্ণ সমস্যা। বৰ্তমান সময়ত আমাৰ সমাজত 'যুৱ উশৃংখলতা' দিনক দিনে বাঢ়ি আহিছে। যুৱ উশৃংখলতাই সমাজখনক আগবাঢ়ি যোৱাত হেঙাৰ ৰূপে থিয় দিছে। ইয়াক লৈ অভিভাৱকসকল যথেষ্ট উদ্বিগ্ন হৈ পৰিছে। আমি জানো যে ঘৰখনেই হ'ল শিশু ল'ৰা-ছোৱালীৰ ওপৰত পৰে। নীতি শিক্ষাৰ আদিপাঠ ল'ৰা-ছোৱালীয়ে ঘৰখনতেই শিকে। আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক। ঘৰখনৰ মানুহৰ আচাৰ-আচৰণ, ব্যৱহাৰ, জীৱন-যাপনৰ শৈলী আদিবোৰ এটা শিশুৱে অনুকৰণ কৰে। গতিকে সৰুতে এটা শিশুক উপযুক্ত শিক্ষা দিলেহে পৰৱৰ্তী সময়ত বিপথে পৰিচালিত নহয়। এই ক্ষেত্ৰত ঘৰখনৰ আন আন সদস্যৰ লগত মাকৰ যত্নৰ প্ৰভাৱ অতিকৈ গুৰুত্বপূৰ্ণ। মাতৃ গৰাকীৰ অপৰিসীম যত্ন তথা কষ্ট আৰু কৌশলৰ ফলতহে এটা শিশু মানুহ হয়। সন্তানক লালন-পালন কৰি কৰি এখন সুস্থ সমাজত নিজকে প্ৰতিষ্ঠিত হ'ব পৰাকৈ উপযুক্ত শিক্ষাৰে এজন সু-নাগৰিক গঢ়ি তোলাত মাতৃগৰাকীয়ে সন্তানৰ মানসিক দিশটো ভালকৈ লক্ষ্য কৰাৰ সুবিধা পায়। ল'ৰা-ছোৱালীৰ মানসিক স্থিতিৰ বিষয়ে মাক-দেউতাক সচেতন হোৱা উচিত। শিশু এটাক স্বইচ্ছাই কামবোৰ কৰিব দিয়া উচিত। তেওঁলোকে কি কৰি ভাল পায় কি কৰি বেয়া পায় ভাল-বেয়া নিৰ্বাচন কৰি আগ্ৰহ থকা কামটো কৰিব দিব লাগে নহ'লে তেওঁলোক জেদি হৈ পৰে। এই সময়ছোৱাত তেওঁলোকক যথেষ্ট মৰমৰ প্ৰয়োজন। কিশোৰ অৱস্থাত পিতৃ-মাতৃৰ মৰম অবিহনে সন্তান অভিমানী হৈ পৰা দেখা যায়। অন্ধ মৰমৰ বশৱৰ্তী হৈ পৰা দেখা যায়। ইয়াৰ ফলত সন্তান অবাটে যাব পাৰে।

সন্তানক সৰুৰে পৰা সু-শৃংখল জীৱন-যাপন কৰিবলৈ হিংসা, লুণ্ঠন, ব্যভিচাৰ, লোভ আদিৰ পৰা আঁতৰত থাকিবলৈ সৰুতেই বিভিন্ন সাধুকথা, নীতি-উপদেশ, উদাহৰণৰ যোগেদি হৃদয়ঙ্গম কৰালে সন্তান কেতিয়াও অবাটে যাব নোৱাৰে। লঘু দোষত গুৰু শাস্তি দিব নালাগে। যৌৱনপ্ৰাপ্ত হোৱাৰ লগে লগে তেওঁলোকে এখন ৰঙীণ পৃথিৱী কল্পনা কৰে। তাৰে কিছুমান সেই ৰঙীন পৃথিৱীখনৰ প্ৰতি ইমানেই আকৃষ্ট হৈ পৰে যে ভাল-বেয়া বিচাৰ কৰিব নোৱাৰি অপকৰ্মতো লিপ্ত হোৱা দেখা যায়। আমেৰিকাৰ চিন্তাবিদ ষ্টেন্‌লি হ'লে কৈশোৰ কালক ধুমুহা আৰু পীড়নৰ সময় বুলি কৈছে। এই ক্ষেত্ৰত অভিভাৱকসকল সচেতন হোৱাটো নিতান্তই প্ৰয়োজন। সন্তানৰ সাধাৰণ ভুল এটা দেখিলেও অভিভাৱকে শুধৰাই দিয়া উচিত। অন্যথা ভুলৰ পৰিসমাপ্তি নঘটিব। যুৱ সমাজত উশৃংখলতাৰ বীজ ৰোপণ কৰাত ইন্ধন ৰূপে যোগান ধৰে অনুশীলতাই। দেশৰ ভৱিষ্যত যুৱ প্ৰজন্মৰ হাতত। গতিকে সন্তানক সঠিক পথ দেখুওৱাটো অগ্ৰজসকলৰ প্ৰধান কৰ্তব্য। সৰুৰ প্ৰতি মৰম, ডাঙৰৰ প্ৰতি শ্ৰদ্ধা-ভক্তি কৰিবলৈ সৰুৰে পৰা শিকোৱা উচিত। খুড়া-খুড়ী, মামা-মামী, পেহা-পেহী, বৰদেউতা-বৰমা আদি সম্বন্ধবোৰ সমাজৰ পৰা হেৰাই যাব দিব নালাগে। যদিহে মাক-দেউতাকৰ প্ৰতি শ্ৰদ্ধা, মৰম, ভক্তি আজীৱন অটুট থাকে তেতিয়া হয়তো এখনো বৃদ্ধাশ্ৰম নাথাকিব। বাঁহ কোমলতে ভাঁজ লগালেহে ভাঁজ লয়। বুঢ়া বাঁহ ভাঁজ লগালে ভাঙি যোৱাৰ সম্ভাৱনা থাকে।

..................................

# অন্ধবিশ্বাস আৰু বৰ্তমানৰ সমাজ ব্যৱস্থা

ভাগ্যলক্ষী নেওগ
দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান যুগটো বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞান-প্ৰযুক্তিৰ আৱিষ্কাৰৰ কাৰণেই মানুহৰ জীৱন ধাৰণৰ মানদণ্ড বৰ্তমান উন্নত হৈছে। মানুহে এক বিলাসী জীৱন যাপন কৰিবলৈ সক্ষম হৈছে। শিক্ষা-দীক্ষা, চিকিৎসা সকলো ক্ষেত্ৰতে আমোল পৰিবৰ্তন আনিছে। তথাপিও বৰ্তমান এনে কিছুমান সমাজৰ লোক আছে, যিসকলে পুৰণিকলীয়া প্ৰথা-পৰম্পৰাকে মানি আহিছে। যাৰ ফলশ্ৰুতিত বৰ্তমান আমাৰ সমাজ ব্যৱস্থাক যেন কিছুমান অন্ধবিশ্বাস আৰু কুসংস্কাৰে গ্ৰাস কৰিব ধৰিছে। অযুক্তিকৰ আৰু আওপুৰণি চিন্তা-চৰ্চাৰে পৰিচালিত হৈ নতুন নতুন ধ্যান-ধাৰণাৰো পৰিহাৰ কৰিছে। যাৰ বাবে সমাজত নতুন নতুন সমস্যাই দেখা দিছে আৰু গোটেই সমাজ ব্যৱস্থাটোকে ঘৃণীয়া কৰি তুলিছে।

বৰ্তমান সময়ত এনে কিছুমান সমাজৰ লোক আছে, যিসকলে অসুখ-বিসুখ হ'লে চিকিৎসকৰ পৰামৰ্শ লোৱাৰ পৰিবৰ্তে বেজ বা জৰা-ফুকা কৰা ব্যক্তিৰ ওচৰলৈ যায়। চিকিৎসকৰ ঔষধৰ পৰিবৰ্তে বেজৰ তাবিজ, মন্ত্ৰ-তন্ত্ৰত বেছি বিশ্বাস কৰে। কিছুমানে আকৌ সপোনত কোনো ৰোগৰ ঔষধ বা মন্ত্ৰ কৰিলে তেওঁক অদ্ভুত শক্তিৰ গৰাকী বুলি বিশ্বাস কৰি ৰোগ নিৰাময়ৰ বাবে তেনে ব্যক্তিৰ পৰামৰ্শ গ্ৰহণ কৰা দেখা যায়। ইয়াৰোপৰি কিছুমান সমাজত দৰিদ্ৰ, নিঠৰুৱা মহিলাক ডাইনী আখ্যা দি হত্যা কৰাও দুই এক ঘটনা দেখিবলৈ পোৱা যায়।

বহুতে আক' ডাঙৰ গছ বা হাবিতলীয়া ঠাইবোৰত ভূত-প্ৰেত বসবাস কৰে বুলি বিশ্বাস কৰি তেওঁলোকক সন্তুষ্ট কৰিবলৈ বিভিন্ন পূজা-পাতল কৰে। ৰাতি গছৰ তলত শুই থকা অবস্থাত কাৰোবাৰ মৃত্যু হ'লে সেয়াও ভূত-প্ৰেতৰ কাৰ্য বুলিয়ে ভাবে।

বহুতো মাক-দেউতাকক দেখা যায় যে ল'ৰা-ছোৱালীৰ পৰীক্ষাৰ সময়ত কোনো তান্ত্ৰিকৰ ঘৰলৈ গৈ তাবিজ বা কলমত জৰা-ফুকা কৰি আনে, নিজৰ ল'ৰা-ছোৱালীৰ পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হয়। কিন্তু কোনো এটা বিষয়ত অধ্যয়ন নকৰাকৈ সেই বিষয়ত জ্ঞান লাভ কৰাটো জানো সম্ভৱ? নপঢ়াকৈ কেৱল তাবিজ-মন্ত্ৰৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাটো সম্ভৱনে?

কিছুমান ঠাইত আকৌ মঙ্গলবাৰ, শনিবাৰে মাটি খান্দিব নাপায়, বাঁহ কাটিব নাপায় আদি প্ৰবচনো পুৰণি কালৰ পৰাই চলি আহিছে। একেদৰে যাত্ৰা পথত মেকুৰী সন্মুখেৰে পাৰ হৈ গ'লে অমঙ্গল হয় বুলি ধৰি লোৱা হয়। মৰা জীৱ-জন্তু, চৰাই আদিও অশুভ চিন বুলি ধৰি লোৱা হয়। তদুপৰি বিভিন্ন ধৰ্মীয় অনুষ্ঠান বা অন্যান্য কাম-কাজত মহিলাসকলক অংশ গ্ৰহণত বাধা প্ৰদান কৰা হয়।

পুৰণি কালৰ পৰাই চলি আহিছে বুলি এতিয়াও মানুহে সমাজৰ অনিষ্টকাৰী অন্ধবিশ্বাসক সমাজত পুহি ৰাখিছে। এনে বিশ্বাসে আমাৰ গোটেই সমাজ ব্যৱস্থাকে কোঙা কৰি পেলাইছে। ই সমাজৰ প্ৰগতিত বাধা হৈ থিয় দিছে। পুৰণি কালৰ পৰাই চলি আহিছে বুলিয়েই মানুহে এইবোৰ বিশ্বাসত লাগি নাথাকি বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰে সিদ্ধান্ত গ্ৰহণ কৰি সমাজৰ প্ৰগতিত অৰিহণা যোগাব লাগে। যাতে সকলোৱে মুকলি মনৰ গৰাকী হৈ সমাজৰ আৰু দেশৰ প্ৰগতিত অৰিহণা যোগাব পাৰে।

..........................

# পৰিৱেশ

উৎপল বৰগোহাঁই
চতুৰ্থ ষাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

কোনো জীৱন বা জীৱ সমষ্টিৰ কেউকাষৰ অৱস্থাকে সাধাৰণতে পৰিৱেশ বুলি কোৱা হয়। কেউকাষৰ অৱস্থাই সাধাৰণতে সেই আটাইবোৰ অৱস্থাকে বুজায় যিবোৰৰ ওপৰত জীৱনৰ স্থিতি আৰু বিকাশ নিৰ্ভৰ কৰে। পৰিৱেশৰ উপাদানবোৰে জড় আৰু জীৱ উভয়কে সামৰি লয়। এই উপাদানবোৰৰ মাজতো সম্পৰ্ক থাকে। মুঠতে পৰিৱেশ বুলিলে কোনো এখন ঠাই বা অঞ্চলত বিৰাজ কৰা উপাদানবোৰৰ মাজৰ সম্পৰ্কৰ জালিখনকে বুজায়। এই সম্পৰ্কৰ জালিত মানুহ আৰু মানুহৰ কাৰ্যাৱলীও সোমাই থাকে। গাঁও-নগৰ আদি বসতিৰ লগতে কৃষি, উদ্যোগ, যাতায়ত, পৰিবহন আদি মানুহৰ কাৰ্যাৱলীও পৰিৱেশৰ একোটা অংগ। এইবোৰ সমষ্টিয়ে এখন ঠাই বা অঞ্চলৰ পৰিৱেশ গঢ়ি উঠে।

পৰিৱেশৰ উপাদানসমূহত জৈৱ আৰু অজৈৱ দুয়ো প্ৰকাৰৰ উপাদান থাকে। জৈৱ উপাদানসমূহ মূলতঃ জীৱ মণ্ডলৰ ভিতৰুৱা। বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ লগতে অনুজীৱকে ধৰি বৃহৎ আকাৰৰ প্ৰাণী পৰ্যন্ত জৈৱ উপাদানৰ ভিতৰত পৰে। আনহাতে মাটি, পানী আৰু বায়ুৰ দৰে জড় প্ৰাণীহীন উপাদানবোৰ অজৈৱ বা জড় উপাদানৰ ভিতৰত পৰে।

পৃথিৱীৰ পৰিৱেশৰ প্ৰধান মণ্ডল ৪টা- স্থলমণ্ডল, জলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডল। এই ৪টা মণ্ডল পৰস্পৰে পৰস্পৰৰ লগত নিৰ্ভৰশীল। এই ৪টা মণ্ডলৰ মাজত চলি থকা আন্তঃক্ৰিয়াই পৃথিৱীৰ পৰিৱেশ গঢ়ি তুলিছে। এই মণ্ডলকেইটাৰ অন্তৰ্গত অনেক উপাদানে পাৰস্পৰিক ক্ৰিয়াৰ এক কাৰুকাৰ্যৰ জৰিয়তে পৃথিৱীখনৰ বৰ্তমানৰ নিৰূপণ কৰি আছে। অৱশ্যে স্থান, কাল ভেদে পৃথিৱীৰ পৰিৱেশৰ পৰিৱৰ্তন ঘটে, কাৰণ পৰিৱেশ পৰিৱৰ্তনশীল। পৃথিৱীৰ পৰিৱেশৰ পৰিৱৰ্তনৰ কিছুমান কাৰক আছে। সেইবোৰ হ'ল- জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ, নগৰীকৰণ, যাতায়ত আদিয়ে পৰিৱেশৰ ব্যাপক পৰিৱৰ্তন সাধন কৰি আছে।

পৃথিৱীৰ স্থলমণ্ডল, জলমণ্ডল আৰু জীৱমণ্ডলৰ লগতে বায়ুমণ্ডলৰ অসংখ্য উপাদানৰ মাজত সম্পৰ্কৰ যেতিয়ালৈকে ভাৰসাম্যতা ৰক্ষা কৰি থাকে, তেতিয়ালৈকে পৰিৱেশত কোনো সমস্যা নাথাকে। আনহাতে মানৱ সমাজেও পৃথিৱীৰ পৰিৱেশৰ লগত নিজকে খাপ খুৱাই জীৱন-নিৰ্বাহ কৰি থাকিব বিচাৰে। কিন্তু পৃথিৱীৰ মানুহৰ সংখ্যা অত্যাধিক বৃদ্ধি হোৱাৰ ফলত সম্পদৰ নাটনিয়ে দেখা দিছে। পৃথিৱীৰ প্ৰতিটো মণ্ডলতে মানুহৰ বসতি স্থানৰ সম্প্ৰসাৰণৰ ফলত অৰণ্যভূমি হ্ৰাস পালে আনহাতে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে। এইদৰে নতুন নতুন সমস্যাৰ সৃষ্টি হ'বলৈ ধৰে। এই সমস্যাবোৰ সমাধান কৰিবলৈ সকলো ৰাইজৰ সহায়-সহযোগ অত্যন্ত প্ৰয়োজনীয়। ৰাইজৰ প্ৰত্যক্ষ অভিজ্ঞতা, কৰ্মক্ষমতা উন্নয়নমূলক কামত লগালে সকলো সমস্যা সহজে সমাধান কৰিব পৰা যাব। স্থানীয় পৰ্যায়ৰ সমস্যাবোৰ স্থানীয় ৰাইজে পঞ্চায়ত বা তেনে কোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ জৰিয়তে চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত লগ লাগি বা সহযোগ কৰি সহজে কৰিব পৰা যায়।

শেষত মই এটাই কওঁ যে ভৱিষ্যতৰ পৃথিৱীখনৰ পৰিৱেশ সুন্দৰ কৰি ৰখাটো প্ৰত্যেকজন নাগৰিকৰে একোটা কৰ্তব্য। গতিকে যাতে পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়ে।

..............................

# শৰৎ কাল

বৰ্ণালী কোঁৱৰ
চতুৰ্থ ষাণ্মাসিক
বুৰঞ্জী বিভাগ

আমাৰ ছটা ঋতুৰ ভিতৰত শৰৎ অন্যতম। ঋতুৰ ৰজা বসন্ত আৰু ৰাণী শৰৎ। প্ৰকৃতিক ভাল পোৱা মানুহে যুগে যুগে শৰতৰ ৰূপ বৰ্ণনা কৰি আহিছে। আমাৰ ভাদ মাহ শেষ হোৱাৰ লগে লগে মিঠা শৰতে নতুন ওৰণি লৈ ভুমুকি মাৰে। ভাদ যায়। লগতে যায় বেদনাক্লিষ্ট বৰ্ষা, বাৰিষাৰ বিপৰ্যয় আৰু আতংক। পৃথিৱীয়ে বাৰিষাক বিদায় দি শৰতক হেঁপাহেৰে আঁকোৱালি লয়। আঁকোৱালি ভাল পায় শৰতৰ শুকান বাট-পথ, নিৰ্মল আকাশ-বতাহ আৰু পানী। মিঠা শৰতৰ পৰশে মানুহৰ মনো মিঠা কৰে, নিৰ্মল কৰে। শৰতৰ ৰূপত কবিৰ প্ৰাণ উন্মনা হয় আৰু শৰতক লৈ ৰচনা কৰে কাব্য আৰু কবিতা। মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুৱে এদিন শৰতৰ এই ৰূপত আপোন-পাহৰা হৈছিল। তেওঁ গাইছিল -

"পুষ্পিত মন্দাৰ কুণ্ড গন্ধে হুয়া বোল
মধুমত্ত অনেক প্ৰেমৰ কৰে বোল।।
শৰৎ চন্দ্ৰৰ কান্তি অতি সুকোমল।
দেখি মহা সন্তোষিত গোপীকাসকল।"

শৰতৰ এই ৰূপত এদিন পৰম ব্ৰহ্ম ভগৱান শ্ৰীকৃষ্ণও মুগ্ধ হৈ যমুনাৰ বালিত গোপিনীসকলক লৈ ৰাম-উৎসৱ পাতিছিল। সেয়া আছিল এক উজ্জ্বল পবিত্ৰ আৰু স্নিগ্ধ শাৰদ-পূৰ্ণিমাৰ ৰাতি। আজিও শৰতৰ এই পূৰ্ণিমা তিথিত ৰাসোৎসৱ পাতে। উৎসৱ প্ৰিয় মানুহে আজিও শৰতৰ এই পূৰ্ণিমাৰ পোহৰ উপভোগ কৰে। শৰতৰ আগমনে প্ৰকৃতিৰ ৰূপত পৰিৱৰ্তন ঘটায়। বাট-পথ শুকায়, পানী নিৰ্মল হয়। শেৱালি ফুলে। ভেঁট-পদুমে পাহ মেলে। বৰ্ষাক্লিষ্ট গছ-বন লতাই নতুন পাত ধৰে। ভোমোৰাই ফুলৰ পাহে পাহে ফুল-মধু পান কৰি ফুৰে। সজীৱ হৈ উঠে দুবৰিবনৰ দলিচা। পুৱাৰ ৰঙা সুৰুযে দুবৰিবনৰ ওপৰত থকা নিয়ৰৰ টোপালক মুকুতাৰে যেন খোপা সজায়। লুইতৰ পাৰে পাৰে শাৰীয়ে শাৰীয়ে কঁহুৱা ফুলে। আনন্দত নাচে চৰাই-চিৰিকটি। মহাবাজ ব্ৰহ্মপুত্ৰৰ ৰুদ্ৰ মূৰ্তিও যেন শান্ত সৌম্য হৈ পৰে। শৰতৰ ৰ'দো যেন মিঠা ৰ'দ।

প্ৰকৃতিৰ এনে পৰিৱৰ্তনৰ লগতে মানুহৰ মন যেন পৰিৱৰ্তিত হয়। বেমাৰ-আজাৰ কমি আহে। কৰ্মৰ বাবে তেওঁলোকে প্ৰেৰণা পায়। আশাৰে বাট চাই থাকে আঘোণৰ সোণালী পথাৰৰ বাবে। শৰতৰ সেউজী পথাৰ আঘোণত হৈ পৰিব সোণালী। আনি দিব ভঁৰাল ভৰা ধান। শৰৎ কাল জিৰণিৰ সময় বুলিয়ে খেতিয়কে হাত সাবটি বহি নাথাকে। পথাৰৰ কাম এৰি ঘৰুৱা কামত হাত দিয়ে। বিভিন্ন বাঁহ-বেতৰ কাম এই জিৰণিতে কৰে। শৰৎ কালৰ ভিতৰতে খেতিয়কে শীতকালীন শাক-পাচলি, সৰিয়হ আদিৰ খেতি কৰি বাৰী ঘৰ শুৱনি কৰে।

প্ৰকৃতিৰ এই ৰূপৰ মাজতে আহে শাৰদীয় পূজা। ত্ৰেতা যুগতে ভগৱান ৰামচন্দ্ৰই সীতা উদ্ধাৰৰ কাৰণে লংকাৰ ৰাক্ষস ৰজা ৰাৱণ বধৰ হেতু অকালত দেৱী দুৰ্গাৰ পূজা পাতিছিল। শৰৎ কালতে তেওঁ এই পূজা পাতিছিল বাবে এই পূজাক শাৰদীয় পূজা বোলে। ৰাম আজি নাই, ৰাৱণো নিধন হ'ল, কিন্তু সেই শাৰদীয় পূজা যুগৰ পাছত যুগ ধৰি চলি থাকিল। আজিও শৰৎ অকলে নাহে, লগতে লৈ আহি সেই সকলো শক্তিৰ উৎস মাতৃ দুৰ্গাপূজা। শৰতৰ আনন্দই এনেই মানুহৰ মনত আনন্দৰ প্ৰেৰণা দিয়ে, দুৰ্গোৎসৱে আৰু প্ৰেৰণা জগাই হিন্দু মানুহৰ মন উৎসৱ মুখৰ কৰি তোলে। উৎসৱৰ ৰেঙনিয়ে যোগায় কৰ্মব্যস্ত মানুহৰ অন্তৰত জীয়াই থকাৰ সম্বল।

শৰৎ এক সমতাৰ কাল। গ্ৰীষ্ম উৎকট গৰম আৰু বৰ্ষাৰ ঢেৰেকনি মৰা বৰষুণ তেতিয়া নাথাকে। হেমন্তৰ চেঁচা হিমৰ পৰশৰ পৰা বা শীতৰ হাড় কঁপোৱা চেঁচাৰ

পৰাও শৰৎ আঁতৰত থাকে বাবে মানুহৰ দেহ মন হয় মুকলি। দিন ৰাতিও এই কালত প্ৰায় সমান থাকে। প্ৰকৃতিৰ আনন্দই এফালে মানুহক আনন্দ দিলেও আনফালে ভয়াবহ অভাৱ-অনাটন এই সময় ছোৱাত দেখা যায়। পুৰণি ধান-চাউল খেতিয়কৰ ভঁৰালত কমি আহে। নতুন ধান ওলাবলৈকো সময় থাকে। গতিকে শৰতে লগতে অভাৱো আনে বুলি ক'ব পাৰি। এনে অভাৱৰ মাজতে অসমীয়া মানুহে পাতে তেওঁলোকৰ আন এটা উৎসৱ 'কঙালী বিহু'।

এনে সময়তে আমাৰ এই বিহু উৎসৱটো হয় বাবে কিজানি ইয়াৰ নাম থোৱা হ'ল - কঙালী বিহু। শৰতে যদি আমাক আনি দিয়ে ৰজা ৰামচন্দ্ৰৰ শাৰদীয় পূজা, শ্ৰীকৃষ্ণই কৰা ৰাসলীলা, তথাপি শৰতে লগতে লৈ আহে সেই ভয়াবহ অভাৱ-অনাটন আৰু দুৰ্দশা - সেয়ে শৰতৰ সকলো অৱদান কেতিয়াবা আমাৰ যেন অসহনীয় হয়।

যুগে যুগে শৰৎ আহিছে, গৈছে। যুগে যুগে শৰৎ আহিব আৰু যাব। শৰতৰ ওপৰত আমাৰ আশা থাকিল, তেওঁ সেই চিৰ সুন্দৰৰ লগত ভয়াবহ অভাৱ-অনাটন যেন লগত লৈ নাহে তেতিয়া আমাৰ বাবে শৰৎ হ'ব এক চিৰ সুন্দৰৰ উৎস।

..............................

# সৌন্দৰ্যৰ আন এক নাম শৰৎ

ৰুমি চন্দ
ষষ্ঠ ষাণ্মাসিক
বুৰঞ্জী বিভাগ

শৰৎ মানেই শেৱালিৰ সুবাস, শৰৎ মানেই নৈ কাষৰত কহুৱাৰ এক অপৰূপ দৃশ্য, শৰৎ মানেই ৰ'দ-বৰষুণৰ লুকা-ভাকু। বাৰিষাই প্ৰতিশ্ৰুতি দি যোৱাৰ পিছত সম্ভাৱনাৰ বতৰা লৈ আগমন হয় ঋতুৰ ৰাণী শৰতৰ। শৰতৰ আগমণ মানেই প্ৰকৃতিৰ সাজোন-কাচোনৰ সময়। এনে লাগে শৰতে প্ৰকৃতিক যেন ন-কন্যাৰ সাজোনেৰে সজাই তুলিব আহিছে।

শৰতৰ সৌন্দৰ্য সঁচাই বৰ মনোমোহা। সেই সময়ত প্ৰকৃতিৰ প্ৰতিটো বস্তুতে যেন ইয়াৰ সৌন্দৰ্য নিহিত হৈ থাকে।

পৰিচ্ছন্ন আকাশ, নীল গগনত চপৰা চপৰা শুভ্ৰ ডাৱৰ , ৰূপালী জোনাক। কোমল দুৱৰিৰ আগত নিয়ৰৰ মুকুতাৰ গাঁঠি, কুঁৱলী ছটিওৱা মৃদু বতাহ, শেৱালি খৰিকাজাইৰ মধুময় সুবাস আৰু সেউজ ধাননিখনি এই সকলোতে নিহিত হৈ থাকে শৰতৰ সৌন্দৰ্য। ভাদ মাহত শৰতৰ আগমন হয় যদিও ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য দেখিবলৈ পাওঁ আমি আহিন মাহত। আহিন মানেই উলাহৰ বতৰ, উৎসৱৰ বৰত এক শাৰদী পৰিবেশ।

আহিনৰ প্ৰেমত পৰি বহুতো শিল্পীৰ কণ্ঠত প্ৰাণ পাই উঠে আহিনৰ সৌন্দৰ্য। ঠিক এনেদৰে নৱকান্ত বৰুৱাদেৱৰ গীতৰ মাজতো আহিনৰ সৌন্দৰ্য এনেদৰে ফুটি উঠিছে।

"আহিনক কোনে আনে
নিয়ৰে ক'লে শেৱালিয়ে
আৰু শেৱালিয়ে ক'লে
নিয়ৰে আনে।
দুৱৰিয়ে ক'লে কোমল হাঁহিৰে
দুয়োজনে দুয়োজনে।।"

শৰতৰ প্ৰধান উৎসৱ দুৰ্গাপূজা শৰতে আদৰি আনে দুৰ্গতি নাশিনীদেৱী দুৰ্গাক হিংসা অসুয়া-অপ্ৰীতি নাশ কৰিবলৈ সৰগৰ পৰা মৰ্ত্যলৈ নামি আহি দেৱী দুৰ্গা, লগে লগে আৰম্ভ হয় কালী পূজা, লক্ষ্মী পূজা, কাতি বিহু, শ্ৰীকৃষ্ণৰ ৰাসকে ধৰি বিভিন্ন উৎসৱ।

সঁচাই এই মায়াবী ঋতু শৰতৰ সৌন্দৰ্যতাৰ যেন কোনো তুলনা নাই। এনেদৰে ঋতুৰ ৰাণী শৰতে এক মায়াবী পৰিৱেশৰ সৃষ্টি কৰি মানৱ জাতি আৰু প্ৰকৃতিৰ মাজত এক নিবিড় সম্পৰ্ক গঢ়ি তুলি আমাৰ মাজৰ পৰা বিদায় মাগে।

---

# পৃথিৱী আৰু ইয়াত থকা জীৱৰ বিকাশক্ৰম

লোহিত ঠাকুৰ
দ্বিতীয় ষাণ্মাসিক
গণিত বিভাগ

আমি মানুহ আজি ইমান আধুনিক হৈছোঁ, আমি এই পৃথিৱীৰ পৰা বাহিৰলৈ যাব পাৰোঁ, বিশ্বব্ৰহ্মাণ্ডৰ বহুকোটি প্ৰকাশবৰ্ষ লৈ চাব পাৰো। আমাৰ ওচৰতে বিজ্ঞান আছে, যিয়ে আমাক আমাৰ প্ৰশ্নৰ উত্তৰ দিয়ে। আজিৰ বিজ্ঞান ইমান উন্নত হৈছে যে আমি আমাৰ গ্ৰহৰ উপৰিও অন্য গ্ৰহতো কৃত্ৰিম উপগ্ৰহৰ স্থাপন কৰিবলৈ সক্ষম হৈছোহি। বহু কঠিন প্ৰশ্নৰ উত্তৰ ছেকেণ্ডৰ ভিতৰত জানিব পৰা হৈছোগে। এই বিজ্ঞানৰ পৰাই আমি আমাৰ অহিতৰ কথা প্ৰায় গম পাব পৰা হলোঁহি।

পৃথিৱী আমাৰ ঘৰ। য'ত মানুহে কেইবা শতিকাৰ পৰা ৰাজত্ব কৰি আহিছে। বৈজ্ঞানিকৰ মতে এই ধৰাত ৬৭ লাখ প্ৰজাতিৰ জীৱ বসবাস কৰি আহিছে। যাৰ ভিতৰত আমি প্ৰায় ১৫ শতাংশ জীৱৰ বিষয়েহে জানিবলৈ সক্ষম হৈছোহি। কিন্তু ইয়াতে এটা প্ৰশ্ন উদ্ভৱ হয় যে এই প্ৰাণীবোৰ আহিছিলেনো ক'ৰ পৰা? এই ধৰাত জীৱৰ আৰম্ভণি কেনেদৰে হৈছিল? আমাৰ অস্তিত্ব কি?

এই বিষয়ে জানিবলৈ আমি প্ৰায় ৪.৫ অৰব বছৰৰ পাছলৈ যাব লাগিব। যেতিয়া আমাৰ পৃথিৱী আৰম্ভণি পৰ্যায়ত আছিল। সেই সময়ত আমাৰ পৃথিৱীত মিটিৰয়ডৰ বৰষুণ হৈ আছিল। গলিত লাভাৰ নৈ বৈছিল। ই তেতিয়া বৰ্তমানৰ শুক্ৰ, বুধ গ্ৰহৰ দৰে অৱস্থাত আছিল।

পৃথিৱী গলিত লাভাৰ পৰা এই অৱস্থালৈ আহিবলৈ লগা সময়ছোৱা বহু দীঘলীয়া আৰু কষ্টকৰ।

আজিৰ পৰা ৪.৫ অৰব বছৰৰ আগতে যেতিয়া পৃথিৱী গলিত লাভাৰ ৰূপত আছিল। সেইসময়ত আমাৰ ধৰাত থিয়া (Thiya) নামৰ গ্ৰহ খুন্দা খায় যাৰ ফলত আমাৰ প্ৰাকৃতিক উপগ্ৰহৰ গঠন হয়। এই গঠন প্ৰক্ৰিয়া বহুদীঘলীয়া, বহু পৰিবৰ্তনৰ সন্মুখীন হৈ পৃথিৱী আকৌ গ্ৰহৰ ৰূপ লয় আৰু চন্দ্ৰ পৃথিৱীৰ পৰা দূৰত্বলৈ গৈ বৰ্তমান চন্দ্ৰৰ ৰূপত আৰম্ভণি ঘটায়। চন্দ্ৰৰ গঠনৰ ওপৰত বহু বৈজ্ঞানিকৰ মাজত তৰ্ক-বিতৰ্ক হৈ থাকে যদিও ওপৰোক্ত সূত্ৰটোকে বৈজ্ঞানিকসকলে বেছিকৈ প্ৰাধান্য দিয়ে।

আজিৰ পৰা প্ৰায় ৩.৭অৰব বছৰৰ আগতে পৃথিৱীত আকৌ এষ্টৰয়ডৰ বৃষ্টিপাত ঘটে। যাক এতিয়া The late heavy Bombardment বুলি জনা যায়। এই উল্কাপিণ্ডসমূহৰ লগতে আহে আমাৰ পৃথিৱীত বৰফৰ কৃষ্টেল যি পিছলৈ পানীৰ ৰূপ লয়। প্ৰায় ৰ অৰব বছৰৰ লৈকে এই প্ৰক্ৰিয়া ঘটি থাকিল। উল্কাপিণ্ডৰ লগত পিছলৈ পৃথিৱীত খনিজ পদাৰ্থ, কাৰ্বন আৰু এমিন' এছিডৰ আগমন ঘটে। যিয়ে একেলগে ৰাসায়নিক

বিক্ৰিয়া ঘটায় জন্ম দিয়ে এই ধাৰাত প্ৰথম এক কোষীয় জীৱ, বেক্টেৰীয়াৰ।

প্ৰায় ৩.৫ অৱব বছৰৰ আগলৈকে পৃথিৱীৰ বহুখিনি পৰিবৰ্তন ঘটে। সাগৰৰ সৃষ্টি হয়। এই পানীৰ তলত তেতিয়ালৈকে বেক্টেৰীয়াৰ পৰিমাণ ইমানে বৃদ্ধি হৈ গৈছিল যে ইহঁতে নিজৰ মাজতে লগ লাগি বেক্টেৰীয়াসমূহৰ গঠন কৰে যাক Stromatolite's বোলা হয়। এই বেক্টেৰীয়াসমূহে খাদ্যৰূপে ব্যৱহাৰ কৰিছিল সালোক সংশ্লেষণ প্ৰক্ৰিয়াৰ। যাৰবাবে আমাৰ পৃথিৱীত গঠন হয় জীৱৰ আটাইতকৈ অমূল্য পদাৰ্থ অক্সিজেনৰ ($O_2$)। প্ৰায় ২ অৱব বছৰৰ লৈকে $O_2$ ৰ মাত্ৰা অহৰহ ভাৱে বৃদ্ধি ঘটে।

আজিৰ পৰা প্ৰায় ৭৫ কোটি বছৰৰ আগলৈকে পৃথিৱীত গঠন হোৱা সৰু সৰু দ্বীপবোৰ লগ লাগি এক বিশাল মহাদ্বীপৰ গঠন কৰে Rodinia ৰ। সেই সময়ত পৃথিৱীৰ তাপমান ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু এদিন ১৮ ঘণ্টিয়া আছিল। সেই সময়তে পৃথিৱীৰ টাইটনিক প্লেটৰ ঘৰ্ষণৰ সৃষ্টি হয় যাৰফলত ভূ ভাগৰ পৰা CO2 নিৰ্গত হয়, বহু পৰিমাণে CO2 বৃদ্ধি হোৱাত অহৰহভাৱে হয় Acid Rain ৰ যিয়ে পৃথিৱীৰ উপৰিভাগখনক ডাঠ চালৰ দৰে ঢাকি খায় পেলায়। ইয়াৰবাবে পৃথিৱীৰ তাপমান তীব্ৰভাৱে কমিবলৈ ধৰিলে আৰু এনেদৰেই সৃষ্টি হয় পৃথিৱীত প্ৰথম ICE Age ৰ।

আজিৰ পৰা ৫৪ কোটি বছৰৰ আগলৈকে পৃথিৱীৰ জলবায়ু পৰিবৰ্তনৰ ফলত সকলো বৰফ গলি শেষ হয়। সেই কালত সাগৰৰ তলিত O2 ৰ উৎপত্তিৰ বাবে কেইবা ধৰণৰো কৃত্ৰিম উদ্ভিদ আৰু জীৱৰ গঠন হয়। যাক Complex microcellular organisim বোলা হয়। এই প্ৰজাতিসমূহৰ ভিতৰত মুখ্যত আছিল Pikia, Anomolcaris ৰ।

আজিৰ পৰা ৪৬ কোটি বছৰ আগতে আমাৰ পৃথিৱীত ভৌগলিকভাৱে বহু পৰিবৰ্তন ঘটে। পৃথিৱীত অজন গেছৰ গঠন হয়। পৃথিৱীত গঠন হোৱা মহাদ্বীপসমূহ কেইবা খণ্ডত বিভক্ত হয়। স্থলচ উদ্ভিদৰ সৃষ্টি হয়। পানীৰ তলৰ জীৱসমূহ বিকশিত হয় লাহে লাহে স্থলচৰ ৰূপে ৰূপ লয়। প্ৰথম স্থলচৰ প্ৰাণী বুলিলে Tiktaalik ক বুজায়।

প্ৰায় ১.৫ কোটি বছৰৰ বিকশিত প্ৰক্ৰিয়াত এই প্ৰাণীবিধ সম্পূৰ্ণৰূপে স্থলত থাকিবৰ বাবে সক্ষম হয়। যাক এতিয়া Tetropds বুলি জনা যায়। আজিৰ পৰা ৩৬ কোটি বছৰৰ আগত পৃথিৱীত আকৌ ভৌগোলিক পৰিবৰ্তন ঘটিবলৈ আৰম্ভ হয়। এই পৰিবৰ্তনৰ ফলস্বৰূপে পৃথিৱীত মহা আকাল পৰে। এই আকালত ৯৫ শতাংশ জীৱ আৰু উদ্ভিদৰ বিলুপ্তি ঘটে। প্ৰায় ১৬ কোটি বছৰৰ পাছত ভূ-ভাগসমূহ আকৌ লগলাগি বিশাল মহাদ্বীপৰ গঠন কৰে যাৰ নাম আছিল Pangea। এই পৰিবৰ্তনৰ পাছত পৃথিৱী দেখাত আজিৰ দৰে হুবলৈ গৈ আছিল। সেই পৰিবৰ্তনসমূহৰ মাজতে পৃথিৱীত থকা স্থলচৰ, জলস্বৰ প্ৰাণীসমূহ বিকাশ ঘটি কেইবাপ্ৰজাতিৰ জীৱৰ গঠন কৰে। ইয়াৰ ভিতৰত প্ৰধান আছিল ডাইন'চৰ আৰু মেমলছসমূহ।

প্ৰায় ১৪ কোটি বছৰৰ লৈকে পৃথিৱীত ডাইন'চৰসমূহে ৰাজত্ব কৰে। ইহঁতৰ কেইবা প্ৰজাতিৰ জীৱলৈ বিকশিত হয় কিছুমান তৃণভোজী আন কিছুমান মাংসভোজী। কিছুমান বহু শান্ত আন কিছুমান বহু উগ্ৰ। আজিৰ পৰা প্ৰায় ৬.৫ কোটি বছৰৰ সময়ছোৱাত পৃথিৱীত খুন্দামাৰে এক সুবিশাল এষ্টৰয়ড, যিয়ে ধ্বংস কৰি পেলায় সমস্ত ডাইন'চৰৰ প্ৰজাতিটোক। এই মহাবিনাশত কিন্তু মেমলছসমূহে নিজকে বচায় ৰাখিবলৈ সক্ষম হয়, কিয়নো মেমলছসমূহে ডাইন'চৰৰ ভয়ত গাতৰ তলত বসবাস কৰিছিল। ইহঁত দেখাত বৰ্তমানৰ নিগনিৰ দৰে আছিল। গাতৰ তলত থকা গুণে পিছলৈ ইহঁতৰ বাবে আশীৰ্বাদ স্বৰূপে পৰিণত হয়। এষ্টৰয়ডৰ খুন্দাত পৃথিৱীৰ তাপমান বহু বৃদ্ধি হৈ গৈছিল। গাতৰ তলত থকাৰ বাবে ইহঁতে নিজকে ৰক্ষা কৰিবলৈ সক্ষম হয়। ডাইন'চৰৰ মৰাশসমূহ খায় ইহঁতে নিজকে কেনেবাকৈ জীৱিত কৰি ৰাখে।

আজিৰ পৰা ৪.৭ কোটি বছৰৰ আগতে পৃথিৱীৰ বাতাবৰণ প্ৰায় আজিৰ দৰে হৈছিলহি। তেতিয়া পৃথিৱীৰ তাপমান ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু এদিন ২৪ ঘণ্টীয়া আছিল। এই কাললৈকে আমাৰ পূৰ্বপুৰুষ মেমলছসমূহে নিজকে বহুখিনি প্ৰজাতিলৈ বিকশিত কৰি লবলৈ সক্ষম হৈছিল। এই কালতে আফ্ৰিকা মহাদেশৰ পৰা এক ভূ-ভাগ যদিও হয়, লগ লাগে এছিয়া মহাদেশত আৰু গঠন

কৰে পৃথিৱীৰ আটাইতকৈ ডাঙৰ পৰ্বত শৃংখলাৰ যাক এতিয়া জনা যায় হিমালয় বুলি আৰু ভূ-ভাগটোক জনা যায় ভাৰতবৰ্ষ বুলি।

আজিৰ পৰা প্ৰায় ১.৫ কোটি বছৰৰ পৰা ৪০ লাখ বছৰৰ আগলৈকে আমাৰ পূৰ্বপুৰুষ কেইবাটাও প্ৰজাতিলৈ বিকশিত হয়। তাৰ ভিতৰত দ্ৰায়পিথিকাছ, ৰামাপিথিকাছ আদিয়ে প্ৰধান। আজিৰ পৰা প্ৰায় ৪০ লাখ বছৰৰ পূৰ্বে বৰ্তমানৰ আফ্ৰিকাত নিৰ্মাণ হয় "East African Rilf Velley"। এই পৰ্বতে সেই ঠাইত অহা মৌচুমী বতাহৰ বাধাৰূপে নিৰ্মিত হৈছিলগৈ। ইয়াৰ বাবে এইটো জংঘলত বৰষুণ অহা বাধা হৈ গৈছিল। এই জংঘলতে আছিল APS বোৰ। বৰষুণৰ অভাৱত জংঘলতে আকাল পৰিল যাৰ ফলত ইহঁতে গছৰ পৰা নমাৰ সিদ্ধান্ত ললে। লাহে লাহে কেইবাদশকৰ পাছত ইহঁতৰ উৎপৰিবৰ্তন হৈ Ardipithecus Ramidus লৈ পৰিবৰ্তন হয়। ইহঁত আছিল চিকাৰ কৰিবলৈ যোগ্যতাপ্ৰাপ্ত হোৱা আমাৰ পূৰ্বজ। ইহঁতে পিছলৈ বিকশিত হৈ জুইৰ ব্যৱহাৰ শিকিলে। খেতি কৰিবলৈ জনা হ'ল, দল বান্ধি থাকিবলৈ শিকিলে। যিয়ে পিছলৈ বিকশিত হয় Homeroclus, Homohabities আদিৰ দৰে প্ৰজাতিলৈ। Homoretus য়ে সৃষ্টি কৰিছিল ভাষাৰ। আজিৰ পৰা প্ৰায় ২ লাখ বছৰ আগতে আমাৰ আদি মানৱৰ উৎপৰিবৰ্তন হ'ল। Homosapiens ৰ। যাৰ মগজু পৃথিৱীত থকা সকলোবোৰ জীৱতকৈ বেছি। বুদ্ধি আটাইতকৈ বেছি। ইহঁতৰ ওচৰত আছিল নতুন নতুন পদাৰ্থৰ আৱিষ্কাৰৰ নিজৰ বিকাশ ঘটাবলৈ সক্ষমতাৰ। ইয়াৰ পাছত প্ৰায় ১০,০০০ বছৰৰ আগতে বিকশিত হয় আধুনিক মানৱৰ Homosapiens- Sapiensৰ যিয়ে প্ৰায় নিজৰ সৃষ্টিৰ কথা, অস্তিত্বৰ কথা প্ৰায় সঠিক ভাৱে জানিবলৈ সক্ষম হৈছেগৈ।

.........................

# নেট নিউট্ৰিলিটি

ৰাণী সোনোৱাল
চতুৰ্থ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

কি এই নেট নিউট্ৰিলিটি? খাই নে পিন্ধে! আহাচোন আজি নেট নিউট্ৰিলিটিৰ বিষয়ে এবাৰ চৰ্চা কৰোঁ।

BSNL, Airtel, Vodaphone আদিয়ে আমাক মোবাইল সেৱা প্ৰদান কৰাৰ লগে লগে ইণ্টাৰনেটৰ সেৱাও আগবঢ়াইছে। Computer, Lappi, Tablet বা Mobile Phone Internet সেৱা লাভ কৰিবলৈ হ'লে ব্যৱহাৰকাৰীয়ে উল্লিখিত কোনো এক সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানত নিৰ্দিষ্ট পৰিমাণৰ মাচুল পৰিশোধ কৰাৰ অন্তত সমমূল্যৰ সেৱা উপভোগ কৰিব পাৰে। মাচুল পৰিশোধ কৰাৰ পাছত ব্যৱহাৰকাৰীয়ে যিকোনো ৱেবছাইট বা ইণ্টাৰনেটত থকা আন যিকোনো সেৱা উপভোগ কৰিব পাৰে। ইয়াৰ বাবে পৃথককৈ কোনো মাচুল পৰিশোধ কৰিব লগা নহয়। অৰ্থাৎ সমগ্ৰ ব্যৱস্থাটো নিউট্ৰেল বা নিৰপেক্ষ। সহজভাৱে ক'বলৈ গ'লে এয়াই হৈছে নেট নিউট্ৰিলিটি, ইণ্টাৰনেট নিউট্ৰিলিটি বা ইণ্টাৰনেট নিৰপেক্ষ। উল্লেখযোগ্য যে 'নেট নিউট্ৰিলিটি' শব্দযুগল পোনপ্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰা ব্যক্তিজন আছিল কলম্বিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক 'টিম ৱু'। ২০০৩ চনত তেখেতে ইণ্টাৰনেট ব্যৱস্থাৰ নিৰপেক্ষতাৰ কথা ক'বলৈ গৈ এই শব্দযুগলৰ সূচনা কৰিছিল।

নেট নিউট্ৰিলিটি বিৰোধী অভিযানত আগভাগ লোৱা দুটা প্ৰতিষ্ঠান হৈছে Google আৰু Facebook। সম্প্ৰতি ইণ্টাৰনেটৰ দুনীয়াত বৰককাইৰ ভূমিকাত

দপ্‌দপাই থকা এই দুই নেতৃস্থানীয় প্ৰতিষ্ঠানৰ সেৱা আৰু কিমান দিনলৈ বিনামূলীয়া হৈ থাকিব সেয়া সম্প্ৰতি সন্দেহৰ আৱৰ্তত সোমাই পৰিছে। অৱশ্যে সমগ্ৰ দেশজুৰি হোৱা তুমুল বিতৰ্ক আৰু প্ৰতিবাদৰ মাজতে ফেচবুকৰ প্ৰতিষ্ঠাতা মাৰ্ক জুকাৰবাৰ্গে স্পষ্টীকৰণ দিয়ে যে তেওঁ সদায়ে নেট নিউট্ৰিলিটি বাহাল থকাটো বিচাৰে আৰু ইণ্টাৰনেট সদায়েই সকলোৰে বাবে বিনামূলীয়া হৈ থকাটো কামনা কৰে।

'টেলিকম ৰেগুলেটৰী অৰ্থৰিটি অৱ ইণ্ডিয়া' (চমুকৈ ট্ৰাই) নামৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানটোৱে ভাৰতবৰ্ষৰ টেলিফোন, মোবাইল, ইণ্টাৰনেট আদিবিলাক সেৱাক নিয়ন্ত্ৰণ কৰে। শেহতীয়াকৈ ট্ৰাই-এ ভাৰতবৰ্ষত নেট নিউট্ৰিলিটি প্ৰত্যাহাৰ কৰিবলৈ প্ৰচেষ্টা চলাই আছে।

নেট নিউট্ৰিলিটি প্ৰত্যাহাৰ কৰিলে সৰু-সুৰা থলুৱা ৱেবছাইটসমূহো তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। সম্প্ৰতি নেট নিউট্ৰিলিটি বাহাল থকা অৱস্থাত গুগুল, ফেচবুক আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় মানৰ ৱেবছাইটেই হওক বা অসম মুলুকৰ কোনো এক মহাবিদ্যালয়ৰ ৱেবছাইট এটাই হওক, উভয়ৰে বেণ্ডউইথ প্ৰায় সমান। অৰ্থাৎ ব্যৱহাৰকাৰীয়ে উল্লিখিত যিকোনো এটা ৱেবছাইট প্ৰায় একে গতিতে খুলিব পাৰে। কিন্তু নেট নিউট্ৰিলিট প্ৰত্যাহাৰ কৰিলে যিবিলাক ৱেবছাইটে ইণ্টাৰনেট সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহক অধিক মূল্য পৰিশোধ কৰিব সেইবিলাক ৱেবছাইটক অধিক ব্ৰেণ্ডউইথ প্ৰদান কৰিব। ফলত সেইবিলাক ৱেবছাইট ব্যৱহাৰকাৰীয়ে খুলিবলৈ কম সময় লাগিব। কিন্তু থলুৱা ৱেবছাইটে সিমান মূল্য পৰিশোধ কৰিব নোৱাৰাৰ ফলত তেওঁলোকৰ ব্ৰেণ্ডউইথ কম হ'ব আৰু ফলস্বৰূপে তেনেবিলাক ৱেবছাইট খোলাটো ব্যৱহাৰকাৰীৰ বাবে এক বিড়ম্বনা সদৃশ হ'বগৈ। এনে অৱস্থাত কম ব্ৰেণ্ডউথৰ ৱেবছাইটবিলাক তিলিতিলকৈ মৃত্যু মুখলৈ গতি কৰাটো অৱধাৰিত হৈ পৰিব। আকৌ, অধিক ব্ৰেণ্ডউইথৰ ৱেবছাইটসমূহ খোলাৰ বাবতো ব্যৱহাৰকাৰীয়ে পৰিশোধ কৰিব লগা মাচুল অত্যাধিক হ'ব অৰ্থাৎ কথাটো হ'বলৈ এনে ধৰণৰ ভিৰ থকা ৰাস্তাৰে আপুনি কম পাইচা দি বাছত যাব পাৰিব কিন্তু গন্তব্যস্থান পাবলৈ সময় লাগিব ছঘণ্টা। আকৌ, একেটা ৰাস্তাৰে একে গন্তব্যস্থানলৈ সৰু গাড়ীৰে এঘণ্টাত পাবগৈ পাৰিব কিন্তু পইচা দিব লাগিব বাছৰ তুলনাত কেইবাগুণো অধিক। যদি কথা সেইটোৱে হয়; তেনেহ'লে তেনেকুৱা বাছৰ সেৱা কিমান দিনলৈ চলিব? (সংগ্ৰহ)।

.....................................

# হিমালয়ৰ আৱিৰ্ভাৱ

পাপৰি বৰুৱা
চতুৰ্থ যাণ্মাসিক
ইতিহাস বিভাগ

হিমালয় পৰ্বতৰ সৃষ্টি তেথিচ নামৰ সাগৰ এখনৰ পৰাহে হৈছিল। ২৪১৫ কিলোমিটাৰ দীঘল আৰু প্ৰায় ৪০০ কিলোমিটাৰ বহল আৰু ৬০৯১ মিটাৰ উচ্চতাৰ। চীনা ভূ-খণ্ড আৰু ভাৰতবৰ্ষৰ ভূ-খণ্ডৰ মাজত অৱস্থিত এই তেথিচ সাগৰৰ বুকুত উত্তৰ আৰু দক্ষিণ দুয়োটা দিশৰ পৰা নিযুত নিযুত বছৰ ধৰি নদীসমূহে জমা কৰা আৱক্ষেপৰ পৰাই কালক্ৰমত পৃথিৱীৰ পৰ্বতমালাৰ জন্ম হৈছিল। অলিগচিন ভূ-তাত্বিক যুগৰ কোনোবা এটা ৰাতিপুৱা তেথিচ সাগৰৰ মাজত এলানি দ্বীপ চাবলৈ গৈছিল আৰু এই দ্বীপমালাই উধক্ষিপ্ত হৈ কালৰ বুকুত

এদিন পৃথিৱীৰ সৰ্বোচ্চ শৃংগ মাউন্ত এভাৰেষ্টসহ বৃহৎ হিমালয় হিচাপে আত্মপ্ৰকাশ কৰে। সমিচিন যুগৰ আন এটা ৰাতিপুৱা পুনৰ তেথিচ সাগৰৰ বুকুত দ্বিতীয় লানি দ্বীপে দেখা দিছিল। সময়ত ইয়ে মধ্য হিমালয় হিচাপে পৰিগণিত হৈছিল। এই দুই লানি বৃহৎ পৰ্বতৰ জন্মৰ পিছত তেথিচ সাগৰখন যথেষ্ট ঠেক হৈ পৰিছিল। মৌচুমী বতাহৰ প্ৰভাৱত প্ৰচণ্ড বৰষুণ হোৱাত সুউচ্চ পৰ্বত ৰাশিত খৰস্ৰোতা নদীৰ সৃষ্টি হৈছিল। এই নদীসমূহৰ অৱক্ষেপনৰ ফলত এইবাৰ নিওগাচিন যুগত এলানি দ্বীপৰ পৰিৱৰ্তে তেথিচ সাগৰত এলানি হ্ৰদৰ সৃষ্টি হৈছিল। দুয়ো কাষৰ সাগৰৰ সৈতে সম্পৰ্ক ছেদ হোৱাই আৰু নদীসমূহৰ পৰা বৃহৎ পৰিমাণৰ পানীৰ বাবে ইয়াঁতে ক্ৰমে আগৰ জুলীয়া ধৰ্ম সলনি কৰি নিৰ্মল পানীৰ হ্ৰদলৈ পৰিৱৰ্তিত হৈছিল। লাহে লাহে তাত লৱণহীন পানীত বাস কৰা জীৱসমূহ বাস কৰিবলৈ লয়। কিন্তু সময়ৰ বুকুত এদিন তেথিচৰ এই অৱশিষ্ট অংশ উৰ্দ্ধমুখী হৈ হিমালয় পৰ্বতৰ সৃষ্টি হয়।

শিলাস্তৰৰ বুকুৰ ভাঁজে ভাঁজে জমা হৈ থকা বিভিন্ন সাগৰীয় জীৱাশ্মসমূহ ইয়াৰ সাক্ষী।

# সফল জীৱন লাভ কৰিবলৈ প্ৰথম প্ৰভাত

ৰীতামণি বৰগোহাঁই
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

এটা সুন্দৰ আৰু সফল জীৱন লাভ কৰিবলৈ হ'লে ইতিবাচক চিন্তা-ভাবনা থাকিব লাগিব। অৰ্থাৎ মই পাৰিম, কৰিম, যামেই, জীৱনত উপকাৰী সকলো কাম কৰিব পাৰিম। আনৰ ভাল স্বভাৱ আৰু ভাল গুণবোৰ আগ্ৰহেৰে গ্ৰহণ কৰিবলৈ, চলা-ফুৰা, পৰিপাটি আদি ইতিবাচক কথাবোৰত আৰম্ভণিৰ পৰাই সাৱধানতা অৱলম্বন কৰিব লাগে।

কেতিয়াবা জ্যেষ্ঠজনে কিবা এটা কাম কৰিবলৈ কোৱাৰ প্ৰসঙ্গত কেতিয়াও নাযাওঁ, নাখাওঁ, নপঢ়োঁ, নোৱাৰোঁ, পিছত কৰিম বুলি কোৱা উচিত নহয়। সন্মুখত উৎপন্ন হোৱা যিকোনো কামৰ প্ৰতি উৎসাহ জন্মাবলৈ চেষ্টা কৰিব লাগে। নেৰানেপেৰা চেষ্টাৰ ফলত কামটো সম্পূৰ্ণ হৈ উঠিব।

ইতিবাচক চিন্তাই মানুহৰ মন সুখী কৰে। ইয়াৰ অভাৱে মানুহক অসুখী কৰে। এই মহান ভাৱধাৰাই হৈছে মানুহৰ প্ৰথম ধৰ্ম। মৰম, স্নেহ, দয়া, ক্ষমা, পৰোপকাৰ, সহিষ্ণুতা আদি মানৱীয় গুণবোৰ ইতিবাচক ভাৱধাৰাৰে একো একোটা অংশ। ইয়াৰ বিপৰীত চিন্তাধাৰাই মানুহৰ মন, মগজু কলুষিত কৰে, শক্তিও হ্ৰাস পায়। কু-চিন্তাই মানুহক নৰকলৈ ঠেলি দিয়ে। সেইবোৰে আমি ইতিবাচক ভাৱ-চিন্তাৰে মন আৰু মস্তিষ্ক ভৰাই ৰখাটোৱেই 'সফল জীৱনৰ কৱচ'।

সজ লোকে নিজৰ উপকাৰ, পৰৰ উপকাৰ, সমাজ আৰু দেশৰ উপকাৰ কৰিবলৈ অহোপুৰুষাৰ্থ কৰে। কাম-ক্ৰোধ, লোভ, কু-প্ৰবৃত্তিৰ চৰিতাৰ্থ কৰাৰ পৰা বিৰত থাকে। আনহাতে ধনক সংব্যৱহাৰ কৰিব লাগে। ধনে ক্ষমতা আনে। ধন একোখন চোকা তৰোৱালৰ নিচিনা। ই হিংসুক জন্তুকো বধ কৰিব পাৰে। বহুতে ধনেৰে নাম কিনি সমাজৰ গণ্য-মান্য হ'বলৈ বিচাৰে। জ্ঞানৰ অবিহনে ধন ক্ষন্তেকীয়া। সি পপীয়া তৰাৰ দৰে চকুত চমক লগাই ক্ষন্তেকতে লুপ্ত হৈ যায়।

জ্যেষ্ঠজনক সন্মান, স্নেহ-শ্ৰদ্ধা, দয়া, প্ৰেম,

সততা আদিৰ বীজ শিশুৰ স্বভাৱৰ অংগ। সিহঁতক স্নেহেৰে প্ৰকৃত শাসনত পৰিলে, একোজন শিশু মহান পুৰুষ বা মহীয়সী নাৰী হৈ উঠিব ই নিশ্চিত। লাগিব কেৱল উচিত পথ আৰু প্ৰেৰণা। শিশুসকল একোপাত কাঁড়। আমি কেৱল ধনু হ'ব লাগে। কাঁড়পাত লক্ষ্যস্থানৰ প্ৰতি এবাৰ তীক্ষ্ণ বেগেৰে গতি কৰিলে, নিশ্চিত ভাৱে সি লক্ষ্যস্থানত ৰ'বগৈ। আমি শিশুসকলৰ মংগলৰ কাৰণে বা সুন্দৰ ভৱিষ্যতৰ কাৰণে তেওঁলোকক তদাৰক কৰিব লাগে যাতে উপযুক্ত বয়সত একোজন সফল ব্যক্তিৰূপে সমাজত আত্ম প্ৰকাশ কৰিব পাৰে।

আচলতে শিশু কালেই হৈছে মানুহৰ ব্যক্তিত্ব গঠনৰ প্ৰথম আধাৰ সোণালী সময়। এই আধাৰতে ব্যক্তিৰ জীৱন বিশালতাৰ পৰা বিশালতম হৈ পৰে। ভেঁটি যিমানেই মজবুত হ'ব অট্টালিকাও সিমান ওখ, সুন্দৰ আৰু মজবুত হ'ব। সৰুতে যি কথাৰ চাপ পৰে সি আগলৈ মাৰ নাযায়। শিশুৰ স্বভাৱ অনুকৰণ প্ৰিয়। সেয়ে পৰিয়ালৰ জ্যেষ্ঠসকলে চলন-ফুৰণত সাৱধান হ'ব লাগে। যাৰ দ্বাৰা শিশুৰ মনত প্ৰতিকুল প্ৰভাৱ পৰে। সকলো পৰিয়ালৰ সদস্যই শিশুসকলৰ সমস্যা বুজিবলৈ সন্মুখীন হ'বলৈ সাহস নকৰে আৰু সন্মুখত উপস্থিত হোৱা সমস্যাৰ পৰা দূৰলৈ পলাবলৈ চেষ্টা কৰে। নতুন পৰিস্থিতি বা অনুকুল ব্যৱহাৰ কৰিবলৈ অসমৰ্থ হয়। প্ৰতিশোধৰ ভাবনা মনত ৰাখে। কোনোবাই তেওঁক পৰিহাস কৰিলে ক্ৰোধিত হৈ পৰে। ইয়াৰ বাহিৰেও তেওঁলোকে প্ৰশংসা ভাল নাপায়। উপদেশ ভাল নাপায়, শুনিবই নুখোজে। কেনেবাকৈ শুনে যদিও তাক পালন নকৰে। অতীতৰ পৰা প্ৰচলিত কিছুমান নীতি-নিয়মৰ বান্ধোনৰ পৰা বিৰত থাকি বৰ্তমান দুৰ্যোগপূৰ্ণ নীতি-নিয়ম বা পৰিবেশতহে বেছি গুৰুত্ব দিয়ে। তেওঁলোকৰ চকুৰ দৃষ্টি সদায় তললৈ থাকে।

মুঠৰ ওপৰত সহজ জীৱন যাপন কৰি উচ্চাকাঙ্খা কৰিবলৈ চেষ্টা শিকিব লাগে। তেতিয়াহে সফলতাৰ সন্মুখীন হ'ব পাৰিব।

'শক্তি চাই ভক্তি' বুলি কথাতে কয়। সৰহকৈ খাওঁ বুলি বেছিকৈ মুখ মেলিলে মুখ ফাটে। যদি কামত কৃতী আৰু সমাজত উন্নতি লভিব খোজা যায় তেন্তে নিজৰ সামৰ্থ্য বুজি কৰিবলৈ চেষ্টা কৰিব লাগে।

কোনো কামত জয় হ'লে আনন্দত উত্ৰাৱল হ'ব নালাগে আৰু হাৰিলেও বীৰ পুৰুষৰ নিচিনাকৈ সেই হাৰ কান্ধ পাতি ল'ব লাগে অৰ্থাৎ বিপদত ক্ষত্ৰিয় হ'বলৈ চেষ্টা কৰিব লাগে। বহুতে য'ত আৱশ্যক নাই, তাতো লৰালৰি কৰি কামত অনিষ্ট কৰে। জোলোঙাত জাপি ভৰাবলৈ গৈ সময় নষ্ট কৰে মাথোন আৰু তাক সমাধান কৰিবলৈ যত্নবান হ'ব লাগে।

.............................................

# 'কষ্টকৰ জীৱন সঁচাই সুন্দৰ'

ৰিতুমণি ফুকন
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

মধুপুৰ গাওঁখনৰ জ্যোতিময়হঁতৰ ঘৰখন এখন নাম উজ্বলা ঘৰ। তেওঁলোকৰ ঘৰখনৰ সদস্য পাঁচজন। তেওঁলোকৰ ঘৰৰ আৰ্থিক অৱস্থা খুবেই ভাল। জ্যোতিময়ৰ মাক-দেউতাক আৰু ভায়েক-ভনীয়েক। তেওঁলোকে বৰ আনন্দৰে জীৱন পাৰ কৰিছিল। কিন্তু...? সেই মধুৰ জীৱনলৈ নামি আহিছিল এক ভয়ানক দুৰ্যোগ। নিয়তিৰ পৰিহাসে নিমিষতে কাঢ়ি নিলে দুটাকৈ জীৱন। জ্যোতিময় দেউতাক আৰু মাক পেহীয়েকহঁতৰ ঘৰলৈ ফুৰিবলৈ যাওঁতে এখন গাড়ীৰ এক্সিডেন্টত মাক আৰু দেউতাকৰ প্ৰাণ কাঢ়ি নিলে। সেই খবৰটোৱে

জ্যোতিময়হঁতৰ জীপাল হৈ থকা মনকেইটা আন্ধাৰেৰে ভৰি পৰিল। জ্যোতিময় ঘৰখনৰ আটাইতকৈ ডাঙৰ সন্তান। জ্যোতিময় তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। ভায়েক-ভনীয়েক বহুত সৰু আছিল। তেতিয়াৰ পৰাই সিহঁতৰ ঘৰখন পানীত হাঁহ নচৰা অৱস্থা হৈ পৰিল। জ্যোতিময়ে ঘৰখনৰ সকলো দায়িত্ব মূৰ পাতি ল'ব লগা হ'ল। সি স্কুলৰ পৰা আহি ওচৰৰ মানুহ এঘৰত কিছুমান কাম কৰি দিয়াত যি দুটকা পইচা পায় কোনোমতে দুবেলা দুসাঁজ খাবলৈ হয়। এনেকৈয়ে এদিন দুদিন কৰি সি ঘৰখন চলাবলগা হ'ল। জ্যোতিময় অতি গহীন-গম্ভীৰ, চোকা বুদ্ধিৰ আছিল। ভায়েক ভনীয়েকক পঢ়োৱাৰ লগতে সি নিজেও নিয়মিত ভাৱে পঢ়া-শুনা কৰে। সি অতি কষ্টৰে পঢ়া-শুনা কৰি নিজৰ জীৱনটো আগুৱাই নিয়াত আপ্ৰাণ চেষ্টা কৰিছিল। গাওঁখনৰ সকলোৱে তাক মৰমো কৰিছিল। তাৰ উপৰিও বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে বহুত মৰম কৰিছিল। বছৰ পাৰ হৈ যোৱাত নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। এদিন দুদিনকৈ বছৰ পাৰ হৈ যোৱাত মেট্ৰিক পৰীক্ষা তেনেই চমু চাপি অহাত সেই কেইদিন সি অতি কষ্টৰে পঢ়া-শুনা কৰিলে। সেইকেইটা দিন তাক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে যথেষ্ট সহায় কৰিছিল। এনেদৰে সি মেট্ৰিক পৰীক্ষা দিলে। কেইমাহ মানৰ পিছত মেট্ৰিকৰ ৰিজাল্ট দিলে আৰু সি কষ্ট কৰাৰ দৰে সফল হ'ল। সি অসমৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিলে। অঞ্চলটোৰ লগতে বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। সেই সুখবৰটো পোৱাৰ বাবে চৰকাৰে জ্যোতিময়ক বিনামূলীয়াকৈ শিক্ষা গ্ৰহণ কৰি এম. এ. পাছ কৰিলে। সি আজি কনিষ্ঠ মহাবিদ্যালয়ৰ শিক্ষক। এতিয়া সিহঁতৰ দুবেলা দুসাঁজৰ বাবে চিন্তা কৰিবলগীয়া নহয়। জ্যোতিময়হঁতৰ ভায়েক ভনীয়েকক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰিলে। আজি সিহঁতৰ ঘৰৰ সকলোৰে মুখত আনন্দ বিৰাজমান। সচাঁকৈয়ে কষ্ট কৰিলে জীৱনত এদিন হ'লেও সুখ আহিবই। কষ্টই হৈছে জীৱনটো সুন্দৰ ভাৱে গঢ় দিয়া একমাত্ৰ উপায়।

..............

# মানসিক বিষাদগ্ৰস্ততা (Depression)

সংগ্ৰাহক - দিব্যাদেৱী লাহন
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
সহায়ক ঃ ড° চন্দিপন শৰ্মা

মানসিক বিষদগ্ৰস্ততা বা Depression মানে কি? পৃথিৱীৰ এশ শতাংশ প্ৰায় পঞ্চাশ শতাংশ লোকেই Depressionত ভুগি থাকিব লগা হয়। পৃথিৱীত এবছৰত প্ৰায় আঠলাখ মানুহৰ মৃত্যু কেৱল Depression ৰ কাৰণে হয়। কিন্তু কিয় Depression ত ভুগি থাকিব লগা হয়, কি কি কাৰণত ইয়াৰ প্ৰভাৱ পৰিব পাৰে; লক্ষণসমূহ কি কি, ইয়াৰ প্ৰভাৱৰ ফলত কি ঘটনা বা কেনেধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে। Depression মানুহৰ জীৱনত কমকৈ হ'লেও প্ৰভাৱ পৰা দেখা যায়। কিন্তু অতিমাত্ৰা Depression মানুহৰ জীৱনৰ বাবে মাৰাত্মক হ'ব পাৰে। মানুহৰ জীৱনটো সুখ-দুখৰ মাজেৰে অতিবাহিত হয়। গতিকে সুখ-দুখ থকা মানেই Depression ত থকা

নুবুজায়। পৃথিৱীত সহস্ৰাধিক লোক আছে। কিন্তু এজন লোকৰ চিন্তাধাৰাৰ লগত আন এজনৰ চিন্তাধাৰা কেতিয়াও নিমিলে। মানুহৰ চিন্তাধাৰাৰ ওপৰত নিৰ্ভৰ কৰিয়েই Depression ৰ সৃষ্টি হয়। Depression এনেকুৱা এটা ৰোগ যিটোৱে সকলোকে অৰ্থাৎ ধনী-দুখীয়া, ডাঙৰ-সৰু বুলি কোনো কথা নাই, ই সকলোকে প্ৰভাৱ পেলাব পাৰে। আৰু এনেকুৱাও নহয় যে ইয়াৰ কোনো প্ৰতিকাৰ নাই বা ভয় খাবলগীয়া কোনো কথা নহয়।

Depression মানুহৰ জীৱনত বয়স অনুযায়ী হোৱা দেখিবলৈ পোৱা যায়। ১৬ বছৰ তলৰ যিখিনি ল'ৰা-ছোৱালী সিহঁতৰ মাজতো Depression ৰ প্ৰভাৱ পৰা দেখা যায়। সেই প্ৰভাৱসমূহ হয়তো ঘৰুৱা পৰিৱেশ হ'ব পাৰে, নাইবা অৰ্থনৈতিক প্ৰভাৱ হ'ব পাৰে; কোনোবাই হয়তো নিজৰ আত্মীয়জনক হেৰুৱাইছে, আনৰ ঘৰত থাকি জীৱন কটাবলগীয়া হৈছে, এইবোৰ হৈছে Childhood Depression। ইয়াৰ পাছৰ ১৬-২৫ বছৰৰ এই বয়সখিনি অৰ্থাৎ ডেকাকালত হোৱা Depression এই সময়ত Depression সাধাৰণতে দুটা কাৰণত দেখিবলৈ পোৱা যায়। এটা হ'ল কেৰিয়াৰ লৈ মানে অৰ্থাৎ নিজৰ পঢ়া-শুনাক লৈ অৰ্থাৎ বহুত চেষ্টা কৰাৰ পাছতো ভালদৰে ফলাফল দেখাব নোৱাৰিলে, অলপ নম্বৰ বাবে হয়তো নিজ ইচ্ছাৰে এখন ভাল কলেজত পঢ়িবলৈ চিট নাপালে, এনেবোৰ কাৰণতো Depression ত ভুগিব লগা হয়। ইয়াৰ পাছত আৰু এটা কাৰণ আছে যিটো এই সময়ছোৱাতেই দেখিবলৈ পোৱা যায়। সেইটো হ'ল প্ৰেমজনিত কাৰণ। কাৰোবাক বহুত চেষ্টা কৰিও নিজৰ কৰিব নোৱাৰাটোও Depressionৰ কাৰণ। ইয়াৰ পাছত ২৫-৩০ বছৰ বয়সৰ মানুহখিনিৰ Depression ৰ কাৰণ অলপ বেলেগ ধৰণৰ। তেওঁলোকৰ মাজত তেতিয়া পঢ়া-শুনা সকলো শেষ, প্ৰেমজনিত কোনো কাৰণ নাই এইবোৰৰ পৰাও তেওঁলোক মুক্ত। কিন্তু তেতিয়া তেওঁলোকৰ Depressionৰ কাৰণ হ'ব তেওঁলোকে কেনেকৈ এতিয়া ঘৰখন চলাব, কি কৰিব, চাকৰি পাব নে নাপাব, হয়তো নগৰ কোনোবা এজনে চাকৰি পালে কিন্তু তেওঁ কিয় পোৱা নাই, এইবোৰ ভাবি Depressionত থাকিব লগা হয়। ইয়াৰ পাছৰ সময়ছোৱাৰ Depressionটো বেলেগ আছে। ঘৰুৱা সমস্যা আহি পৰে, বিয়া-বাৰু কৰোৱা, ল'ৰা-ছোৱালী ডাঙৰ-দীঘল কৰা, ভালদৰে পঢ়োৱা ইত্যাদি কাৰণত বাকী সময়ছোৱাত Depressionত ভুগিব লগা হয়। আৰু এটা সময় আছে অৰ্থাৎ Depression ৬০ বছৰ পাছৰ মানুহখিনিলৈ। যেতিয়া তেওঁলোক বৃদ্ধ হৈ আহে, তেওঁলোকে যদি কিবা কাৰণত সন্মান, মৰম, আদৰ আদিৰ পৰা বঞ্চিত হ'ব লগা হয়, তেতিয়াও Depression আহিব পাৰে।

Depressionৰ লক্ষণ কেইবাটাও দেখিবলৈ পোৱা যায়। যেনে -

১। আপোনাৰ মনটো সদায় বেয়া হৈ থকা। অৰ্থাৎ দুই সপ্তাহতকৈ অধিক যদি আপোনাৰ মন বেয়া তেতিয়া আপুনি নিশ্চিত যে আপুনি Depressionত ভুগি আছে।

২। আপুনি যিটো কাম কৰি আগতে ভাল পাইছিল, লাহে লাহে সেই কামটোৰ প্ৰতি আপোনাৰ ধাউতি নথকা হ'ল, তেতিয়া আপুনি জানিব যে Depressionত ভুগি আছে।

৩। টোপনিটো যদি আপোনাৰ আনকালতকৈ বেছি বা কম হৈ যায় সেইটো Depressionৰ লক্ষণ।

৪। খোৱা-বোৱা অৰ্থাৎ কেতিয়াবা বহুত বেছি ভোক লগা আৰু কেতিয়াবা নলগা। এইটো Depressionৰ লক্ষণ।

৫। অনবৰতে অস্থিৰ লাগি থকা অৰ্থাৎ সুস্থিৰতা নথকা ক'তো থাকি আপুনি শান্তি নোপোৱা। এইটো এটা Depressionৰ লক্ষণ।

৬। শাৰীৰিকভাৱে অত্যন্ত দুৰ্বল হৈ থকা, অৰ্থাৎ একো বেমাৰ নাই, কিন্তু আপোনাৰ গাটো একেবাৰে দুৰ্বল লাগি থকাটো Depressionৰ লক্ষণ।

৭। মানসিক ভাৰসাম্যতা। অৰ্থাৎ আগতে আপুনি বহুত কথাই মনত ৰাখিছিল, কিন্তু এতিয়া নোৱাৰে। সেইটোও Depressionৰ লক্ষণ।

৮। আপোনাৰ জীৱনটো অৰ্থহীন। অৰ্থাৎ আপোনাৰ এনেকুৱা লাগিব যে, আপুনি কিয় জীয়াই আছে, মই জীয়াই থাকি কি লাভ হৈছে, এইবোৰো Depressionৰ লক্ষণ।

৯। আৰু শেষৰ লক্ষণটো হৈছে, যিটো একেবাৰে

বেয়া Decesion অৰ্থাৎ জীৱনটো শেষ কৰি দিয়া। এইটো Depressionৰ এটা ডাঙৰ লক্ষণ।

তেওঁলোকে এই সিদ্ধান্তটো কেতিয়া লয়, যেতিয়া তেওঁলোকৰ মগজুৱে কাম নকৰা হয়। আৰু তেতিয়াই তেওঁলোকে কোনোবাই সুৰাপান, মদ্যপান, কোনোৱে ড্ৰাগছ লয় এনেদৰেই থাকি থাকি শেষত কোনোবা এদিন নিজকে হত্যা অৰ্থাৎ শেষ কৰাৰ চৰম পথটো বাচি লয়। আত্মহত্যা কৰাৰ একমাত্ৰ কাৰণটো হৈছে Depression।

গতিকে এনেকুৱা এটা ডাঙৰ সমস্যাৰ সন্মুখীন হোৱাৰ পূৰ্বে নিজকে সজাগ কৰি ৰাখিব লাগিব। চিন্তাৰ কোনো বিষয় নহয়। আপুনি যদি গম পাইছে যে আপুনি Depressionত ভুগি আছে, তেতিয়াই আপুনি অতি সোনকালেই ডাক্তৰৰ কাষ চপা উচিত। ঋণাত্মক প্ৰভাৱবোৰ মনৰ পৰা আঁতৰাই, সদায় ভাল চিন্তা কৰিব, সদায় শাৰীৰিক ব্যায়াম কৰিব, দেখিব আপুনি Depressionৰ পৰা সুৰক্ষিত অৰ্থাৎ মুক্ত।

.............................

# অন্তহীন অপেক্ষা

নৱপল্লিকা দত্ত
দ্বিতীয় বাণ্মাসিক
শিক্ষা বিভাগ

শৰতৰ জোনাক নিশা শেৱালিৰ স্নিগ্ধ সুবাসে আহি খিৰিকীৰ ওচৰত বহি জোনাক ৰাতি আকাশৰ তৰাবোৰ চাই চাই অতীতৰ স্মৃতিবোৰলৈ উভতি গৈছে।

ৰশ্মি ..... হঠাৎ উচপ খাই তাই পিছফালে ঘূৰি চাই দেখে কোনো নাই। তাই ভিতৰলৈ সোমাই আহি পুৰণি বাকচটো খুলিলে। তাত এখন ডায়েৰি। এখন গামোচা যিখন তাই নিজ হাতেৰে ফুল বাচি ব'হাগৰ বিহুত পৰাগক উপহাৰ দিছিল আৰু কেইখনমান চিঠি আছিল। তাহানি দিনত বৰ্তমান সময়ৰ দৰে মোবাইল ফোনৰ ব্যৱস্থা সুচল নাছিল, সেয়ে চিঠিৰ আদান-প্ৰদান হৈছিল। বাকচটোৰ পৰা ডায়েৰিখন উলিয়াই আনিল। ডায়েৰিখনত তাই (ৰশ্মি) আৰু পৰাগৰ কিছু স্মৃতি লিপিবদ্ধ হৈ আছে।

পৰাগ হৈছে ৰশ্মিৰ স্বামী। একালৰ কলেজীয়া জীৱনৰ এজন ভাল বন্ধু। বৰ্তমান ভাৰত-চীন সীমান্তত এজন ভাৰতীয় সৈনিক হিচাপে দেশৰ সেৱাত ব্ৰতী হৈ আছে। হেজাৰ হেজাৰ ফুট ওখ পৰ্বতত, য'ত শত্ৰুক পৰাজয় কৰিবলৈ হেজাৰ হেজাৰ সৈনিকে জীৱন ত্যাগ কৰে। চাৰিওফালে কেৱল তেজৰ চেকুৰা, শত্ৰুৰ কামানৰ গৰ্জন, গুলি-বাৰুদৰ শব্দ আৰু ধোঁৱা, এক মৰ্মাহত জীৱন। তথাপিও মৃত্যুৰ কাৰণে ভয় নাই।

ডায়েৰিখনৰ প্ৰতিটো পৃষ্ঠাতে ৰশ্মি আৰু পৰাগৰ জীৱনত ঘটা বিভিন্ন ঘটনাৱলী লিপিবদ্ধ কৰি থৈছে। কলেজীয়া জীৱনৰ শিক্ষা শেষ কৰিয়ে পৰাগে ভাৰতীয় সৈনিক বিভাগত নিযুক্তি পালে আৰু সীমান্তলৈ গুচি গ'ল। যোৱাৰ আগতে সি ৰশ্মিক বিবাহৰ প্ৰস্তাৱ দি গৈছিল।

এবছৰ অতিক্ৰম কৰাৰ পিছত এমাহৰ ছুটী লৈ পৰাগে ৰশ্মিক বিয়া কৰাবলৈ বুলি ঘৰলৈ আহিল। অতি উলহ-মালহেৰে দুয়োৰে বিয়াখন হৈ গ'ল। পৰাগৰ এমাহৰ ছুটীয়ো শেষ হ'ল। সি নিজৰ কৰ্ম স্থানলৈ যাবলৈ সাজু হৈছে। পৰাগৰ বিদায় ক্ষণত ৰশ্মি নিথৰ হৈ পৰিছে। কিবা ক'ব খুজিছে যদিও ক'ব পৰা নাই। দুগালেৰে নিগৰি পৰিছে তাইৰ চকুলো। আহিছোঁ .... এই বুলি কৈয়ে

পৰাগে নিজৰ যাত্ৰা আৰম্ভ কৰিলে। এগৰাকী সৈনিকৰ পত্নীয়ে জানে কিমান দুখ-যন্ত্ৰণা বুকুত বান্ধি জীৱনটো অব্যাহত কৰিব লাগে।

সময়বোৰ খুব দ্ৰুত গতিত পাৰ হ'ব ধৰিছে। তেওঁ যোৱা আজি দহ বছৰে হ'ল। কিন্তু আজিলৈকে এখনো চিঠি তাইৰ হাতত আহি নপৰিল। ৰশ্মিয়ে সদায় তাৰ চিঠিৰ বাবে অপেক্ষা কৰি থাকিল। ৰশ্মিয়ে বহু কেইখন চিঠি পৰাগলৈ লিখিছিল, কিন্তু আজিলৈকে একো উত্তৰে নাহিল। দিনৰ পাছত দিন, সপ্তাহৰ পাছত সপ্তাহ, মাহৰ পাছত মাহ আৰু বছৰৰ পাছত বছৰ পাৰ হৈ গ'ল। কিন্তু ৰশ্মিয়ে আজিও পৰাগৰ চিঠিৰ বাবে অপেক্ষা কৰি থাকিল।

..........................................

# বৃদ্ধাশ্ৰম

নীলাক্ষি সন্দিকৈ
চতুৰ্থ ষাণ্মাসিক
ইংৰাজী বিভাগ

সাম্প্ৰতিক সময়ত পুৱাৰ বাতৰি কাকতখন মেলিলেই অথবা টেলিভিচনৰ আগত বহিলেই সঘনাই চকুত পৰা হেডলাইনটো এনেধৰণৰ, "নিজ পুত্ৰই মাতৃক এৰি থৈ আহিল বৃদ্ধাশ্ৰমত", "পুত্ৰ বোৱাৰীয়ে নিজ পিতৃক এৰি থৈ আহিল ৰাস্তাৰ দাঁতিত অথবা ৰেল ষ্টেচনত"...

একবিংশ শতিকাৰ জীৱশ্ৰেষ্ঠ মানুহ আমি। কিন্তু প্ৰকৃততে নিজকে জীৱশ্ৰেষ্ঠ বুলি দাবী কৰাৰ অধিকাৰ আমাৰ আছেনে? বৰ্তমানৰ আধুনিক সমাজ ব্যৱস্থাত সন্তানসকলে নিজৰ বৃদ্ধ পিতৃ-মাতৃক অৱহেলাৰ দৃষ্টিৰে চোৱাটো এক প্ৰধান সমস্যাৰূপে দেখা দিছে। সাম্প্ৰতিক সময়ছোৱাত সবাতোকৈ চৰ্চিত বিষয়সমূহৰ ভিতৰত 'বৃদ্ধাশ্ৰম' হৈছে অন্যতম।

দ্ৰুত প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতি, পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ তথা আধুনিকীকৰণৰ প্ৰভাৱে আমাৰ সমাজ ব্যৱস্থাৰ বিভিন্ন দিশৰ উন্নতি সাধন কৰিছে, সমাজৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস আঁতৰাই এখন নিকা সমাজ প্ৰতিষ্ঠাত উদগণি যোগাইছে ঠিকেই কিন্তু আধুনিকতাৰ ধামখুমীয়াত আমি স্বকীয়তা যেন ক্ৰমান্বয়ে হেৰুৱাই পেলাইছোঁ। আধুনিক যুগৰ প্ৰতিযোগিতাৰ দৌৰাত্মত নিজকে উচ্চ প্ৰতিষ্ঠিত কৰাৰ, হেতুকে মানুহে মানবীয়তা পাহৰি স্বাৰ্থপৰ হৈ পৰিছে। নিজ স্বাৰ্থসিদ্ধিৰ বাবে নিকট আত্মীয় নাইবা আপোন মানুহকে পৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে। ক্ৰমান্বয়ে আমি যেন এখন কংক্ৰিটৰ পৃথিৱীলৈ গতি কৰিছোঁ য'ত মৰম, শ্ৰদ্ধা, আন্তৰিকতাৰ স্থান শূন্য। উচ্চ শিক্ষিত সন্তানে জন্ম দিয়া পিতৃ-মাতৃক লগত ৰাখিবলৈ অসুবিধা পাই, বিভিন্ন শাৰীৰিক, মানসিক অত্যাচাৰ চলাই বৃদ্ধাশ্ৰমলৈ পঠিওৱাৰ জ্বলন্ত উদাহৰণ বৰ্তমান আঙুলি মূৰত গণিব পৰা হৈ আছে। দেশজুৰি থকা বৃদ্ধাশ্ৰমসমূহৰ আবাসী তালিকাই তাৰ প্ৰমাণ।

যিগৰাকী মাতৃয়ে ন মাহ দিন গৰ্ভত ৰাখি কিমান আশা, আকুলতা, মমতাৰে জন্মৰ পৰা নিজৰ সকলো সুখ বলিদান দিয়ে, যিগৰাকী পিতৃয়ে কেৱল সন্তানক মানুহ কৰাৰ স্বাৰ্থত অশেষ কষ্ট ত্যাগ কৰে, সেইগৰাকী পিতৃ-মাতৃ বৃদ্ধ বয়সত সন্তানৰ বাবে মূৰৰ কামোৰণি স্বৰূপ হৈ পৰে। তেওঁলোকক এৰি দিয়া হয় জনসমুদ্ৰত বা বৃদ্ধাশ্ৰমত। এইবোৰ কিয় হয়? তেওঁলোকে কি আশাৰে মৰম অনুশাসনৰ মাজেৰে সন্তানক ডাঙৰ-দীঘল কৰে? নিজৰ সন্তানৰ মৰম চেনেহৰ পৰা বঞ্চিত হৈ তেওঁলোকে

কিমান দুখ সহিব লগা হয় সেইয়া আমি অনুভৱ কৰো জানো। জীৱনটো গতি দিয়াৰ বিনিময়ত তেওঁলোকে বিনিময় নিবিচাৰে, কেৱল মাত্ৰ বিচাৰে বৃদ্ধ বয়সত অলপমান মৰম, আদৰ আৰু আশ্ৰয়। সেই সামান্যখিনিও যদি দিবলৈ অপাৰগ তেন্তে আমি প্ৰকৃত শিক্ষা লাভ কৰিছানে? বিজ্ঞানৰ যুগত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হৈছে সঁচা কিন্তু মানুহৰ মানসিকতাৰ এনেধৰণৰ পৰিৱৰ্তন হোৱাটো কোনোপধ্যেই উচিত নহয়। নিজ পিতৃ-মাতৃক অলপমান সময়, অলপ মৰম দিবলৈ চেষ্টা কৰক। আমি পাহৰি গ'লে নহ'ব যে এদিন আমাৰো তেনে দিন আহিব আৰু পৰৱৰ্তী প্ৰজন্মই আমাৰ পৰাই শিক্ষা লৈ আমাকো একেই ব্যৱহাৰ কৰিব। আজি যিসকল পুত্ৰই মাক-দেউতাকক অৱহেলা কৰিছে তেওঁলোকৰো পুত্ৰই সময়ত বৃদ্ধাশ্ৰমেই বাচি ল'ব।

"শিক্ষাই মানুহৰ মনৰ দুৱাৰ মুকলি কৰে"। কিন্তু সময়ৰ কি পৰিহাস! উচ্চ শিক্ষাই মানুহৰ মন আকাশৰ দৰে বিশাল কৰাৰ বিপৰীতে ঠেকহে কৰি তুলিছে। আধুনিক যুগৰ পিতৃ-মাতৃসকলে ফোঁপোলা আধুনিকতাৰ শিক্ষা দাঁৰ-চেৰালীক দিবলৈ চেষ্টা নকৰি সঁচা আৰু শুদ্ধ জ্ঞান দিবলৈ যত্নপৰ হওক। উচ্চ শিক্ষাৰে শিক্ষিত হৈও যাতে তেওঁলোকে স্বকীয়তা হেৰুৱাই নেপেলাই, জ্যেষ্ঠজনক আদৰ যত্ন সন্মান তথা কনিষ্ঠজনক মৰমৰ চকুৰে চাবলৈ শিকে। তেতিয়াহে হয়তো অপ্ৰিয় শব্দ 'বৃদ্ধাশ্ৰম' সমূহ নোহোৱা নহ'ব।

মা-দেউতা সদায় বিশেষ, তেওঁলোকৰ অবিহনে আমি শূন্য। প্ৰতিজন সন্তানে পিতৃ-মাতৃক সন্মান কৰক, দায়বদ্ধতাৰে কাষত থাকক, বৃদ্ধাশ্ৰমবোৰ নোহোৱা হওক।

.....................................................

# বন্ধুত্ব আৰু ইয়াৰ মূল্য

মৌচুমী বসুমতাৰী
দ্বিতীয় যাণ্মাসিক
অসমীয়া বিভাগ

বন্ধুত্ব হ'ল এটা শব্দ, যাৰ অৰ্থ অতিকৈ গভীৰ। বন্ধুত্বক আমি জীৱনৰ এটা অংশ বুলি মানি ল'ব পাৰোঁ। বন্ধুত্ব অবিহনে কোনো সম্পৰ্কই চিৰস্থায়ী হ'ব নোৱাৰে। মোৰ দৃষ্টিত যি সম্পৰ্কত বন্ধুত্ব নাই সেইয়া সঁচা সম্পৰ্ক হ'ব নোৱাৰে। 'বন্ধুত্ব' বোলা সম্পৰ্কটোৱে ধনী-দুখীয়া, জাতি, ধৰ্ম, বৰ্ণ- আদিও লেখত নলয়। আনকি বয়স আৰু লিংগও বন্ধুত্বই কোনো ভেদ ভাৱ নকৰে। প্ৰতিফলিত হয় মাথোঁ দুজন ব্যক্তি আৰু দুখন সঁচা হৃদয়। সততা, বুজা-বুজি, বিশ্বাস, স্নেহ, আন্তৰিকতা আৰু ভালপোৱা গুণ কেইটা আহৰণ কৰিব পাৰিলেহে আমিও সুখী হ'ম, আনকো সুখী কৰিব পাৰিম। মানুহক সংগৰ প্ৰয়োজন। যিদৰে আমাৰ বাল্য অৱস্থাত আমাক সমনীয়াৰ দৰকাৰ, ঠিক একেদৰেই যেতিয়া পূৰ্ণবয়স্ক হওঁ আমাক দৰকাৰ হয় বন্ধুৰ ইজনে-সিজনৰ সুখ-দুখখিনি সমিল-মিলেৰে ভগাই ল'বলৈ। কিন্তু যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহ আৰু মানুহৰ বিবেকবো পৰিৱৰ্তন ঘটিছে। বন্ধুত্বৰ মাজত প্ৰবঞ্চনা, হিংসা আদিৰ ছবিবোৰহে প্ৰতিফলিত হ'বলৈ ধৰিছে। বন্ধুত্বৰ দৰে এটা পবিত্ৰ সম্পৰ্কই বিকৃত ৰূপ লৈছে। ই অতি পৰিতাপৰ কথা। বন্ধুৱে বন্ধুক প্ৰহাৰ বা নিৰ্যাতন চলোৱা, হত্যা কৰা এনে বহু খবৰ আমি নিতৌ শুনিবলৈ পাওঁ। গতিকে সজাগ হ'বৰ হ'ল। ইয়াৰোপৰি আজিৰ এই যান্ত্ৰিক যুগত ব্যস্ততাৰ বাবে মানুহে যেন বন্ধুত্বক পাহৰিবলৈ ধৰিছে। কিন্তু কিছু কিছু লোকে ব্যস্ততাৰ মাজতো বন্ধুত্বকো ৰক্ষা কৰি ৰাখিছে। সেয়েহে ইয়াক ন ৰূপত সজাই সঁচা বন্ধুত্বৰে ভৰা পৃথিৱী গঢ়োঁ আহক।

.....................................................

# জীৱন, ৰং, সুখ, সাফল্য আৰু আশাবাদ ইত্যাদি

স্তুতি গগৈ
ষষ্ঠ ষান্মাসিক
ইংৰাজী বিভাগ

দুটিমান মনৰ ভাৱ প্ৰকাশ কৰিবলৈকে আজি একলম লিখিবলৈ বহিলোঁ। প্ৰথমে কব খুজিছোঁ আমাৰ পুৰণি দিনৰ কথা, আমাৰ পূৰ্বপুৰুষসকলৰ দিনৰ কথা। কি সমৃদ্ধ আছিল সেই দিনবোৰ, প্ৰয়োজনীয় বস্তুৰ কোনো অভাৱ নাছিল, নিত্য নৈমিত্তিক কেইটামান প্ৰয়োজনীয় বস্তুৰে শান্ত সমাহিত জীৱন যাপন কৰিছিল। আৰু আজিৰ আমাৰ এইখন আধুনিক সমাজ, জীৱন জীয়াবলৈ যেন প্ৰত্যেকেই একো একোখন প্ৰতিযোগিতাত দৌৰি আছে। যন্ত্ৰৰ দৰে হৈ পৰিছে প্ৰতিজন মানুহ, দৌৰিছে মাথো দৌৰিছে, চাৰিওদিশে অৱসাদৰ আচ্ছাদন, সফলতা-বিফলতাৰ অবিৰত প্ৰতিযোগিতা আৰু দুখ-যন্ত্ৰণাৰ এক মিশ্ৰিত সমাহাৰ।

এই অৱসাদৰ অৱসান ঘটাই ক'ত পাম উৎসাহ আৰু প্ৰেৰণা, কিদৰে আমি আহৰণ কৰিম জীৱনৰ ৰং, কিদৰে অৰ্জন কৰিম সফলতা, কেনেকৈ বিচাৰিম জীৱনৰ অৰ্থ?

তেতিয়া মই নৱম শ্ৰেণীৰ ছাত্ৰী। কথাখিনি মোৰ সেই সময়ক লৈ। ৰেডিঅ', ফাগুনৰ দৰেই মোৰ আজন্ম প্ৰেমিক ৰেডিঅ'। মোৰ সেই সময়ৰ শৈশৱ কৈশোৰৰ লগৰী বুলিব পাৰি। তেতিয়া আমাৰ বছেৰেকীয়া পৰীক্ষা চলি আছিল, পিছদিনা আছিল গণিতৰ পৰীক্ষা। নিশা ৯:৩০ বজাত আছে উপন্যাস পাঠৰ অনুষ্ঠান। পঢ়া শুনা ক'ৰবাত এৰি ঢাপলি মেলিছিলো ৰেডিঅ'ৰ কাষলৈ। এটা সময় আছিল, ঘৰে ঘৰে ৰেডিঅ' আছিল। আমাৰ ককাহঁতে, দেউতাহঁতে হয়তো আমাতকৈ বেছি ইয়াৰ আমেজ উপভোগ কৰিব পাইছে। আজি কংক্ৰিটৰ যুগত সকলোৱে ৰঙীণ পৰ্দাত লাইভ টেলিকাষ্ট চাই, পিছে সেই ৰেডিঅ'ৰ আমেজ যিয়ে উপভোগ কৰিছে, তেওঁহে বুজে প্ৰকৃত আনন্দ। চাৰিওফালে বিজ্ঞানৰ জয়জয় ময়ময় ৰূপ, তাৰ মাজতে কোনখিনিত আমি অসুখী হৈ ৰৈ যাওঁ, নিতান্তই ভাবিব লগা কথা।

ত্যেচুকো কুৰ'য়ানাগিৰ বিখ্যাত জাপানী কিতাপ "তত্তচান"। গ্ৰন্থখনিত লেখিকাৰ শৈশৱৰ শিক্ষক ছ'ছাকু ক'বায়াশ্বিৰ কথা বৰ্ণনা কৰিছে। ক'বায়াশ্বি আছিল অত্যন্ত মৰমিয়াল আৰু অসীম কল্পনা শক্তিৰ অধিকাৰী। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ সৰল মানসিকতাক তেওঁ ভালদৰে উপলব্ধি কৰিছিল আৰু প্ৰশংসাৰ বাণীৰে ছাত্ৰ-ছাত্ৰীসকলক কৰ্মপ্ৰেৰণা, উৎসাহ যোগাইছিল, তেওঁলোকৰ আগ্ৰহ বৃদ্ধি কৰিছিল। এইখিনিতে উৎসাহ আৰু প্ৰেৰণাৰ কথা ক'বলৈ যাওঁতে মোৰ এইখিনি গ্ৰন্থৰ কথাই মনলৈ আহিছে।

উদ্বিগ্নতাই বৰ্তমান প্ৰায় প্ৰত্যেকজন ব্যক্তিকেই মেৰিয়াই পেলাইছে। আমাৰ নৱপ্ৰজন্মও ইয়াৰ ব্যতিক্ৰম নহয়। আজিৰ সমস্যাবহুল পৃথিৱীৰ প্ৰত্যেকজন তৰুণ তেওঁলোকৰ ভৱিষ্যত জীৱনৰ সংস্থাপনক লৈ চিন্তিত। জীৱনৰ শিক্ষাই জীৱনটোক ধনাত্মক দৃষ্টিৰে চাবলৈ শিকাই, আৰু এই জীৱনৰ শিক্ষা আমি পাব পাৰোঁ আমাৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ যোগেদি। এই ক্ষেত্ৰত ধৈৰ্যশক্তিৰ এক বিশাল ভূমিকা আছে বুলি অনুভৱ হয়।

এটা চীনা প্ৰবাদত কৈছে - "যিকোনো জৰুৰী অৱস্থাক সহজভাৱে গ্ৰহণ কৰা উচিত।"

কেতিয়াবা কিছুমান ব্যক্তিক লগ পোৱা যায় জীৱনত হঠাতে। তেওঁলোকৰ আগমন আমাৰ বাবে বৰ সাৰ্থক যেন অনুভৱ হয়। হঠাৎ আহে আৰু এসোপা অভিজ্ঞতা দি গুচি যায়। কিছুলোক আহে, অস্থিৰতাত পেলাই গুচি যায়। কিছুলোক আহে, আমাৰ মানসিক অৱস্থাক বুজি উৎসাহ, প্ৰেৰণাৰে আপ্লুত কৰে। এনেকুৱা

বহুত লোক আছে। সকলো বেলেগ বেলেগ - আবেগিক, সামাজিক, গভীৰ, বিবেকবান, আধ্যাত্মিক মনোভাৱ সম্পন্ন, সংগ্ৰামী মানসিকতাৰ আৰু কিছুমান আপোচহীন, হৃদয়হীন, স্বাৰ্থপৰ। সকলোৰে মাজত সামঞ্জস্য ৰাখি নিজকে মই হিচাপে জীয়াই ৰাখিব পৰা জনেই আজিৰ দিনত সফল ব্যক্তি।

চ্যুকাফাৰ কথা সকলোৱে নিশ্চয় জানে, কিদৰে তেওঁ "সাতৰাজ সামৰি একৰাজ" কৰিছিল। এই ক্ষেত্ৰত আমি তেওঁৰ সাহস, বুদ্ধিমত্তা আৰু বিচক্ষণতা মন কৰিবলগীয়া। আমিও ল'ব পাৰোঁ তেওঁৰ পৰা জীৱনৰ বহু ধৰণৰ শিক্ষা। এইখিনিতে আমি ফৰাচী সাহিত্যিক মোপাচাঁৰ কথা ক'ব পাৰোঁ। তেওঁৰ মানসিক শক্তি, দৃঢ়তা, পৰিশ্ৰম আৰু অনুশীলনে তেওঁক আজি সমগ্ৰ সাহিত্যপ্ৰেমীৰ মাজত জীয়াই ৰাখিছে।

এইখিনিতে মাত্ৰ কেইটিমান সৰু সৰু মনৰ ভাৱ টুকুৰা টুকুৰাকৈ কোনো সাহিত্যিক ব্যঞ্জনাৰহিত ভাৱে ব্যক্ত কৰিবলৈ যত্ন কৰিলোঁ। কিবা ভুল-ভ্ৰান্তি থাকিলে দোষ মৰিষণ কৰে যেন। শেষত শ্ৰীমদ্ভগৱদগীতাৰ এটি শ্লোকেৰে সামৰণি মাৰিছোঁ।

"নিয়তং কুৰু কৰ্ম ত্বং জ্যায়ো হ্যকৰ্মণঃ।
শৰীৰযাত্ৰাপি চ তে ন প্ৰসিধ্যেদকৰ্মণঃ।।"

---

# এটি নাম বিহীন সম্পৰ্ক

দুলুমণি চেতিয়া
চতুৰ্থ ষাণ্মাসিক
শিক্ষা বিভাগ

অলপ সময়ৰ আগলৈকে সকলো ঠিকেই আছিল, কিন্তু হঠাৎ আহিল বৰষুণজাক। আকাশত জোনটোৰ লগতে দুই-এটি তৰাও তিৰবিৰাই আছিল। হঠাৎ নামি অহা বৰষুণজাকে আকাশৰ পৰা জোনৰ সৌন্দৰ্য কাঢ়ি নি এজাক কলীয়া ডাৱৰ সিঁচি দিলে আকাশৰ বিশাল বুকুত।

সকলোবোৰ কৰিবলগীয়া কাম কৰি লৈছিল দীপাই। খিৰিকীখন খুলি বাহিৰলৈ হাত উলিয়াই চালে, নাই বৰষুণ এতিয়াও এৰা নাই। খিৰিকীখন বন্ধ কৰি তাই চকী এখনত বহি পৰিল আৰু চকু দুটা মুদি কিবা এটা ভাবিবলৈ আৰম্ভ কৰিছে কিন্তু তাইৰ মনলৈ ভাল চিন্তাবোৰৰ সলনি বেয়া চিন্তাবোৰহে আহিছে। এই চকুযুৰিতে আগতে সোণালী সপোনবোৰে অগাদেৱা কৰি আছিল, কিন্তু আজি সেই সপোনবোৰ ক'ত হেৰাই গ'ল, য'ত আছিল শৈশৱৰ সোণালী দিন আৰু যৌৱনৰ আৰম্ভণিৰ ভাল লগা প্ৰতিটো প'ল। দীপাই বৰ কষ্টৰে চকুদুটা মুদি বহি ৰ'ল চকীখনত। মনটোৱে বাৰে বাৰে উভতি যাবলৈ ধৰিছে সেই সেউজী দিনৰ সুৱাস বিচাৰি, কিন্তু আজি সেই সপোনবোৰে তাইক দেখোন অলপো ভাল লগাব পৰা নাই।

সকলোৱে পৰা বৰ কষ্ট কৰি দিনবোৰ পাৰ কৰিছে তাই। তথাপিও তাইৰ মুখত সদায় জিলিকি থাকে এটি হাঁহি। কিন্তু সেই হাঁহি একমাত্ৰ তাইৰ জীৱনৰ দুখবোৰ লুকুৱাব আহিলা।

নিচেই সৰুকীয়া অৱস্থাতে মাকক হেৰুৱাইছিল তাই। মাকক হেৰুৱাই আত্মীয় স্বজনৰ পৰা যিমান মৰম পাইছিল তাতকৈ বেছি পাইছিল ঘৃণা। এই সকলোবোৰ সামৰি লৈছিল মাত্ৰ এটা হাঁহিৰে।

দীপা এগৰাকী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰবক্তা। তাইৰ স্বামী বিবেক এজন চৰকাৰী বিষয়া। দুটি সন্তান বিজু আৰু বিয়ানৰ সৈতে সিহঁতৰ পৰিয়ালটো

সমাজৰ আগত এটি সুখী পৰিয়াল, কিন্তু মানসিক ভাৱে সিহঁতৰ অলপো সুখ নাই।

এজাক মানৱক আন্ধাৰৰ পৰা মুক্ত কৰি পোহৰৰ পথ দেখুওৱা দীপাই কিন্তু নিজৰ ঘৰখনৰ মানুহৰ মনৰ পৰা আন্ধাৰ আঁতৰাই পোহৰৰ পথ দেখুৱাব পৰা নাই।

দিনৰ কৰ্মৰ অন্তত অতি হেঁপাহেৰে ঘৰখনলৈ উভতি আহে দীপাই। এইবোৰৰ প্ৰতি মনোযোগ নোহোৱা বিবেকে আকৌ মানসিক ভাৱে অত্যাচাৰহে চলায় তাইৰ ওপৰত। এই অত্যাচাৰৰ আঁৰত কিছুমান ৰহস্য লুকাই আছিল এই কথা তাই বহুত পলমকৈ গম পালে। হয়তো সপোনতো ভৱা নাছিল তাইৰ স্বামীয়ে এনেকুৱা নীচ কাম কৰিব পাৰিব, ইমান চৰিত্ৰহীন হব পাৰিব। ছিঃ কথাবোৰ ভাবি ঘৃণাৰ ভাব জাগ্ৰত হৈছে তাইৰ মনত।

উচ্চতৰ মাধ্যমিক পাছ কৰিয়ে ঘৰখনৰ হেঁচাত বিবেক বৰুৱা নামৰ মানুহজনৰ লগত বিয়া হৈ আহিছিল তাই। স্বামীৰ ঘৰখনৰ লগতে নিজৰ শিক্ষাজগতখনকো আগুৱাই লৈ গৈছিল তাই।

এদিন দুদিন কৰি চাৰি বছৰ পাৰ হ'ল। তাই স্নাতক ডিগ্ৰী পাছ কৰিলে। এই সময়তে ছোৱালী ৰিজুৱে ঘৰখনলৈ সুখ লৈ আহিছিল। কেইটামান দিন সুখেৰে পাৰ হৈছিল। কিন্তু লাহে লাহে সুখবোৰ আঁতৰি অমাৱশ্যাৰ আন্ধাৰ ৰাতিবোৰ নামি আহিল, সুখবোৰলৈ। বিবেকে সদায় একো কাৰণ নোহোৱাকৈ কাজিয়া কৰে তাইৰ লগত, কেতিয়াবা মাৰপিট, দীপাই একো কথাই ক'ব নোৱাৰে।

সত্য কেতিয়াও লুকাই নাথাকে। এদিন হ'লেও এই সত্য ওলাবই, লাগিলে বছৰ বছৰ পাৰ হৈ যাওঁক। বিবেকৰ মাৰপিটৰ আঁৰত লুকাই থকা প্ৰকৃত ৰহস্য ওলাই পৰিল। পত্নী দীপাৰ বাহিৰে অন্য নাৰীৰ লগত থকা অবৈধ প্ৰেম। ৰাতিপুৱাই অফিচলৈ ওলাই যায় বিবেক, কিন্তু অফিচৰ সময়তকৈ বেছি সময় কটায় অন্য মহিলাৰ লগত চিনেমা হল, নামি-দামী ৰেষ্টুৰাত। ঘৰলৈ উভতি আহে গধুলি সময়ত আৰু নতুন নতুন নাটক আৰম্ভ কৰে ভাত-খোৱাৰ সময়ত।

দীপাই অন্য মহিলাৰ লগত থকা সম্পৰ্কৰ কথা ইতিমধ্যে গম পাইছে, এই কথা বিবেকে গম পাইছিল। এই কথাবোৰ লুকুৱাবলৈ, নিজৰ দুখ ঢাকিবলৈ এই কাজিয়া, মাৰপিটৰ আশ্ৰয় লৈছিল বিবেকে।

বহুত মানুহৰ মুখত বিবেক আৰু অন্য মহিলাৰ লগত থকা অবৈধ প্ৰেমৰ সম্পৰ্ক শুনিছিল দীপাই, চকুৰে নেদেখালৈকে বিশ্বাস কৰা নাছিল তাই, কিন্তু তাই আজি সম্পূৰ্ণ বিশ্বাস কৰিছে, নিজৰ চকুৰে দেখা পালে বিবেকে আনৰ লগত একে লগে ঘূৰি ফুৰিছে গাড়ীত উঠি।

কি দেখা পালে তাই নিজৰ চকু দুটাকে বিশ্বাস কৰিব পৰা নাই, ইমান বছৰে বিবেকে তাইৰ লগত বিশ্বাসঘাটকতা কৰি আহিছে। ছিঃ আনৰ পত্নীৰ লগত সম্পৰ্ক।

বিবেকে গম পালে দীপাই এইবোৰ গম পালে, অফিচৰ পৰা আহি কাজিয়া লাগিলে তাইৰ লগত আৰু সৃষ্টি কৰিলে মানসিক অশান্তি।

দিনবোৰ বাগৰি বছৰ পাৰ হ'ল ৰিজু ডাঙৰ হ'ল আৰু ৰিয়ানেও নতুন পৃথিৱীত ভৰি দিলে। ভাৱিছিল সকলোবোৰ সলনি হ'ল। কিন্তু আকৌ আগৰ পৰিস্থিতিয়ে দেখা দিলে। ঘৰখনলৈ নামি আহিল অমানিশাৰ আন্ধাৰ। দুখৰ মাজতে ৰিজু আৰু ৰজত ঘৰখনলৈ আহিছিল। ইফালে বিবেকৰ দিনক দিনে উন্তুগুলি বাঢ়ি গৈ আছে। এইবোৰ দেখি দিপাৰ বিবেকৰ ওপৰত অলপো বিশ্বাস আৰু আস্থা নোহোৱা হৈ গৈছে। লাজ লাগে দেউতাক বুলি পৰিচয় কৰাই দিবলৈ। দীপা দিনক দিনে জীয়াই জীয়াই এটা মৃতদেহ হৈ পৰিছে। ইফালে বিবেকক ডিভোৰ্চ দিব নোৱাৰে ভয় কৰে কিজানি সমাজৰ আগত পিতৃৰ পৰিচয় পৰা বঞ্চিত হয় ল'ৰা-ছোৱালী দুটা।

বিবেক বাৰু কেতিয়াবা সলনি হ'বনে? এই দিনবোৰ আহিবনে, যত পিতৃ-মাতৃ ল'ৰা-ছোৱালীয়ে সম্পূৰ্ণ এখন ঘৰ এটি সুখৰ হাঁহি মাৰিব। এই হাজাৰটা প্ৰশ্নই তাইক আগুৰি ধৰিছে।

কেতিয়া দিব পাৰিব এজন প্ৰকৃত দেউতাকৰ পৰিচয়। কথাবোৰ ভাবি-ভাবি সম্পূৰ্ণকৈ বহি পৰিল চকীখনত আৰু কব নোৱাৰাকৈ চকুৰেদি অশ্ৰু নিগৰি পৰিল কেৱল নিজৰ বাবে নহয়; সকলো নাৰীৰ বাবে তাই এটি প্ৰতিবাদী কণ্ঠ হ'বলৈ ক্ৰমাৎ মনটোক স্থিৰ কৰিবলৈ ধৰিলে।

..............................

# ইয়াত সুখত আছো মা

নেহা পাৰবিন
তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

আজি বহুত দিনেই হ'ল ইয়ালৈ অহা কিন্তু আজি বাৰুকৈ মনত পৰিছে মাললৈ, দেউতালৈ, ভাইটিলৈ। প্ৰথম কেইদিন চকু মুদিব পৰা নাছিলো অতিপাত ভয়ঙ্কৰ ভাৱনাই দানৱৰ দৰে মুখ মেলি মোক গ্ৰাস কৰা যেন উপক্ৰম হৈছিল। কিন্তু, লাহে লাহে ইয়াত ভালেই লাগিব ধৰিলে নিজৰ দৰে বহুত লগৰীও পালো সিহঁতে সাহস দিলে আৰু ক'লে "প্ৰথম কেইদিন আমিও এনেকৈ ভয় খাইছিলো কিন্তু ইয়াত কোনো ভয় নাই, আমি সেই পৃথিৱীৰ পৰা বহুত দূৰত", এতিয়া সময়ো আগবাঢ়িছে মোৰ ঘাঁ শুকাই প্ৰায় লুপ্ত কিছু পাতল ৰেখা সদৃশ চিন কেইটামান আছে, ঘাঁবোৰ পাতল দাগলৈ পৰিণতি হৈছে, মনৰ ভয়বোৰো আতঙ্কৰ পৰা আঁতৰি বেয়া স্মৃতিলৈ ৰূপান্তৰিত হৈছে। সকলোবোৰ সলনি হৈছে মাথো আজিও ইয়াত সকলোৰে সেই বিষাদৰ সময়খিনি মনতে বান্ধি সহজ হোৱাৰ চেষ্টা কৰিছে কাৰণ, ইয়াত আমিয়ে আমাৰ সকলো আৰু আজিকালি ঠাইৰ কিছু অভাৱো দেখা দিছে সদায় ইয়ালৈ নতুন নতুন ছোৱালী, মহিলা, কিশোৰী, বৃদ্ধা আনকি অলপ দিন আগত দুটি অকণমানি পানী কেঁচুৱা এটিও ৰীমাই লৈ অনা দেখিছো। যোৱাকালিয়েটো মণিষা নামৰ ছোৱালী এজনী ইয়ালৈ আহিছিল, বেচেৰী কথাও ক'ব পৰা নাছিল তাইৰ জিভা কাটি দিছিল সেই পিশাচকেইটাই কঁকাল ডিঙিও ভাঙি দিছিল। উফ! কি যে যন্ত্ৰণা তাইক দেখি এনে লাগিল যেন মোৰ অতীতে আহি আকৌ ভুমুকীয়াইছে, ইয়াত থকা আজি ৭ বছৰ হ'ল মোৰ মাই কৰা ন্যায়ৰ দীঘলীয়া সংগ্ৰামৰ পৰিণতি ২০ মাৰ্চ ২০২০ত পালো মই অলপ মান সময় বাবে হৰ্ষ উপলব্ধি কৰিছিলো। কিন্তু সঁচাকৈ সুখ সেইটো অলপ সময়ৰে আছিল। কাৰণ, আজিও দেখোন ধৰ্ষণৰ দৰে জঘন্য অপৰাধসমূহ সমাজৰ পৰা নিৰ্মূল হোৱা নাই বৰঞ্চ বাঢ়িবহে ধৰিছে। মই ভাবিছিলো মোৰ এই হৃদয় বিদাৰক অন্তৰ পাছত সমগ্ৰ দেশজুৰি উন্মাদিত হোৱা এই জনজোৱাৰ যিয়ে দেশৰ সংবিধানৰ নাৰী সুৰক্ষাৰ অনুচ্ছেদটো শক্তিশালী কৰিছে। মোৰ বাবে ঠিয় দিছে ন্যায়ৰ বাবে মাত মাতিছে এই জনগণে হয়তো আৰু এনে জঘন্য কাণ্ড ভৱিষ্যতে হোৱাৰ পৰা বাধা প্ৰদান কৰিব। কিন্তু নাৰী উৎপীড়নসমূহ যেন আৰু বিভ্ৰত ৰূপ ধৰিছে। আমাৰ আইন তথা চৰকাৰে মহিলাসকলৰ সংৰক্ষণৰ বাবে বহু আঁচনি তথা আইন গৃহীত কৰিছে। তথাপি আজিও তাৰ সম্পূৰ্ণ সুচাৰুৰূপে গ্ৰহণ হোৱা নাই। আজিও আমাৰ দেশত নাৰী উৎপীড়ন তথা ধৰ্ষণ চলিয়েই আছে। আজি কেইমাহমান আগত প্ৰিয়ংকা ইয়ালৈ যি অৱস্থাত আহিছিল আমি তাইক ততালিকৈ নি ভিতৰত বহালো। তাই হকহকাই পাৰেমানে চকুলো টুকিছে আমি বুজিব পাৰিছো তাইৰ মনৰ বেদনা তাই যে প্ৰথম ছোৱালী যাক সেই দানৱ জীয়াই জীয়াই পুৰিছে এনে কথা নহয়। ইয়ালৈ বহুতো ছোৱালী আহি থকা দেখা পাওঁ যিয়ে প্ৰাণ থাকোতেই সেই নাৰকীয় যন্ত্ৰণা ভোগী পৃথিৱী এৰিব লগা হয়। কিন্তু প্ৰিয়ংকাই পৃথিৱীৰ পৰা যন্ত্ৰণা পোৱাৰ উপৰিও তাই সহায় বিচৰাৰ পৰিণতি পালে। তাই এতিয়াও যেন সম্পূৰ্ণ সহজ হ'ব পৰা নাই। তাই আমাক প্ৰায়ে কয়, "যদি মই সিদিনা বাহিৰলৈ নগলো হয় বা মোৰ স্কুটী বেয়া নহ'ল হয় বা যদি মই সহায় নিবিচাৰিলো হয়" তাই চকুলো নিগৰি আহে। তাই এই কথাও কয় যে তাই সৰুৰে পৰা জীৱ-জন্তু মৰম কৰিছিল আৰু সিহঁতৰ দুখ নিবাৰণৰ বাবে কিবা কৰাৰ সপোন দেখিছিল সেইবাবে তাই ভেটেনেৰী ডাক্তৰ হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল। তাই নিজৰ বৃত্তি ভাল পাইছিল। কিন্তু তাই হয়তো এই কথা সপোনতো ভাবিব পৰা নাছিল যে তাইৰ

অন্ত এনে ভয়াৱহ হ'ব বুলি। জীৱ-জন্তু ভাল পোৱা সেই কোমল অন্তৰৰ জীয়া মনৰ ডাক্তৰ গৰাকীৰ জীয়াই থকা অৱস্থাতে জ্বলাই ছাই কৰিব। হয়তো সেই দানৱবোৰেও দুখ বুজি পায়। কিন্তু এই ধৰ্ষণকাৰীৰ নিজৰ লোভত যি বিভ্ৰত ৰূপ ধৰে তাক হয়তো কাৰো লগতে তুলনা কৰিব পৰা নাযাব।

পিছে কোনো ছোৱালীয়ে নিজৰ এনে দশা নিবিচাৰে আৰু কোনো ছোৱালীয়ে সপোনতো নাভাবে যে তাইৰ লগত এনেকুৱা কিবা হওঁক বুলি বা কোনো আন ছোৱালীৰ লগতো এনে কিবা হওঁক। কিন্তু আমাৰ সমাজত এই ধৰ্ষণ নাৰী যাতনা কম হোৱাৰ বিপৰীতে বাঢ়িবহে ধৰিছে। কেতিয়াবা ধৰ্ষণ, কেতিয়াবা যৌতুকৰ বাবে অত্যাচাৰ, কেতিয়াবা মানসিক আৰু শাৰীৰিক শোষণ, নাজানো কেতিয়া এনে এখন পৃথিৱী দেখিব পাম য'ত নাৰী পুৰুষৰ ভেদ অবিহনে সন্মানেৰে সুৰক্ষাৰে এগৰাকী নৰীয়ে জীৱন যাপন কৰিব পাৰিব।

হ'ব পৰা এই সপোন ধুসৰিত অথচ তথাপি এটি সৰু আশা কৰিব পাৰি, হ'ব আজিলৈ সামৰো। আজিও ইয়ালৈ বহুতো ছোৱালী আহিছে। অলপ চাই আহো আজিলৈ নমস্কাৰ।

ইতি
জ্যোতি সিং অৰ্থাৎ
আপোনালোকৰ "নিৰ্ভয়া"
দেশৰ ছোৱালী।

.............................................

# জীৱনৰ অন্যতম এক অভিজ্ঞতা

য়ে হম পাংয়ুক
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

২০১৯ৰ নৱেম্বৰ মাহ। আমাৰ চেমিষ্টাৰ পৰীক্ষাৰ ভৰপক। তেনেতে কলেজৰ নটিছ বৰ্ডত এখন নটিছ পালো যে কলেজৰ ফালৰ পৰা ডিচেম্বৰ মাহৰ ১৭ তাৰিখে ৰাজস্থান, দিল্লী আদি ঠাই সমূহলৈ এটি দল ওলাইছে যদিহে কোনোবা ইচ্ছুক তেন্তে যোগাযোগ কৰিব পাৰে। নটিছখনৰ তলত ফোন নম্বৰ দিয়া হৈছিল। পিছত গম পালো যে অমৃতসৰ, মানালী, দিল্লী, আগ্ৰালৈহে যাব। নিজেও যাবলৈ ইচ্ছুক হ'লো। কলেজৰ পৰা বন্ধু-বান্ধৱীৰ লগত ইমান দূৰলৈ কেতিয়াও যোৱা নাই সেইবাবে এইটো ছেগতে যাম বুলি মনতে ভাবি থলো। বন্ধু-বান্ধৱীৰ লগতে ফুৰিবলৈ যোৱাৰ আমেজেই সুকীয়া। পিছত গৈ পাঁও বা নাপাঁও। হোষ্টেলত আহি লগৰ কেইজনীক সুধিলো সকলোৱে ঘৰত সুধিহে ক'ম বুলি ক'লে। কাৰণ সকলোৰে ঘৰৰ কিছুমান অসুবিধাও থাকে। মইয়ো ঘৰলৈ আহি মাক কথাযাৰ ক'লো মায়ে দেউতাক ক'বলৈ ক'লে দেউতাও হা না একো নক'লে। মাৰ এটাই চিন্তা 'তই বেলেগৰ নিচিনা নহয়। ঘপহ কৈ কিবা এটা হয় তাতে মানালী বহুত ঠাণ্ডা ঠাই। কিন্তু পিছত মা আৰু দেউতাই যাবলৈ ক'লে। ঠিক সেইমতে হোষ্টেল আহি আহি সকলোৰে লগত কথা পাতি গম পালো- পৰি, জ্যোতি, লোপা, বৰষা আৰু ৰ'জী যাব আৰু কোন কোন যাব গম পোৱা নাছিলো। ঠিক সেইমৰ্মে এটা নিৰ্দিষ্ট তাৰিখত টিকটৰ বাবে কম্পিউটাৰ চাৰৰ ওচৰত কিছু টকা জমা দিলোগৈ আৰু পৰীক্ষা শেষ হোৱাত ঘৰলৈ আহিলো। ঘৰলৈ অহা দুই-তিনিদিনৰ পিছতেই সমগ্ৰ ৰাজ্যত 'কা' আন্দোলন আৰম্ভ হ'ল। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে স্বৈৰাচাৰীভাৱে অসমৰ

ওপৰত জাপি দিয়া 'নাগৰিকত্ব সংশোধনী আইন'ৰ বিৰুদ্ধে ঠায়ে ঠায়ে প্ৰতিবাদ, আন্দোলন আদিয়ে অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ আকাশ-বতাহ কঁপাই তুলিলে। সমগ্ৰ ভাৰততেই ট্ৰেইন আৰু যাতায়তৰ সমূহ ব্যৱস্থা স্তব্ধ হ'ল। লাহে লাহে পৰিস্থিতি উত্তপ্ত হ'ল। ইণ্টাৰনেট সেৱা কৰ্তন কৰিলে আৰু আমাৰ মানালী যোৱা তাৰিখো পাৰ হ'ল। তাৰ মাজতে এদিন প্ৰযোজ্য দায়ে সকলোকে কনফাৰেন্স ক'ল লগায় তাত চাৰো আছিল। চাৰে সকলোকে ক'লে যে পৰিস্থিতি শাম নকটালৈকে ট্ৰেইন কেতিয়া চলিব কোনেও ক'ব নোৱাৰে গতিকে বেলেগ এটা তাৰিখ ল'ব লাগিব। ৩১ ডিচেম্বৰৰ পুৱা ৯-৫৫ বজাত আমাৰ ট্ৰেইন আছিল আৰু আমি সকলোৱে শিমলুগুৰিত উঠিব লাগিব।

৩১ ডিচেম্বৰ পুৱা ৭-১৫ বজাত ঘৰৰ পৰা শিমলুগুৰিলৈ ৰাওনা হ'লো। দেউতা আৰু বৰতাহঁতৰ দাদাই শিমলুগুৰিত ট্ৰেইনত উঠাবলৈ গ'ল। যিহেতু ৰাস্তা ইমান ভাল নহয় আৰু দাদাই নতুনকৈ গাড়ী শিকিছে সেই কাৰণে লাহে লাহে গৈ প্ৰায় ৮-৩০ মান বজাত শিমলুগুৰি পালোগৈ। প্ৰথমে আমিয়ে গৈ পালো। লাহে লাহে সকলো আহিল লগ হ'লো আৰু সেই একেই সময়তে ৯-৫৫ বজাত আমি ডিব্ৰুগড়ৰ পৰা অহা অমৃতসৰ এক্সপ্ৰেছত উঠি অমৃতসৰ অভিমুখে ৰাওনা হ'লো। আমি ছাত্ৰ-ছাত্ৰী আছিলো মুঠ ১৯ জন লগতে কলেজৰ দ্বীপজ্যোতি দত্ত চাৰ আৰু যতীন গগৈ চাৰ আৰু মৃদুপৱন চাৰৰ মা আৰু তিনিগৰাকী আত্মীয়, দলটোৰ নেতৃত্বত থকা মনিদীপা ৰাজকুমাৰী বাইদেউৰ জী তথা দুগৰাকী ভতিজী মুঠ আমি ৩০ জন মৃদুপৱন গগৈ চাৰ আৰু মনিদীপা ৰাজকুমাৰী বাইদেউৰ নেতৃত্বত অমৃতসৰলৈ যাত্ৰা আৰম্ভ কৰিলো। জীৱনত প্ৰথমবাৰৰ বাবে ইমান দূৰলৈ ট্ৰেইনেৰে যাত্ৰা কৰিছো তাতে এদিনীয়া নহয়। অলপ ভয়ো লাগিছিল কাৰণ ট্ৰেইনত বিভিন্ন ধৰণৰ মানুহক লগ পাম তথাপিও মনত অযুত আনন্দ কাৰণ জীৱনত কেতিয়াও কল্পনা কৰিব নোৱাৰা ঠাইলৈ যাম। তেনেকৈয়ে ৰাতি আমি প্ৰায় ৭-৩০ বজাত গুৱাহাটী পালোগৈ। ঘৰৰ পৰা নিয়া টোপোলা ভাতেৰে ৰাতিৰ সাজ খালো। পিছদিনা ২০২০ বৰ্ষৰ প্ৰথম দিন ১ জানুৱাৰী। আমাৰ দবাত থকা প্ৰযোজ্য দা, অলিহঁতে সকলোৱে সকলোকে নৱবৰ্ষৰ শুভেচ্ছা জনাইছে। তেনেকৈয়ে ৰাতিপুৱা প্ৰায় ৩ মান বজাত পশ্চিমবংগ পালোগৈ। আৰু নৱবৰ্ষৰ প্ৰথমটো দিন ট্ৰেইনতে কটালো। তেনেকৈয়ে আমি ৩ দিন ট্ৰেইনত কটালো। জীৱনৰ প্ৰথমটো দীঘলীয়া ট্ৰেইন যাত্ৰা মাজে মাজে আমনিও লাগে কিন্তু ভালো লাগে। পশ্চিমবংগ, বিহাৰ, উত্তৰপ্ৰদেশ, হাৰিয়ানাৰ সেউজীয়াসমূহ ঠায়ে ঠায়ে উত্তৰপ্ৰদেশৰ কুঁহিয়াৰ বাগান, আমৰ বাগানসমূহ, খেতিপথাৰসমূহ অসমতকৈ সম্পূৰ্ণ পৃথক। ঘৰ-দুৱাৰ আদি সকলো বেলেগ। মাজে মাজে আমনি লাগিছিল যদিও সেইবোৰ দৃশ্যই আকৰ্ষিত কৰিছিল। প্ৰায় ৩ দিন দীঘলীয়া যাত্ৰাৰ অন্তত ২ জানুৱাৰীত আমি পঞ্জাবত প্ৰৱেশ কৰিলো আৰু ৰাতি প্ৰায় ১০-৩০ মান বজাত অমৃতসৰ জংচনত নামিলো। তাৰ পৰা অট'ৰে নামি হোটেললৈ আহিলো। হোটেললৈ আহি সকলোৱে গা-পা ধুই ৰাতিৰ সাজ খালো। ৩ জানুৱাৰীৰ পুৱা সকলোৱে অমৃতসৰ ভ্ৰমণৰ বাবে ৰাওনা হ'ল, বাছ আহিল। প্ৰথমতে আমি জলিয়ানৱালাবাগৰ স্মৃতিসৌধ চালো। তাৰ পিছত কাষতে থকা 'স্বৰ্ণ মন্দিৰ'। স্বৰ্ণ মন্দিৰ আছিল সঁচাকৈ এক অপূৰ্ব সৃষ্টি আৰু ইয়াৰ প্ৰৱেশদ্বাৰৰ পৰাই সকলো শৃংখলাবদ্ধ, বিশৃংখল বুলিবলৈ একোৱেই নাই। জোতা-চেণ্ডেল থোৱা এটা নিৰ্দিষ্ট ঘৰ আৰু তাৰ বাবে এটা টকেন ল'ব লাগে আৰু ভৰি ধুইহে স্বৰ্ণ মন্দিৰৰ মূল প্ৰৱেশদ্বাৰত প্ৰৱেশ কৰিব পাৰি। ইও এক সুশৃংখলিত ৰূপত হয়। স্বৰ্ণ মন্দিৰৰ চৌহদটো আছিল যথেষ্ট পৰিস্কাৰ। তাৰ পৰা আমি ৱাঘা সীমান্তলৈ বুলি ৰাওনা হ'লো (ভাৰত-পাকিস্থান সীমান্ত)। প্ৰায় ২ ঘণ্টা যোৱাৰ পিছত আমি ৱাঘা সীমান্তত উপস্থিত হ'লো। তাত আবেলি ৪ বজাত দৈনিক পেৰেড হয়। দৈনিক শ শ মানুহৰ সমাগম ঘটে। তালৈ গৈ প্ৰতিজন ভাৰতীয়ই ভাৰতীয় হিচাপে গৌৰৱ অনুভৱ কৰে। তাত পাকিস্থানৰো একে সময়তে পেৰেড হয় আৰু সীমান্তৰ দুৱাৰ খুলি দিয়া হয়। তাত গৈ এক বেলেগ অনুভৱ হয়। সেনাবাহিনীৰ (BSF) কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত গোটেই অঞ্চলটো আছে। ইয়াত পেৰেড হোৱাৰ পিছত সেনাবাহিনীৰ সলনি অন্য কোনো থাকিব নোৱাৰে। তাৰ পৰা আবেলি পুনৰ হোটেললৈ উভতিলো, হোটেললৈ আহোঁতে এখন ধাবাত

নামি ৰাতিৰ আহাৰ গ্ৰহণ কৰিলো। তাৰ পিছত পুনৰ হোটেল আহি সকলোৱে মুখ-হাত ধুই প্ৰায় দুঘণ্টামানৰ পিছত মানালীলৈ বুলি ৰাওনা হ'লো। ৰাতি ৯ বজাত আমি অমৃতসৰ এৰিলো। অমৃতসৰৰ পৰা মানালীলৈ প্ৰায় ৪০৯.৭ কিলোমিটাৰ। ৰাতি প্ৰায় ৰৰ-ৰচ মান বজাত আমি হিমাচল প্ৰদেশত প্ৰৱেশ কৰিলো। চাৰিওফালে পাহাৰ, গছ-গছনি। ৰাতিপুৱা প্ৰায় ৮ মান বজাত আমি এখন হোটেলত নামি চাহ খালো। তাৰ মাজতে মোৰ অলপ শাৰীৰিক অসুস্থতাও হৈছিল। তেনেকৈয়ে গৈ আমি দিনৰ প্ৰায় ২-৩০ মান বজাত মানালী পালোগৈ। মানালীৰ Volvo পইণ্টত বাছৰ পৰা নামি টেক্সীৰে হোটেল পালোগৈ। পিছদিনা ৫ জানুৱাৰীৰ পুৱা ১০ মান বজাত আমি চলাং ভেলীলৈ বুলি যাত্ৰা কৰিলো। দুখন ট্ৰেভেলাৰত আমি মুঠ ৩০ জনে যাত্ৰা আৰম্ভ কৰিলো। হিমাচল প্ৰদেশ আছিল সঁচায়ে মনোৰম ঠাই, যেন স্বৰ্গপুৰীহে। ইয়াৰ সৌন্দৰ্যৰ তুলনা নাই লগতে মানালীও এখন আকৰ্ষণীয় ঠাই। ইয়ালৈ প্ৰতিবছৰে বহুতো পৰ্যটকৰ আগমন ঘটে। ৰাস্তাৰ দুয়োকাযৰ নান্দনিক দৃশ্য, উফ্! কি যে সুন্দৰ। দুয়োকাষে বৰফৰ পাহাৰ, মাজে মাজে সেউজীয়াবোৰ, তাৰ মাজতে ঘৰবোৰ আৰু কাষেৰে বগা শিলৰ পানীৰে বৈ যোৱা নৈবোৰ। ইয়াৰ যেন সৌন্দৰ্যৰ পাৰাপাৰ নাই। প্ৰকৃতিৰ অনুপম সৃষ্টি হিমাচল প্ৰদেশ। ঠাইসমূহ উপভোগ কৰি আমাৰ গাড়ী ৰ'ল। সকলোৱে নামি ৰাস্তাৰ কাষতে থকা দোকান এখনৰ পৰা বৰফত যাতে বেছি ঠাণ্ডা নাপাওঁ তাৰ বাবে এযোৰ কাপোৰ (Jumpsuit) বৰফত খোজ কাঢ়িব পৰাকৈ এযোৰ Boot ভাৰালৈ ল'লো আৰু চলাং ভেলী পোৱাৰ প্ৰায় ২ কিলোমিটাৰ আগত আমাৰ গাড়ী ৰ'ল আৰু তাৰ পৰা চ কিলোমিটাৰ আমি খোজকাঢ়ি যাব লাগিব। এনেইটো ঘোঁৰা, এ.টি.ভি. বাইক আৰু মেইন ৰোডেৰে গাড়ীও যায় আৰু পাহাৰৰ মাজে মাজে ভিতৰুৱা ৰাস্তাও আছে। কিন্তু আমি খোজ কাঢ়িয়ে যাবলৈ থিৰাং কৰিলো। কিয়নো ৰাস্তা ইমান বহল আৰু ডাঙৰ নহয় গতিকে অলপ সমস্যাও হয়। প্ৰায় ২ ঘণ্টা খোজকাঢ়ি আমি চলাংভেলী পালোগৈ। ২ ঘণ্টা বৰফৰ মাজত খোজকাঢ়ি আমি চলাংভেলী পালোগৈ। ২ ঘণ্টা খোজকাঢ়ি গৈছো তাতে মেইন ৰোডেৰে ভাগৰো লাগিছিল যথেষ্ট ভালো লাগিছিল। দুয়োকাযৰ নৈসৰ্গিক দৃশ্যবোৰ উপভোগ কৰি গৈছো। তাৰ মাজতে হিমাচলৰ পৰম্পৰাগত সাজপাৰ পিন্ধি ফটো তুলিছো। তেনেকৈয়ে গৈ গৈ চলাংভেলী পালোগৈ। গৈ পাই এনে লাগিছে কোনোবা সপোনৰ ঠাইত পালোহি। চাৰিওফালে বৰফ। চলাংভেলীক The Adventure Valley বুলিও কোৱা হয়। ইয়াত বিভিন্ন ধৰণৰ এডভেঞ্চাৰৰ কামসমূহো হয়, যেনে - পেৰাগ্লাইডিং, এ.টি.ভি. বাইক ৰাইড, ট্ৰেকিং ইত্যাদি। তাৰ মাজতে আমাৰ লগত যোৱা দুজনে পেৰাগ্লাইডিং, দুজনমানে এ.টি.ভি বাইক ৰাইড আদি কৰিলে সকলোৱে যথেষ্ট উপভোগ কৰিলে। তাত আমি মেগী আৰু চাহ খালো। প্ৰায় ডেৰ ঘণ্টামানৰ পিছত আমি ঘূৰি আহিব ল'লো। যাওঁতেই যিহেতু খোজকাঢ়ি গৈছিলো ইমান দূৰ গতিকে আহোঁতে যথেষ্ট ভাগৰো লাগিছিল, ঠাণ্ডাও যথেষ্ট আছিল সেইবাবেই আমি ঘোঁৰাত উঠি আহিলো। প্ৰথমে মই, পৰি, সুদৰ্শন, মেম আৰু তেওঁৰ ছোৱালীজনী আহিলো। প্ৰত্যেকজনে এটা এটা ঘোঁৰাত, প্ৰথম ঘোঁৰাত উঠিছো তাতে পাহাৰীয়া ঠাই অলপ থিয় যথেষ্ট ভয় লাগিছিল, ভালো লাগিছিল, ইও এক অভিজ্ঞতা। আমি অহাৰ পাঁচ মিনিটমানৰ পিছত প্ৰায় সকলোৱে আহি পালো আৰু সকলোৱে একপি গ্ৰুপ ফটো লৈ পুনৰ হোটেললৈ উভতিলো। হোটেললৈ আহি সকলোৱে মুখ-হাত ধুই বজাৰ কৰিবলৈ মল ৰোডলৈ আহিলো। ইটো-সিটো লোৱাৰ পিছত পুনৰ হোটেললৈ গৈ মুখ-হাত ধুই ৰাতিৰ সাজ খালো। পিছদিনা ৬ জানুৱাৰীৰ পুৱা মানালীৰ স্থানীয় ঠাইসমূহ চাবলৈ ৰাওনা হ'লো। সেইদিনা বতৰতো অলপ বেছি ঠাণ্ডা আছিল আৰু বৰষুণো দি আছিল। বৰষুণজাক আছিল বৰফৰ (Snawfall) তেনেকৈয়ে আমি হিড়িম্বা দেৱী মন্দিৰ পালোগৈ। ঐতিহাসিক এই মন্দিৰ বহু পুৰণি আৰু মন্দিৰ চৌহদটো আছিল যথেষ্ট ডাঙৰ আৰু সুন্দৰ। তাৰ পিছত আমি মানালীৰ ক্লাব হাউচলৈ বুলি গ'লো যদিও তাত নোসোমাই Snawfallহে উপভোগ কৰিলো। তাৰ পৰা পুনৰ হোটেললৈ গৈ অলপ জিৰাই ৰাতিৰ সাজ খাই দিল্লীলৈ বুলি ৰাওনা হ'লো। ৭-৩০ বজাত ট্ৰেভেলাৰত মানালীৰ Volvo পইণ্ট পালোগৈ আৰু তাৰ পৰা Volvo

বাছেৰে দিল্লীলৈ বুলি যাত্ৰা কৰিলো। পিছদিনা ৭ জানুৱাৰী পুৱা ৬ মান বজাত আমি দিল্লী পালোগৈ। বাছৰ পৰা নামি আমি টেক্সীৰে হোটেললৈ গ'লো। হোটেলখন আছিল ফাটেহপুৰত। হোটেলত সকলোৱে গা-পা ধুই লালকিল্লা চালো লগতে অট'ৰে সৰোজনী নগৰলৈ গ'লো আৰু সৰোজনী বজাৰত অলপ বজাৰ কৰি মেট্ৰ ট্ৰেইনেৰে পুনৰ হোটেল পালোহি। পিছদিনা ৮ জানুৱাৰীৰ পুৱা ৬ বজাত আগ্ৰালৈ যাবলৈ সাজু হ'লো। প্ৰায় ৬-৩০ বজাত আমি বাছেৰে আগ্ৰালৈ যাত্ৰা কৰিলো। দিনৰ প্ৰায় ১১ মান বজাত আমি আগ্ৰা পালোগৈ। প্ৰথমে আমি আগ্ৰা কিল্লা চালো। এক বৃহত্তৰ অঞ্চল আগুৰা আগ্ৰাকিল্লাৰ ৭৫ শতাংশয়ে সেনাবাহিনীৰ অধীনত আছে। মোগল ভাস্কৰ্য শৈলীৰে নিৰ্মিত আগ্ৰাকিল্লায়ে বিভিন্ন ঐতিহাসিক ঘটনাৰ সাক্ষী হৈ ৰৈছে। তাৰপৰা আমি আগ্ৰাকিল্লাৰ কাষতে থকা তাজমহল চাবলৈ গ'লো। আগ্ৰাকিল্লাৰ পৰাও তাজমহলৰ এক নান্দনিক দৃশ্য দেখিবলৈ পোৱা যায়। যমুনা নৈৰ পাৰত অৱস্থিত তাজমহল মোগল শাসনৰ সময়ৰ এক অপূৰ্ব সৃষ্টি। পৃথিৱীৰ ৭ আশ্চৰ্যকৰ ভিতৰত ইও এক। তাজমহল দূৰৰ পৰা যিমান সুন্দৰ ওচৰৰ পৰা ই দুগুণ মনোমোহা। আগ্ৰা চহৰৰ ই এক সৌন্দৰ্যৰ কাৰণ। তাজমহলৰ পৰা উভতি আমি এখন হোটেলত দুপৰীয়াৰ আহাৰ খাই মথুৰালৈ বুলি ৰাওনা হ'লো। প্ৰায় ডেৰঘণ্টা যোৱাৰ পিছত মথুৰা পালোগৈ। ভগৱান শ্ৰীকৃষ্ণৰ জন্মভূমি মথুৰা এখন অতি সুন্দৰ ঠাই। পুলিচ তথা চি.আৰ.পি. এফ.ৰ কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত মথুৰাৰ মন্দিৰটো আছে। কিয়নো সেই চৌহদতেই এটা মছজিদো আছে আৰু অযোধ্যাৰ দৰে ঘটনা যাতে দ্বিতীয়বাৰ নহয় সেইবাবে নিৰাপত্তা কটকটীয়াকৈ ৰখা হয়। ৰাতি প্ৰায় ১২ বজাত আমি হোটেল পালোহি। পিছদিনা ৯ জানুৱাৰীৰ দুপৰীয়া প্ৰায় ১-২ মান বজাত আমি দিল্লীৰ স্থানীয় কুটুবমিনাৰ আৰু ইণ্ডিয়া গেট চাবলৈ গ'লো। ইণ্ডিয়া গেটৰ প্ৰকৃত সৌন্দৰ্য ৰাতিহে দেখা যায়। তাৰ পৰা উভতি পুনৰ হোটেললৈ আহি মুখ-হাত ধুই ৰাতিৰ ভাত সাঁজ খাই সকলোৱে বেগ পেক কৰিলো আৰু অলপ জিৰাই দিল্লী ৰেলৱে জংচনলৈ ই-ৰিক্সাৰে আহিলো আৰু আমি আহিবলগীয়া ব্ৰহ্মপুত্ৰ মেইলৰ সময় আছিল ১১.৫৫ বজাত। ৭ দিনীয়া ভ্ৰমণ সামৰি আমি পুনৰ ঘৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। তিনিদিনৰ অন্তত ১২ জানুৱাৰীৰ পুৱা ৫ মান বজাত আমি শিমুলুগুৰিত নামিলো আৰু তাৰ পৰা বাছেৰে অভয়পুৰত নামি পুনৰ অভয়পুৰ পৰা ঘৰলৈ বুলি আহিলো।

কলেজীয়া জীৱনৰ এইটো আছিল আটাইতকৈ ভাল আৰু ভাল্লৰ অভিজ্ঞতা। স্মৃতিৰ পাতত ই সদায় সজীৱ হৈ ৰ'ব চিৰদিনলৈ। বন্ধু-বান্ধৱী, ছাৰ-বাইদেউসকলৰ লগত কটোৱা সময়বোৰ স্মৃতিৰ একোণত ৰৈ যাব চিৰদিনলৈ। ছাৰ-বাইদেউৰ বন্ধুত্বসুলভ কথাবোৰ সৰু সৰু ধেমালিবোৰ, ইজনে-সিজনৰ লগত কৰা সৰু সৰু ধেমালীবোৰ, ট্ৰেইনত টোপোলা ভাতৰ আমেজ, হাঁহি-ধেমালিৰ মাজেৰে কেতিয়াবা দিনবোৰ পাৰ হ'ল ধৰিবই নোৱাৰিলো। জীৱনৰ অন্যতম এক অভিজ্ঞতা হিচাপে সেইদিনবোৰ, সেই সময়বোৰ সদায় বিশেষ হৈ ৰ'ব।

..............................

# অসমৰ মুখাশিল্প

কস্মিতা খনিকৰ
তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

লোকশিল্পৰ মাজেৰে প্ৰতিফলিত হয় একোটা জাতিৰ পৰম্পৰাগত সমৃদ্ধি। অসম লোকশিল্পৰ ক্ষেত্ৰত অতি চহকী ৰাজ্য। অসমত জাতি জনগোষ্ঠী ভেদে বিভিন্ন লোকশিল্প দেখিবলৈ পোৱা যায়। এই লোকশিল্পসমূহৰ ভিতৰত মুখা শিল্প হৈছে অন্যতম। বিশ্বদৰবাৰত অসম মুখাশিল্পৰ বাবে অতি জনপ্ৰিয়।

মুখাশিল্প হ'ল নিজৰ ৰূপ লুকুৱাই অন্যৰ ৰূপ ধাৰণৰ বাবে নিৰ্মাণ কৰা মুখাবয়ব। অসমত নৱবৈষ্ণৱ আন্দোলনৰ সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মুখাশিল্পৰ প্ৰৱৰ্তন কৰিছিল। শংকৰদেৱে তেওঁ ৰচনা কৰা ভাওনাসমূহত ভাৱৰীয়াসকলে বিভিন্ন চৰিত্ৰ যেনে - দানৱ, জন্তু, চৰাই, ৰাক্ষস আদিৰ অভিনয় ভংগীমা দৰ্শকৰ সন্মুখত উপস্থাপন কৰিবলৈ মুখা শিল্পৰ ব্যৱহাৰ কৰিছিল। সেই সময়ৰ পৰা বৰ্তমানেও অসমীয়া সংস্কৃতিৰ বাহক স্বৰূপে ভাওনাত মুখাৰ ব্যৱহাৰ কৰা দেখা যায়।

অসমৰ মুখাশিল্পৰ অভিকেন্দ্ৰ হ'ল - মাজুলী, শিৱসাগৰ, গোৱালপাৰা, দৰং অঞ্চল। পৰম্পৰাগত মুখাশিল্পৰ চৰ্চা মাজুলীৰ চামগুৰি সত্ৰ, শিৱসাগৰৰ খাটপাৰা সত্ৰ আৰু তিতাবৰৰ বগীআই এলেঙী সত্ৰ অন্যতম। বৰ্তমান মাজুলীৰ কমলাবাৰী সত্ৰতো মুখা শিল্পৰ চৰ্চা আৰম্ভ হৈছে।

মুখাসমূহক মূলতঃ চাৰি প্ৰকাৰে তৈয়াৰ কৰা হয়। যেনে - কাঠৰ মুখা, বাঁহৰ কাঠিৰ মুখা, কাপোৰৰ মুখা আৰু সাঁচি পাতৰ মুখা। এই মুখাসমূহৰ ভিতৰত বাঁহৰ কাঠিৰে সজা মুখাহে অসমত জনপ্ৰিয়। এই বাঁহৰ কাঠিৰে সজা মুখা তৈয়াৰৰ বাবে সামগ্ৰীসমূহ হ'ল - বাঁহ, কুমাৰ মাটি, কাপোৰ, ৰচী, গোবৰ ৰং দিবৰ বাবে হালধী, ছাই, পূৰৈ শাকৰ গুটি, বৰহমথুৰি, জাৰথৰৰ গুটি, হেঙুল, নীল আদি ব্যৱহাৰ কৰা হয়।

মুখা প্ৰস্তুতৰ বাবে প্ৰথমে কোমলীয়া জাতি বাঁহ নিৰ্দিষ্ট জোখত কাটি এসপ্তাহৰ বাবে পানীত গোৰাই ৰখা হয়। ইয়াৰ পিছত মানুহ বা জন্তুৰ মুখাবোৰ সাঁজি বিভিন্ন ভাঁজত তৈয়াৰ কৰিবলৈ বাঁহৰ শলা বা কামিৰে বন্ধা হয়। মুখা সজা সম্পূৰ্ণ হ'লে কুমাৰ মাটি কাপোৰত সানি কাপোৰখন বাঁহৰ মুখাটোৰ ওপৰত ঢাকি ৰ'দত শুকাবলৈ দিয়া হয়। ইয়াৰ পিছৰ পৰ্যায়ত গৰুৰ গোবৰ আৰু আলতীয়া মাটি মুখাখনত লগাই মুখাখন মিহি কৰা হয়। মুখাখন সম্পূৰ্ণ হোৱা পাছত প্ৰাকৃতিক সম্পদসমূহ ব্যৱহাৰ কৰি ৰং দিয়া হয়। বৰ্তমান সময়ত মুখাশিল্পত প্ৰয়োজনুসাৰে কৃত্ৰিম ৰঙো ব্যৱহাৰ কৰা দেখা যায়।

মুখাশিল্পক মূলতঃ দুটা ভাগত বিভক্ত কৰা হৈছে - (১) লৌকিক-প্ৰাকৃতিক মুখা ঃ- চকুৰে দেখা জীৱ-জন্তু চৰাই আকৃতিৰ অনুৰূপ তৈয়াৰ কৰা মুখা হ'ল লৌকিক মুখা।

(২) অলৌকিক মুখা ঃ- দেৱতা, ৰাক্ষস, অসুৰ আদিৰ ৰূপ কল্পনা কৰি তৈয়াৰ কৰা মুখাই অলৌকিক মুখা।

আকৌ, গঠন প্ৰক্ৰিয়া অনুযায়ী তিনি প্ৰকাৰৰ মুখা দেখিবলৈ দেখিবলৈ পোৱা যায়। সেইসমূহ হ'ল

(১) ছোঁ মুখা ঃ- মূৰ আৰু গা-সন্মিলিত ডাঙৰ মুখাসমূহেই হ'ল ছোঁ মুখা। এই মুখাত ভাৱৰীয়াই হাতমূৰ লৰচৰ কৰিব নোৱাৰে। এই মুখা বিধ প্ৰায় ৮-১০ ফুট ওখ হয়। এই মুখা বিশেষকৈ ৰাৱণ, কুম্ভকৰ্ণ, বনৰজাৰ বাবে নিৰ্মাণ কৰা হয়।

(২) লোটাকৰি মুখা ঃ- এই মুখাবিধৰ বিশেষত্ব হ'ল ইয়াত মুখ আৰু শৰীৰৰ অংগ-প্ৰত্যংগসমূহ বেলেগে বেলেগে তৈয়াৰ কৰা হয়। যাতে ভাৱৰীয়াই হাত-ভৰি, পাখী আদিৰ লৰচৰ কৰিব পাৰে। এই মুখা বিশেষকৈ পুতনা, শংখচূড় আদিত ব্যৱহাৰ কৰা হয়।

(৪) মুখ-মুখা ঃ- ডিঙিলৈকে ঢাকি ৰাখিব পৰা মুখাই হ'ল

মুখ মুখা। এই মুখা বিশেষকৈ শূপৰ্নখা, বকাসুৰ আদি চৰিত্ৰত ব্যৱহাৰ হয়।

মুখাশিল্প অসমৰ গৌৰৱ। এই শিল্পৰ যোগেদি অসমৰ অসমীয়া সংস্কৃতিৰ শিল্প চেতনাৰ আভাস দিছে। অসমৰ মুখাশিল্পই দেশী-বিদেশী পৰ্যটকসকলক আকৰ্ষণ কৰিছে। কিন্তু দেখা যায় যে মুখাশিল্পই অসমীয়া সংস্কৃতিত যিদৰে প্ৰভাৱ বিস্তাৰ কৰি আছে সেইদৰে বাণিজ্যিক ক্ষেত্ৰত এই শিল্পই বিশেষ পৰিচয় দাঙি ধৰিব পৰা নাই। এই ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপ বৰ্তমান অত্যন্ত জৰুৰী হৈ পৰিছে। কিয়নো চৰকাৰৰ অবিহনে মুখা শিল্পৰ দৰে এটা বৃহৎ শিল্পৰ উন্নতি সাধন সহজ নহয়। এই শিল্প ভবিষ্যতেও জীয়াই থাকে তাৰ বাবে চৰকাৰ, জনসাধাৰণ, যুৱপ্ৰজন্ম সকলো আগবাঢ়ি আহিব লাগিব।

.....................................

# অন্‌লাইন ক্লাচ আৰু শিক্ষাৰ্থী

লাৱণ্য দাস
চতুৰ্থ ষণ্মাসিক
অসমীয়া বিভাগ

জীৱন আৰু জীৱনৰ নিজৰ স্বাধীনতাক আমি বহুত সাধাৰণভাৱে লওঁ। যেতিয়া সেই স্বাধীনতাবোৰ আমাৰ হাতত থাকে তেতিয়া আমি গমেই নাপাওঁ যে জীৱনৰ ৰং কি? কিন্তু যেতিয়া আমাৰ এই স্বাধীনতাবোৰৰ ওপৰত গ্ৰহণ লাগে .... যেনেকৈ এতিয়া বৰ্তমান কৰুণা মহামাৰীৰ বাবে আমাৰ ঘৰৰ পৰা ওলোৱা সোমোৱা বন্ধ হৈ গ'ল। এতিয়াহে আমি বুজি উঠিছো যে মুক্ত জীৱনৰ মূল্য কি? তাৰ গতিবেগৰ মূল্য কি?

ছাত্ৰ জীৱনৰ সময় অতি মূল্যবান। প্ৰথমতে মই ক'ব খুজিছো যে, সাধাৰণ স্তৰত ল'ৰা-ছোৱালীৰ দৈনন্দিন জীৱনৰ নিয়মীয়া ৰুটিনখন এনেধৰণৰ হয় - স্কুল যোৱা, টিউশ্যন যোৱা, খেলা-ধূলা কৰা, ধেমালি-ফুৰ্তি কৰা ইত্যাদি। তেতিয়া হয়তু কোনোবা ল'ৰা-ছোৱালীয়ে স্কুল নাযাওঁ ক'লেও জোৰ কৰি হ'লেও পঠিয়াইছিল। কিন্তু এতিয়া দ্বিতীয় পৰ্যায়ত অৰ্থাৎ বৰ্তমান ল'ৰা-ছোৱালীক অনুৰোধ কৰা হয় যে তেওঁলোক ঘৰত থাকক। শিক্ষাৰ্থীৰ জীৱন এটা সোণালী জীৱন কাৰণ শিক্ষা গ্ৰহণ কৰি থকা সময়.খিনি বহুত গুৰুত্বপূৰ্ণ সময় মানুহৰ জীৱনৰ বাবে। বৰ্তমান কৰুণা মহামাৰী (Covid - 19) এ শিক্ষাৰ্থীৰ জীৱনলৈ অন্ধকাৰ নমাই আনিছে। স্কুল-কলেজ বন্ধ হোৱাৰ বাবে শিক্ষা বিভাগে অন্‌লাইন ক্লাচৰ সম্পৰ্কে ইতিমধ্যে চ'চিয়েল মেডিয়াত বিভিন্ন খবৰ-বাতৰি প্ৰচাৰ কৰিছে। আৰু তাৰ বিভিন্ন শিক্ষা সম্পৰ্কীয় ইউ টিউব চেনেল আৰু বেব চাইডো প্ৰকাশ কৰিছে। অন্‌লাইন ক্লাচৰ সুবিধা কৰি দিয়াৰ বাবে বহু শিক্ষাৰ্থীৰ শিক্ষা অৰ্জনত বহুত সুবিধা হৈছে। তেওঁলোকে ঘৰতে থাকি শিক্ষকৰ সৈতে মুখামুখিকৈ বাৰ্তালাপৰ জৰিয়তে শিক্ষা অৰ্জন কৰিব পাৰিছে। কিন্তু তাৰ মাজতেই আহিবলগীয়া গুৰুত্বপূৰ্ণ কথাটো হৈছে যে আপুনি বা মই ভবাৰ দৰে সকলোৰে হাতত স্মাৰ্ট ফোন নাথাকিবও পাৰে। যাৰ বাবে এতিয়াও বহু ল'ৰা-ছোৱালী অন্‌লাইন পাঠদানৰ পৰা বঞ্চিত হৈ আছে। বৰ্তমান সময়ত কৰুণা মহামাৰীৰ বাবে দেশত যিটো পৰিস্থিতিৰ সৃষ্টি হৈছে তেনেস্থলত হয়তু বহু পৰিয়ালত দুবেলা দুমুঠি খাবলৈয়ো দহবাৰ ভাবিব লগা হৈছে। সেই তেনে এক পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে এটা স্মাৰ্ট ফোন কিনাটো সম্ভৱ জানো? তেওঁলোকে এতিয়া নিজৰ পেটৰ ভোকৰ কথা চিন্তা কৰিবনে তেওঁলোকৰ শিক্ষা জীৱনলৈ নামি অহা অন্ধকাৰৰ কথা চিন্তা কৰিব? অন্‌লাইন শিক্ষাৰ পৰা বঞ্চিত হোৱা শিক্ষাৰ্থীসকলে ইতিমধ্যে ব্যয় হোৱা শিক্ষাখিনি আকৌ ঘূৰাই পাবনে?

.....................................

# Corona Virus & It's Lessons

Parishmita Phukon (Rowd Ragini)
Department of English
B. A. 6th Semester

When man made it possible to visit other planet, when man achieves the mountains, when man can conquer against death by developing medicine though in the second decade of 21st century man has to pause for an invisible virus.

Yes, it is corona, a type of virus which raises a big question in front of human community. An invisible virus has made a huge visible change in this upgrading 21st century's lives.

I'm not going to talk about where or how did it spread or broke out. As it is well known, I just want to find some positive effects of corona.

Covid-19 which was declared by WHO as a pandemic, which suddenly caused a hue & cry and paused the whole continuing world in a second have also arisen some positive thought. Though it is a great loss for life or for education system. Though it broke our daily life, made huge loss in economy yet it gives us a few questions to look into and think about. Corona virus teaches us a lot.

**What we learned from corona?**

Firstly, if we see to the climate changes, the reduction of polution after taking lockdown of countries showing that how man's activities tortured nature very critically. As countries have been put into lockdown everywhere, air pollution as well as sound pollution reduces as the communication system totally slowed. It proves that without human activity how clear and pure the nature is! We, humans are responsible for the wounds of earth.

Nature is more powerful than the human creatures. Though we made changes of nature, though we can use nature according to our benefit but nature takes it back from us in compound interest with principal when tortures cross limit and shows its power.

It is said that nature takes it's breath peacefully during lockdown as there were no noises, no disturbance from human.

In addition, the bonding of every relationship becomes tightened. As schools closed, events canceled, factories shuttered, millions of people worked from their home every family could spend most of time with their dearest and nearest ones. In every day busy life man gradually became more and more professional and stayed far away from their relatives.

It is the helpful sight of lockdown and corona virus that force people to take meal and watch movie with their family and give much leisure time to take care of them. Otherwise people started to forget their intimates in the name of so call busy life.

Moreover it will be ungrateful if I do not talk about creativity. In this lockdown though we see panic, noises, death tolls around us on the other hand we see humanity, creative arts, and new ideas of youths. Instead of wasting time many of youths and elders kept busy themselves in creative writing, painting, dancing, cooking etc.

Though I am talking about the positive thing that corona virus and lockdown showed us, but it's sudden appearance made the economy weaker than before. Mostly it affected the living condition of daily labourers and middle class families, as they have minimum savings. This condition also warns us to save money for future. It is necessary to all of us to gain a sav-

ing habit for our secure upcoming future.

Instead of being panic many people showed their responsibility and unselfish work to the society. Helping each other makes a strength to fight against this deadly disease.

Through this I want to thank heartily all the health workers who serve people 24X7 hour without thinking of their own health. In addition, the existing education system has to change for adjustment with time because of this covid-19 attack. It prefers online method to offline. It is a step ahead to digital educational system.

Corona proves the whole world including India that establishing laboratory or hospital is very essential than temple or any other religious structure. Because in this corona pandemic time, all the doors of worshiping places remained closed and hospitals and laboratories remained open to help and serve people. it is a great lesson that corona teaches us and our government that we need not spend money for building very expensive temple, masjid etc. instead of that we need to build some hospitals, establish some schools and develop the health and education system. Because I believe that "Service to humanity is the greatest religion."

It is corona who pull back the whole human community who were on the way of destruction, who gradually became more artificial and mechanical who tortured nature and polluted own residence Earth.

**It is time to think about**

**It is time to change our mentality,**

**It is the right time to wake up from religious orthodoxy.**

..................................

# Assam the State of Hills and Rivers

Nashima Hussain
Department of English
B.A.2nd Semester

Assam is situated in the North-East of India and is the largest North-Eastern state. Assam is bounded by Bhutan and Arunachal in the North; Nagaland and Manipur in the East; Bangladesh, Meghalaya, Tripura and Mizoram in the South and West Bengal in the West. Assam has a geographical area of 78.529 square kilometer and total population of around 25 millions. It is famous for its, tea gardens, natural beauty, wild life reserves (specially one horned Asiatic Rhino), temples, monuments and mighty Brahmaputra River. Assam is a land of natural beauty, cultural richness, it offers a peculiar composite culture of myriad hues. Dispur is the state capital and Guwahati is the largest city in the state. Assam can be divided into three natural regions, namely the Brahmaputra Valley, the Barak Valley and the Hilly regions. The name of the state may have come from the word 'Ahom the people who migrated to the Brahmaputra valley in the early 13th century and gave shape to the Assamese of today. The state lies between 890.50/ to 960.10/ E. longitude and 240.30/ to 280.40/ N. latitude. Seven Indian states and two foreign countries touch its boundary. Spread over an area of 78,438 sq. km. State has a total population of 26,638,407 according to census,

2001. We have a clear picture of Assam only from the early 13th century, when the country was conquered by Ahoms. Later they were ousted by the Burmese, who handed over the area to the British by the treaty of Yandaboo in 1826.

All the major races of the world such as, Austro-Asiatic, the Indo-Aryans, Indo-Tibetans, Indo-Burmese, Mongolians, etc. have combined to make the great Assamese people of today. Assam, however, has remained practically a land of Tibeto-Burmese people. Assamiya or Assamese is the lingua franca of the state. The economy of the state is overwhelmingly agricultural and about 75% of the population directly or indirectly depends on this sector for their livelihood. Rice, fruit, areca nut, jute, sugar cane, and tea are the chief agricultural produce of the state. The state also produces nearly half of the country's total output of tea. The state is rich in natural resources such as oil, gas, coal, and limestone. The perfect fusion of heritage, tradition, faith and beliefs of numerous races has resulted in many festivals in the state. The main festivals of Assam are the 'Bihus' which are celebrated all over the state by everyone with great pomp and grandeur. The most colourful amongst the three 'Bihus' is the spring festival known as Rongali Bihu.

Nature has abundantly blessed Assam with charming sights and exciting natural scenery. Kaziranga National Park and Manas Sanctuary are the chief tourist centres famous for Royal Bengal tiger, one-horned rhinos and golden langur. The other attractions of the state are the famous Kamakhya temple near Guwahati, Umananda temple, Navagraha temple, Kareng Ghar, Rang Ghar, Talatal Ghar, Majuli island, Jatinga, etc. There is no denying of the fact that the state of Assam during the last fifty years has made great strides in many fields. But a lot more remains to be done to bring the state to the forefront of development and progress. Given better political stability, adequate stress on industrialization, proper utilization of resources available and less militancy, the state can leap forward to an era of prosperity and all-round development.

..................................

# Time Management

Sarupa Tamuli
4th Semester
Zoology Department

Time Management is important in one's life. If one wants to achieve something in life the first thing they have to do is to set their goals and then manage their time according to their goals. Who doesn't dream of being successful in life? Everyone does, everyone have their own dreams of being successful but because of improper time table, not everyone is able to do everything they want. The lack of time is not the issue as some people do achieve a lot in the given time. The thing is one has to set a proper plan of time management. It seems that there is never enough time in the day. But, since we all get the same 24 hours, why is it that some people achieve so much more with their time than others? The answer

lies in good time management.

Time management is the process of organising and planning how to divide the time between specific activities. Good time management enables you to work smarter not harder so that you get more done in less time, even when time is tight and pressures are high. Failing to manage your time damages your effectiveness and causes stress.

The highest achievers manage their time exceptionally well. By using the time-management techniques one can improve their ability to function more effectively even when time is tight and pressures are high.

Good time management requires an important shift in focus from activities to results. Being busy isn't the same as being effective. (Ironically, the opposite is often closer to the truth.)

Spending the day in a frenzy of activity often achieve less, because it divides our attention between so many different tasks. Good time management lets you work smarter not harder so you get more done in less time.

Time management refers to the way that you organize and plan how long you spend on specific activities.

It may seem counter-intuitive to dedicate precious time to learning about time management, instead of using it to get on with your work, but the benefits are enormous:

Greater productivity and efficiency.

A better professional reputation.

Less stress.

Increased opportunities for advancement.

Greater opportunities to achieve important life and career goals.

Failing to manage your time effectively can have some very undesirable consequences:

Inefficient work flow.

Poor work quality.

A poor professional reputation and a stalled career.

Higher stress levels.

Spending a little time learning about time-management techniques will have huge benefits now- and throughout your career.

Time management is important especially for the one that are still on the way to achieve their dreams. Who are still making their career plans. The students who are still studying the time management is more important for them as they are still on the way to achieve their dream. Make a proper time table and prepare a schedule for your activities. Manage your time and you will be able to achieve more in less time.

.........................

# Travelling is necessary

Dharitree Phukon
Department of Zoology
2nd Semester

Travelling means going from one place to another. There can be different types of travelling. Some travel for business, some for meeting their near and dear ones, some for religious purpose.

Generally, the students or we travel to different places to see new things and to meet people and enjoy by ourself.

Actually the main AIM of travelling is "TO GET KNOWLEDGE."

Once upon a time the travelers had to go on foot. But now the things are

different. Science has made travelling easy and comfortable. Now a days we can travel from one place to another by bus, by ship, by train, by aeroplane etc. Travelling has a great education value. We have some biased and unfounded ideas about others. Travelling helps the development of universal brotherhood and rids us of our narrowness.

Travelling help us to increase our knowledge. We can't able to get proper knowledge about a place or about anything only reading a books but by travelling, we can not only get proper knowledge but also we can able to get ever lasting knowledge.

For example, if we read in books about a place of historic interest like Charaideo (Sukafa) etc. then we can remember about the names of various objects in that place for a few years. But if we go to Charaideo (Sukafa) a place of historic interests then it will help us to remember about the things that we see there forever.

Reading help us to 'OUR IMAGINATION" but travelling help us to get "REAL PICTURES."

At last I say that travelling is very necessary for us (students). We should travel around the world. We should travel because-

- Travelling is easier then thinking.
- Travel opens our eyes, travel will make us an incredibly more well-rounded human being.
- Travel helps us to learn new language and move forward.
- Travel is education, travel teaches us economy, politics, geography in an intense.
- Travel gives us cool stories.
- Travelling for hell of it. We travel because we can and we want to travels.

After all, travelling is necessary in our lives.

..............................................

# How Corruption Effects Indian Economy

Simran Kour
2nd Semester
Economics

Corruption is the dishonest behaviour by those in positions of power. Such as manager or giving or accepting bribes or inappropriate gifts, double dealing, under the table transactions, manipulating elections, diverting funds, laundering money and defrauding investors. One example of corruption in the word of finance would be an investment manager who in actually running a ponzi scheme.

Effects of corruption

* Chances of unemployment.
* Low growth rate of Economy.
* Low Foreign Direct Investment.
* Low standard of living.
* Rise in hunger and poverty.
* Loss of Indian Economy Wealth.
* Fall in growth of Indian Economy.

Steps taken by Indian government

* The biggest step is demonetization i.e. buying 500 and 1000 Rs. Notes which is the route of all evil, be it Corruption Block Money,

Terrorism.

* Under "Right in Information Act (RTI), citizen can ask government about how out at money is spent.

* With Jan-Dhan-Yojana and Direct Benefit Transfer Scheme, Bank accounts of millions of people were opened that they can get subsidies and benefits directly into their account.

* E-Auctions for spectrum and natural resource is a good step towards a corruption less India.

* Government is facing more on sig..... which will lead to more transparency in functioning of government.

* Government introduced sey attestations of certificates and has removed interviews from lower posts so one can bribe their way through interview to jobs.

* Another potent check on corruption is central vigilance commission (CVC). It was setup by the Government to advise and guide Central Government agencies in the areas of vigilance.

How can we cure corruption in India

* Give good salary to Government Employees.

* Bring transparency in Indian Economic System.

* Try to more Indian Society Cashless.

* Increase in Digital and E. Governance.

* Bring Political parties under RTI.

* Bring more Transparency in Govt. Job Recruitment.

The biggest hurdle in preventing corruption in the lack of public awareness. Corruption is the lack of public awareness. Corruption is a heinous crime as compare to that of traditional crimes. Corruption directly attack on national economy affecting development of country which is necessary to be curbed and removed by adopting proper legal system.

.............................................

# भारत मे महिलाओ की स्थिति

मो. आशिफ राजा
अर्थशास्त्र

भारत के आजाद होने के बाद महिलाओं की दशा में काफी सुधार हुआ है। महिलाओं को अब पुरुषों के समान अधिकार मिलने लगे है। महिलाएं अब वे सब काम आजादी से कर सकती हैं जिन्हें वे पहले करने में अपने आप को असमर्थ महसुस करती थी। आजादी के बाद बने भारत के संविधान में महिलाऔ को वे सब लाभ, अधिकार, काम करने की स्वतंत्रता दी गयी है जिसका आनंद पहले सिर्फ पुरुष ही उठाते थे। वर्षो से अपने साथ होते बुरे सुलूक के बावजूद महिलाएं आज अपने आप को सामाजिक बेड़ियों से मुक्त पाकर और भी ज्यादा आत्मविश्वास से अपने परिवार, समाज तथा देश के भविष्य को उज्जवल बनाने के लिए लगातार कार्य कर रही है।

हमारे देश की आधी जनसँख्या का प्रतिनिधित्व महिलाएं करती है। इसका मतलब देश की उन्नति का आधा दारोमदार महिलाओं पर और आधा पुरुषों के कंधे पर निर्भर करता है। हम अंदाजा भी नही लगा सकते उस समय का

जब इसी आधी जनसँख्या को वे मूलभूत अधिकार भी नही मिल पाते थे जिनकी वे हकदार है। उन्हें अपनी जिंदगी अपनी सुखी से जीने की भी आजादी नही थी। परन्तु बदलते वक्त के साथ इस नए जमाने की नारी समाज में वो स्थान हासिल किया जिसे देखकर कोई भी आश्चर्यचकित रह जायेगा। आज महिलाएं एक सफल समाज सुधारक, उधमी, प्रशासनिक से नेतिक, राजनयिक आदि है।

महिलों की स्थिति में सुधार ने देश के आर्थिक और सामाजिक सुधार के मायने भी बदल कर रख दिए है। दुसरे विकासशील देशों की तुलना में हमारे देश में महिलाओं की स्थिति काफी बेहतर है। यद्यपि हम यह तो नहीं कह सकते कि महिलाओं के हालात पुरी तरह बदल गए है पर पहले की तुलना में इस क्षेत्र में बहुत तरक्की हुई है। आज के इस प्रतिस्पर्धात्मक युग मे महिलाएं अपने अधिकारों के प्रति पहले से अधिक सचेत है। महिलाएं अब अपनी पेशवर जिंदगी (सामाजिक, राजनीतिक, आर्थिक) को लेकर बहुत अधिक जागरुक है जिससे वे अपने परिवार तथा रोजमर्रा की दिनचर्या से संबंधित खर्चो का निर्वाह आसानी से कर सके।

महिलाएं अब लोकतंत्र और मतदान संबंधी कार्यो में भी काफी अच्छा काम कर रही है जिससे देश की प्रशासनिक व्यवस्था सुधर रही है। हर क्षेत्र में महिलाओं का भागीदारी दिन-प्रतिदिन बढती जा रही है। उदाहरण के तौर पर मतदान के दिन मतदान केंन्द्र पर हमें पुरुषों से ज्यादा महिलाओं की उपस्थिति नजर आएगी। इंदिरा गाँधी, विजयलक्ष्मी पंडित, एनि बेसंट, महादेवी वर्मा, मदर टेरेसा, सुभद्रा कुमारी चौहान आदि कुछ ऐसे नाम जिन्होंने महिलाओं की जिंदगी के मायने ही बदल कर रख दिए है। आज नारी बेटी, माँ, बहन, पत्नी के रुप में अलग अलग क्षेत्र जैसे सामाजिक, राजनीतिक, आर्थिक, शिक्षा, विज्ञान तथा और विभागों में अपनी सेवाएं दे रही है। वे अपनी पेशेवर जिंदगी के साथ-साथ पारिवारिक जिम्मेदारिखों को भी बखुवी निभा रही है। महिलाओं की दशा सुधारने में इतना सब होने के बाद भी हमे कही न कहीं उनके मानसिक तथा शारीरिक उत्पीड़न से जुडी खबरें सुनने को मिल जाती है। भारत सरकार ने हाल ही में महिला सुरक्षा से संबंधित कानुनों में महत्वपूर्ण बदलाव किया है। पुराने जेुवनाइल कानुन २००० को बदलते हुए नए जुवेनाइल जस्टिस (चिल्ड्रेन केयार एंड प्रोटेक्शन) बिल 2015 को लागु किया है। इसे खास-तौर परा निर्भया कस को ध्यान में रख कर बनाया गया है। इस कानुन के अंतर्गत कोई भी किशोर जिसकी आयु 16 से 18 साल के बीच है और वह जघन्य अपराध में शामिल है तो उस पर कड़ी से कड़ी कार्ाँवाही की जा सकेगी।

..............................................

## কবিতা ঃ

# বানান কৰি পঢ়া নহ'ল উশাহৰ আখৰবোৰ

ড° ৰঘুনাথ কাগয়ুং

দুখৰ শোভাযাত্ৰাৰে বুকু। নিৰৱ। নিস্তব্ধ।

লিৰিকি বিদাৰি চোৱা নহ'ল তোৰ আঙুলিৰ নেওতাবোৰ
বানান কৰি কৰি পঢ়া নহ'ল তোৰ উশাহৰ আখৰবোৰ
আৰু কোনোদিনা গোট গোট আখৰেৰে
লিখা নহ'ল তোক লৈ ৰচনা কৰা কবিতাটোৰ শব্দবোৰ।

ক'ম বুলি ভবা কথাযাৰো কোৱা নহ'ল তোক
আজিও। স্মৃতিৰ চিৰিত বিদীৰ্ণ চকু; অস্পষ্ট।

সেওঁতা ফালি
কাহানিও তোকো দেখুউওৱা নহ'ল মোৰ বুকুৰ উচুপনিবোৰ
চিৰিলি আঙুলিত অগা-ডেৰা কৰা মোৰ নীলচীয়া মাছবোৰ

একো নোকোৱাকৈয়ে আঁতৰি গ'লি তই।
বুকুত মুঠি মুঠি দুখ; নিৰ্জনতাত তোৰ সোলোক-ঢোলোক মুখ।

বাসন্তী স্মৃতি পোৰে।
দুখৰ শোভাযাত্ৰাৰে বুকু পোৰে নিঃসংগতাত।

ফাগুনী সপোনৰ ছেঁই চিৰাল ফটাদি ফাটে
নিঃসংগতাৰ জলঙাইদি নামি আহে স্মৃতি; স্মৃতিৰ চিৰিয়েদি তই

আৰু সেওঁতা ফালি চোৱা নহ'ল
তোৰ বুকুৰ উচুপনিবোৰ - বানান কৰি নপঢ়া উশাহৰ আখৰবোৰ

দুখৰ শোভাযাত্ৰাৰে কামিহাড়ত অনুভূতি, তোৰ।

............................................................

# ফাগুনৰ গান

ড° ৰীতা দত্ত

লৃগাঙৰ আঙুলিত ধৰিয়েই নামি নাহেনে কইনাখোজীয়া ফাগুন ....

বুকুত হাত থলেই শুনিবা .....
কিদৰে আপদীয়া ফাগুনত ভাহি ফুৰে নৈপৰীয়া ৰুণ... !

হালধীয়া পাতে কি নেজানে ঐনিতমৰ গুণ ... !

ক'ত ঠেকা খাই ভৰুণ হয় .... ক'ত দোৰোল খাই বাজি থাকে হেপাহৰ ৰুণ জুণ.... !!

..................................

# প্রতিশ্রুতি

মিনালী বড়া
অসমীয়া বিভাগ
দ্বিতীয় ষাণ্মাসিক

মৰমৰ বান্ধোনেৰে বন্ধা
আমাৰ এই সম্পৰ্কৰ মাজত
কিয় দিছিলা তুমি মোক
মিছা প্রতিশ্রুতি,
সলনি হলা সময়ৰ সোঁতত
পাহৰি গলা তুমি মোক দিয়া
প্রতিশ্রুতিবোৰ

ভাঙি ঠান-বান কৰিলা হৃদয়খন
বোৱাতী নদীৰ সোঁতৰ দৰে
তুমিও ভাঙিলা
আমাৰ মৰমৰ পজা ঘৰখন
নকৰিবা তুমি মিছা প্রতিশ্রুতি
চাবা এদিন তুমিও খাবা উজুতি।

..............................

## পৰিবৰ্তন

দুবৰী গগৈ
চতুৰ্থ ষাণ্মাসিক
ৰসায়ন বিজ্ঞান

নৈখনে আজি ওলোটা দিশে গতি কৰিছে,
পুৰণি সেই চিনাকী পথটো আজি অচিনাকী
পুৰণি বকুলজোপাৰ ঠাইত হাজাৰবিধ কিনা ফুলৰ সমাহাৰ
কাষতে মৃত বকুলৰ মূঢ়াটো থৰ হৈ আছে।

সময়ে ওলোটা খৰ মাৰিছে,
তাহানিৰ প্ৰিয়বোৰৰ প্ৰতি আজি প্ৰবল ঘৃণা
পৰিবৰ্তনবোৰ সহ্যৰ সীমাৰ বাহিৰত
জটিলতাৰ আৱৰণত থাকি থাকি আমিবোৰ আজি যেন এক জটিল যন্ত্ৰ।

সেউজীয়াবোৰৰ মৃত্যু ঘটিছে।
হয়তো আমাৰো কোনোবাখিনিত অপমৃত্যু ঘটিছে
লক্ষ্যবোৰ পথভ্ৰষ্ট, আমিবোৰ বিবেকভ্ৰষ্ট....
অস ... আমিতো এতিয়া মৃত উপত্যকাৰ বাসিন্দা!

........................

## বিষাদ

পূৰবী গগৈ
চতুৰ্থ ষাণ্মাসিক
অৰ্থনীতি বিভাগ

মোৰ কবিতাক প্ৰায়েই বিষাদৰ চোলা পিন্ধাও .......
বিষাদবোৰ চোন এতিয়া ভাল লগা।
কবিতা লিখিবলে তুমি যে মাত্ৰ মোৰ বাবে
বিষাদ এৰি গ'লা....।

কৃষ্ণচূড়া ভাল লাগিছিল
ৰঙাবোৰ হেৰাই গ'ল
নাজানো কোন দিশে— ।

কিন্তু বকুল ফুলৰ স্মৃতি এতিয়াও সজীৱ।
শুকান বকুলবোৰক যেতিয়া সমীৰণে চুই যায়,
জীপাল কৰি তোলে সেই অতীত স্মৃতি।

গোলাপ মই ভালপোৱা নাছিলো
কইটৰ বাবে নহয়—
তাত তোমাৰ সুবাস বিচাৰি পোৱা নাছিলো।

শেৱালি, তগৰ, মল্লিকাজাই
এইবোৰ প্ৰিয় আছিল,
এতিয়াও ভাল লাগে।
এইবোৰতেইতো এতিয়া তোমাক বিচাৰি পাওঁ
মই—।

........................

## স্বাগতম সোণালী

অনামিকা গগৈ
দ্বিতীয় ষাণ্মাসিক
শিক্ষা বিভাগ

বহু ঘাত প্ৰতিঘাত নেওচি
তুমি আজি আহিছা
আমাৰ মাজলৈ
তোমাৰ চিৰ সেউজ ৰূপেৰে,
মুগ্ধ আমাৰ হৃদয়
আদৰিছে তোমাক
অন্তৰৰ শুভ কামনাৰে।
সোণালী, তুমি যে আমাৰ হৃদয়ৰ ভাষা
অনুভৱৰ কোমল আলোক
তুমি পিন্ধাইছা নতুন সাজ,
দিছা নতুন ৰূপ।

কল্পনাৰ ডেউকাৰে অজান পৃথিৱী ভ্ৰমিবলৈ
তোমাৰ আগমনে দিছে
অলেখ সাহস, অলেখ প্ৰেৰণা
দৃষ্টিৰ পৰিধি ভাঙি
দূৰ দিগন্তৰ পৰা
তুমি যেন আনা
সমৃদ্ধিৰ বতৰা, আশাৰ সফুঁৰা।
সোণালী তুমি হোৱা আমাৰ
মনৰ সোণালী
হৃদয়ৰ সোণালী
তুমি হোৱা দীৰ্ঘজীৱি।
তোমাক জনাওঁ স্বাগতম।

..............................

# নৃশংস মানৱতা

পলাশ প্ৰতিম আদিত্য
চতুৰ্থ ষাণ্মাসিক
ইতিহাস বিভাগ

মানৱতা আজি কোন দিশে গতি কৰিছে?
চাৰিওফালে কেৱল জ্বলিছে হিংসাৰ দাৱানল
ভূপেন হাজৰিকাদেৱৰ "মানুহে মানুহৰ বাবে" গীতৰ অৰ্থ আজি ক'ত?
জুবিন দাৰ গীতৰ মৃত্যু যেন এতিয়া সহজ
এচাম হিংস্ৰ মানুহে বাৰে বাৰে চলাইছে নিৰীহৰ ওপৰত নিৰ্যাতন
নিজৰ ভূমিতেই যেন আজি স্বাধীনতা নোহোৱা হ'ল
অভি-নীল, সনাতন ডেকা, ঝংকাৰ, দেৱাশীষৰ দৰে
বহুতো সম্ভাৱনাপূৰ্ণ জীৱন শেষ কৰিলে এই উন্মত্তসকলে
ক'ত পিতৃ, মাতৃ,ভাতৃ, ভগ্নীৰ মাজৰ পৰা হেৰাই গ'ল
এইসকল সম্ভাৱনাপূৰ্ণ জীৱন, কলিতেই মৰহিল সপোন
পুত্ৰশোক, ভাতৃশোক বুকুত লৈয়ে কৰিছে বছৰ বছৰ ধৰি
ন্যায়ৰ বাবে অপেক্ষা
পৰিবনে বাৰু চৰকাৰৰ এওঁলোকৰ ওপৰত সুদৃষ্টি?
পাবনে বাৰু দোষীয়ে ইয়াৰ উপযুক্ত শাস্তি?
নে, ওৰেটো জীৱন দুৰ্ভগীয়া পৰিয়ালে অপেক্ষা কৰিব লাগিব ন্যায়লৈ?
এয়াই হৈছে বৰ্তমানৰ ডাঙৰ উত্তৰবিহীন প্ৰশ্ন
একবিংশ শতিকাৰ সভ্য সমাজত পুনৰ যাতে
সংঘটিত নহওঁক এনে ঘটনা ঘৃণনীয়
এয়ে কামনা কৰিছো যে সকলোৱে।

..............................

# আচহুৱা পথৰুৱা প্ৰেমিক

পাৰ্থপ্ৰতিম আৱৰুৱা
দ্বিতীয় ষাণ্মাসিক
বুৰঞ্জী বিভাগ

নিৰ্যাসৰ আবদ্ধতাত
ত্যাগিছে মোৰ হৃদয়ে
বিৰহ কাতৰা আবেগৰ
প্ৰবঞ্চনাৰ মায়া ....।
নিয়তিৰ যাতনাই
বিধিগ্ৰস্থ কৰিছে মোৰ চেতনাৰ –
কত পীড়নৰ আৰ্তনাদত,
কত অশ্ৰুৰুদ্ধ বেদনাৰ ,
কত বিধ্বস্ত শোকৰ
লালসাত ভোগে...
মোৰ যৌৱন দিপ্ত যন্ত্ৰণাৰ পিপাসা।

ভাৱনাৰ প্ৰজাপতি
নিৰবধি প্ৰয়াস চলে ...
অজস্ৰ কামনাৰ অভিশপ্ত অনুতাপ!
জয়াল নিশাৰ ভষ্মিভূত ফিৰিঙতিত .....
অদৃশ্য ৰক্তৰ অবুজ বলিদান।

ক্ষোভাগ্নিৰ পাশত বন্দী.....

কত প্ৰতিঘাটৰ নিসংশ অহংকাৰ.... !
অনভিপ্ৰেত সত্যতাত
শ্বাসৰুদ্ধ মোৰ ভাৱনাৰ বন্দীশাল।
কত দৃষ্টিৰ জড়তাত ৰুদ্ধ
মোৰ হৃদয়ৰ অতি শাব্দিক ভাৱনাৰ উন্মেষণ।
কাৰণ মই .....
অনুসূচনাৰ পাশত বন্দী
আচহুৱা ......,
পথৰুৱা প্ৰেমিক।।

..............................

# প্ৰতিযোগিতা

মাধৱ পাতিৰি
দ্বিতীয় ষাণ্মাসিক
গণিত বিভাগ

এটা সময়ত ভালদৰে বুজি পোৱা নাছিলো।
কিন্তু আজি ভয় লগা হৈ পৰিছে
এই শব্দটি লৈ 'প্ৰতিযোগিতা'।
সঁচাই বৰ কঠিন হৈ পৰিছে।
প্ৰত্যেকটো খোজত প্ৰতিযোগিতা
হীৰাতকৈও মূল্যবান হৈ পৰিছে
এটা এটা ছেকেণ্ড।
আহিবলগীয়া প্ৰত্যেকটো ক্ষণ হৈ পৰিছে
ভয়ানক!!
সময়বোৰো হৈ পৰিছে বৰ নিষ্ঠুৰ
কাঢ়ি নিচে হাতৰ পৰা
ভাল লগা দিনবোৰ
তথাপিও কাঁইটৰ মাজতো বিচাৰি ফুৰিছো
সুগন্ধি!
এয়াই চাগে জীৱন!!

..............................

# সোণাৰি মহাবিদ্যালয়

হোমেন গগৈ
দ্বিতীয় ষাণ্মাসিক

ৰিণিকি ৰিণিকি হেজাৰ ৰেঙণি
এয়াই সোণাৰিয়ানৰ আশাৰ জিলিঙনি।
ইতিহাস যাৰ সুগন্ধি সত্বা,
সাধনা যাৰ অদ্বিতীয় কামনা।
কৃষ্ণচূড়াৰ মৃদু মলয়া
স্নিগ্ধা তাই অতীতৰ।
মানৱতাই হ'ল যাৰ পূজনীয়
নম্ৰতাই ইয়াৰ আৰতি।
হৃদয়ত গোঁজে আবেগৰ কঠিয়া,
পালিত কৰে অন্তৰংগতাৰ লেচেৰি
নিচান উৰে সফলতাৰ,
আলিংগন ঘটে কৃতজ্ঞতাৰ।
ইতিহাস আছে সোণাৰিৰ,
আছে সোণাৰিৰ সোণসেৰীয়া ইতিহাস
দিপালী বাইদেউৰ কুকিল কণ্ঠৰ পঁজা
গীতি কবি পাৰ্বতিপ্ৰসাদৰ অসমীয়া গীতি-সাহিত্যত
সাধিত সজা
আছে আৰু দীৰ্ঘ- দীৰ্ঘ কবিতাৰ অপূৰ্ব স্মৃতিৰ অধিকাৰী,
পৰিচয় যাৰ অম্বেশ্বৰ চেতিয়া ফুকন যি কবিতাৰ কোঁৱৰ।
ভৱিষ্যত এতিয়া আমাৰ লক্ষ্য।
মৰীচিকা দৃষ্টি, মোকলাম আমি স্ব-সৃষ্টি।
কাম্য মাথো সহযোগৰ।।

..........................

# সোণালী ক্ষণত

জ্যোতিষ্মা চাহু
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

নিশাৰ অন্ধকাৰ আঁতৰাই
পোহৰৰ কাঁচলি আঁচলেৰে
মুহূৰ্ততে কৰিলা সকলো জাতিষ্কাৰ।
তোমাৰ নামৰ প্ৰতিটো শব্দই
সৃষ্টি কৰে এক নতুন আলিংগন
প্ৰতিটো পুৱাই সজাই তোলে,
সুৰুযৰ নৱ কিৰণে
তোমাক ৰাঙলী সাজেৰে,
সীমাহীন সপোনৰ
কিমান যে কামনা বাসনা
ভাষাহীন এখন আধালেখা দস্তাবেজ।
উজনিৰ প্ৰতিটো প্ৰান্তৰ তোমাৰেই জয়গান।
তুমি হ'লা জ্ঞানৰ প্ৰশস্তি
আজি সোণালী বস্তি (তোমাৰ)
প্ৰতিটো পৃষ্ঠাই সুন্দৰতাৰ অলংকাৰ পিন্ধা।
সোণালী সাজেৰে খণ্ডিত
তোমাৰ প্ৰতিটো থাপনাই
শোভাসিত আলোকিত এক সুৰভি ৰশ্মি।
ইতিহাসে গৰকা ঐতিহ্য মণ্ডিত
সোণালী পদ্মৰ সোণসেৰীয়া পাহি তোমাৰ।
কৃষ্ণচূড়া, চম্পা, কাননে তুলে
নতুন ৰাগিণী,
শিমলুপলাশৰ সন্ধ্যা উপবনে
তোমাক কৰিছে চিৰসেউজীয়া
তলসৰা শেৱালিৰ সুগন্ধিত
তোমাৰ বদনত থকা তিলমনা চেঁকা
নিশব্দে আতৰি যাব।
আশাৰ বাটত সপোনৰ পাতত
ওলাব কুঁহিপাত ......
সোণ হৈ ৰ'ব সোণালী মাজত
সোণালী ক্ষণত ....।
সোণাৰি মহাবিদ্যালয়
সোণালী ক্ষণত। ....

.....................

# বন্ধুত্ব

বিকল্প কোঁৱৰ
চতুৰ্থ ষাণ্মাসিক

জীৱন নামৰ প্ৰতিটো খোজত
নিজকে নিজে গৰ্ব কৰাৰ সময়ত,
এডাল লাখুটি লাগে বন্ধুত্বৰ নামত।

যি নোকোৱাকৈ শুনে
যি দেখিলেই বুজে।

তেজৰ গ্ৰুপ বেলেগ, ডি. এন. এ. বেলেগ,
ইয়াৰ পিছতো
মোৰ উজাগৰি নিশাবোৰ
যি আহি দুভাগ কৰে,
মোৰ দুখত সিও আহি
নিৰলে চকুলো টুকে।

সংজ্ঞা মই নাজানো
মাথো এটা কথাই জানো,
তাৰ বুকুৰ বিষতো কাঢ়িব নোৱাৰিলেও
সমানে ভগাই লোৱাৰ সাহসকণ আছে।

.....................

# শূন্যৰ কবিতা

দীপাঞ্জলি ডেকা
দ্বিতীয় ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

(১)

এটা ডাঙৰ শূন্যই
হেঁচা মাৰি ধৰেছি,
মানসিক অশান্তিত
ডুব যাওঁ যাওঁ .....
এয়া যেন শেষ নিশাহ ...!
ক'লা এন্ধাৰে আৱৰি ধৰে চৌদিশ
মই হেৰাই গৈছো
কিংবদন্তীৰ পৃথিৱীত।
তাৰ পাছত
ক্ৰমাৎ আকাশখনি চাপি আহে
মই যেন কয়দী
মন কাৰাগাৰৰ।

(২)

শূন্যই প্ৰশান্তি দিয়ে
শূন্যই জীৱনী শক্তি।
ই যেন প্ৰাণ
মোক চেপি নধৰে!
চকুৰ পতা বহলকৈ মেলো ....
বিয়লিৰ বলুকালৈ কিমান যোজন বাট?
ভাবি পাৰ নাপাওঁ
যথাৰ্থৰ বুকুচালৈ ঢপলিয়াওঁ!
শূন্যতাৰ পৃথিৱী হেপাঁহ পলুৱাই চাওঁ
আনন্দত উন্মাদ হওঁ
আৰম্ভণিৰ চাবি-কাঠি এতিয়া মোৰ হাতত।

............................

# প্ৰতিচ্ছবি

লাকীমণি গগৈ
দ্বিতীয় ষাণ্মাসিক
গণিত বিভাগ

যান্ত্ৰিক যুগৰ পুতলাসদৃশ জগতত
এখোজ দুখোজ কৰি আগবাঢ়িছে
এটা নগ্ন স্বৰূপ শৰীৰ।।
হাতত আছে এটা টুকুৰী

হয়তো বিচাৰিছে অলপ সহাঁৰি
নাই! কাৰো কাণসাৰ নাই
সমগ্ৰ শৰীৰত ফটা কাপোৰ
হয়তো ক'ৰবাত নগ্নও

মথাউৰি ভাঙি বিষাদৰ বান
আহোঁ আহোঁ অৱস্থা।।
হয়তো বিচাৰিছে অলপ সান্ত্বনা
কোনে দিব সান্ত্বনা কোনে দিব সঁহাৰি

এই জগতৰ সকলো আত্মলোভী
অস্থিৰ হৈ পৰিল শৰীৰটো
অৱশ হৈ উঠিল।।

........................

# বানপানী

ৰাণু কুৰ্মি
ষষ্ঠ ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

কুলু কুলু সুৰেৰে অহা
তুমি যেন কৃষকৰ চকুলো
কত কষ্টত গঢ় দিয়া পূৰঠ হ'বলৈ ধৰা

নদন বদন ভাৱে বাঢ়ি অহা
বিছ বছৰীয়া গাভৰুজনীৰ দৰে
খেতিয়কৰ ভাতমুঠিও কাঢ়ি নিলা।
তুমি ইমান নিষ্ঠুৰ কিয় হ'লা?
আৰু তোমাৰ উত্তৰাধিকাৰী হিচাপে
তোমাৰ পাছতে অহা মহামাৰীয়ে
কাঢ়ি নিয়ে
শত সহস্র মাতৃৰ স্নেহৰ পুত্ৰক
কাঢ়ি লৈ যায় কত নাৰীৰ
দেৱতুল্য স্বামীক।
কোনোবা হয় পিতৃহাৰা
কোনোবা হয় বিধবা
নিজৰ জঠৰ পুত্ৰক বুকুত সাবটি কত
পিতৃয়ে চকুৰ অশ্রুৰে ব্রহ্মপুত্র
বোৱাই দিয়ে
কোনে জানে, ইয়াৰ পিছত বা
সেইসকলে .....
কেনে পৰিস্থিতিৰ সন্মুখীন হয় .....

..........................

# বৰষাৰ প্রতিশ্রুতি

উপাসনা গগৈ
চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

বৰষুণ মোৰ বৰ প্ৰিয়
যিদৰে প্ৰিয় তুমি।
প্রতিটোপাল বৰষুণে তোমাকেই সোঁৱৰাই
কাণৰ কাষত যেন মনে মনে
তোমাৰ কথাই কৈ যায়।

এটা কথা বাৰু মন কৰিছানে তুমি?
যিদিনাই আমি লগ হওঁ
বৰষাও বৰযে সিদিনা।
হয়তো আমাৰ মিলনৰ
সাক্ষী হব বিচাৰে।

মোৰ যে আজিও মনত আছে
একেটা ছাতিৰ তলত তুমি আৰু মই
দুয়ো একেলগে বৰষুণ গছকা।
প্রতিশ্রুতি বিচাৰিছিলোঁ সিদিনা বৰষাক
তোমাক আজীৱন কাষত পোৱাৰ।

চুপ আছিলোঁ সিদিনা
অনুভৱী দুয়ো হিয়াক
আমনি কৰিব খোজা নাছিলোঁ,
আমাৰ প্ৰেমৰ প্রতিজাক বৰষুণক
কেৱল অনুভৱ কৰিব বিচাৰিছিলোঁ।

..........................

# স্মৃতিৰ দলিচাত তুমি

মনালিছা তেলী
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

অনুতপ্ত মোৰ হৃদয়ৰ
একোঠাত,
তোমাৰেই স্মৃতি ভৰা
মুখখন...
জিলিকি আছে জানা...
সৌ সিদিনাৰ পৰা।
সেমেকি ৰোৱা মোৰ চকু পানীৰ
মালা গাঁঠি ....
আকৌ ঘূৰাই দিবানে মোৰ
ওঁঠৰ হাঁহি......

খং নাই, অভিমান নাই
আছে মাথোঁ এবুকু মৰম-
নাই সেই সময়, নাই সেই দিন,
নাই সেই অতীত

তথাপি মোৰ এই হৃদয়ে
তোমাক বিচাৰি
তোলপাৰ কৰি তোলে।

..............................

# জীৱনৰ ৰামধেনু

কিংকী বড়া
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

সন্ধিয়াৰ আকাশৰ হেঙুলী কিৰণে নমাই আনে আশাৰ এগচি বন্তি, সেই সন্ধিয়াৰ এচাটি মলয়া বতাহৰ সুবাসত যেন সাৰ পাই উঠে মন দুৱাৰৰ আশাবোৰ, ৰামধেনু সাতোৰঙী ৰঙৰ দৰে বিচাৰো জীৱনো যেন হৈ পৰক তেনে ৰঙীন কিন্তু এই যান্ত্ৰিকতাময় বাস্তৱ জগতখনত সেমোৰাৰ লগতেই যেন সকলোবোৰ ধূসৰ হৈ পৰে, উফ! সপোন আৰু বাস্তৱিকতাৰ এই পাকচক্ৰত যেন আমি চকৰী ঘুৰাদি ঘুৰিছো ক'ত এই মায়াসনা সপোন আৰু এই বাস্তৱিকতাৰ... গোলাপ ফুলপাহ এপাহ বহুত ধুনীয়া ফুল কিন্তু তাৰ ডালত বহুত কাঁইট থাকে ঠিক তেনেদৰে মানুহৰ জীৱনটোও বহুত ধুনীয়া। জীৱনৰ এই দুৰ্গম পথত বহুত ঘাত-প্ৰতিঘাত থাকে এই ঘাত-প্ৰতিঘাতবোৰ আগুৱাই আমি হাঁহি মুখে উদ্‌যাপন কৰিব পাৰিব লাগিব। আমি পোৱা সৰু সৰু সুখবোৰেই লৈ সন্তুষ্টি লভিব পাৰিব লাগিব কিয়নো মানুহৰ মনৰ সকলোবোৰ আশায়েইটো পূৰ্ণ নহয়। যদিহে তেনে হয় তেতিয়াহ'লে সপোন আৰু বাস্তৱিকতাৰ মাজত পাৰ্থক্যই কি থাকিল হয়। আশা আছে বাবেইটো জীৱন। সেইবাবেই কওঁ জীৱনত কেতিয়াও হতাশ নহবা বন্ধু হাঁহিমুখে আগুৱাই যাবা। মানুহৰ এই ক্ষন্তেকীয়া জীৱনত পোৱা-নোপোৱাৰ যোগ-বিয়োগ কৰাতকৈ মই যেনেকৈ আছো, যি কৰিছো শুদ্ধ কৰিছো ভাবি মুখত এটি হাঁহি লৈ আগুৱাই যোৱা উচিত কিয়নো নিজৰ জীৱন যুদ্ধত তুমি নিজেই এজন-এগৰাকী যোদ্ধা। এই যুদ্ধত যদি আগুৱাই যোৱা এদিন নিশ্চয় সফল হ'বা আৰু এদিন দেখিবা তোমাৰ জীৱনো হৈ পৰিছে তুমি ভবাৰ দৰে সাতোৰঙী ৰঙৰ এখনি ৰামধেনু।

..............................

# প্ৰেমৰ দুটা স্তৱক

সীমান্ত হাজৰিকা
ষষ্ঠ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

(১)

তুমি তোমাৰ!
আৰু মই মোৰ!
হে থকালৈকে, ঠিকে চলি আছিল।
আসিত!
এহেজাৰ এটা দুখৰীয়া কবিতা
এন্ধাৰৰ, বিষাদৰ, মিলনৰ!
এতিয়া মই
মই হৈ থকা নাই!
আৰু তুমি,
তুমি হৈ!
এই আমি হ'বলৈ যাওঁতে
দুয়োয়ে পাৰ কৰিছোঁ
এহেজাৰ এটা বিনিদ্ৰ ৰজনী।
আৰু সৌৱা
সমুখত এডৰা হাতী খুটুৰা!
দুয়োৰে খালী ভৰি..... !

(২)

আপোনাক যদি সোধা যায়
চিঙৰা আগত আহিল নে
মিছৰৰ পিৰামিড!
আপুনি কি বুলি ক'ব!
ভাবিব হয়তো!
ইমান ওলট পালট কথাবোৰ
মোৰ মনলৈ আহে কেনেকৈ!
জীৱনটোৱেই ওলট পালট!
কোনোৱে যদি
একোৱেই পোৱা নাই
আকৌ কোনোৱে
পাই হেৰুৱাইছে!!

.........................

# আশা

দুৰ্ব্বাশ্ৰী চেতিয়া
দ্বিতীয় ষাণ্মাসিক, বুৰঞ্জী বিভাগ

আশা আছিল
এজাক বৰষুণ হোৱাৰ
তোমাৰ বিষাদ চহৰ
জীপাল কৰিবলৈ।
আশা আছিল
এজাক পছোৱা হোৱাৰ
তোমাৰ ফাগুনত
ৰং সানিবলৈ।
আশা আছিল
তলসৰা শেৱালি হোৱাৰ
তোমাৰ পদুলিত
সুবাস বিলাবলৈ।
আশা আছিল
তোমাৰ প্ৰেমিক হোৱাৰ
জীৱনৰ জোনাকী বাটত
খোজ দিবলৈ।

...............

# উন্মুক্ত জীৱন

দীপশিখা ফুকন
দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মই ডাঙৰ বকুলৰ বাগিছা নিবিছাৰো।
মাথো বিচাৰো তাৰ এটি ক্ষুদ্ৰ বীজ
নিবিচাৰো অলেখ সুখ আৰু উল্লাসৰ
সীমাহীন সমাহাৰ।
মাথো বিচাৰো এক উন্মুক্ত জীৱন।
নিবিচাৰো বিশাল মহাকাশৰ তৰাৰ দলিচা

নালাগে মোক সেই সুখ, হাঁহি, উল্লাস আনন্দৰ মহাকাশ
মাথো বিচাৰো সময়ৰ স'তে খোজত খোজ মিলাই
আগবাঢ়িব বিচাৰো অব্যাপ্তি অসমাপ্ত পথত
অন্তত অন্তহীন জীৱন যাত্ৰাত।

......................

# ব্যথিত সোণালী

মনোজ চেতিয়া
ষষ্ঠ ষাণ্মাসিক
অৰ্থনীতি বিভাগ

সাহিত্যপ্ৰেমী সোণাৰিয়ানৰ
হৃদয়ৰ অনুভূতিবোৰ
কলিজাৰ ভাষাবোৰ
নিৰৱচ্ছিন্নভাৱে
সৃষ্টিৰ সমাজত বিলাই দি
ধন্য হ'লা তুমি সোণালী।

মহাবিদ্যালয়খনিৰ তুমি
প্ৰাণৰো প্ৰাণৰ
হৃদয়ৰ মণিকোঠাৰ
নিজন কোণৰ
একমাত্ৰ যোগসূত্ৰকাৰী।

কিন্তু আজি বিষণ্ণ
সোণালীৰ সোণসেৰীয়া মুখ,
প্ৰাণদাতা সুহৃদসৱৰ
এমুঠি অন্নৰ বাবে
প্ৰেৰণাদাতা বন্ধুসৱৰ
এখনি বস্ত্ৰৰ বাবে
কৰিব লাগিছে হাহাকাৰ।

সেয়েহে আজি সোণালী
তুমি বেদনাক্লিষ্ট, বিষণ্ণ।।

.........................

# ব'হাগৰ বতৰা

পাহৰি আৰক্ষৰা
দ্বাদশ শ্ৰেণী
কলা শাখা

এনি-তেনি কপৌফুল কেউদিশে তগৰ ফুল
তাতে আকৌ নাহৰৰ পাত,
মলয়াই ৰিব্ ৰিব্ গাই
কলিয়াই মুৰুলী বজাই।
কেতেকীয়ে গীত গাই কুলিটিয়ে ৰিঙিয়াই
ব'হাগ অহাৰ গমে পাই,
কুঞ্জলতা ফুলে পুষ্পদল
ঋতু ৰাণী আনন্দত বিভোল।
ব'হাগৰ বতৰত গাঁৱৰ ডেকা-গাভৰুহঁত
ঘৰে ঘৰে হুঁচৰি গাই,
প্ৰকৃতিৰ সৌন্দৰ্যত নিয়তিৰ নিউ নিউ মাতত
উলাহত নাচি উঠে মন।
ঋতু আহে ঋতু যায় ভিন ভিন দেখা যায়
প্ৰকৃতিৰ নৱ-নৱৰূপ,
যেতিয়া যেনেকৈ চোৱা ৰূপকহে দেখা পাবা
যেনি-তেনি ৰূপৰ সম্ভাৰ।।

.........................

# শ্ৰাবন্তী...

স্তুতি গগৈ
ষষ্ঠ ষাণ্মাসিক
ইংৰাজী বিভাগ

আকাশখনে কান্দি উঠিল নীৰৱে...
আপুনি মোৰ নোহোৱাৰ অজুহাতত
দুপাহ হাচনাহানা সৰি পৰিল...
বেবেৰিবাং ভাৱনাত
উকা সপোনৰ আদিপাঠ...
শ্ৰাবন্তী...

নিতে নতুন হেজাৰ সপোনৰ কলৰৱ
এইখিনিতে যেন পালোঁ
আকৌ হেৰুৱালো...
ককাৰ এজাৰবুলীয়া ছাতিটো
মামৰে ধৰিল...
আয়ে কৈছিল নতুন এটা আনিবলৈ...
বাটকুৰি বাই হাটলৈ যায়
কোনোবা আধা কেচেলুৱা দুটিমান ঘৰ্মাক্ত দেহ...
ৰাতিলৈ সিদিনা বৰষুণ আহিল...
হাঁহৰ মঙহৰ সোৱাদটো জিভাতেই থাকিল...
"ঐ পোনাকণ বিচনাত উঠ বিচনাত"
আয়ে ৰাতিটো সাৰ পাই থাকিল...
জলঙাৰে জুমি আকাশৰ খণ্ডটোক চাবলৈ
সিদিনা পিতাই কাষত নাছিল...

..........................

# এখন উকা বহী

বিকাশ শৰ্মা
চতুৰ্থ ষাণ্মাসিক

নীৰৱতা ভেদি শব্দবোৰ বাগৰিছে লাহে লাহে
পুৰণি স্মৃতিবোৰে সানমিহলিৰ ৰেখা টানিছে
মনৰ দুৱাৰত কোনোবাই টুকুৰিয়াইছে।
আধা খোলা দুৱাৰেৰে বাহিৰত কোন?
পুৰুষৰ এগৰাকী ভোগ বিলাসী।
জীৱনৰ মায়া মোহৰ গৰাকীও
এজাক ঘূৰ্ণীমান বতাহৰ দৰে।
এজাক চকুৰ ওপৰত চকুৰ তিৰবিৰনি
ঈশ্বৰৰ সন্মোহিত এই দৃষ্টি শক্তি
জন সমাজৰ এটুকুৰা ৰূপালী মেঘ।
তথাপি তেওঁলোক তাৰ পৰা বঞ্চিত
পৃথিৱী এখন জাক জমকীয়া মঞ্চ
য'ত সকলোবোৰ ভাৱৰীয়া।
মানুহবোৰ মানুহৰ অচিনাকী
জন্মৰ পৰা শেষ সীমালৈকে
একো নাই, আছিলে জানো কিবা
যদি আছিলে আছিলেইবা কি
মাত্ৰ এখন উকা বহী।

......................

# Emptiness

Pallavi Prodhan
Department of English

There is an emptiness in everything.
a sense of obese thoughts tripping its ends,
Overflowing parts of myself
into drops of nothingness.

I sing away my sad words,
making a bad dreamer look.
Like an abstract canvas but my body aches.
from it and doesn't explain me why.

And often, I remain from asking myself.
The mannerism of questioning self too much.
pushes me to the brim of embarrassment
so I gulp it down.

As hard as I can
Chewing the glass with my teeth
Convicting it to be mere ice
and Vaporize this obesity into another
emptiness.

......................

# में बोझ नही हुँ

आसिफ राजा
अर्थनीति विभाग, द्वितीय बर्ष

शाम हो गई अभी तो घुमने चलो न पापा
चलते-चलते थक गई कँधे पर बिठा लो न पापा
अँधेरे से डर लगता सीने से लगा लो न पापा
मम्मा तो सो गई
आप ही धपकी देकर सुलाओ न पापा
स्कुल तो पुरी हो गई
पाल पोस करा बड़ा किया
अब जुदा तो मत करो न पापा
अब डोली में बिठा ही दिया तो
आँसु तो मत बहाओ न पापा
आप की मुस्कराहट अस्छी है
एक बार मुस्कराओ न पापा
आप ने मेरी हर बात मानी
एक बात और मान जाऔ न पापा
इस धरती पर बोझ नही मैं
दुनियाँ को समझाओ न पापा।

.................

## সাক্ষাৎকাৰ ঃ

# সদ্য ঘোষিত অসম লোক সেৱা আয়োগৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ প্ৰাক্তন কৃতী ছাত্ৰী কাব্যশ্ৰী দিহিঙ্গীয়াৰ সৈতে সাক্ষাৎকাৰ

**সাক্ষাৎকাৰ গ্ৰহণৰ পৰিকল্পনা ঃ অধ্যাপিকা ৰেখামণি গগৈ, অসমীয়া বিভাগ**

**সাক্ষাৎ গ্ৰহণকাৰী ঃ অনুপম শইকীয়া**

**সম্পাদক, আলোচনী বিভাগ**

**প্ৰথম প্ৰশ্ন ঃ** প্ৰথমে আপোনাৰ পৰা জানিব বিচাৰিম A P S C পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে কেনেদৰে প্ৰস্তুতি চলাব লাগে?

**দ্বিতীয় প্ৰশ্ন ঃ** কেৱল মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়েহে এনেধৰণৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে বুলি সাধাৰণতে শুনা যায়। এইক্ষেত্ৰত আপোনাৰ অভিমত কি? আচল অৰ্থত A P S C পৰীক্ষাত সফলতা অৰ্জন কৰিবৰ বাবে কেনেধৰণৰ মানসিক প্ৰস্তুতিৰ দৰকাৰ হয়। বিৱৰি ক'ব নে?

**তৃতীয় প্ৰশ্ন ঃ** A P S C পৰীক্ষাৰ বাবে আপোনাৰ সৰুৰে পৰা সপোন আছিল নেকি? বৰ্তমান আপোনাৰ জীৱনৰ লক্ষ্য কেনেধৰণৰ?

**চতুৰ্থ প্ৰশ্ন ঃ** সফলতা প্ৰাপ্তিৰ ক্ষেত্ৰত আৰ্থিক দুৰৱস্থা আৰু অসমীয়া মাধ্যম হেঙাৰ হ'ব পাৰে নেকি? আপুনি কি ক'ব?

**পঞ্চম প্ৰশ্ন ঃ** আপুনি A P S C ৰ বাবে Mock Test ত অৱতীৰ্ণ হৈছিল নে?

**ষষ্ঠ প্ৰশ্ন ঃ** A P S C পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰা সফলতা লাভ কৰা ক্ষণটোলৈ আপোনাৰ অভিজ্ঞতা কেনেধৰণৰ?

**সপ্তম প্ৰশ্ন ঃ** শেষত আপোনাৰ এই সফলতাৰ আঁৰত কি আছিল? চমুকৈ ক'ব নে?

**প্ৰথম প্ৰশ্নৰ উত্তৰ ঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ প্ৰস্তুতি যথেষ্ট কষ্টকৰ আৰু দীঘলীয়া। প্ৰত্যেকটো বিষয় খৰচি মাৰি খুব ভালদৰে আয়ত্ব কৰিব লাগে। বিশেষকৈ সাধাৰণ জ্ঞান [General Studies] বিষয়টো খুব ভালকৈ পঢ়িব লাগে। ঠিক সেইদৰে ইংৰাজী পেপাৰখনৰ বাবেও যথেষ্ট কষ্ট কৰাটো জৰুৰী। "English grammer" ৰ ওপৰত গুৰুত্ব দিব লাগে। "Essay Writing" ভালদৰে কৰিবলৈ ভালদৰে কৰিবলৈ যত্ন কৰিব লাগে। এইক্ষেত্ৰত আগৰ প্ৰশ্নকাকতসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে।

তাৰোপৰি "answer writing practice" কৰাটো খুবেই জৰুৰী আৰু লগতে "time management" ওপৰত গুৰুত্ব দিব লাগে।

**দ্বিতীয় প্ৰশ্নৰ উত্তৰ ঃ** এইটো নিশ্চয়কৈ কব পাৰি যে মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীহে এই পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে। কিন্তু মেধাক মই নম্বৰৰ মাপকাঠিৰে জুখিব খোজা নাই। একাগ্ৰতা, ধৈৰ্য আৰু আত্মবিশ্বাস থাকিলে নিশ্চয় এই পৰীক্ষাত সফল হ'ব পাৰি। আচল কথাটো হ'ল এই পৰীক্ষাত সফল হ'বৰ বাবে বিষয়সমূহৰ ওপৰত জ্ঞান থাকিব লাগিব। গতিকে কষ্ট কৰিলে নিশ্চয় এই পৰীক্ষাত সফল হ'ব পাৰি। জ্ঞানেই আমাক মেধাৰ পৰ্যায়লৈ উন্নীত কৰায়।

**তৃতীয় প্ৰশ্নৰ উত্তৰ ঃ** দশম শ্ৰেণীৰ পৰা মনত প্ৰশাসনিক বিষয়া হ'ম বুলি এটা ইচ্ছা জাগ্ৰত হৈছিল। কিন্তু সেই ইচ্ছাক বাস্তৱ ৰূপ দিবলৈ চেষ্টা বহুত দেৰীকৈহে কৰিছিলো।

বৰ্তমান মোৰ লক্ষ্য হ'ল নিজৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰু ৰূপে পালন কৰি যোৱা আৰু লগতে নতুন প্ৰজন্মৰ বিশেষকৈ মোৰ দৰে গ্ৰাম্যাঞ্চলৰ ল'ৰা-ছোৱালীসকলক লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে আগ্ৰহী কৰি তোলা।

**চতুৰ্থ প্ৰশ্নৰ উত্তৰ ঃ** দৰিদ্ৰতা কৃতকাৰ্যতাৰ পথত হেঙাৰ হ'ব পাৰে বুলি মই নাভাবো। প্ৰবল আত্মবিশ্বাস, একাগ্ৰতা, ধৈৰ্য আৰু অধ্যৱসায়ৰ বলত সফলতাক আঁজুৰি আনিব পাৰি। মই নিজেও কোনোধৰণৰ "Coaching" লোৱা নাছিলো।

**পঞ্চম প্ৰশ্নৰ উত্তৰ ঃ** মই কোনো ধৰণৰ Mock Test ত অৱতীৰ্ণ হোৱা নাছিলো। কিন্তু "you tube"ত নিয়মিত ভাৱে "Mock enterview" সমূহ চাইছিলো আৰু নিজকে প্ৰস্তুত কৰিছিলোঁ।

**ষষ্ঠ প্ৰশ্নৰ উত্তৰ ঃ** APSC পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰা সফলতা লাভ কৰা ক্ষণটোলৈকে এটা বহুত দীঘলীয়া সময় আছিল। মই বাৰে বাৰে বিফল হৈছিলো। মাজে মাজে হতাশ হৈছিলো। কিন্তু মই কেতিয়াও নিজ লক্ষ্যৰ পৰা বিচলিত হোৱা নাছিলো। বিফলতা মোৰ বাবে পথ প্ৰদৰ্শক হৈ পৰিছিল আৰু মই নিজক শুধৰাবলৈ চেষ্টা কৰিছিলোঁ।

**সপ্তম প্ৰশ্নৰ উত্তৰ ঃ** মোৰ সফলতাৰ আঁৰত আছিল মোৰ নিজৰ ওপৰত থকা দৃঢ় বিশ্বাস যে মই এদিন সফল হমেই। মই নিজকে প্ৰতিষ্ঠিত কৰিব বিচাৰিছিলোঁ আৰু তাৰ কাৰণে কষ্ট কৰিছিলোঁ।

..........................

# বিশিষ্ট সংগীত শিল্পী, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দীৰ্ঘজ্যোতি দত্তৰ স'তে সাক্ষাৎকাৰ

## সাক্ষাৎ গ্ৰহণকাৰী ঃ অনুপম শইকীয়া
## সম্পাদক, আলোচনী বিভাগ

১। আপুনি পঢ়ি থকা সময়ৰ সোণাৰি মহাবিদ্যালয়ৰ বিষয়ে অলপ কওকচোন?

সোণাৰি মহাবিদ্যালয়খন মোৰ অতিকৈ মৰমৰ আছিল। কলেজত পঢ়ি থকা সময়ছোৱা আজিও মোৰ স্মৃতিৰ পটত। যথেষ্ট ভাল লাগিছিল কলেজখনৰ শৈক্ষিক পৰিৱেশৰ লগতে ইয়াৰ বাহ্যিক পৰিৱেশো। যি অতিকে মনোমোহা আছিল। ছাৰ-বাইদেউসকল, বন্ধু-বান্ধৱীকে আদি কৰি সকলো স্মৃতি মোৰ মনত আজিও সজীৱ হৈ আছে আৰু আগলৈও সজীৱ হৈ ৰ'ব।

২। আপুনি আপোনাৰ লক্ষ্যত উপনীত হ'বলৈ সোণাৰি মহাবিদ্যালয়ে কেনেদৰে সহায় কৰিলে?

লক্ষ্যত উপনীত হ'বলৈ যথেষ্ট সহায় কৰিছিল সোণাৰি মহাবিদ্যালয়খনে। শিক্ষাৰ লগতে সাংস্কৃতিক দিশতো সোণাৰি মহাবিদ্যালখন যথেষ্ট আগবঢ়া আৰু মোৰ ক্ষেত্ৰত ক'বলৈ গ'লে মই সংগীতৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিলো আৰু এই দিশত আগবাঢ়ি যোৱাত মোক যথেষ্ট সহায় কৰিছিল মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° ৰীতা দত্ত বাইদেউকে ধৰি কেইবাগৰাকীও শিক্ষাগুৰুৱে। যাৰ কাৰণে মই আজিও তেওঁলোকৰ লগতে সোণাৰি মহাবিদ্যালয়খনৰ ওচৰত ঋণী হৈ থাকিম।

৩। সোণালী জয়ন্তী গৰকা সোণাৰি মহাবিদ্যালয়খনৰ বিষয়ে আপোনাৰ অনুভৱ?

সোণালী জয়ন্তী গৰকা বৰ্তমানৰ সোণাৰি মহাবিদ্যালয়খনৰ কথা ক'বলৈ গ'লে মহাবিদ্যালয়খন এতিয়াও আগৰ দৰেই সুন্দৰ। বৰ্তমান কলেজখনত বহুতখিনি পৰিৱৰ্তনো হৈছে। ইয়াৰ হোষ্টেল, পুথিভঁৰালকে ধৰি বহুকেইটি গৃহ নিৰ্মাণ কৰা হৈছে তদুপৰি শিক্ষাৰ দিশটো যথেষ্ট উন্নতি হোৱা পৰিলক্ষিত হৈছে।

৪। সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী"খন আপুনি কেনেদৰে চাব বিচাৰে?

বাৰ্ষিক আলোচনী "সোণালী"খনৰ বিষয়ে ইয়াকে ক'ম যে যিখন আলোচনী আমি আগৰে পৰা পঢ়ি আহিছো আৰু সঁচাকৈ আলোচনীখনত সন্নিবিষ্ট গল্প, কবিতাৰ লগতে বিভিন্নজনৰ লেখনিৰ মাজেৰে প্ৰকাশ পোৱা বিভিন্ন জ্ঞান আহৰণ কৰি যথেষ্ট আপ্লুত হওঁ। আলোচনীখনে আগৰ দৰে আজিও যেন সকলোৰে মনোৰঞ্জনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশতো অৰিহণা যোগাওক আৰু সদায়ে যেন জাকতজিলিকা হৈ ৰওক।

..............................................

## অনুভৱ ঃ

# অনুভৱৰ একলম

প্লাৱিতা বুঢ়াগোহাঁই
ষষ্ঠ ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

লক্ডাউন (Lockdown), কোৱাৰেণ্টাইন (Quarantine), কণ্টেইনমেণ্ট জ'ন (Containment Zone)... সাধাৰণতে বহুলভাৱে প্ৰচাৰ নোহোৱা কিছু শব্দ। কিন্তু বৰ্তমান সময়ত শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে মুখে মুখে প্ৰচলিত।

গৃহবন্দী হৈ থকা আজি ছমাহৰো অধিক হ'ল। মুক্ত মনেৰে বিচৰণ কৰি ঘূৰি ফুৰা মানুহে আজি বন্দীত্ব হৈ থাকিব লগা হৈছে ঘৰৰ ভিতৰত। চাৰিওফালে যেন এতিয়া মৃত্যুৰ কিৰিলী। উন্ন চিকিৎসা পদ্ধতিৰে আগবঢ়া উন্নত দেশবিলাকো আজি নিমাত। এই ভাইৰাছ ক'ৰনা (Corona)। যেন ভৰিৰ ধূলিৰ লগত ধূলিস্যাৎ হৈ গৈছে জীৱশ্ৰেষ্ঠৰ অহংকাৰ।

বন্দীশালৰ পৰা এপাক ওলাই চাৰিওফালে চকু ফুৰালে এনে লাগে যেন প্ৰকৃতিয়ে অকণমান মুক্তমনে উশাহ লৈছে। গাৰ পৰা ধূলি মাকতিৰ চামনি এৰুৱাই শ্যামলীৰ বসন পিন্ধিছে। মুক্ত আকাশ, নিৰ্মল বায়ু, নাই কোনো যান্ত্ৰিকতাৰ কোলাহল। ৰাজপথটো ক'ৰবাত মুক্তমনে বিচৰণ কৰিছে কেঙ্গেৰুজনীৰ পৰা গুজৰি গুমৰি থকা সিংহটোলৈকে, সমুদ্ৰৰ তীৰটো আনন্দমনে নাচিছে প্ৰাণৰ ভয়ত পানীৰ তলত সোমাই থকা কাছজনীয়েও।

কিন্তু নিজাববীয়াকৈ ক'বলৈ গ'লে এই বন্ধই ব্যস্ত লোকসকলক পৰিয়ালৰ লগত সময় কটাবলৈ এটা সুযোগ দিলে। ৰাতিপুৱাই কণমানিটি বিছনাত থাকোতেই ওলাই যোৱা মাক-দেউতাক আকৌ ৰাতিহে আহি দিনটো ধাইমাকৰ লগত উমলি উমলি ভাগৰি তেওঁলোক অহাৰ আগেয়ে শুই পৰা কণমানিটোৱেও এতিয়া দিনৰ দিনটো সময় কটাইছে মাক-দেউতাকৰ লগত, বুজি পাইছে তেওঁলোকৰ তাৰ বাবে থকা নিঃস্বাৰ্থ মৰমবোৰ। কিন্তু

খুজি-মাগি, দিন হাজিৰা কৰি দুবেলা দুমুঠি পেটৰ ভাত মোকলোৱা সকলে আজি পেটত গামোচা মাৰি ছটফটাব লগীয়া হৈছে ভোকৰ তাড়নাত। এফালে মহামাৰী আনফালে আকৌ বানপানীৰ তাণ্ডৱ। মুঠতে প্ৰকৃতিয়ে যেন ৰঙহে চাইছে বৰ বৰ কথা কৈ ফুৰা মানুহবোৰক। হৃদয়বানসকলে দুখীয়া, বানপীড়িত লোকসকলক আগবঢ়াইছে কণমান আৰ্থিক সাহায্য। এই সামান্যকণে জানো আনি দিব পাৰিব বানত তচ্‌নচ্ হৈ যোৱা ঘৰখন, মৰমৰ মানুহজনক, তথাপিও কৰিছে অন্তত তেওঁলোকক কিছু সকাহ অকণমান সান্ত্বনা দিয়াৰ মনোভাৱত।

এই সময়ছোৱাত নিজক, নিজৰ আপোনসনক মৰমৰ ঘৰখনকো আওকাণ কৰি দিনে-ৰাতিয়ে মানৱ সেৱা লিপ্ত হৈছে স্বাস্থ্যবিভাগৰ লোকসকল। তেওঁলোকক শতকোটি প্ৰণাম। দেশেখাজনৰ ওচৰত হাতযোৰ কৰিছো যাতে অতি শীঘ্ৰেই সুস্থ হৈ উঠক পৃথিৱীখন। নিঃশেষ হৈ যাওক এই মহামাৰীৰ। সুস্থিৰ হৈ পৰক জীৱন যাত্ৰা।

..............................

# ভগ্ন হৃদয়

অঞ্জনা গগৈ
শিক্ষাতত্ত্ব বিভাগ

আজি বতৰটো বৰ গোমা। আকাশখনো সেয়ে ঢাকি ধৰিছে। হয়তো অক্ষয়ৰ চকুত চকুপানী থকাৰ দৰে আকাশতো আজি অজস্ৰ চকুপানী থুপ খাই আছে। কিয় জানো আকাশৰ এই শোকাকুল পৰিৱেশ দেখি তাৰ এৰি অহা অতীতলৈ বৰকৈ মনত পৰিছে। পাৰ হৈ যোৱা অতীতৰ কিছুমান টুকুৰা টুকুৰ ছবিয়ে তাৰ মনত দোলা দিবলৈ ধৰিলে।

বকুলপুৰ গাঁৱত অক্ষয় বৰুৱাৰ ঘৰ। দেউতাক ৰতন বৰুৱা এজন শিক্ষক। মাক-দেউতাক আৰু ভনীয়েক কাবেৰীৰ সৈতে কিমান যে সুখী আছিল অক্ষয়হঁত। খুব মৰম কৰিছিল দেউতাকে সিহঁত দুয়োটাক। মাক-দেউতাকৰ একমাত্ৰ আশা আছিল অক্ষয়ক ডাক্তৰ কৰাৰ। মাক-দেউতাকৰ লগত কিমান যে সপোন দেখিছিল অক্ষয়ে। কিন্তু হঠাৎ এদিন সিহঁতৰ সপোনৰ সংসাৰখন প্ৰবল ধুমুহাৰ নিচিনাকৈ কিহবাই যেন থান-বান কৰি থৈ গ'ল পোন্ধৰ বছৰ আগৰ সেই দিনটোৱে।

কোনোমতে পাহৰিব নোৱাৰে অক্ষয়ে সেই এৰি অহা দিনবোৰ। এদিন কৰ্কট ৰোগী দেউতাকে সকলোকে এৰি গুচি গৈছিল, চিৰদিনৰ বাবে। অক্ষয়ে পাহৰিব নোৱাৰে তাৰ অভিশপ্ত সেই দিনটোৰ কথা। যিদিনা দেউতাক ঢুকুৱাৰ তিনিমাহৰ পিছতে তাৰ মাক আৰু ভনীয়েক কাবেৰীয়েও এটা দুৰ্ঘটনাত তাক নিথৰুৱা কৰি চিৰদিনৰ বাবে গুচি গৈছিল। মাকহঁতক হেৰুৱাই সি ভাবিছিল আত্মহত্যা কৰিব। কাৰ বাবে সি জীয়াই থাকিব? কিন্তু অক্ষয়ে আত্মহত্যা নকৰে কাৰণ সি কাপুৰুষ নহয়। অক্ষয়ে সিদ্ধান্ত কৰিলে যে সি এদিন এজন ডাক্তৰ হ'বই। কিন্তু অক্ষয়ে ভাবিলে যে তাক ডাক্তৰী পঢ়াবৰ বাবে ইমানবোৰ খৰচ কোনে বহন কৰিব? অক্ষয়ে বেছি ভাবিব নালাগিল কাৰণ মোমায়েক সত্যব্ৰত দুৱৰাই অক্ষয়ক তেওঁৰ নিজৰ ঘৰলৈ লৈ গ'ল আৰু সকলো দায়িত্ব বহন কৰাৰ প্ৰতিশ্ৰুতি দিলে।

মোমায়েকৰ ঘৰত প্ৰথম কেইদিনমান অক্ষয়ে খুব মৰম পাইছিল। কিন্তু তাৰ পাছতে অক্ষয়ে উপলব্ধি কৰিলে মামীয়েকে তাক কুকুৰ-মেকুৰীতকৈও হেয় জ্ঞান কৰে। মোমায়েক নথকা অৱস্থাত নানা ধৰণৰ গালি-শপনি পাৰে। আনকি তাৰ পৰীক্ষাৰ সময়ত সি পঢ়িব ধৰিলে বিভিন্ন অজুহাত দেখুৱাই আনি কামত লগাই দিছিল। কিন্তু সি নীৰৱে সকলো সহ্য কৰি গৈছিল। কিন্তু

মোমায়েক আছিল সম্পূৰ্ণ বিপৰীত। এদিন মোমায়েকৰ উৎসাহৰ বাবেই অক্ষয় উচ্চতৰ মাধ্যমিক, বিজ্ঞান শাখা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ চিকিৎসা বিজ্ঞান পঢ়িবলৈ গুচি গৈছিল গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়লৈ।

জীৱনত বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈয়ো অক্ষয় এদিন মোমায়েক-মামীয়েকৰ ওচৰলৈ উভতি আহিছিল এজন কৃতী ডাক্তৰ হৈ। মামীয়েকে কান্দি কান্দি আগত কৰা ব্যৱহাৰৰ বাবে ক্ষমা বিচাৰিলে। মোমায়েকে আনন্দতে সাৱটি ধৰিছিল তাক। অক্ষয়ৰ বৰকৈ মনত পৰিছিল মাক-দেউতাক আৰু কাবেৰীলৈ। আজি যদি তেওঁলোক থাকিলহেঁতেন। কাবেৰীয়ে এদিন তাক কৈছিল - "দাদা যেতিয়া তুমি ডাক্তৰ হ'বা তেতিয়া বাৰু তোমাৰ প্ৰথম ৰোগী ময়ে হ'ম।" কাবেৰীৰ কথা মনত পৰিলে আজিও সি পাগলৰ দৰে হয়। এৰা! কিমান মধুৰ আছিল সেই দিনবোৰ।

নাভাবো বুলিও সি কোনো মতে পাহৰিব নোৱাৰে তাৰ অতীতক। হঠাতে অক্ষয়ে এটি চৰাইৰ মাত বাহিৰৰ পৰাই শুনিবলৈ পালে। চৰাইজনীৰ মাততহে সি বাস্তৱলৈ ঘূৰি আছিল। সি নিজকে প্ৰশ্ন কৰিলে অনাগত দিনবোৰে এবাৰ আকৌ তাৰ জীৱনলৈ কি কঢ়িয়াই আনে??

..............................................

# দুদিনৰ ভালপোৱাখিনি

নিমিশা মহন
চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

"তুমি গৈ থাকা মা, মই গৈ আছোঁ বাৰু" বুলি কৈ তাই নাকফুলটো পিন্ধি ল'লে আৰু তাৰপাছত তাইৰ প্ৰিয় ৰঙা ৰঙৰ লিপষ্টিক কণ ওঁঠ দুটিত লগাই খৰধৰকৈ ওলাই গ'ল। পৰিয়ালৰে ককাক এজনৰ আজি সবাহ, যাক তাই আগতে মাতিছিল দ-ককা বুলি। বৰ মৰম লগা, সহজ-সৰল খোলা অন্তৰৰ ছোৱালী মৰমকণা, গাঁৱত সকলোৱে তাইক মৰমতে 'মৰম' বুলিয়েই মাতে। ঘৰখনৰ ডাঙৰ ছোৱালী যদিও সৰু ছোৱালীৰ দৰেই ইফালৰ পৰা সিফাললৈ দৌৰি ফুৰে। সহজ অৰ্থত খোলা অন্তৰৰ এজনী চঞ্চল ৰচকী পখিলা তাই।

সবাহৰ ঘৰত গৈ দেখিছে সকলোৱে কামত ব্যস্ত। গৈ মৰমকণাই মাকৰ ওচৰতে বহিব লৈছিলহে তেনেতে সমন্ধীয় বৰমাক এগৰাকীয়ে তাইক টানি নি 'মৰম... এনেকৈ কাপোৰ পিন্ধে নেকি' বুলি কৈ তাইৰ কাপোৰবোৰ ঠিক কৰি দিয়াত লাগিল। তাইয়ো মুখখন কিবা ধৰণৰ কৰি অস্বস্তিবোধত মুখেৰে ভুৰভুৰাবলৈ ধৰিলে। তাৰি এই অভিমান ভৰা মুখখন সকলোৰে চিনাকি, সেয়ে তালৈ গুৰুত্ব নিদি কাপোৰৰ ভাঁজবোৰ ঠিক কৰি বৰমাকে "যা এতিয়া কিমান ডেকাক পাগল ক'ৰ কৰগৈ" বুলি পিঠিত সৰুকৈ ঠেলা এটা মাৰি দিলে। তাইয়ো লাজতে ৰহা-চিঙা পৰি কিনো বৰমা তুমি....... বুলি কৈয়েই বাহিৰলৈ দৌৰি গ'ল, তাইৰ খোজৰ লহৰত ঝুন ঝুনকৈ গাই গ'ল তাইৰ নূপুৰযোৰে, বতাহত দুলি যোৱা চুলিকেইডালে যেন অকণ অকণকৈ এইমাত্ৰ কাঢ়ি আনিছে পৃথিৱীৰ সকলো গাভৰুৰে সৌন্দৰ্য।

এইবাৰ গৈ তাই চাহৰ যোগানত থকা গাভৰুবোৰৰ ওচৰ পালেগৈ, সকলোৱে আপত্তি এইবাৰ বোলে মৰমে চাহ দিব লাগে। কাৰো কথা নেপেলাই এইবাৰ মৰমে তুলি ল'লে চাহৰ কেটলি লগতে সৰু কাঁহৰ ট্ৰেত দুটামান কাপৰ সৈতে। সবাহলৈ অহা সকলো মানুহক চাহ দিব লাগে, তাইৰ লগত আছে এজনী সম্বন্ধীয় ভনীয়েক বেবী। প্ৰায় আধাখিনি মানুহক চাহ দিয়াৰ পাছতেই ভাগৰি পৰিছিল মৰম। ফাগুনৰ বতাহজাকে উৰুৱাই নিছিল তাইৰ অলস হৈ পৰা চুলিটাৰি। ভাগৰুৱা

চুলিবোৰ কপালৰ ওচৰলৈ ওলাই আহি এইমাত্ৰই যেন ক'ৰবালৈ উৰি যাব বতাহছাটিৰ সৈতে। কমলাৰঙৰ পতি দিয়া বগা চাদৰখনক বাৰে বাৰে যেন উৰুৱাই নিব খুজিছে ফাগুণীয়ে। লাজত ৰঙা-চিঙা পৰি মৰমে এবাৰ ঠিক কৰে চাদৰখন, এবাৰ তাইৰ চুলিকোচা আৰু তাইৰ দায়িত্বত থকা চাহখিনিৰ?

ভালেখিনি মানুহক শুশ্ৰূষা কৰি এইবাৰ তাই সৰু কালৰে বান্ধৱী নিকিতাৰ ওচৰতে বহিলগৈ।

তেনেতে দেখিলে যে এটা ওখ ক্ষীণকৈ খুউব মৰমলগা ল'ৰা সিহঁতৰ ফালে আহিছে। ল'ৰাটো আহি সিহঁতৰ ওচৰতে ৰ'লহি। যিহেতু ল'ৰাজন আলহী তাকে দেখি মৰমে তাইৰ নিজৰে বহি থকা চকীখন ল'ৰাটোলৈ এৰি তাক বহিবলৈ দিলে। আৰু মৰমে ওচৰতে থকা বান্ধৱী নিকিতাৰ ওচৰতে বহিল। সেই বহি থকা অৱস্থাতেই ল'ৰাজনৰ লগত মৰমৰ চিনাকি হ'ল। মৰমে তাৰ লগত কথা পাতি গম পালে যে তাৰ ঘৰ লক্ষীমপুৰত আৰু তাৰ নাম আবিৰ। বহু কথা-বতৰাৰ পাছত আবিৰে মৰমক জনালে যে তাৰ ঘৰত অভি বুলি মাতে আৰু সেয়েহে মৰমেও যাতে তাক অভি বুলিয়েই মাতে। প্ৰথম চিনাকি হওঁতেই মৰমৰ কিবা এটা ভাল লাগিছিল ল'ৰাজনক অৰ্থাৎ অভিক।

একেবাৰে সাধাৰণ স্বভাৱৰ সহজ সৰল মনৰ খুউব এটা ভাল ল'ৰা অভি। সকলোৱে কিছু সময় এনেদৰে কথা পতাৰ পাছত সিহঁতে সিদ্ধান্ত কৰিলে সবাহৰ ঘৰৰ পৰা অলপ ওলাই যোৱাৰ। তেতিয়া মৰমে ক'লে যে ওচৰতে থকা সিহঁতৰ গাঁৱৰ ৰাজহুৱা পুখুৰীটোৰ পাৰলৈকে যাব পাৰিব আৰু সেয়াই হ'ল ..... মৰম, তাইৰ বান্ধৱী নিকিতা আৰু অভি তিনিওটা পুখুৰীৰ পাৰলৈ গৈ পুখুৰীৰ পাৰে পাৰে অলপ ঘূৰিল, দুটামান ফটো উঠিল আৰু অকণমান সময় পুখুৰীৰ পাৰত বহিল। আবেলিৰ বেলিটো তেতিয়া খুউব সুন্দৰকৈ ওলাইছিল, বেলিৰ সেন্দুৰীয়া ৰংবোৰ আঁচোৰি মেঘবোৰেও নিজৰ গাত সানি লৈছিল তেতিয়া। তাৰে এচেৰেঙা ৰ'দ আহি পৰিছিল অভি আৰু মৰমৰ গালত। মৰমে থৰ লাগি চাই ৰবহে পাৰিছিল অভিক। তাৰ আগফালৰ অলপ দীঘল হ'লেও জোখৰকৈ কাটি থোৱা কপালৰ ফালে হাউলি পৰা চুলিকেইডাল আৰু মৰমলগা মিচিকিয়া হাঁহিটোৰে তাক বৰ মৰমলগাটো লেখা গৈছিল আৰু অভিয়েও তাৰ আঁৰে আঁৰে মৰমৰ মুখলৈ চাইছিল। নাচাবইবা কি??

তিলোত্তমা যেন পটি-গাভৰু এজনী সমুখত বহি থকিলে কাৰনো বাৰু চকু নাযাব। ওলাই অহা চুলিকেইডাল আৰু কাজল বুলোৱা চকুযুৰিয়ে যেন কৈছে পৃথিৱীৰ কোনো কপটতা নজনা সকলোতকৈ নিভাঁজ আৰু মৰমেৰে ভৰি থকা অন্তৰখনেই যেন মৰমকণাৰহে অন্তৰ। পৃথিৱীৰ সমস্ত সুখ আনন্দ এই যেন মৰমকণাৰ চকুৰ আগত।

হাঁহি হাঁহি কথা পাতি এটা সময়ত সিহঁতক কোনোবাই খবৰ দিলে যে খাবৰ সময় হ'ল। তিনিওটাই খাবলৈ গ'ল, মৰমকণা আৰু নিকিতা এফালে আৰু অভি অলপ দূৰত বহিল। দূৰৈৰ পৰাই আঁৰে আঁৰে দুয়ো দুয়োলৈ চুৰকৈ চাই খাই উঠি বহিব গৈছিল মৰম। তেতিয়াই পাছফালৰ পৰা অভিয়ে মাত লগালে আৰু মৰম বৈ গ'ল। অভিয়ে ক'লে যে সি মৰমৰ ঘৰৰ ওচৰৰে জোনালী বাৰ ঘৰত থাকিব যিগৰাকী মৰমৰ খুড়ীয়েক হয়। লগতে সি জনালে যে অহা কালিলৈ মৰমে তাক গাওঁখন ফুৰাব লাগিব আৰু তেনেদৰে সিহঁতৰ মাজত ফ'ন নাম্বাৰো সাল-সলনি হয়। এনেকৈ সেইদিনাৰ বাবে বিদায় লৈ অভি বায়েকৰ ঘৰলৈ গ'লগৈ।

অলপ দেৰিৰ পাছত মৰমেও বান্ধৱী নিকিতাক এৰি ঘৰলৈ আহিল। এফালে সবাহত দেখি অহা ক্ষীণ ল'ৰাটোৱে মৰমৰ মনৰ গৰাটো যেন খহাও খহাও। ঘৰত তাই একোতে মন বহা নাই, গানৰ কলি কিছুমান গুণগুণাই ঘৰৰ ইটো কোঠাৰ পৰা সিটো কোঠালৈ জঁপিয়াই ফুৰিল তাই। আকৌ ৰাতিটোও যেন সেইদিনা নাযায় নুপুৱায়।

পিছদিনা পুৱাৰে পৰা ব্যতিব্যস্ত মৰমৰ মন। কাৰণ অভিক তাই ফুৰাবলৈ নিব। তাতে তাইৰ জীৱনত প্ৰথম কাৰোবাক ভাল লাগিছে। দিনৰ ঠিক ১০.০০ মান বজাত মৰমে অভিলৈ ফোন কৰিলে আৰু সি জনালে যে সিহঁত আবেলিলৈ ওলাই যাব। সেই কথামতে সিহঁতে আবেলি প্ৰায় ৩.০০ মান বজাত ওলাই গ'ল কাষতে থকা দিচাং পাৰলৈ বুলি। মৰমৰ এটা হালধীয়া ৰঙৰ ছাতি আছিল আৰু সেইটো লৈ গৈছে তাই। খুউব খোজ

কাঢ়িছে সিহঁতে। মন গ'লে পাৰত বহি বৈ যোৱা দিচাংৰ পানীবোৰলৈ নীৰৱে চাইছে দুয়োটাই। প্ৰিয় অপ্ৰিয়বোৰৰ আদান প্ৰদান কৰিছে। দিচাঙৰ জিকমিকাই থকা বালিচন্দাৰ ওপৰত খালী ভৰিৰে হালধীয়া ছাতিৰ তলত সিহঁতহাল। মাজে মাজে খৰ খোজৰ তালত লৰি গৈছে কপাললৈ হাউলি অহা অভিৰ পাতল ক'লা চুলি কেইডাল। হাঁহিছে মন ভৰি কথা পাতিছে ভাল লগা বেয়া লগাবোৰৰ অনৰ্গল কথা কৈ থকা, হাঁহি থকা মুখখন থৰ লাগি চাই ৰবহে যেন পাৰিছে অভিয়ে। পৃথিৱীৰ সমস্ত সুখৰ সংজ্ঞাটোৱেই যেন তাৰ চকুৰ আগত ভাগৰি পৰা নাই তাই ..... কেতিয়াবা ফাগুনে জোঁকাৰি যোৱা চুলিকোছা ঘূৰাই আনি নিজৰ কৰি থয় আকৌ কেতিয়াবা উৰি যোৱা পাতল নীলা ৰঙৰ ফ্ৰকটো সংযতভাৱে ধৰি থয়। বতাহৰ লগত যেন তাইয়ো উৰি যাবগৈ পখিলীজনী হৈ।

বেলি ডুবিবৰ হলত দুয়োটাই ঘৰমুৱা হ'ল। বাটত অভিয়ে মৰমক ক'লে যে সি অহা কালিলৈ ঘৰলৈ যাবগৈ লাগিব। মৰমৰ বুকুৰ কোনোবা এটা চুকত কিবা বিষ যেন অনুভৱ হ'ল, যেন চিঞৰি উঠি তাক ক'ব "ইয়াতে ৰৈ যোৱা তুমি" কিন্তু নোৱাৰিলে তাই। মাথো চকুপানীৰে চলচলীয়া চকুকেইটাৰে তালৈ চাই ক'লে "কি! সঁচাকৈয়ে যাবা তুমি" এইবাৰ কাৰো মুখৰ মাত নোহোৱাকৈ দুয়োটাই কেৱল খোজ কাঢ়িল ঘৰ অভিমুখে।

জোনালী খুড়ীৰ পদূলিৰ মুখত মাত্ৰ অভিয়ে কৈ গ'ল "কালিলৈ দিনৰ ১১.০০ বজাত ওলাম মই, পাৰিলে ইয়ালৈ এপাক মাৰিবা।" তাৰ পিছত মৰমো ঘৰলৈ দৌৰি আহি বিচনাখনত পৰি হুকহুকাই কান্দিবলৈ ধৰিলে। পিছদিনা জোনালী খুড়ীৰ পদূলিৰ মুখত গৈ ঠিক সময়ত মৰম ৰৈ আছেগৈ ... তেনেতে অভি ওলাই আহি..... জোৰকৈ সাৱটি লৈ মৰমক ক'লে , "হেই পোৱালি, নাকান্দিবা, আকৌ আহিম মই" বহুত মৰম মিহলি হৈ আছিল কথাষাৰত।

মৰম ঃ- আকৌ!! কিন্তু কেতিয়া??

অভি ঃ- তোমাক নিবলৈ।

..............................

# সোণাৰি মহাবিদ্যালয়ৰ এটি মধুৰ অনুভৱ

মধুস্মিতা পাল
দ্বিতীয় ষাণ্মাসিক
ইংৰাজী বিভাগ

তাৰিখ ১৭ জুন ২০১৯, এই দিনটো আছিল মোৰ জীৱনৰ এক স্মৰণীয় দিন। বুকুত অযুত সপোন আৰু উৎসাহ মনত বান্ধিলৈ মই খোজ দিছিলোঁ সোণাৰি কলেজৰ মজিয়াত। বহুতো ছাত্ৰ-ছাত্ৰীয়ে আহি ভিৰ কৰিছিল নিজৰ জীৱন গঢ়াৰ আশাত। প্ৰথমে অলপ ভয় লাগিছিল কিজানিবা ৰেগিং কৰিব নেকি? মনত বহুতো ভয়-শংকাৰে আৱৰি ধৰিছিল তথাপিও মনত অযুত সাহস আৰু সপোন বান্ধিলৈ মই আগবাঢ়ি গৈছিলোঁ কলেজৰ দিশে। কলেজৰ ভিতৰলৈ সোমোৱাৰ পাছত মনটো যেন উৎসুকতাৰে নাচি উঠিছিল। কলেজৰ চৌদিশ অতি মনোৰম। চাৰিওফালে সেউজ গছ-গছনি দেখি মোৰ মনটো সঁচাই বৰ আপুত হৈ পৰিল।

দিনটোৰ প্ৰথমে আমাক উপাধ্যক্ষ চাৰে কলেজৰ সকলোবোৰ নিয়ম-শৃংখলা সুন্দৰভাৱে বুজাই দিলে। এজাক সপোন পিয়াসী ছাত্ৰ-ছাত্ৰীৰ মাজত মইয়ো আগবাঢ়ি গ'লো মোৰ ক্লাছৰ দিশে। ইমানবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰথমে অলপ সংকোচ লাগিছিল যদিও পাছলৈ সকলোৰে লগত লাহে লাহে বন্ধুত্ব গঢ়লৈ উঠিল। প্ৰথম দিনাখন ছাৰ-বাইদেউসকলে আমাৰ বিষয়সমূহৰ বিষয়ে বুজাই দিলে। প্ৰথম দিনাখনেই যেন এটি মধুৰ সম্পৰ্ক গঢ়

লৈ উঠিল শিক্ষাগুৰুসকলৰ সৈতে। মহাবিদ্যালয়খন মোৰ বাবে এক নতুন পৰিবেশ আছিল। বন্ধু-বান্ধৱী সকলো প্ৰায় নতুনেই আছিল। কিন্তু লাহে লাহে সকলোবোৰে লগত এটি মধুৰ সম্পৰ্কয়ে গঢ় দিলে।

এতিয়া মই তৃতীয় ষণ্মাসিকৰ ছাত্ৰী। এবছৰতে বহুত বুজাব নোৱাৰা স্মৃতিয়ে গঢ় লৈ উঠিছে। কলেজখনৰ সৈতে। বিৰতিৰ সময়ত লগৰীয়াৰ সৈতে বহি আড্ডা মৰা, লাইব্ৰেৰীত একেলগে বহি নোট লিখা আদিয়ে মোৰ প্ৰতিটো দিনেই অতুলনীয় কৰি তুলে। সোণাৰু গছেৰে ভৰা আমাৰ কলেজখন বাতে জাকত-জিলিকা হৈ থাকে। সদৌ শেষত সোণাৰি মহাবিদ্যালয়খনিৰ দীৰ্ঘায়ু কামনা কৰি মই মোৰ একলম ইয়াতেই সামৰিছো।

..............................

# সপোনে জীৱন দিয়ে

পূজাশ্ৰী চেতিয়া
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

সেইদিনা আছিল দেওবাৰ। ৰীমাই তাই নৃত্য স্কুলত প্ৰশিক্ষণ দি আছে। ৰীমা এগৰাকী প্ৰতিষ্ঠিত নৃত্য শিল্পীৰ লগতে এগৰাকী সমাজসেৱিকা। নৃত্য শিকাই থাকোঁতে হঠাতে তাইৰ মনলৈ আহে সেইদিনটোৰ কথা যিদিনা তাইৰ জীৱনৰ আটাইতকৈ ডাঙৰ দুৰ্ঘটনাটো ঘটিছিল। সেইদিনাও আছিল দেওবাৰ। তাই আনদিনাৰ দৰে নাচৰ স্কুলৰ পৰা ঘৰলৈ গৈ আছিল। তেতিয়া ৰীমাৰ বয়স প্ৰায় সোতৰ-ওঠৰ বছৰ। ৰীমাই নৃত্য কৰি বৰ ভাল পাইছিল। তাইৰ জীৱনৰ এটা অন্যতম লক্ষ্য আছিল এগৰাকী সুদক্ষ নৃত্যশিল্পী হৈ অনাথ শিশু যাৰ নৃত্যৰ প্ৰতি বিশেষ আগ্ৰহ আছে সেই শিশুবোৰক লৈ এখন স্কুল খুলিব আৰু কোনোধৰণৰ মাচুল নোলোৱাকৈ তেওঁলোকক নৃত্যৰ প্ৰশিক্ষণ দিব। ৰীমাৰ সিদিনা বহুত আনন্দ। তাই খৰগতিত ঘৰলৈ বুলি খোজ লৈছে। তাই এটা আন্তঃৰাষ্ট্ৰীয়. চেনেলত নৃত্যৰ প্ৰতিযোগিতাৰ বাবে যোগাযোগ কৰিছিল আৰু সেই চেনেলটোৰ পৰা খবৰ আহিছে যে তাই তাত প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে সুবিধা পাইছে। তাইৰ মনত কি যে এক আনন্দ। তাই এই কথাষাৰ যেতিয়া তাইৰ মাক-দেউতাকক জনাব কিমান যে ফুৰ্তি পাব মাক-দেউতাকে। তাইৰ ভাৰিয়ে কিবা ভাল লাগিছে। এনেতে হঠাতে পিছফালৰ পৰা এখন মটৰগাড়ী আহি তাইক খুন্দা মাৰি দিয়াত তাই ছিটিকি গৈ ক'ৰবাত পৰিলগৈ।

হঠাতে পিছফালৰ পৰা এগৰাকী ছাত্ৰীৰ মাত শুনি তাই ভাৱনাৰ পৃথিৱীৰ পৰা আঁতৰি আহি নৃত্য শিকোৱাত ব্যস্ত হৈ পৰিল। তাই প্ৰত্যেক দেওবাৰৰ আবেলি সেই অনাথ আশ্ৰমত নৃত্যৰ প্ৰশিক্ষণ দিয়ে আৰু সেই অনাথ কিশোৰ-কিশোৰীসকলে সৰ্বভাৰতীয় পৰ্যায়ত নৃত্য প্ৰদৰ্শন কৰি বহুতো প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। তাই ক্লাচ শেষ কৰি ঘৰলৈ বুলি ৰাওনা হ'ল আহি থাকোঁতে তাইৰ পুনৰ সেই কথাবোৰ মনলৈ আহিল.... খুন্দা মৰাৰ পিছৰপৰা তাইৰ কি হ'ল একো মনত নাছিল। যেতিয়া তাই চকু মেলিছিল তেতিয়া তাই হাস্পাটালত আছিল আৰু চকু মেলি যি দেখা পালে সেয়া তাই কেতিয়াও কল্পনা কৰা নাছিল। তাইৰ দুইখন ভৰিয়ে নষ্ট হৈ যোৱাত ভৰি দুখন কাটি পেলাব লগা হৈছিল। এতিয়া তাইৰ কি হ'ব? কেনেকৈ তাই নৃত্য কৰিব? তাই নৃত্য প্ৰতিযোগিতাখনত এতিয়া কেনেকৈ ভাগ ল'ব? মনত অজস্ৰ প্ৰশ্ন কিন্তু সকলো উত্তৰবিহীন। ৰীমা মানসিকভাৱে ভাগি পৰিছিল। তাইক দুৰ্ঘটনা কৰা গাড়ীখন পুলিচে

আটক কৰিবলৈ সক্ষম হ'ল। গাড়ীখন আটক কৰাৰ পিছত জানিব পৰা গ'ল যে সুৰামত্ত অৱস্থাত আছিল গাড়ীচালক। সুৰাপান কৰি থকাৰ বাবে গাড়ীখনৰ গতি বুজিব পৰা নাছিল আৰু পিছত নিয়ন্ত্ৰণ হেৰুৱাই ৰীমাৰ গাত খুন্দা দিছিল। যদিও গাড়ীচালকজন দুৰ্ঘটনাত পতিত হৈছিল তথাপিও চালকজনৰ বিশেষ ক্ষতি হোৱা নাছিল। কিন্তু ৰীমাৰ সকলো শেষ হৈ গৈছিল। গাড়ীচালকজনৰ এনে কাণ্ডৰ বাবে ৰীমাৰ সপোনবোৰ ভাঙি গ'ল। ৰীমাই সেই বছৰ নৃত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব নোৱাৰাত তাইৰ মনত বৰকৈ কষ্ট পাইছিল। ইমান বছৰৰ কষ্ট যেন নিমিষতে শেষ হৈ গৈছিল। ৰীমা যথেষ্ট সাহসী আছিল আৰু তাইৰ মাক-দেউতাকৰ উৎসাহ-প্ৰেৰণাৰ বাবে ইয়াতে থমকি নৰৈ পুনৰবাৰ আগুৱাই যাবলৈ সক্ষম হ'ল। কৃটিম ভৰিৰ জৰিয়তে তাই লাহে লাহে খোজ কাঢ়িব পৰা হ'ল। খোজ কাঢ়িব পৰাৰ পিছত নৃত্যৰ আখৰা কৰিবলৈ ধৰিলে। তাইৰ আগৰ দৰে নৃত্য কৰিব নোৱাৰিবও, তথাপি তাই হাৰিব বিচৰা নাছিল। তাই কষ্ট কৰি নৃত্যৰ আখৰা কৰি গ'ল। দুই-তিনিবছৰৰ পিছত তাই পুনৰবাৰ নৃত্য কৰিব পৰা হ'ল।

"বাইদেউ পালোহি"। গাড়ী ৰখাৰ বহু পিছতো ৰীমা গাড়ীৰ পৰা নামি নোযোৱাত ড্ৰাইভাৰজনে এনেদৰে কৈ উঠিল। ৰীমাই থতমত খাই 'অ' বুলি কৈ গাড়ীৰ পৰা নামি গ'ল। মুখ-হাত ধুই চাহ কাপ খাই অলপ জিৰণি ল'বৰ বাবে তাই শোৱা কোঠালিলৈ সোমাই গ'ল। এনেতে তাইৰ চকু পৰিল কোঠাটোত সজাই থোৱা সেই বিশেষ ফটোখনলৈ। ফটোখন তাই হাতত তুলি ল'লে আৰু পুনৰবাৰ অতীতৰ সেই স্মৃতি ৰোমন্থন কৰিলে। তাইৰ দুৰ্ঘটনা হোৱাৰ প্ৰায় পাঁচ বছৰৰ পিছৰ কথা। তাই কৃত্ৰিম ভৰিৰেই নৃত্যৰ আখৰা কৰি পুনৰবাৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পৰা হ'ল। অতি কম বয়সতে বহুতো সন্মান বুটলিবলৈ সক্ষম হোৱা ৰীমাই পুনৰবাৰ আৰু বহুতো পদক সন্মান আজুৰি আনিবলৈ সক্ষম হ'ল। তাই আন্তঃৰাষ্ট্ৰীয় চেনেলত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰথম স্থান লাভ কৰাৰ লগতে যিসকল মহান ব্যক্তিক আদৰ্শ হিচাপে লৈ আগুৱাই গৈছিল তেওঁলোকৰ পৰা পুৰস্কৃত হোৱাৰ লগতে তেওঁলোকৰ মুখত তাইৰ প্ৰশংসা শুনি তাই নথৈ আনন্দিত হৈছিল। তাইৰ জীৱনত ঘটা ঘটনাটোৰ বিষয়ে গম পোৱাত তাইক বিশেষভাৱে পুৰস্কৃত কৰা হৈছিল। তাই সঁচাকৈয়ে এনেকুৱা বহু মানুহৰ আদৰ্শ। যিয়ে এনেকুৱা ঘটনা হোৱাৰ পিছত নিজৰ সপোনবোৰ সলনি কৰি অন্য কামত মনোনিবেশ কৰিছে তেনেকুৱা বহু মানুহে তাইক দেখি আজি সেই কামত উদ্যমেৰে আগুৱাই গৈছে।

কথাবোৰ ভাবি ভাবি কেতিয়া ৰীমনাৰ টোপনি আহিল গমকেই নাপালে। পিছদিনা তাই এঠাইলৈ যাব লাগিব। আজিৰ দিনত ৰীমা এগৰাকী প্ৰতিষ্ঠিত নৃত্যশিল্পী। তাইৰ এতিয়া কেইবাখনো নৃত্যৰ বিদ্যালয় থকাৰ লগতে এখন অনাথ আশ্ৰমত বিনামূলীয়াকৈ প্ৰশিক্ষণ দিয়ে। সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাত তাই বিচাৰকৰ আসন শুৱনি কৰে। সৰ্বভাৰতীয় পৰ্যায়ৰ এটা নৃত্য কৰ্মশালাৰ শেষৰটো দিন তাত ৰীমা বিশিষ্ট অতিথি। পুৱা সোনকালে বিচনাৰ পৰা উঠি ভগৱানৰ ওচৰত ধুপ-চাকি জ্বলাই তাই দিনটোৰ আৰম্ভণি কৰিলে। কিবা এটা খায়েই তাই সভালৈ বুলি গ'ল। ৰীমা গৈ সভাত উপস্থিত হ'ল। ৰীমাই তাত দুআষাৰ ক'বলৈ লোৱাত সকলোৰে তাইক তাইৰ জীৱনত ঘটা ঘটনাৰ ওপৰত ভিত্তি কৰি নৱপ্ৰজন্মক কেনেধৰণৰ উপদেশ বা অনুৰোধ কৰিব তাৰ ওপৰত কিছু কথা ক'বলৈ সকলোৱে অনুৰোধ কৰিলে। তাই সকলোকে তাইৰ জীৱনৰ ঘটনাটোৰ বৰ্ণনা দি গ'ল। কিছুমান সতৰ্কহীন সুৰাপায়ীৰ বাবে পৃথিৱীত ৰীমাৰ দৰে বহু লোক কষ্টৰ সন্মুখীন হ'ব লগা হৈছে। বহুতে মৃত্যুক সাৱটিব লগা হৈছে। সপোনবোৰ আধাতে সামৰি বহুতে ঘৰতে বহিব লগাত দুবেলা-দুমুঠিৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। কোনো মানুহৰে অধিকাৰ নাই আনৰ জীৱনৰ লগত এনেদৰে খেলিবলৈ, আনৰ জীৱন ধ্বংস কৰিবলৈ। সকলো মানুহ সতৰ্ক হওক। সুৰাপান কৰি কেতিয়াও কোনেও গাড়ী নচলাব। নিজৰ জীৱনৰ লগতে আনৰ জীৱনটোও বচাওক। এনেদৰে ৰীমাই সকলোকে অনুৰোধ কৰি ৰীমাই তাইৰ দুআষাৰ সামৰে।

..............................

## লিমাৰিক ঃ

# অসম দেশৰ বিষম কথা

মনীষা গগৈ
ষষ্ঠ যাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

আকৌ আহিব ইলেকচন
ৰাইজক দিব আকৌ ইনজেকচন।
অসম দেশৰ বিষম কথা
বৰ বেছিকৈ নুসুধিবা সখা
নেতা পালিনেতাৰ কথা মন পৰশা
আমাৰ জীৱনটোত নাই ভৰসা।
বৰাক ব্ৰহ্মপুত্ৰ পাহাৰে ভৈয়ামে
সমন্বয় গঢ়াৰ কথা কয় নিতৌ চলনাৰে
ডাঙৰ ডাঙৰ মেলে মিটিঙে
মানুহ আহে জাকে জোমে
হাত দাঙি দাঙি ভাষণ দিয়ে
সাধাৰণ ৰাইজে তাতেই ভোট দিয়ে।
জয়ী হোৱা পাছত ৰাইজে ভাৱে
এইবাৰ আমাক টকাই পিছ নেৰে
পাৰ ভজা উৎসাহেৰে কাম কৰে নিতৌ দিনে
দিন যায় যায় বছৰ যায় যায়
ৰাইজৰ কাষত যে একোৱে নাই
দিন পাৰ হৈ পাঁচবছৰ ঘূৰে
তেতিয়ালৈ ৰাইজ পনীত বুৰে।
অসম দেশৰ বিষম কথা
আৰু জানো শুনিবা সখা।
বহুদিনৰ মূৰত আহিছিল টেট পৰীক্ষা
এই অভাগীনিয়ে বুজি ললে সকলো সমীক্ষা
টকাৰ পাছত টকা চলি
মোৰো চিট নিলে কাঢ়ি
মেধাৰ যোগ্যতাত যে নাপালো কাম
এতিয়া মই কি কৰি খাম।

......................

## উপন্যাসিকা ঃ

# মৰীচিকা

প্ৰজ্ঞাশ্ৰী দুৱৰী
দ্বিতীয় যাণ্মাসিক
অসমীয়া বিভাগ

অভাৱীৰ পৰশত হয়নে আজিও কোনো নিত্য নতুন উদ্ভাৱনৰ
চমক সৃষ্টি,
হোটেল কিম্বা ৰেষ্টুৰেণ্টত বাৰ্থডে চেলিব্ৰেচনৰ হাজাৰ টকীয়া পাৰ্টী।

মানোৰ আজি মেট্ৰিকৰ ৰিজাল্ট দিব। মানো মানে মানৱ ঘৰত মৰমতে মাকে মানো বুলিয়েই মাতে। ঘৰ বুলিবলৈ বাঁহৰ এটা সৰু জুপুৰি মাক দেউতাক আৰু

সি। দেউতাকৰ উপাৰ্জন বুলিবলৈ একোৱেই নাই পুৱাই দিন হাজিৰাৰ বাবে ওলাই যায় সন্ধিয়া সোমায়। মাকৰো একেই গাঁৱৰে দুই এঘৰত বেমাৰী দেহাৰে যিমান পাৰে কৰে। দেউতাক আজি হাজিৰালৈ নাযায়, ৰাতিপুৱাই কণ্টলৰ দোকানৰ পৰা চাউল কেইটা আনি ল'লে আন নহ'লেও ভাত কেইটা অন্তত আজি ভালকৈ খাব। পুতেকে ভাল পাব বুলিয়েই ৰিজাল্টৰ দিনটোলৈ পইচা অলপ সাঁচিছিল। নতুনকৈ কলেজ গ'লে জিঞ্চৰ পেণ্ট এটা আনি দিব। আজিলৈকে সি ভাল পেণ্ট এটা নাপালে। মাকে ওচৰৰ মালিকনী এঘৰৰ পৰা দুটা হাফ পেণ্ট আনি দিছিল। মানোলৈহে ভালকৈ নহয়গৈ হাফপেণ্ট কৰিবলৈও দীঘল হয় লংপেণ্ট কৰিবলৈও চুটি হয় তলৰ ফালে ভৰি দুটা অলপ বেছিকৈ ওলাই থাকে। সেইকেইটাৰে আৰু নোৱাৰি আজিয়ে বজাৰ গৈ নতুন এটা আনি দিব। ৰিজাল্টনো কি লিখা-পঢ়া নজনা মাক-দেউতাকৰ বাবে পাছ কৰিলেই যথেষ্ট। তথাপি মানোৰ ৰিজাল্ট ভাল হৈছিল কষ্টৰে পঢ়া-শুনা কৰিছিল বাবে আজি সি স্কুলত বহুতৰে প্ৰশংসা পাবলৈ সক্ষম হৈছে! ওচৰৰ দুই একে সহায়ো কৰিছিল কলেজত নাম লগাবলৈ দুখীয়া মানুহৰ ল'ৰা তাতে ৰিজাল্টো বেয়া নহয় কলেজ কৰ্তৃপক্ষই নাম ভৰ্তিৰ মাছুল অলপ কমাই মানোক পঢ়াৰ বাবে সুবিধা কৰি দিছিল। ইমানলৈকে ঠিকেই আছিল এসাঁজ নাখালেও অন্তত সুখত হাঁহিব পাৰিছিল দুখত কান্দিব পাৰিছিল। কলেজীয়া দিনবোৰৰ আৰম্ভণিৰ লগে লগেই দুখবোৰ লুকুৱাই পিন্ধি লৈছিল সুখৰ এখন ছদ্মবেশী মুখা। আৰ্থিক দীনতাই প্ৰতিটো দিনেই সকিয়াইছিল সংগ্ৰামী জীৱনৰ পাঠ। এযোৰ ইউনিফ'ৰ্মে যেতিয়া প্ৰত্যাহিক তিনি-চাৰি কিলোমিটাৰ বাট খোজ কাঢ়ি চহৰৰ গাড়ী ধৰি কলেজ গৈছিল, পাঠদান আৰম্ভ হোৱাৰ পাছত যেতিয়া ঘামেৰে তিতি বুৰি ফোপাই ফোপাই শ্ৰেণীত সোমাইছিল তেতিয়াই বুজিছিল অভাৱীৰ প্ৰলেপেৰে মেৰিওৱা দুখৰ সংজ্ঞা। নতুন বন্ধু বান্ধৱী নতুন পৰিচয় এইবোৰ লৈ কিমান যে আনন্দ আৰু উৎসাহী হৈ আছিল কিন্তু কলেজ চৌহদত ভৰি দিয়া লগে লগেই যেন সেই আনন্দ ধোঁৱা হৈ উৰি গৈছিল। তাৰ ফিচিকি যোৱা জোতাযোৰ পিন্ধি খোজ কাঢ়িবলৈও ভয় লাগিছিল এই যেন কাৰোবাৰ ভৰিৰ গচকত সেইযোৰ সুলকি পৰিব। তথাপিও আশাৰ জৰীডাল খামুচি সি আগবাঢ়িছিল। কিজানি আদ বয়সতে বুঢ়া হোৱা মাক-দেউতাক হালক অলপ শান্তি দিব পাৰেই। সকলৰ পৰাই মানোৰ সপোন আছিল ভালকৈ পঢ়ি শুনি চাকৰি কৰিব দুখ, কষ্টৰ জীৱনটো অৱসান ঘটাই অলপ সুখত থাকিব। জীৱন বুলিবলৈ সিহঁতৰ আছেনো কিটো মূৰৰ ওপৰত থকা একমাত্ৰ চালিখনটো অসংখ্য ফুটা। টাপলি মাৰিবলৈ ঠায়ে নধৰা দেউতাকৰ চোলাটো হাতত লৈ ফেঁকুৰি থকা মাকৰ বাবে সিয়েইটো ভৰসা।

দিনবোৰ আগবাঢ়িছিল স্বকলো বন্ধু-বান্ধৱী একেই নাছিল। কাৰোবাৰ তীৰ্যক মন্তব্য বা চাৱনিয়ে আঘাত সানিলেও কাৰোবাৰ এশাৰী উৎসাহ ভৰা মাতেই জীৱনটোলৈ মায়া আনি দিছিল সপোন দেখিবলৈ শিকিছিল। তাৰ মৰুভূমি সদৃশ জীৱনটোত যেন ক'ৰবাত এডাল সেউজীয়া গছে তিৰবিৰাই উঠিছিল।

দিনক দিনে বেমাৰী মাকজনী আৰু বেমাৰী হৈ গৈছিল। মাজনিশালৈকে কাঁহি কাঁহি শুই পৰা দেউতাকক সি ডাক্তৰৰ ওচৰলৈ নিব পৰা নাছিল। চকুত ঢালিবলৈ যেতিয়া চাউলেই নাথাকে শৰীৰৰ বেমাৰে কেনেকৈ আগস্থান পাব। আগতকৈয়ো কষ্ট কৰি সি পঢ়িছিল যাতে কিবা এটা অন্ততঃ কৰিব পাৰে, নিজৰ বাবে নহ'লেও মাক-দেউতাকৰ বাবে। আনবাৰৰ দৰেই এই বাৰৰো ৰিজাল্ট ভাল হৈছিল। আশাবোৰ বাঢ়ি গৈছিল সপোনবোৰে পাখি মেলি উঠিছিল। অৱ তৰ পৰা ধাৰ-ধূৰ কৰি আনি দিয়া টকাকেইটাৰে সি আকৌ এডমিচন লৈছিল জীৱনৰ মায়াত এখন নতুন কলেজত নতুন পৰিবেশত। যিমানে ডাঙৰ হৈ আহিছিল বুজা হৈ উঠিছিল সিমানেই ভয়, শংকা, লজ্জাই তাৰ চৌপাশটো বেৰি ধৰিছিল। এনেবোৰ দিনতেই সুৰুযৰ কিৰণৰ দৰে মানোৰ জীৱনলৈ আহিছিল অনু, অনুৰাধা কলেজৰ সহপাঠী, বান্ধৱী। মানোৰ দুৰ্বলতাবোৰ সফলতাৰ শীৰ্ষলৈ নিব বিচৰা একমাত্ৰ ছোৱালীজনী। অনুৰাধাৰ জীৱন শৈলী মানোৰ দৰে নাছিল। দেউতাক চৰকাৰী চাকৰিয়াল মাকো পঢ়া-শুনা সংস্কাৰী গৃহিনী। মূঠৰ ওপৰত অভাৱ কি বস্তু তাই নুবুজাকৈয়ে ডাঙৰ হৈছিল। ব্যস্ততাৰে ভৰা এই স্বাৰ্থপৰ পৃথিৱীখনত অনুৰাধাক লগ পাই মানৰ সলনি

হৈছিল হাঁহিবলৈ শিকিছিল। নোপোৱাবোৰৰ হিচাপ বাদ দি পোৱাবোৰেৰে জীৱনটো সজাইছিল। কলেজত থকা এই ক্ষন্তেকীয়া সময়খিনি অনুৰাধাৰ সান্নিধ্যই মুহূৰ্তৰ বাবে হ'লেও তাক এখন বেলেগ জগতলৈ লৈ গৈছিল। সেই যে প্ৰথম কলেজলৈ অহা দিনটো আজিও মনত আছে গেটৰ সন্মুখেৰে সি তলমূৰকৈ সোমাই আহিছিল তেনেতে কোনোবা নাৰীকণ্ঠই তাক পাছফালৰ পৰা চিএগুৰিছিল,

সেই.........

তুমি নতুনকৈ আহিছা

ওম

কোন ডিপাৰ্টপেণ্ট

ইংলিছ

অ মজাময়ো ইংলিছ

লগতে বহিম দেই মোৰ লগৰ কোনো নাই জানা ইয়াত চব বেলেগ ঠাইত গুচি গ'ল, অকলে অকলে বেয়াই লাগিছিল এতিয়া অন্তত কোনোবা এজনক পাইছো। বাৰু তোমাৰ লগৰ নাই অহা নেকি?

মানোৰনো বন্ধু আছে কেইজন যি কেইজন লগৰ আছিল বেলেগ ডিপাৰ্টমেণ্ট। সিহঁতবোৰে ৰাতিপুৱাই ছাগে বাইকৰ ধূলি উৰুৱাই কলেজত হাজিৰ হৈছেহিয়ে।

সেই.... একো নকলা যে

অহ সিহঁতবোৰ বেলেগ ডিপাৰ্টমেণ্টত ল'লে।

অ' আচ্ছা....।

এনেকৈয়ে আৰম্ভ হৈছিল চিনাকি তাৰ পাছত বান্ধৱী। বৰ খোলা মনৰ ছোৱালী আছিল তাই। ধনী-দুখীয়াৰ মাজত পাৰ্থক্য বিচাৰি নাথাকে। বিশেষকৈ মানোৰ লগতটো সেইবোৰ একোৱেই নাই। দুয়োটাই একেলগে বহে, খায়, পঢ়ে। মানোৰ লাজ, ভয়, সংকোচ এইবোৰ তাইয়েই কিছু পৰিমানে আঁতৰালে। প্ৰয়োজনত টকা-পইচা দিও সহায় কৰিছিল। কিন্তু মানোৱেহে সদায় ভাবি আছিল অনুৰ হয়তো তাৰ অৱস্থাতো দেখি পুতৌ উপজিছে আৰু সেই বাবেই চাগে তাক ইমান সহায় কৰে। কলেজত মন মাৰি থাকিলে অনুৱেই বাৰে বাৰে ঘৰৰ কথা সুধি থাকে। কবলৈ ইচ্ছা নাথাকিলেও কেতিয়াবা বহু কথাই বাহিৰ হৈ যায় মনৰ পৰা। যন্ত্ৰণাবোৰৰো কিমান কঢ়িয়াব পৰ্বতসম অভাৱবোৰ কঢ়িয়াই কঢ়িয়াই কোঙা হৈ পৰা মাক-দেউতাক হ'লে তাৰ কাৰণে আৰু কিমান কষ্ট কৰিব। কেতিয়াবা ধৈৰ্য্যৰ সীমা ছিগি যাব খোজে তেতিয়াই অনুৰাধা কাষত থাকি সাহস দিয়ে সহায় কৰে। লাহে লাহে কলেজৰ দিনবোৰ শেষ হৈ আহিল আৰু এটা বছৰ আছে তাৰ পৰাছত সকলৈকে হ'লেও কিবা এটা পালেই হ'ব মুঠতে কিবা এটা উপাৰ্জনৰ পথ পালেই হয়। আগলৈ আৰু নপঢ়ে ধৈৰ্য্যও অৰ্থও নাই। বিদায়ৰ দিনবোৰ চমু চাপি আহিল। অনুৱে বাহিৰত এম. এ. কৰিবগৈ। তিনিটা বছৰ দুয়োটা লগতে থাকিল। অনুৱে বহু বিপদৰ পৰা মানোক উদ্ধাৰ কৰি থৈছে আৰুনো কিমান কৰিব তাইৰোটো নিজস্ব সপোন আছে। যাওকগৈ .....।

নতুনকৈ আৰম্ভ হ'ল মানোৰ সংগ্ৰামী জীৱনৰ ইতিহাস। চাকৰি বিচাৰি বিচাৰি কিমান যে চৰকাৰী অফিচৰ দুৱাৰে দুৱাৰে ঘূৰিল। ফিচিকি যোৱা জোতাযোৰৰ অস্তিত্বও নোহোৱা হ'লগৈ। মাকেও আজিকালি কামলৈ যাব নোৱাৰা হৈছেগৈ। মানোৰ বাবে মাক-দেউতাকৰ ৰাষ্টাটোহে বাকী আছেগৈ পঢ়ি-শুনি কিবা এটা চাকৰি পোৱাৰ আশা এতিয়া মৰীচিকা মাথোন। ঘৰখনৰ উপাৰ্জন দিনক দিনে শূন্য হৈ হিছে। মানোক পঢ়াওতে হোৱা খৰচৰ ধাৰ এতিয়াও বহু ঘূৰাবলৈ বাকী। ভাবিছিল পঢ়ি-শুনি কিবা এটা কৰিব কাম কৰিবলৈও নিশিকিলে। এতিয়া আৰু জীৱনটোত হতাশা, শূন্যতাৰ বাহিৰে একো নাই। তিনিটা বছৰৰ সুখৰ স্মৃতিকণো এতিয়া সাত সাগৰ তেৰ নদীৰ সিপাৰলৈ গুচি গৈছে। অনুৰাধা যোৱাৰ পাছত বুজিছে মানোৰ বাবে কোন আছিল তাই। কাষত থাকিলে সেই বস্তুৰ মূল্য কেতিয়াও বুজা নাযায় আঁতৰি যোৱাৰ পাছতহে তাৰ অভাৱ অনুভৱ হয়। এই শূন্য জীৱনটোত অনু কাষত থকা হ'লে অলপ শান্তি পালেহেঁতেন। জীৱনৰ সেই মধুৰতম সময়বোৰৰ স্মৃতিকে সাৱতি জানো ভৱিষ্যতৰ সপোন দেখিব পাৰি, হয়তো নোৱাৰি কেতিয়াবা কেতিয়াবা স্মৃতিৰো প্ৰেমত পৰে মানুহ। যি প্ৰেমৰ অন্তত নাবাজে হৃদয় জোৰোৱা গান।

এনেবোৰ নিসংগ মূহুৰ্তৰ ভাৱনাই এটাই মাথো চৰম সিদ্ধান্তক সোঁৱৰাই।

অনুৱে তাৰ খবৰ এটাও লোৱা নাই। হয়তো

ব্যস্ত ! যাবৰ পৰত তাইৰ ঠিকনাটো দি গৈছিল। এখন চিঠি লিখিলে নিশ্চয় পাব।

অনু,

জীৱনৰ অন্তিমটো সন্ধ্যা তোমাৰ নামত। কেনে আছোঁ নোসোধানে, পাৰা যদি এবাৰ আহি চাই যাবা। নিসংগতাৰ কাঁইটে বৰ বেয়াকৈ আচুৰিছে। সেই যে দীঘলী পুখুৰীৰ পাৰত ফৰিং ফুটা জোনাকত মলয়াৰ তালে তালে আমি দুয়ো কথা পাতিছিলোঁ, হাঁহিছিলোঁ তেতিয়াই ঠিক তেতিয়াই অনন্ত কালৰ পৰিধি ভাঙি মই যেন তোমাতেই বিলীন হৈছিলোঁ। ক'ম বোলা কথাষাৰ ক'ম ক'মকৈয়ে বহু পলম হৈ গ'ল হয়তো মোক নিঃকিনতাই অনুমতি নিদিলে। তুমি এৰি যোৱাৰ পাছত চাকৰি বিচাৰি বিচাৰি মোৰ বাকী থকা ধৈৰ্য্যকণো নোহোৱা হ'লগৈ। শুজিবলৈ থকা ধাৰবোৰে উশাহকণো শান্তিৰে ল'বলৈ নিদিলে। ইমানবোৰৰ মাজতো তোমাক জীয়াই ৰাখিছিলো অনু। হেৰুৱা স্মৃতিবোৰকে সাৱতি জীৱনটো সজাব খুজিছিলোঁ, নোৱাৰিলোঁ। বাকী ৰৈ যোৱা জীৱনৰ সপোনবোৰ তোমাক ক'ম প্ৰিয়তমা ইয়াত নহয় গঙ্গাৰ তীৰত্। তুমি আহিবা তাতেই আমি লগ হ'ম আকৌ।

তোমালৈ এটাই মাথোঁ প্ৰাৰ্থনা এবাৰ যদি ইয়ালৈ আহা মোৰ মা-দেউতাক চাই যাবাহি পাৰিলে বৃদ্ধাশ্ৰমত থকাৰ ব্যৱস্থাটো কৰি দিবা মোৰ জীৱন কালত তেওঁলোকক তালৈ নিব নোৱাৰিলো। চিৰবিদায়....

চিঠিখন পোৱাৰ লগে লগেই অনু অসমলৈ গুচি আহিল। তাই নিজৰ ভুল বুজি পাইছিল। মানোক যে তাই তেনেকৈ এৰি যাব নালাগিছিল তাইতো এদিন খবৰ এটাও লব পাৰিলেহেঁতেন। ইমান স্বাৰ্থপৰ হ'লনে। এই ভুলৰ প্ৰায়শ্চিত্ত তাই কৰিব মানোৰ মাক-দেউতাকৰ দায়িত্ব গোটেই জীৱনৰ বাবে ল'ব জীৱনত একো কৰিব নোৱাৰিলেও মানোৰ অন্তিমটো অনুৰোধ তাই ৰক্ষা কৰিব। অনুৱে এতিয়াহে উপলব্ধি কৰিছে মানো তাইৰ বাবে কি আছিল। প্ৰেম যে কিমান অমূল্য মৃত্যুৰ পাছতহে মানোৱে তাইক বুজাই গ'ল। বুজাই গ'ল বিদায় মানেই শেষ নহয় জীৱন জীয়াৰ নামত আঁতৰি থকা মাথোঁ অজুহাত, সময়ৰ আহ্বানত স্থায়ীত্বৰ শিপাবোৰ উভালি নপৰে উভতি অহা পথবোৰ ৰুদ্ধৰ ভয়তহে সকলো আঁতৰি গৈ থাকে প্ৰতিশ্ৰুতিৰ সমাধিলে।

মানো, মানৱ দুৱৰাৰ জীৱন ভিত্তিক উপন্যাসখনৰ আজি এয়া শেষ পৃষ্ঠা সামৰণিত আৰু দুটামান শাৰী লিখিলেই শেষ হ'ব। চছমাযোৰ খুলি অনুৰাধাই বাহিৰলৈ চাই ৰ'ল বেলি ডুবিবৰ হৈছে। সুবিশাল নীলা আকাশখনত ধোঁৱাৰঙী ডাৱৰ এসোপাই ছানি ধৰিছে। তাই মনৰ ভিতৰতে আওৱালে-

"তুমি অহাৰ বাটত ফুল হৈ ফুলিম

হৃদয়ৰ সমস্ত সুগন্ধিৰে সুবাসিত কৰিম তোমাৰ চৌপাশ

নোকোৱা কথাবোৰ নিয়ৰ হৈ চটিয়াম তোমাৰ কাষত,

যদিও ভগ্ন শেতেলীত মই ভাগৰুৱা প্ৰেমিক

এতিয়াও স্বপ্নৰ কাৰেঙত মই তোমাৰেই ৰাণী।

নাম বিহীন ঠিকনাত আজিও লিখোঁ জীৱন ভৰা চিঠি

হেপাহৰ দুচকুত যে নিতৌ জিলিকে স্মৃতিৰ ৰেঙণি"।

......................

## নাটক ঃ

# লক্‌ডাউন

নাৰায়ন বসুমতাৰী
ষষ্ঠ ষাণ্মাসিক
ইংৰাজী বিভাগ

### প্ৰথম দৃশ্য

(মঞ্চৰ পৰ্দা মুকলি হোৱাৰ লগে লগে দুজন পুলিচ কনিষ্টবল ইফালৰ পৰা সিফাললৈ পায়চাৰি কৰি থাকিব ৰাজপথত। পথৰ দুয়োকাষে সৰু সৰু কেইজোপামান গুল্মজাতীয় উদ্ভিদ আৰু ঘাঁহ বন থাকিব। কিছুক্ষণ পিছতে এখন বাইকৰ মাত শুনিবলৈ পোৱা যাব, দৰ্শকেও শুনিব।)

১ ম পুলিচ ঃ ঐ ৰহ...ৰহ (ব্যস্ততাৰে লাঠি জোকাৰি) এই লকডাউনৰ সময়ত ক'লৈ যাব তই (কঠোৰ মাতেৰে)

২ য় পুলিচ ঃ আহ্... আহ্ ... নামি আহ্ এইফালে। (ষ্টাইলিচ্ চফল ডেকা বাইক আৰোহীজন ধীৰ গতিৰে তললৈ মূৰ কৰি মঞ্চত প্ৰৱেশ কৰিব আৰু পুলিচ দুজনৰ আগত থিয় দি ৰ'ব।)

১ ম পুলিচ ঃ কাণত ধৰি আঠু কাঢ় (আৰোহীজনলৈ নিৰ্দেশ) আৰু ক'চোন ক'লৈ যাব ওলাইছ' তই?

আৰোহী ঃ মই... মই মানে ছাৰ দোকানলৈ যাওঁ (খেৰোগেৰোকৈ) মানে ছাৰ ... মায়ে চাউল, দালি, আলু আদি আনিবলৈ কৈছে।

২ য় পুলিচ ঃ আই ঐ মোৰ সোণটো, মায়ে চাউল, দালি আনিব কৈছে! পিছে মোনাখন আনিব পাহৰিলি হবলা! (তাচ্ছিল্যসুলভ সুৰত)

আৰোহী ঃ নহয়... মানে ছাৰ এক্সুৰেলি ... (হঠাৎ যুৱকজনৰ মোবাইলটো বাজি উঠিব আৰু ৰিংটনটো দৰ্শকেও শুনিব।)

(১ম পুলিচজনে যুৱকজনৰ হাতৰ পৰা মোবাইলটো কাঢ়ি ল'ব আৰু ফোনকলটো ৰিচিভ কৰিব, লগতে স্পীকাৰ অন কৰিব। সিফালৰ পৰা ভাঁহি অহা এগৰাকী যুৱতীৰ মাত দৰ্শকেও শুনিব।)

যুৱতী ঃ হেল্ল'... জান তুমি ক'ত আছা, ইমান দেৰী কৰিছা যে? মই অথনিৰে পৰা পথাৰৰ মাজৰ ঔ গছজোপাৰ তলত ৰৈ আছো। তুমি প্লিজ, সোনকালে আহনা। (যুৱতীৰ যুৱকলৈ আকুল, ব্যাকুল আমন্ত্ৰণ)

(১ম পুলিচে মোবাইলৰ সংযোগ বিচ্ছিন্ন কৰিব আৰু ২ য় পুলিচক ইংগিত কৰিব। ইংগিতৰ অৰ্থ মাৰিব লাগে ইয়াক।)

২য় পুলিচ ঃ চাল্লা কুকুৰৰ পোৱালী, বুৰ্বক বনাবলৈ মানুহ বিচাৰি নাপালি... (প্ৰথম কোব), পুলিচক ঠগিছ.. (দ্বিতীয় কোব), ঔগছৰ তললৈ যাব (তৃতীয় কোব), এয়া ল' (পিঠিত এঘোচা) খা ঔ টেঙা। (প্ৰতিটো লাঠিৰ কোবত আৰু ঘোচাত যুৱকে চিংকাৰ কৰিব আৰু সমান্তৰালকৈ মঞ্চৰ পৰ্দা কৰিব।)

### দ্বিতীয় দৃশ্য

(মঞ্চৰ পৰ্দা মুকলি হোৱাৰ লগে লগে টিপচাকিয়ে পোহৰাই তোলা কোঠা এটা দেখা পোৱা যাব। টেবুলত থকা চাকিটোৰ পোহৰতে এজনী নবযৌৱনা গাভৰুৱে কিতাপ পঢ়ি থাকিব। তাইৰ নাম বৃষ্টি, দশম শ্ৰেণীৰ ছাত্ৰী। কোঠাটোত কেইখনমান পঞ্চিকৰ চকী থাকিব আৰু পুৰণি কেইখনমান আচবাব থাকিব। ক্ষন্তেক পিছতে তাই বাহিৰত দেউতাকৰ মাত শুনিব।)

দেউতাক ঃ হেৰা ... শুনিছানে? (বৃষ্টিয়ে মাত অহাৰ দিশে মূৰ তুলি চাব) মাজনী, মই আহিলো।

বৃষ্টি ঃ অ' দেউতা, দুৱাৰ খোলা আছে। (দেউতাক সোমাই আহিব, হাতত এটা বজাৰৰ মোনা লৈ। মোনাখন মজিয়াতে থৈ চকী এখন টানি বহিব।)

দেউতাক ঃ হেৰা, পানী এগিলাচ আনাছোন। (ক্ষন্তেক পিছতে বৃষ্টিৰ মাকে পানী এগিলাচ লৈ কোঠাটোত প্ৰৱেশ কৰিব।)

মাকঃ এয়া লওক পানী। (মোনাখন হাতত তুলি জুমি চাই) হেৰি, গোটেইবোৰ বস্তু নানিলে যে?

দেউতাক ঃ জুই লাগিছে বুজিছা। দোকান-বজাৰ সকলোতে জুই লাগিছে। চাউল-দালি, মাছ-পাচলি সকলো বস্তুৰ মূল্য আকাশ চুলেগৈ।

মাক ঃ হেৰি কথা এটা আছিল। মাজনীহঁতৰ অনলাইন ক্লাছ হৈ আছে হেনো। ভাল ম'বাইল ফোন এটা লাগিছিল।

দেউতাক ঃ কি কথা কোৱাহে তুমি? (কিছু উত্তেজিত হৈ) এনে এক বিপৰ্যয়ৰ সময়ত স্মাৰ্টফোন কিনাৰ কথা ভাবি পাৰি নেকি? জমা টকা পাঁচ হাজাৰো যোৱা এমাহৰ

ৰেচন-পাতিতে খৰচ হ'ল, ঘৰৰ হাঁহ-কুকুৰাকেইটা বিক্ৰী কৰিবলৈও বজাৰ নাই, দিন মজুৰি কৰিবলৈও কাম নাই। উপাৰ্জনৰ সকলো পথেই বন্ধ হৈছে মহামাৰী ক'ৰোনাৰ বাবে।

বৃষ্টি ঃ ম'বাইল ফোন কিনিব নালাগে দেউতা। মই ঘৰতে নিজে পঢ়িম। (বক্তব্যত কৰুণ সুৰ)

দেউতাক ঃ দুখীয়া হৈ জনম ললে এয়াই শাস্তি, তহঁতৰ অভাৱবোৰ পূৰণ কৰিব নোৱাৰিলো মই। তই এই দুৰ্ভগীয়া বাপেৰক ভুল নুবুজিবি অ' মাজনী... (হুকহুকাই কান্দিবলৈ ধৰে)

মাক ঃ হেৰি কি কৰিছে এইবোৰ, কন্দা-কটাখন কি কৰেনো? উঠক... উঠক... (কান্ধত ধৰি) ব'লক ভিতৰলৈ। (দুয়ো প্ৰস্থান কৰিব আৰু পঢ়া টেবুলৰ পৰা বৃষ্টিয়ে আকুল নয়নেৰে চাই ৰ'ব। ক্ষন্তেক পিছতে মঞ্চৰ পৰ্দা পৰিব।)

## তৃতীয় দৃশ্য

(মঞ্চৰ পৰ্দা মুকলি হোৱাৰ লগে লগে শ্ৰীযুত বৰুৱাক দেখা পোৱা যাব এক সু-সজ্জিত কোঠাত। বিলাসী ছোফাত ভৰিৰ ওপৰত ভৰি তুলি এহাতত খবৰ কাকত আৰু আন হাতত কফিৰ কাপ লৈ বহি থাকিব। ক্ষন্তেক পিছত খবৰ কাকতখন টেবুলত থৈ ম'বাইলটো উলিয়াই কাৰোবালৈ ফোন কল কৰিব।)

বৰুৱা ঃ হেল্ল' শইকীয়া, খবৰ কেনে?

শইকীয়া ঃ ....। (শইকীয়াৰ মাত দৰ্শকে নুশুনিব)

বৰুৱা ঃ মোৰো ভালেই। বৰ্তমান এয়া কফিৰ কাপত সোহা মাৰিছো। বাৰু কোৱাচোন তোমাৰ ঘৰৰ খবৰ?

শইকীয়া ঃ ... (প্ৰত্যুত্তৰ দৰ্শকে নুশুনিব)

বৰুৱা ঃ হয় দেই শইকীয়া, চাকৰি জীৱনত ঘৰতে বহি ভৰিৰ ওপৰত ভৰি তুলি দৰ্মহাকেইটা লোৱাৰ মজাই বেলেগ বুজিছে আৰু এইদিন কেইটাত শ্ৰীমতীয়ো খুবেই আনন্দত দিন কটাইছে মই থকাৰ বাবে হা ... হা... হা... (নিজৰ ৰসিকতাত বৰুৱাই নিজে হাঁহিবলৈ ধৰে।)

শইকীয়া ঃ ....।

বৰুৱা ঃ অ'কে অ'কে শইকীয়া, মই পিছত ক'ল কৰিম বাৰু আপোনাক। (বৰুৱাই শইকীয়াৰ সৈতে ফোনকলৰ সংযোগ বিচ্ছিন্ন কৰি আৰু পুনৰ আন এটা ফোনকল কৰে।)

বৰুৱা ঃ হেল্ল' আগৰৱাল, চবকুচ খেইৰিয়ত হে? বিজনেচ কেইচা চল ৰাহা হে?

আগৰৱাল ঃ ... । (প্ৰত্যুত্তৰ দৰ্শকে নুশুনিব।)

বৰুৱা ঃ আচ্ছা ঠিক হে, মে আপক' এক লিষ্ট ভেজ দেতা হোঁ হোৱাট্‌চআপ পে বিল পে কৰ দোংগা, থিক হে।

আগৰৱাল ঃ ....।

বৰুৱা ঃ অ'কে, বাই। (বৰুৱাই ফোনৰ সংযোগ বিচ্ছিন্ন কৰে। লগে লগে মঞ্চৰ পৰ্দা পৰে।)

## চতুৰ্থ দৃশ্য

(মঞ্চৰ পৰ্দা মুকলি হোৱাৰ লগে লগে বৃষ্টিৰ মাক আৰু দেউতাকক দেখা পোৱা যাব। দুয়ো আমন-জিমনকৈ মজিয়াতে বহি থাকিব। এনেকৈ কিছু ক্ষণ পাৰ হ'ব।)

মাক ঃ হেৰি, এনেকৈ বহি থাকিলে জানো হ'ব। ক'ৰবাৰ পৰা ধাৰ-ঋণ কৰি হ'লেও চাউল কেইটামান আনক। এনেকৈ লঘোণে-ভোকে জানো থাকিব পাৰি?

(বৃষ্টিৰ দেউতাক ক্ষন্তেক সময় নীৰৱ আৰু আনমনা হৈ থাকিব।)

দেউতাক ঃ (কৰুণ সুৰেৰে) ক'ৰ পৰানো আনিম? কোনে দিব ধাৰ! স্বাৰ্থপৰৰ এই পৃথিৱীত নিঃস্বাৰ্থ মানুহ কেইজন আছেনো? চৰকাৰী সাহায্যবিলাকো পঞ্চায়তৰ প্ৰেচিডেণ্ট, মেম্বাৰৰ মিতিৰ-কুতুম্ব আৰু বংশ-পৰিয়ালেহে পায়, যেন আমাৰ পেটত ভোক নাই। ধিক্কাৰ এই দৰিদ্ৰতা, ধিক্কাৰ এই স্বাৰ্থপৰ সমাজ...। (ক্ষন্তেক সময় নীৰৱতা আৰু তাৰ পিছতে বাহিৰত কাৰোবাৰ মাত শুনা যায়।)

আগন্তুক ঃ অ' গৃহস্থ..., ঘৰত কোনোবা আছেনে?

দেউতাক ঃ অ' কোন বাৰু? (কিছু আগবাঢ়ি যায়) আহক ভিতৰলৈকে। (মুখত মাস্ক পৰিহিত দুজন যুৱক প্ৰৱেশ কৰিব। দুয়োজনৰ হাতত কেইটামান চাউল, দালি, আলু আদিৰ টোপোলা থাকিব।)

১ম যুৱক ঃ নমস্কাৰ খুড়াদেউ, আমি মানে 'অসম .... যুৱ ছাত্ৰ পৰিষদ'ৰ হৈ গাঁৱৰ প্ৰতিটো দৰিদ্ৰ পৰিয়ালৈলৈ সাহায্যৰ টোপোলা আগবঢ়াইছোঁ।

২য় যুৱক ঃ এয়া লওক খুড়াদেউ। (যুৱকজনে টোপোলাকেইটামান আগবঢ়াই দিয়ে আৰু বৃষ্টিৰ দেউতাকে সেয়া হাত পাতি লয়।)

দেউতাক ঃ তোমালোকক কিদৰে ধন্যবাদ জনাওঁ, মই

ভাষা বিচাৰি পোৱা নাই অ' বোপাইহঁত। খুব ভাল কাম কৰিছা এনে বিপদৰ সময়ত তোমালোকৰ এই সাহায্যই বহুতকে উপকৃত কৰিব। অশেষ ধন্যবাদ, ঈশ্বৰে তোমালোকৰ মংগল কৰক।

১ম যুৱক ঃ হয় খুড়াদেউ, আচলতে আমি প্ৰত্যেকে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰা উচিত। (এইবাৰ দ্বিতীয় যুৱকে দৰ্শকৰ ফালে চাই সমূহ দৰ্শকবৃন্দক উদ্দেশ্যি ক'ব।) "গতিকে ৰাইজ, আহক আমি সকলোৱে দুখীয়া নিচলাক সহায় কৰোঁ, পৰস্পৰে পৰস্পৰৰ দায়িত্ব লওঁ। আহক আমি "মানুহে মানুহৰ বাবে' গীতটোক কাৰ্যত ৰূপায়িত কৰোঁ, জয় আই অসম...।" (মঞ্চৰ পৰ্দা পৰিব আৰু নাটখনি সমাপ্ত হ'ব।)

(বিঃ দ্রঃ নাটখনি চুটি কৰাৰ স্বাৰ্থত 'মেইন প্লট' আৰু 'ছাব প্লট'ৰ মাজত বিশেষভাৱে সংযোগ স্থাপন কৰিব পৰা নগ'ল। নাটখনিত দুই নং দৃশ্য আৰু চাৰি নং দৃশ্যক মেইন প্লট আৰু এক নং দৃশ্য আৰু তিনি নং দৃশ্যক ছাব প্লট হিচাপে ৰখা হৈছে। আলোচনীখনৰ কলেৱৰলৈ লক্ষ্য কৰি নাটখনি দীঘলীয়া আৰু সুস্পষ্ট কৰিব নোৱাৰা বাবে অতিশয় দুঃখিত- নাট্যকাৰ।)

..........................

# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল

## অসমীয়া বিভাগ


ড° ৰঘুনাথ কাগয়ুং
মূৰব্বী


ড° ৰীতা দত্ত


পদ্মাকুমাৰী গগৈ


ৰেখামণি গগৈ


বিদ্যাৰ্থ বড়া

## অৰ্থনীতি বিভাগ


দিলীপ ৰঞ্জন বৰুৱা


মিন্টু গগৈ
মূৰব্বী


ড° পৰানন কোঁৱৰ


প্ৰিয়াক্ষী সৎনামী

## ইংৰাজী বিভাগ


ড° সুনীল দত্ত
মূৰব্বী


ড° দীপাঞ্জলি গগৈ


ড° অনিতা কোঁৱৰ


অঞ্জুআৰা বেগম


নৱজ্যোতি দত্ত


জেৱিন চুলতানা

## উদ্ভিদ বিজ্ঞান বিভাগ


ফণীন্দ্ৰ কুমাৰ বৰুৱা
মূৰব্বী


ত্ৰিদীশা বৰগোহাঁই


জেছমিন চেতিয়া

# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল

## গণিত বিভাগ


টংকেশ্বৰ বৰুৱা
মূৰব্বী


ভূপেন চন্দ্ৰ দিহিঙ্গীয়া


মনোৰঞ্জন কোঁৱৰ


অজয় দলে

## পদাৰ্থ বিজ্ঞান বিভাগ


নবীন গগৈ
মূৰব্বী


ৰীণা বৰঠাকুৰ


য়াছিম আলি


বিতোপন বৰুৱা

## প্ৰাণীবিজ্ঞান বিভাগ


ৰাণা কোঁৱৰ
মূৰব্বী


জ্যোতিপ্ৰসাদ ফুকন


পূবালী বৰা


অমৃতা মেচ

## বুৰঞ্জী বিভাগ


সুশীল চূঁড়ী
মূৰব্বী


দিব্যজ্যোতি কোঁৱৰ


লিণ্ডি গড়্উইন


অভিশিখা বাইলুং

# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল

## ৰসায়ন বিজ্ঞান বিভাগ



ড° ৰাণা কোঁৱৰ
মূৰব্বী



অমৃত কুমাৰ বৰপূজাৰী



সুচিত্ৰ নাৰায়ণ ৰাজখোৱা



কাশ্মিৰী আহমেদ

## ৰাজনীতি বিজ্ঞান বিভাগ



বিনোদৰাজ খনিকৰ
মূৰব্বী



ড° চক্ৰপাণি পাতিৰ



ড° লাকী চেতিয়া



দ্বীপজ্যোতি বড়া



দেৱযানী গগৈ




দীপালী কিস্কু

## শিক্ষাতত্ত্ব বিভাগ



ৰাজীৱ কটকী
মূৰব্বী



ড° প্ৰণিতা কলিতা



ধনদা কোঁৱৰ



দীপিকা বৰুৱা



যতীন্দ্ৰনাথ শইকীয়া








মহাবিদ্যালয় গ্ৰন্থাগাৰৰ বিষয়া-কৰ্মচাৰীসকল



মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল

# মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০১৯-২০





সীমান্ত হাজৰিকা
সভাপতি



প্ৰণামী বৈশ্য
উপ-সভানেত্ৰী



পল্লৱ কাকতি
সাধাৰণ সম্পাদক



আইভী ৰাজকুমাৰী
সহঃ সাধাৰণ সম্পাদিকা



অনুপম শইকীয়া
আলোচনী সম্পাদক



বেদান্ত বৰঠাকুৰ
গুৰু ক্ৰীড়া সম্পাদক



বিষ্ণু প্ৰধান
ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক



মন্দিৰা পাল
ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদক



সুৰজিত কোঁৱৰ
তৰ্ক সম্পাদক



চাহিদ আলি
লঘু ক্ৰীড়া সম্পাদক



মাচুম হুচেইন
শৰীৰচৰ্চা বিভাগৰ সম্পাদক



ঋতুৰাজ চাংমাই
সমাজসেৱা বিভাগৰ সম্পাদক



ত্ৰিবেণী বৰগোহাই
সংগীত বিভাগৰ সম্পাদিকা



হোমেন গগৈ
সাহিত্য বিভাগৰ সম্পাদক



মানসজ্যোতি সন্দিকৈ
সাংস্কৃতিক বিভাগৰ সম্পাদক

# ছাত্র একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন ঃ

## ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণতে মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা যাচিছোঁ যি সকলৰ অশেষ কষ্টৰ ফলত সোণাৰি মহাবিদ্যালয়ে প্ৰাণ পাইছিল। লগতে মোৰ মৰমৰ তথা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ সকলো ভাইটি-ভণ্টিলৈ মোৰ শ্ৰদ্ধা, মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"তোৰে মোৰে আলোকৰে যাত্ৰা  
অব্যৰ্থ অব্যৰ্থ  
আমি পালো জীৱনৰ অৰ্থ অভিনৱ  
স্বাগত স্বাগত সতীৰ্থ  
সময়ৰ পক্ষী ঘোঁৰা কোন সতে  
উৰি গ'ল  
মনৰ কাৰেং ঘৰ জহি খহি  
ভাগি গ'ল  
বিদায় ল'বৰে হ'ল।"

সময়বোৰক কেতিয়াবা পোৱা নোপোৱাৰ কাঁচঘৰাত ৰাখোঁ, হিচাপ কৰোঁ কি কৰিলোঁ কি দিলোঁ। ২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কিমান কি কৰিব পাৰিলোঁ তাৰ হিচাপ দিব আপোনালোকে। সভাপতিৰ দৰে এটা গুৰু দায়িত্ব পাই মই বাৰে বাৰে চিন্তিত হৈছিলোঁ, তথাপি সদায় কৃতজ্ঞ হৈ ৰম সেইসকললৈ যিসকলে মোক প্ৰতিটো ক্ষেত্ৰত সহায়-সহযোগিতা আৰু উৎসাহ প্ৰদান কৰিছিল।

এই সময় আছিল জীৱন গঢ়াৰ, এই সময় আছিল নিজৰ সৈতে চিনাকী হোৱাৰ। এই আপাহতে

"সোণাৰি মহাবিদ্যালয়" তোমাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তোমাৰ পৰশে আমাক মানুহ হবলৈ শিকালে। মহাবিদ্যালয়ৰ হকে যিমান কাম কৰাৰ সপোন ৰচিছিলোঁ হয়তো পৰিৱেশ পৰিস্থিতিৰ দাস হৈ মই কামবোৰ পূৰ্ণ কৰিব নোৱাৰিলোঁ। তথাপি অনাগত দিনত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ গৈ কেতিয়াবা অজানিতে যদি কাৰোবাৰ অন্তৰত আঘাত সানিছিলোঁ, এই প্ৰতিবেদনৰ দ্বাৰাই তেওঁলোকৰ ওচৰত ক্ষমা মাগিছোঁ।

সদৌ শেষত, যিজন ব্যক্তিৰ অবিহনে মই কাম কৰিবলৈ অসমৰ্থ হলোহেঁতেন তেখেত শ্ৰদ্ধাৰ সুনীল দত্ত ছাৰলৈ অশেষ কৃতজ্ঞতা জনাই অনাগত দিনত সোণাৰি মহাবিদ্যালয়ৰ আলোক উন্নতি কামনা কৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একাতা সভা"।

সীমান্ত হাজৰিকা
সভাপতি
ছাত্ৰ একতা সভা ২০১৯ -২০

.........................

# ছাত্ৰ একতা সভাৰ উপ-সভানেত্ৰীৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জাতি, মাটি, ভেটি সুৰক্ষাৰ স্বাৰ্থত আত্ম বলিদান দিয়া শ্বহীদসকলৰ মহান ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰিছো।

পৰম শ্ৰদ্ধাৰ জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনোৱাৰ লগতে যিসকল ব্যক্তিৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত এই জ্ঞানৰ মন্দিৰ ভাগি প্ৰতিষ্ঠা হ'ল, তেওঁলোকলৈও মই নতশিৰে প্ৰণিপাত জনালো। ২০১৯-২০২০ বৰ্ষৰ উপ সভানেত্ৰী হিচাপে মোক নিৰ্বাচন কৰি মহাবিদ্যালয়ৰ সেৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ দায়িত্ব আৰু শেষৰ ফালে সভাপতিৰ অনুপস্থিতিত সভাপতিৰ দায়িত্ব পালন কৰাত যিসকলে মোক সহায় সহযোগিতাৰ লগতে দিহা পৰামৰ্শ আগবঢ়ালে তেওঁলোক সকলোলৈ মই আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

"সময় চিৰপ্ৰবাহিত", আৰু আমি সময়ৰ সোঁতত বিলীন হৈ আগবাঢ়ি গৈ থাকোঁ। এই সময়েই আমাক সকিয়াই দিয়ে আমাৰ উপস্থিতি। যোৱা এটা বছৰে সোণাৰি মহাবিদ্যালয়ৰ উপ-সভাপতি হিচাপে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কি কৰিলো কি নকৰিলো তাৰ হিচাপ দিব আপোনালোকে। মই মাথোঁ মোৰ ওপৰত ইমানখিনি বিশ্বাস সদায়ে ৰাখি কাম কৰি গৈছিলোঁ যে, "মোৰ কাম হ'ব সদায়ে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ দিশত।

সঁচা অৰ্থত সোণাৰি মহাবিদ্যালয়ক ভাল পাইছিলোঁ, যাৰ বাবে সদায়ে মই মোৰ ১০০ শতাংশ দিবলৈ প্ৰয়াস কৰিছিলোঁ। তথাপিও কোনোবাখিনিত মোৰ বহু ভুল-ত্ৰুটি ৰৈ গৈছে। সেই সমূহৰ বাবে এই প্ৰতিবেদনৰ দ্বাৰাই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

"মানুহ পৰিস্থিতিৰ দাস", সোণাৰি মহাবিদ্যালয়খনিক লৈ বহুত কিবাকিবি কৰাৰ সপোন যেনেকৈ সকলোৰে থাকে ঠিক তেনেকৈ মোৰো বহু সপোন আছিল, পৰিৱেশ পৰিস্থিতিৰ দাস হৈ সকলোবোৰ কাম সম্পন্ন কৰিব নোৱাৰিলো যদিও সাধ্যনুসাৰে যিমানখিনি পাৰো কৰিবলৈ চেষ্টা কৰিছিলো।

সদৌ শেষত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

প্ৰণামী বৈশ্য
উপ-সভানেত্ৰী
ছাত্ৰ একতা সভা
সোণাৰি মহাবিদ্যালয়

.........................

# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

"যাৰ তেজত তিৰবিৰাইছিল তৰালী
বুকুত গুণগুণাইছিল মেঘালী
শীতানত তাৰ তেজে ধুৱা মাটি।।" - হীৰুদা

প্ৰাৰম্ভণিতে স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে ঐতিহ্যমণ্ডিত ইতিহাস জড়িত সোণালী জয়ন্তী বৰ্ষই গৰকা এই জ্ঞানৰ মন্দিৰ, মিলনৰ মহাক্ষেত্ৰ সোণাৰি মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা জড়িত প্ৰত্যেকজন মহান ব্যক্তিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। সোণাৰু দেশৰ হালধীয়াবোৰৰ মাজত ভৰি দিয়েই এটা সপোনে প্ৰাণ পাই উঠিছিল মোৰ দুচকুত। মহাবিদ্যালয়ৰ হাজাৰ যৌৱন জীৱনৰ মাজত মই আমি হৈ পাৰ হোৱাৰ এই সপোনক পাখি দিছিল সেই হাজাৰ যৌৱনে। নতুনত্বৰ সন্ধানত ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে এটা গুৰুত্বপূৰ্ণ পদবীত সেই হাজাৰ যৌৱনে জয়লাভ কৰোৱায় আৰু মই সকলোৰে বিশ্বাস-মৰম মনৰ মণিকোঠত স্থাপন কৰি ২০১৯ চনৰ ২২ ছেপ্টেম্বৰ তাৰিখে সতীৰ্থসকলৰ লগত মহাবিদ্যালয়ৰ স্বাৰ্থত সদায় সততা আৰু নিষ্ঠাৰে একত্ৰিতভাৱে আমি আগবাঢ়ি যোৱাৰ লগতে স্বৰ্ণময় যাত্ৰা বৰ্ণময় লিপিত লিপিবদ্ধ কৰি যাবলৈ শপত গ্ৰহণ কৰোঁ। প্ৰতিটো দিশত ইতিবাচক পৰামৰ্শ, সুচিন্তা তথা বহল দৃষ্টিভংগীৰে ছাত্ৰ সমাজৰ সমস্যাসমূহ সমাধানৰ প্ৰত্যেক সময়ত মাত দিয়া সকলোৰে পৰিচিত শ্ৰদ্ধাৰ অমিত বৰপূজাৰী ছাৰক তত্বাৱধায়ক হিচাপে লাভ কৰোঁ আৰু লগতে মহাবিদ্যালয়ৰ প্ৰত্যেকজন অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীবৃন্দৰ প্ৰতিটো সময়তে, প্ৰত্যেকটো কৰ্মসূচীতে সু-দিহা পৰামৰ্শ তথা সহায় সহযোগিতা লাভ কৰি নিজকে সৌভাগ্যবান হিচাপে গণ্য কৰোঁ।

বিগত বৰ্ষত আমাৰ মহাবিদ্যালয়ৰ বাবে অপূৰণীয় ক্ষতি সাধন হয়। সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ মান্যবড় শ্ৰদ্ধাৰ সুৰেশ দাস চাৰ মহাবিদ্যালয়খনৰ অতি দৃঢ়তাৰে আজিৰ তাৰিখত ঠন ধৰিবলৈ সক্ষম

হোৱাৰ নেপথ্যত চাৰৰ নিৰলস অহোপুৰুষার্থ ত্যাগক আমি শলাগিছোঁ। চাৰ আমাৰ বাবে সদায় সোণালী স্মৃতি সাজত অম্লান হৈ থাকিব।

মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক মান্যবড় মুহিধৰ চেতিয়া চাৰৰ বিয়োগেও আমাৰ পৰিয়ালৰৈ গভীৰ শোকৰ ছাঁয়াই আৱৰি ধৰিলে। চাৰৰ শিক্ষা, দৰ্শন আৰু মহানতা আমি সদায় সুঁৱৰিম।

মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ বিভাগীয় সহকাৰী শ্ৰদ্ধাৰ মহিবুল হকদেৱৰ কর্তব্য পৰায়নতাই আমাক মৰ্মাহত কৰিব আৰু সম্ভাৱনাময় ছাত্ৰ তথা আমাৰ অগ্ৰজ শৰৎ ককাইদেউৰ অকাল বিয়োগেও আমাক গভীৰ শোকে ম্ৰিয়মান কৰি থৈ গ'ল। "সোণালী"ৰ প্ৰাৰম্ভণিতে আটাইকেইজন মহান মনিষীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ।

শপত গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয়ত দেখি অহা সমস্যাবোৰৰ লগতে ভিন্ন সমস্যা দৃষ্টিগোচৰ হয়। সমস্যাবোৰ সমাধানৰ বাবে মোৰ আমন্ত্ৰণত ছাত্ৰ একতা সভাৰ সভাপতি সীমান্ত হাজৰিকা তথা ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্য-সদস্যা আৰু অধ্যক্ষ-উপাধ্যক্ষ তথা প্ৰত্যেকজন তত্বাৱধায়কৰ উপস্থিতিত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত মহাবিদ্যালয়ৰ সমস্যাসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। এই সভাতে কিছু গতানুগতিক সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইয়াৰ পিছতে মহাব্যিদালয়ৰ সৌন্দৰ্য বৰ্দ্ধন তথা পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ বাবে মহাবিদ্যালয়ৰ এন. এছ. এছ. গোটৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা হয়। ২০১৯ বৰ্ষৰ ৫ আগষ্ট তাৰিখে আৰম্ভ কৰা মহাবিদ্যালয় সোণালী জয়ন্তী বৰ্ষজোৰা ভিন্ন কাৰ্যসূচীত সহযোগ কৰা হয়।

ৰাজ্যত পুনৰ অসম অসমীয়া ভাষা সংস্কৃতিৰ খিলঞ্জীয়া অস্তিত্ব ৰক্ষাৰ যুঁজখন আৰম্ভ হয়। এই যুঁজখনে সমগ্ৰ অসমত অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ অন্য এক শক্তিশালী আন্দোলন 'কা-আন্দোলন' ৰূপে পৰিগণিত হয়। এই আন্দোলনত সক্ৰিয়ভাৱে জাতিধ্বংসী আইনৰ বিৰোধিতা সমগ্ৰ ছাত্ৰ সমাজে অংগীকাৰ কৰে। জাতি ৰক্ষা স্বাৰ্থৰ যুঁজৰ এই সংগ্ৰামত আমি পোনপটীয়াভাৱে জড়িত হৈ পৰোঁ। মহাবিদ্যালয়ৰ পৰা এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই 'কা' আন্দোলনতেই অসমে পুনৰ স্বদেশপ্ৰেমী, ভাষাপ্ৰেমী, আপোন সংস্কৃতিপ্ৰেমী পাঁচজনকৈ বীৰ অসমীয়া ডেকা হেৰুৱাব লগা হয়। আইৰ আঁচলখন ৰক্তৰে ৰাঙলী কৰা মমতাৰ স্খলন কৰি বুকু উদং কৰা এই চৰকাৰৰ সেই শাসন আৰু শোষণৰ প্ৰৰোচনাৰ সকলোৰে বলি হয়। পুনৰবাৰ 'কা' আন্দোলনত শ্বহীদ হোৱা পাঁচজনকৈ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ প্ৰতি বছৰৰ দৰে ২০২০ বৰ্ষৰ 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ' সপ্তাহযোৰা কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃযুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰে আৰু চাৰিটাকৈ বিভাগত ক্ৰমে - ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, গগনা বাদন আৰু চিত্ৰাঙ্কন প্ৰতিযোগিতাত পদক আঁজুৰি আনিবলৈ সক্ষম হয়। আৰু আন্তঃমহাবিদ্যালয়ে আয়োজন কৰা কাবাডী প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰে। ইয়াৰ লগতে আন্তঃমহাবিদ্যালয়ৰ বিভিন্ন শিতানত বিশ্ববিদ্যালয়ে আয়োজন কৰা প্ৰতিযোগিতাত অংশগ্ৰহণ তথা জয়লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

সমগ্ৰ বিশ্বত সৃষ্টি হোৱা কালৰূপী ক'ৰোনাই সমগ্ৰ ভাৰতবৰ্ষত প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰে সমগ্ৰ ভাৰততে লকডাউন ঘোষণা কৰে। ইয়াৰ ফলত শিক্ষাৰ পৰা আদি কৰি অৰ্থনীতিৰ পৰা সমাজনীতিলৈ সকলোতে কুপ্ৰভাৱ পৰা দেখা গৈছে। এই সময়তে দেশৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অনলাইন শিক্ষা পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সমাজৰ শিক্ষাৰ মান বৰ্তাই ৰাখিবলৈ 'অনলাইন প্ৰবন্ধ' প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। আৰু ভিন্ন অনলাইন কাৰ্যসূচী আয়োজন কৰা হয় আৰু অন্যান্য কাৰ্যসূচীত অংশ লোৱা হয়। ইয়াৰ লগতে এই অভাৱনীয় সময়ছোৱাৰ ভিতৰত বিশ্ববিদ্যালয়ে আয়োজন

কৰিবলৈ লোৱা পৰীক্ষা তথা ছাত্ৰ সমাজৰ ভিন্ন সমস্যালৈ আমাৰ মহাবিদ্যালয়ে চৰাইদেউ জিলাৰ অন্তৰ্গত সকলো মহাবিদ্যালয়ক একত্ৰিত কৰি এখনি দাবী সম্বলিত স্মাৰক পত্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্যৰ লগত মাননীয় শিক্ষামন্ত্ৰীলৈ চৰাইদেউ জিলাৰ উপায়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰা হয়। এই মহামাৰীৰ পৰা ৰক্ষা পাবলৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয় চৌহদকে ধৰি সোণাৰি নগৰ তথা পাঁচখনকৈ চাহ-বাগান চেনিটাইজ কৰা হয় আৰু সজাগতাৰ অৰ্থে পদক্ষেপ গ্ৰহণ কৰা হয়। এই পৰিস্থিতিৰ মাজতে বাঘজানৰ তৈলক্ষেত্ৰত হোৱা ভয়ংকৰ অগ্নিকাণ্ডই সকলোকে আৱেগিক কৰি যায়। এই অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ কাষত সহায়ৰ হাত হৈ মহাবিদ্যালয়ৰ পাঁচজন সহযোগীৰ সৈতে উপস্থিত হওঁগে।

এইদৰে মহাবিদ্যালয়ৰ বাবে অবিৰতভাৱে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰাৰ পাছতেই মহাবিদ্যালয়ৰ প্ৰথম যাণ্মাষিক আৰু প্ৰথম বৰ্ষৰ বাবে সহায় হোৱাকৈ এটি সহায়ক কেন্দ্ৰ ছাত্ৰ একতা সভাই গ্ৰহণ কৰে। ইয়াৰ পিছতে পুনৰ পৰিস্থিতি উন্নত হোৱাৰ লগে লগে মহাবিদ্যালয়ৰ পাঠদান কাৰ্যসূচী গ্ৰহণ কৰা হয় আৰু এই পাঠদান কাৰ্যসূচী সম্পূৰ্ণ ক'ভিদ বিধি মানি চলে তাৰ ওপৰতো কৰ্তৃপক্ষৰ লগত সহযোগ কৰা হয়। মহাবিদ্যালয় পুনৰ আৰম্ভ হোৱাৰ লগে লগে মহাবিদ্যালয়ৰ ভিন্ন সমস্যা পুনৰ পৰিলক্ষিত হয় আৰু এই সমস্যাৰ সমাধানৰ বাবে ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ লগতে এখনি সভা আয়োজন কৰা হয়। ছাত্ৰ সমাজত দেখা নিচা জাতীয় দ্ৰব্য সেৱন তথা মহাবিদ্যালয়ৰ চৌহদত বাহনসমূহ পাৰ্কিঙক লৈ সেই সময়ৰ চৰাইদেউ জিলাৰ মাননীয় আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ ছাৰৰ সৈতে আলোচনা কৰা হয়।

মহাবিদ্যালয়ৰ নতুনত্বক আদৰাৰ উদ্দেশ্যে মহাবিদ্যালয়তে এখনি নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই সভাত অসম লোকসভা পৰীক্ষাত উত্তীৰ্ণ হোৱা কাব্যশ্ৰী দিহিঙ্গীয়া, প্ৰাক্তন সোণাৰিয়ানৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপৰ অনুষ্ঠান ৰখা হয় আৰু মাননীয় অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত আয়োজিত হোৱা সেই সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোঁহাইক বিশিষ্ট বক্তা হিচাপে আমন্ত্ৰণ কৰে।

এইদৰে আমাৰ ২০১৯-২০ বৰ্ষৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰ একতা সভাৰ দ্বাৰা অবিৰামভাৱে মহাবিদ্যালয় তথা চৰাইদেউ জিলাৰ সমূহ ছাত্ৰ সমাজৰ বিভিন্ন সমস্যাৰাজিৰ হকে সৰৱ হৈ নেতৃত্ব লোৱা হয়। তথাপিও সাধাৰণ সম্পাদক হিচাবে বিগত বৰ্ষটোত মহাবিদ্যালয়ৰ বাবে সম্পাদন কৰা কাৰ্যসূচীসমূহ মই তলত উল্লেখ কৰিলো-

সকলো ছাত্ৰ-ছাত্ৰী তথা মাননীয় শিক্ষাগুৰুসকলৰ উপস্থিতিত বিশ্বকৰ্মা পূজা উদ্‌যাপন, অসমীয়া বোলছবি 'ৰত্নাকৰ'ৰ প্ৰচাৰৰ বাবে অহা সমূহ পৰিয়ালক মহাবিদ্যালয়ৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱা হয়। ২ অক্টোবৰ তাৰিখে গান্ধী জয়ন্তী উদ্‌যাপন, সপ্তাহজোৱা বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতা উদ্‌যাপন, সৰস্বতী পূজা উদ্‌যাপন, ডিব্ৰুগড় বিশ্ব বিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত অংশ গ্ৰহণ, ৫০ তম্ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ শুভেচ্ছামূলক এটি ভিডিঅ' মুকলি কৰা হয়। মহামাৰীৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহৰ প্ৰতি লক্ষ্য ৰাখি এখনি দাবী সম্বলিত স্মাৰক পত্ৰ মাননীয় শিক্ষামন্ত্ৰী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মহোদয়লৈ প্ৰেৰণ কৰা হয়। মোৰ কাৰ্যকালত মহাবিদ্যালয়ত পানৰ সুব্যৱস্থাৰ বাবে মহাবিদ্যালয়ত থকা দুটা একোৱা গাৰ্ডৰ মেৰামতি কৰা হয়। নৱাগত ছাত্ৰ-ছাত্ৰীসকলক ৰেগিং কৰাত কঠোৰ বাধা আৰোপ কৰা হয়। সভাপতি আৰু সাধাৰণ সম্পাদকৰ নাম ফলক দুখন পুনৰ নিৰ্মাণ কৰা হয়। মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে চাফাই অভিযান কৰা হয়। মহাবিদ্যালয়ৰ চৌহদকে ধৰি নগৰ এলেকা তথা পাঁচখনকৈ বাগিচা চেনিটাইজিঙৰ কাম কৰা হয়। নামভৰ্তিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সহায় হোৱাকৈ এটি অস্থায়ী নামভৰ্তিৰ সহায়ক কেন্দ্ৰ স্থাপন কৰা হ। 'আজিৰ লেখা' নামেৰে দৈনিক প্ৰাচীৰ পত্ৰিকা মুকলি কৰা হয়। মহাবিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ দীবাকৰ চক্ৰৱৰ্তীৰ অকাল বিয়োগত তেওঁৰ পৰিয়ালক সকাহ দিয়াৰ উদ্দেশ্যেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত কিছু সহায়ৰ হাত আগবঢ়োৱা হয়। মহাবিদ্যালয়ৰ শ্বহীদ বেদী

পুনৰ ৰং কৰা হয়। বাঘজান তৈলক্ষেত্ৰত হোৱা অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ কাষত মহাবিদ্যালয়ৰ তৰফৰ পৰা কিছু সহায়ৰ হাত লৈ উপস্থিত হওঁগে। নৱাগত সকলক আদৰাৰ উদ্দেশ্যেৰে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। ছাত্ৰীৰ জিৰণি কোঠাত বিশুদ্ধ খোঁৱাপানী ব্যৱস্থাৰ বাবে এটি একোৱা গাৰ্ডৰ ব্যৱস্থা কৰা হয়। ছাত্ৰীৰ জিৰণি কোঠাত এটি টি.ভি. ফেনৰ সুব্যৱস্থা কৰা হয়।

সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ প্ৰান্তত মই কাৰ্যকালৰ সময়ছোৱাত মোক সৰ্বতো দিশত অভিভাৱকৰ দৰে সু-দিহা-পৰামৰ্শ প্ৰদান কৰি মোক কৃতাৰ্থ কৰাৰ বাবে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, সমূহ কৰ্মচাৰী, মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ আৰু মোৰ একতা সভাৰ সহযোগীলৈ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

.........................

# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা সেইসকল মহান মণিকলৈ যিসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত এই জ্ঞানৰ মন্দিৰ 'সোণাৰি মহাবিদ্যালয়' আজি স-গৌৰৱেৰে সোণাৰিৰ মাজ মজিয়াত জিলিকি আছে।

সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয় তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। ২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সহকাৰী সাধাৰণ সম্পাদিকা পদলৈ নিৰ্বাচন কৰি মহাবিদ্যালয়ৰ হকে কাম কৰি যোৱাৰ সুযোগ দিয়া সকলো শুভাকাংশীলৈ মই স-হৃদয়ে ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিগত বৰ্ষত ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদিকা হিচাবে আন আন বিষয়ববীয়াসকলক সহায়-সহযোগিতা আগবঢ়াইছিলো। সহকাৰী সাধাৰণ সম্পাদিকা হিচাবে কাম কৰিবলৈ লোৱাত কিমান দূৰ সফল হ'ব পাৰিলো নাজানো, কিন্তু মোৰ আগ্ৰহ আৰু চেষ্টা কম হ'বলৈ দিয়া নাছিলো। গতিকে মই কৃতাৰ্থ যে সহকাৰী সাধাৰণ সম্পাদিকা হিচাবে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সৌভাগ্যকণ মই পালো। সেয়েহে পুনৰবাৰ ধন্যবাদ আৰু অভিনন্দন জনাইছোঁ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলক।

মোৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা লগতে সু-দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ ছাৰক প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুক অশেষ কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

শেষত অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

আইভি ৰাজকুমাৰী

সহকাৰী সাধাৰণ সম্পাদিকা ছাত্ৰ একতা সভা

# গুৰু ক্ৰিয়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় একলমৰ আৰম্ভণিতে মই সেই মহান ব্যক্তিসকলৰ নিস্বাৰ্থ সেৱা আৰু পৰিশ্ৰমৰ দ্বাৰা এই জ্ঞানৰ মন্দিৰটো প্ৰতিষ্ঠা হৈছে, সেই মহান ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছোঁ আৰু শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে সোণাৰি মহাবিদ্যালয়ত বৰ্তমান কৰ্মৰত থকা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ তৰফৰ পৰা অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

যিহেতু মই ক্ৰিয়াৰ লগত জড়িত এজন ছাত্ৰ সেইয়েহে মহাবিদ্যালয়ৰ ক্ৰিয়াৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াৰ মানসেৰে সোণাৰি মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত গুৰু ক্ৰিয়া বিভাগত প্ৰতিদ্বন্দিতা আগবঢ়াইছিলো।

মই সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক আৰু জ্যেষ্ঠসকলক মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো, যিসকলে ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত গুৰু ক্ৰিয়া বিভাগৰ দৰে এটি গধুৰ দায়িত্ব অৰ্পণ কৰে। গুৰু ক্ৰিয়া বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ ক্ৰিয়া দিশটো কি কি কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়।

আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়ৰ ক্ৰিকেট, ভলীবল, কাবাডী দলকেইটাক আংশগ্ৰহণ কৰিবলৈ সুবিধা কৰি দিছিলো। মহাবিদ্যালয়ৰ ক্ৰিকেট আৰু ভলীবল দলটিয়ে যথেষ্ট কষ্ট কৰিছিল কিন্তু প্ৰতিযোগিতাত জয়ৰ ফল কঢ়িয়াই আনিব নোৱাৰিলে।

ইয়াৰ ভিতৰত সোণাৰি মহাবিদ্যালয়ৰ কাবাডী দলটি আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে সোণাৰি মহাবিদ্যালয়ৰ লগতে অঞ্চলটোৰ বাবে গৌৰৱ কঢ়িয়াই আনে। কাবাডী দলটিত বেষ্ট ৰেডাৰ পাইছিল ধ্ৰুৱজ্যোতি খাকলাৰী আৰু বেষ্ট ডিফেণ্ডাৰ পাইছিল লক্ষ্যজিত বৰবৰুৱা।

গুৰু ক্ৰিয়া বিভাগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মুহূৰ্তটোৱেই মহাবিদ্যালয়ৰ ক্ৰিয়া সপ্তাহ। বাৰ্ষিক ক্ৰিয়া সপ্তাহৰ সময়ত মই সকলো খেল সুচাৰুৰূপে অনুষ্ঠিত কৰিলো বুলি ভাৱো. তাত যদি ক'ৰবাত মোৰ ভুল-ত্ৰুটি হৈছে তেন্তে আপোনালোকে যেন নিজৰ ভাতৃ, বন্ধু হিচাপে ক্ষমা কৰে যেন।

কৃতজ্ঞতা স্বীকাৰ ঃ

মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ লগতে ফনিন্দ্ৰ কোঁৱৰ ছাৰ, জ্যোতিপ্ৰসাদ ছাৰ, দিব্য ছাৰক প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক বিভিন্ন সময়ত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়াৰ লগতে দিহা-পৰামৰ্শ আৰু সহায় আগবঢ়োৱা লক্ষ্য দা, সঞ্জীৱ দা, প্ৰযোজ্য দা, বিকল্প, বসন্ত দা আৰু ইয়াৰ উপৰিও ছাত্ৰ নিবাস আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসীৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু অনাগত দিনত মহাবিদ্যালয়খনে শৈক্ষিক দিশৰ লগতে ক্ৰিয়া দিশটো যাতে মহাবিদ্যালয়ৰ বাবে গৌৰৱ কঢ়িয়াই আনে তাৰে কামনা কৰিলোঁ।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

বেদান্ত বৰঠাকুৰ
গুৰু ক্ৰিয়া বিভাগৰ সম্পাদক

.........................

# ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ, শ্ৰম, নিঃস্বাৰ্থ সেৱা আৰু সৎ প্ৰচেষ্টাৰ ফলত এই জ্ঞানৰ মন্দিৰ প্ৰতিষ্ঠা হ'ল সেই মহান ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি চ'ৰা সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাত মই খুবেই সুখী আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত চিৰ কৃতজ্ঞ।

মোৰ এই কাৰ্যকালৰ সকলো দিশতে মোক সু-পৰামৰ্শ দিয়াৰ বাবে শ্ৰদ্ধাৰ শ্ৰীযুত সুচিত্ৰ নাৰায়ণ ৰাজখোৱা ছাৰলৈ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে মোক প্ৰতিটো ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু ভাইটি-ভণ্টিসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। সদৌ শেষত মোৰ এই কাৰ্যকালত যদি কিবা ভুল-ত্ৰুটি ৰৈ গৈছে, তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী। লগতে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিছোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়।"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

বিষ্ণু প্ৰধান, সম্পাদক
ছাত্ৰ জিৰণি চ'ৰা ২০১৯-২০ বৰ্ষ

.........................

# ছাত্ৰী জিৰণী চ'ৰা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল, সেইসকল মহান ব্যক্তিৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে তেওঁলোকক মই শ্ৰদ্ধাৰে সোঁৱৰিছো আৰু বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° বিমলচন্দ্ৰ গগৈ আৰু শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয় শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা চাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৯-২০ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণী চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা হিচাপে মই কিমান যোগ্য হৈ উঠিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ প্ৰতিটো দায়িত্ব নিষ্ঠা আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিলো। এইক্ষেত্ৰত মোক দিহা-পৰামৰ্শ আগবঢ়োৱা প্ৰত্যেকজন ব্যক্তিলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল আৰু মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিসমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী।

শেষত মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতিৰ কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

মন্দিৰা পাল

ছাত্ৰী জিৰণী চ'ৰা সম্পাদিকা (২০১৯-২০)

# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় একলম আগবঢ়োৱাৰ আগতেই শ্ৰদ্ধা আৰু সশ্ৰদ্ধ প্ৰণিপাত জনাইছো সেইসকল মহান মনীষীলৈ যিসকল ব্যক্তিৰ সৎচিন্তা, ত্যাগ আৰু নিস্বাৰ্থ সেৱাৰ ফলশ্ৰুতিত আজি ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়খনি প্ৰতিষ্ঠা লাভ কৰি ৫০ বৰ্ষত ভৰি দিলেহি। ইয়াৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু সমূহ কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সম্পাদক হৈ সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী হৈ ৰ'ম। আপোনালোকৰ পৰা পোৱা সহায় সহযোগিতাই মোক আগুৱাই যোৱাত যথেষ্ট পৰিমাণে সহায় কৰিছিল। মইও মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ যথেষ্ট চেষ্টা আৰু কষ্ট কৰিছিলো। সম্পাদকীয় কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমাহৰ পাছতেই আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। এই সপ্তাহত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু বন্ধু-বান্ধৱীসকলৰ সহযোগত তৰ্কবিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ সুকলমে অনুষ্ঠিত কৰিবলৈ সক্ষম হ'লো।

এইক্ষেত্ৰত মোক বিশেষভাৱে সহায় কৰা বিভাগীয় উপদেষ্টা পদ্মকুমাৰী গগৈ বাইদেউ, দ্বীপজ্যোতি বড়া ছাৰ, নৱজ্যোতি দত্ত ছাৰৰ লগতে সকলো শিক্ষাগুৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু মোৰ বন্ধুবৰ্গ আৰু ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত যোগদান ঃ-

ঃ মৰাণ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত যোগদান কৰা হয় (১৬ অক্টোবৰ, ২০২০)

ঃ গড়গাওঁ মহাবিদ্যালয়ত অনুষ্ঠিত তনু কোঁৱৰ সোঁৱৰণি তৰ্ক প্ৰতিযোগিতাত যোগদান কৰা হয় (২২ অক্টোবৰ ২০২০)

ঃ সদৌ অসম ছাত্ৰ সন্থাৰ সপ্তদশ দুলিয়াজান অধিৱেশনৰ তৰ্ক প্ৰতিযোগিতাত যোগদান।

ঃ গড়গাওঁ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱত হোৱা তৰ্ক প্ৰতিযো গিতাত যোগদান।

মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে তৰ্ক বিভাগৰ সম্পাদক হিচাপে এই এবছৰীয়া কাৰ্যকালত মই কি কৰিব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। কিছুমান নতুন পৰিকল্পনা হাতত লম ভাবিছিলো যদিও কম অভিজ্ঞতা আৰু কিছুমান সমস্যাৰ বাবে ই সম্ভৱ নহ'ল। তাৰবাবে মই আপোনালোকৰ আগত ক্ষমাপ্ৰাৰ্থী। সদৌ শেষত মহাবিদ্যালয়ৰ গুণ-গৰিমা আৰু আদৰ্শ অটুত থাকক আৰু আগন্তুক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাখনে আৰু এখোজ মহাবিদ্যালয়ৰ উন্নতিৰ হকে আগুৱাই আহক তাৰে কামনা কৰিলো।

২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ লগত জড়িত হৈ অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল সমূহ তলত উল্লেখ কৰা হ'ল ---

১। কুইজ প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ হেমকান্ত দত্ত।
গৌৰৱ পল।
অনুপম শইকীয়া।
ভাস্কৰজ্যোতি গগৈ।

দ্বিতীয় ঃ হোমেন গগৈ।
পল্লৱ কাকতি।

তৃতীয় ঃ স্তুতি গগৈ।
তৰালী বৰুৱা।

শ্ৰেষ্ঠ দৰ্শক (কুইজ) ঃ পাপৰি চেতিয়া।

২। আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ লোপামুদ্ৰা মহন।
দ্বিতীয় ঃ পাপৰি চেতিয়া।
তৃতীয় ঃ দ্বীপ দত্ত।

৩। শব্দশৃংখল প্ৰতিযোগিতা

প্ৰথম ঃ বন্দিতা দাস।
দ্বিতীয় ঃ ৰিতুপৰ্ণা দৈমাৰী।
তৃতীয় ঃ ৰিম্পী থাপা।

৪। স্মৃতি পৰীক্ষাৰ ফলাফল

প্ৰথম ঃ স্তুতি গগৈ।
দ্বিতীয় ঃ নম্ৰতা গগৈ।
তৃতীয় ঃ দীপাঞ্জলি ডেকা।

৫। তৰ্ক প্ৰতিযোগিতাৰ ফলাফল

শ্ৰেষ্ঠ তাৰ্কিক ঃ মনীষা গগৈ।
দ্বিতীয় ঃ ভাস্কৰ গগৈ।
তৃতীয় ঃ তহিদুৰ জামান।

শ্ৰীসুৰজিত কোঁৱৰ (তৰ্ক বিভাগৰ সম্পাদক)
ছাত্ৰ একতা সভা সোণাৰি মহাবিদ্যালয়

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মই যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই সোণাৰি মহাবিদ্যালয়খনে জন্ম লাভ কৰিছিল আৰু জ্ঞানৰ পোহৰ সঞ্চাৰিত কৰিছিল সেইসকলৰ প্ৰতি কৃতজ্ঞতা নিবেদন কৰিছোঁ।

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৯-২০২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ৰূপে মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সতীৰ্থলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২০১৯-২০২০ বৰ্ষত শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই আন্তঃমহাবিদ্যালয় ভিত্তিক ভাৰউত্তোলন আৰু শৰীৰ চৰ্চা প্ৰতিযোগিতাত যোগদান কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ হৈ তিনিজনে পদক লাভ কৰি মহাবিদ্যালয়ৰ নাম উজ্বলাবলৈ সক্ষম হয়।

তাৰ পাছতেই বিগত বছৰৰ দৰে এইবাৰো ছাত্ৰ-ছাত্ৰীসকলৰ অতি হেঁপাহৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰিছিলো। আমি হেঁপাহৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰিছিলো। আমি এই ক্ৰীড়া সপ্তাহ সুচাৰুৰূপে পালন কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো। মহাবিদ্যালয়ৰ লগত সংগতি ৰাখি মই শক্তি উত্তোলন, ভাৰউত্তোলন, পাঞ্জা আৰু দেহশ্ৰী প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। মহাবিদ্যালয়ৰ এই বাৰ্ষিক ক্ৰীড়াত যিসকল ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল তেওঁলোকে যাতে মহাবিদ্যালয়ৰ বাহিৰে আন ঠাইত অনুষ্ঠিত হোৱা ক্ৰীড়াত অংশ গ্ৰহণ কৰি ইয়াতকৈ ভাল পাৰদৰ্শিতা দেখুৱাব পাৰে তাৰেই কামনা আৰু এই সুযোগতে সমূহ ক্ৰীড়া প্ৰতিযোগীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলো।

সম্পাদকৰ গুৰু দায়িত্ব চলাই নিওঁতে মোক বিভিন্ন ভুল-ভ্ৰান্তি দেখুৱাই সু-পৰামৰ্শ তথা প্ৰত্যক্ষ সহায়েৰে এই দায়িত্ব চলাই নিয়াৰ ক্ষেত্ৰত বাট দেখুৱাই দিয়া মোৰ সহকাৰী ছাত্ৰ একতাৰ সতীৰ্থসকলৰ লগতে প্ৰাক্তন ছাত্ৰ একতা সভাৰ দাদা বাইদেউসকল তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল আৰু শ্ৰদ্ধাৰ অধ্যাপকসকল তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু বিভাগীয় উপদেষ্টাদ্বয় শ্ৰীযুত চক্ৰপাণি পাতিৰ চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভাৱে হৈ যোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি এই ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'।

মহম্মদ মাচুম হুছেইন
সোণাৰি মহাবিদ্যালয়, সোণাৰি

........................

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা যাচিছোঁ যিসকলৰ অশেষ কষ্টৰ ফলত সোণাৰি মহাবিদ্যালয়ে প্ৰাণ পাইছিল, লগতে মোৰ মৰমৰ তথা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দ, লগৰ সমনীয়ালৈ মোৰ শ্ৰদ্ধা, মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী।

বিভাগীয় সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথম পদক্ষেপ হিচাপে এটা নিৰ্দিষ্ট দিন ধাৰ্য কৰি কলেজৰ চৌহদত এটি বাৰ্ষিক ক্ৰীয়া সপ্তাহৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলো আৰু কলেজৰ চৌহদ চাফাই কৰা হ'ল।

মোৰ কাৰ্যকালৰ সময়খিনিত সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোৰ কাৰ্যসমূহ নিয়াৰিকৈ চলোৱাৰ বাবে কৰ্মচাৰীৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে মোক ক্ষমা কৰে যেন। সোণাৰি মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱ কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিছোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

ৰিতুৰাজ চাংমাই
সোণাৰি মহাবিদ্যালয়
সমাজসেৱা বিভাগ

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ক'ব বিচাৰোঁ মই নিজকে বহুত সৌভাগ্যবান বুলি ভাৱোঁ এই কাৰণেই যে ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হোৱাৰ লগতে ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এগৰাকী সদস্যা হৈ এটা বছৰে মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে দায়িত্ব গ্ৰহণৰ সুযোগ পালোঁ।

সোণাৰি মহাবিদ্যালয়ৰ 'ছাত্ৰ একতা সভা'ৰ নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ আগ্ৰহ মোৰ সদায়েই আছিল। সেয়েহে নিজৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্যেৰে লগতে মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কাম কৰাৰ বাবে 'ছাত্ৰ একতা সভা'ৰ নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়াই 'সংগীত বিভাগৰ সম্পাদিকা' হিচাপে নিৰ্বাচিত হওঁ। মহাবিদ্যালয়ৰ হকে কাম কৰি যোৱাৰ বাবে মোক এনেকুৱা এটা সুযোগ প্ৰদান কৰাৰ বাবে মই মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীক মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত মই সন্মুখীন হোৱা বহুতো অভিজ্ঞতা মোৰ স্মৰণীয় হৈ ৰ'ব। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পালন কৰিব যোৱাত মোক বিভিন্ন দিশত সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক মই মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত 'সংগীত বিভাগৰ সম্পাদিকা' হিচাপে মোৰ কাৰ্যকালত বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু অনাগত দিনত সোণাৰি মহাবিদ্যালয়ে উন্নতিৰ জখলাত আগুৱাই যায় তাৰে কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়।"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

ত্ৰিবেণী বৰগোহাঁই
সংগীত বিভাগৰ সম্পাদিকা, ২০১৯-২০ বৰ্ষ।

.........................

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

"সাৰে আছোঁ আমি
হেজাৰ সেনানী
জ্ঞানৰ পূজাৰী হৈ,
কলা-বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।"

দায়িত্ব আৰু নিষ্ঠা এটা মুদ্ৰাৰ দুটা পিঠি; আপুনি যদি দায়িত্ব পাইছে তেন্তে দায়িত্বক সততাৰে পালন কৰাটো আপোনাৰ নৈতিক আচৰণৰ প্ৰফিলন। সফলতা আপোনাৰ দায়িত্বৰ প্ৰতি থকা স্পৃহাখিনি আৰু লগতে নিষ্ঠাবান মনৰ উদ্যমেৰে প্ৰতিফলিত হোৱা কাৰ্যৰ বাস্তৱতাই প্ৰকাশ কৰিব। আমি সকলোৱে কৰ্ম কৰা আৰু কৰ্মত ব্ৰতী হোৱাটো একান্তই কামনা কৰোঁ, সেয়া লাগিলে জীৱন গঢ়াৰে হওক নতুবা ঘৰৰ, বিদ্যালয়, মহাবিদ্যালয়, সমাজৰ হকেই হওক; কিন্তু এটা কথা সাৰ্বজনীন যে আমি কাম কৰি ভাল পাওঁ। কিহৰ বাবে বুলি সুধিলেই উত্তৰত হ'ব আমি কাম সম্পাদন হোৱাৰ পাছ মুহূৰ্তত যি আত্মিক সন্তুষ্টি লাভ কৰোঁ সেই ক্ষুধা নিবাৰণৰ বাবে। কামৰ প্ৰতি থকা স্পৃহাখিনিয়ে আপোনাক নিজ জীৱনৰ সেইটো স্তৰলৈ নিব পৰা ইংগিত বহন কৰে য'ৰ পৰা আপুনি সঁচাই সুখৰ অনুসন্ধানকাৰী পথৰ পথিক সেয়া নিশ্চিত বুলি আঙুলিয়াই দিয়ে। আপুনি কৰ্মৰ অভিলিপ্সাত বৰ্তী হৈ জীৱনক গতি দিব বিচাৰে তেন্তে আপুনি কামৰ প্ৰতি আৰু কাম কৰাৰ প্ৰতি থকা উদ্যমক সদায় সক্ৰীয় কৰি ৰখাৰ প্ৰতি সচেতন হৈ থকাৰ বাবে বদ্ধপৰিকৰ হ'ব লাগিব। সহজ ভাষাত ক'বলৈ হ'লে আমি কামক ভাল পাব লাগে; এই কাম কৰাৰ প্ৰতি থকা স্পৃহাখিনিয়ে আপোনাৰ কৰ্মৰ চানেকীক সূচিত কৰিব।

মই বিগত বৰ্ষটোৰ বাবে মহাবিদ্যালয়খনৰ ছাত্ৰ প্ৰতিনিধিৰূপে থিয় দি সাহিত্য সম্পাদকৰ দায়িত্ব বহন কৰিছিলোঁ। এই দায়িত্ব পালন কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাৰ্থী সমাজে মোক উপযুক্তৰূপে এখাজ আগবঢ়াই দিয়াৰ বাবে সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

লগতে মোৰ কাৰ্যকালত মোৰ পদবীৰ তত্ত্বাৱধায়কৰূপে সস্নেহে ইংৰাজী বিভাগৰ অধ্যাপিকা ড° দীপাঞ্জলী গগৈ বাইদেউলৈ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰান্তত চৰাইদেউ জিলাৰ অন্তৰ্গত সোণাৰি মহাবিদ্যালয়ে স্বগৰিমাৰে উজলি শিক্ষা ও সাধনাৰ শলিতা কোনোদিনে ম্লান নপৰাকৈ আগবাঢ়ি যাওক; ইয়াৰ কামনাৰে...

"জয়তু সোণাৰি মহাবিদ্যালয়।"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

হোমেন গগৈ

সাহিত্য সম্পাদক - ২০১৯-২০

.........................................

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সোণাৰু আৰু কৃষ্ণচূড়াৰ দেশৰ সকলো সদস্যলৈকে মোৰ ফালৰ পৰা নমস্কাৰ জনাইছোঁ। মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু এই মহান প্ৰতিষ্ঠানৰ জন্মদাতা সকলো স্বনামধন্য ব্যক্তিলৈ মোৰ ফালৰ পৰা যাচিছোঁ সেৱা, শ্ৰদ্ধা আৰু মৰম। লগতে মহাবিদ্যালয়ৰ মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টি সকলোলৈকে মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আজি আপোনাসবৰ বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যহিচাপে দুআষাৰ লিখিবলৈ সুবিধা পাইছো।

সোণাৰি মহাবিদ্যালয়ত পঢ়াৰ সপোন সৰুৰে পৰাই পুঁহি ৰাখিছিলো আৰু মোৰ এই সপোন বাস্তৱত ৰূপায়িত কৰি ২০১৯ বৰ্ষত মহাবিদ্যালয়ত ভৰি দিলো। প্ৰথম মহাবিদ্যালয়লৈ অহাৰ পৰাই মহাবিদ্যালয়খনৰ বাবে সক্ৰিয় ভাৱে কিবা এটা কৰাৰ হেঁপাহ জাগিল। মোৰ এই হেঁপাহ পুৰাবৰ বাবে মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক ৰূপে মোৰ কামৰ আৰম্ভণি কৰিলো। মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো আগুৱাই নিবৰ বাবে মোৰ সাধ্য অনুসাৰে চেষ্টা কৰিলো। ইয়াতে যদি অজানিতে ক'ৰবাত ভুল-ত্ৰুটি ৰৈ গ'ল তাৰবাবে মই ক্ষমাপ্ৰাৰ্থী।

সাংস্কৃতিক সম্পাদক ৰূপে মই কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত চহকী সকলো ছাত্ৰ-ছাত্ৰীক উলিয়াই আনিবৰ বাবে চেষ্টা কৰিলো।

মোৰ বিভাগটোৰ আটাইতকৈ গধুৰ দায়িত্বটো আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয় 'আন্ত-মহাবিদ্যালয় যুৱ মহোৎসৱ'ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলক যোগদান কৰোৱা। মোৰ এই গধুৰ দায়িত্বটি যিমান পাৰো সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিলো। এই ছেগতে মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ দলটিৰ প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জনাইছো, তেওঁলোকে মোক এই ক্ষেত্ৰত যথেষ্ট পৰিমাণে সহায়ৰ হাত আগবঢ়ালে। তেওঁলোকৰ সহায়ৰ অবিহনে ইমান এটা গধুৰ দায়িত্ব পালন কৰাটো হয়তু মোৰ বাবে সম্ভৱ নাছিল। তেওঁলোকৰ সহায়-সহযোগিতা মহাবিদ্যালয়ৰ প্ৰতি থকা দায়িত্ববোধ, মৰম আৰু তেওঁলোকৰ প্ৰতিভাই বিভিন্ন ক্ষেত্ৰত পুৰস্কাৰ বুটলি বিগত বছৰৰ দৰে এইবাৰো মহবিদ্যালয়ৰ নাম অটুত ৰাখিবলৈ সক্ষম হ'ল।

সোণাৰি মহাবিদ্যালয় আমাৰ আৱেগ, আমাৰ প্ৰেম। মহাবিদ্যালয়খনকলৈ আগতেও গৌৰৱ কৰোঁ, এতিয়াও কৰোঁ আৰু আমাৰ এই গৌৰৱ ভৱিষ্যতলৈও অটুত থাকিব। শেষত --

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

মানসজ্যোতি সন্দিকৈ
সাংস্কৃতিক সম্পাদক ২০১৯-২০

.............................................


INK

# মহাবিদ্যালয়ৰ গৌৰৱ

## ২০১৯-২০ বৰ্ষৰ আন্তঃ মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল



পূবালী ফুকন
ভূপেন্দ্ৰ সংগীতত প্ৰথম
বিষ্ণু ৰাভা সংগীত আৰু
গগণা বাদনত তৃতীয়



নিলোৎপল শইকীয়া
চিত্ৰাঙ্কন প্ৰতিযোগিতাত
দ্বিতীয়



নিতুল মানকী
শৰীৰ চৰ্চা বিভাগত
প্ৰথম



প্ৰাণজিত তালুকদাৰ
শক্তি উত্তোলন বিভাগত
প্ৰথম



ধ্ৰুৱজ্যোতি খাখ্‌লাৰী
শ্ৰেষ্ঠ ৰেডাৰ
কাবাডী



লক্ষ্যজিত বৰবৰুৱা
শ্ৰেষ্ঠ ডিফেণ্ডাৰ
কাবাডী




মনীষা গগৈ
কবিতা লিখি আসাম বুক অৱ্‌ ৰেকৰ্ডচত
নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হোৱা ছাত্ৰী




মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কাবাডী দল

" সাঁচিপাতে ভাষা দিব
চিফুঙে আশা দিব
ৰংঘৰে মেলিব দুৱাৰ... "

# মহাবিদ্যালয়ৰ সপ্তাহ
## ২০১৯-২০


অনুৰণ বেজবৰুৱা
শ্ৰেষ্ঠ পৰিচালক


প্ৰযোজ্য মাধৱ দত্ত
শ্ৰেষ্ঠ অভিনেতা


বৰষা ৰাজকুমাৰী
শ্ৰেষ্ঠা অভিনেত্ৰী


সঞ্জীৱ শইকীয়া
শ্ৰেষ্ঠ সহ অভিনেতা


আইভী ৰাজকুমাৰী
শ্ৰেষ্ঠা সহ অভিনেত্ৰী


ৰেখা নেওগ
শ্ৰেষ্ঠা কৌতুক অভিনেত্ৰী


পূবালী ফুকন
শ্ৰেষ্ঠা গায়িকা


নিতুল মানকী
মিষ্টাৰ সোণাৰি কলেজ


প্ৰযোজ্য মাধৱ দত্ত
মিষ্টাৰ সোণাৰি কলেজ


লোপামুদ্ৰা মহন
মিচ সোণাৰি কলেজ


পলাশ প্ৰতীম আদিত্য
শ্ৰেষ্ঠ সমাজসেৱক


মনীষা গগৈ
শ্ৰেষ্ঠা তাৰ্কিক

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ আলোকচিত্ৰ

























“সোণালী”ৰ স্বৰ্ণময় যাত্ৰা ...

